GUWAHATI *ASSAM* ESTD.2003

# Al-Ameen



*Fifteenth Anniversary Souvenir, 2018*

**Al-Ameen Welfare Society**

শ্ৰদ্ধাঞ্জলি...

# আব্দুল মজিদ চাহেবলৈ



জন্ম ঃ ০১-০৫-১৯৩২ মৃত্যু ঃ ২৪-০৯-২০১৭

আল-আমিন জনকল্যাণ সমাজৰ জন্ম লগনৰ পৰাই জড়িত, প্ৰতিষ্ঠাপক সদস্য তথা আল-আমিনৰ অন্যতম চালিকা শক্তি আৰু অসমৰ কলা সাংস্কৃতিক জগতৰ ভোটা তৰা আব্দুল মজিদ চাহাবৰ পূণ্য স্মৃতিৰ প্ৰতি আমাৰ শ্ৰদ্ধাঞ্জলি। ইয়াৰ লগতে আমাৰ মাজৰ পৰা আতৰি যোৱা আন সকলকো আমি শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

বিছমিল্লাহিৰ ৰাহমানিৰ ৰহিম

# AL-AMEEN
## (Trustworthy)
# আল্-আমিন

''আল্লাহে কোনো জাতিৰ অৱস্থা পৰিৱৰ্ত্তন কৰি নিদিয়ে যেতিয়ালৈকে সিহঁতে সিহঁতৰ অন্তৰত যি আছে সেয়া পৰিৱৰ্ত্তন নকৰে''

**(কোৰান ১৩ঃ১১)**

**সম্পাদক ঃ**
**ফকিল আহমেদ বৰা**

**আল্-আমিন জন-কল্যাণ, সমাজ, গুৱাহাটী**
২০১৮

আল-আমিন জনকল্যাণ সমাজৰ হৈ সভাপতি নুৰুল হক আৰু সচিব প্ৰধান ইনামুল ইছলামৰ দ্বাৰা প্ৰকাশিত।

---

বেটুপাতৰ পৰিকল্পনা ঃ চফিউৰ ৰহমান শইকীয়া
আছলাম আহমদ

প্ৰকাশ ঃ ৮ জুলাই ২০১৮

বৰঙণি ঃ ১০০ টকা
(আল-আমিন জনকল্যাণ পুঁজিৰ বাবে শুভেচ্ছামূলক বৰঙণি)

মুদ্ৰণ ঃ মাইক্ৰ কম্প-টেক
জয়ানগৰ পথ, ছয়মাইল, গুৱাহাটী-৭৮১০২২,
ফোন-৯৮৬৪০-৭২৯৬৯, ৯৫০৮৭-৮০৪৬৭,
ই-মেইল ঃ microcomptech@gmail.com

## সম্পাদনা কক্ষ

*সম্পাদক*

*ফকিল আহমেদ বৰা*

*সদস্য*

*আব্দুল ৰাছি*

*চফিউৰ ৰহমান শইকীয়া*

*মাচুম বেগম ৰাছিফ*

*ড° তৈয়বুৰ ৰহমান*

*নুৰুল হক*

*ইনামুল ইছলাম*

---

## 'আল-আমিন'ৰ কাৰ্যনিৰ্বাহক সমিতি (২০১৭-১৯)

| | | |
|---|---|---|
| ১) | নুৰুল হক | সভাপতি |
| ২) | ফকিল আহমদ বৰা | উপ-সভাপতি |
| ৩) | ইনামুল ইছলাম | সচিৱ প্ৰধান |
| ৪) | ইমতিয়াজ আলি | বিত্ত সচিৱ |
| ৫) | মাছুম আৰা ৰহমান | যুটীয়া সচিৱ |
| ৬) | মিচেচ খোদেজা বেগম | যুটীয়া সচিৱ |
| ৭) | কমৰুজ্জামান আহমদ | প্ৰতিষ্ঠাপক সদস্য |
| ৮) | মোহাম্মদ আব্দুল হাৰমাইন | প্ৰতিষ্ঠাপক সদস্য |
| ৯) | হাছিবুৰ ৰহমান | প্ৰতিষ্ঠাপক সদস্য |
| ১০) | আব্দুল ৰাছি | প্ৰতিষ্ঠাপক সদস্য |
| ১১) | ডাঃ তৌফিকুৰ ৰহমান বৰবৰা | প্ৰতিষ্ঠাপক সদস্য |
| ১২) | মঃ মেহমুদুৰ ৰেহমান বৰা | প্ৰতিষ্ঠাপক সদস্য |
| ১৩) | ইলতাফ হুছেইন হাজৰিকা | প্ৰতিষ্ঠাপক সদস্য |
| ১৪) | চফিউৰ ৰহমান শইকীয়া, | আজীৱন সদস্য |
| ১৫) | চৈয়দ হাৰুণাৰ ৰহমান | আজীৱন সদস্য |
| ১৬) | আলি ৰেজা | আজীৱন সদস্য |
| ১৭) | জেহিৰুল হাৰমাইন | আজীৱন সদস্য |
| ১৮) | মাছুমা বেগম ৰাছিফ | আজীৱন সদস্য |
| ১৯) | ড° তৈবুৰ ৰহমান | আজীৱন সদস্য |

## সম্পাদকৰ মেজৰ পৰা........



আল-আমিন জনকল্যাণ সমাজে ইতিমধ্যে পোন্ধৰটা বছৰ গৰকিলে। জন্ম লগ্নৰ পৰাই কেইজনমান বিশিষ্ট ব্যক্তিৰ অপৰিসীম চেষ্টা, একাগ্ৰতা আৰু কৰ্ম্মস্পৃহাই আল-আমিন জনকল্যাণ সমাজে ৰাইজৰ মাজত এক নিগাজী স্থান দখল কৰিবলৈ সমৰ্থ হৈছে। ৰাইজৰ অফুৰন্ত সঁহাৰি আৰু দান বৰঙণিত আল-আমিন জনকল্যাণ সমাজে ৰাইজৰ সেৱা কৰাত গাফিলতি কৰা নাই। যি উদ্দেশ্যৰে এই সমাজৰ সৃষ্টি কৰা হৈছিল সেই একে উদ্দেশ্য সাৰোগত কৰি সমাজৰ নিম্নস্তৰৰ পীড়িত, অসহায়, আৰ্থিক ভাৱে দুৰ্বল মেধাবী ছাত্ৰ-ছাত্ৰী, দৰিদ্ৰ সীমাৰেখাৰ তলৰ ৰুগীয়াৰ চিকিৎসা সাহায্য, বান পীড়িত দুৰ্দশাগ্ৰস্ত ৰাইজৰ সাহায্য আৰু সংস্থাপন আদি কৰি বিভিন্ন বিষয়ত আল-আমিন জনকল্যাণ সমাজে কাম কৰি আহিছে। এই সমাজৰ আৰ্থিক সাহায্যৰে বহু সংখ্যক মেধাবী ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন ক্ষেত্ৰত অগ্ৰসৰ হৈ সংস্থাপিত হৈছে, আনকি কেইজনমান মেধাবী ছাত্ৰ-ছাত্ৰী চিকিৎসা বিজ্ঞান, ইঞ্জিনিয়াৰীং তথা তেনে ধৰণৰ বৃত্তিগত বিষয়ত শিক্ষিত /শিক্ষিতা হৈ সংস্থাপিত হৈছে । পৰিতাপৰ বিষয় এই যে এই বিষয়ত এটা সঠিক পৰিসংখ্যা ৰাইজৰ আগত দাঙি ধৰিব পৰাকৈ আমাৰ হাততে তথ্য নাই তাৰ বাবে আমি দুঃখিত। আগন্তুক দিনত এই বিষয়ৰ ওপৰত কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিবলৈ চেষ্টা কৰা হ'ব।

আগৰ কেইবছৰৰ দৰে বিগত বছৰটোত কিছুমান পিছপৰা ভিতৰুৱা অঞ্চলত সজাগতা শিবিৰ পাতি শিক্ষা, স্বাস্থ্য, পৰিবেশ সংৰক্ষণ আৰু অন্যান্য লাগতীয়াল বিষয়ৰ ওপৰত ৰাইজক অৱগত কৰা হৈছে।

ৰাইজৰ জ্ঞাতাৰ্থে পুনঃ দোহাৰিছো আল আমিন জনকল্যাণ সমাজৰ ফালৰ পৰা অসমীয়া সাহিত্য, সমাজ, সংস্কৃতিলৈ অসমৰ মুছলমান সকলৰ অৱদান আদিৰ ওপৰত কেইবাখনো গৱেষণামূলক গ্ৰন্থ ইতিমধ্যে প্ৰকাশ কৰা হৈছে আৰু প্ৰতিখন গ্ৰন্থই ৰাইজৰ অভূতপূৰ্ব সঁহাৰি পাইছে। আল-আমিন জনকল্যাণ সমাজৰ প্ৰত্যেকজন সদস্য-সদস্যাৰ চেষ্টা নিষ্ঠা আৰু একাগ্ৰতাৰ ফলস্বৰূপে এই সমাজৰ উদ্দেশ্য সাফল্যমণ্ডিত হৈছে, ইতিমধ্যে ৰাইজৰ দাবীৰ প্ৰতি সঁহাৰি জনাই 'অসমৰ মুছলমান প্ৰথম খণ্ড - ইতিহাস আৰু সমাজ'ৰ পুনৰ মুদ্ৰণৰ ব্যৱস্থা কৰি আজি প্ৰকাশ কৰা হ'ব।

সময় কাৰো বাবে ৰৈ নেথাকে। আমাৰ শ্ৰদ্ধাৰ আৰু আল-আমিনৰ অন্যতম চালিকা শক্তি, প্ৰতিস্থাপক সদস্য আব্দুল মজিদ চাহাবে আমাৰ মাজৰ পৰা মেলানি মাগিলে। তেখেতৰ মৃত্যুয়ে আল আমিন জনকল্যাণ সমাজক বাৰুকৈয়ে ক্ষতি কৰিলে, এই ছেগতে তেখেতৰ আত্মাৰ সদগতিৰ বাবে প্ৰাৰ্থনা জনাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। জ্ঞাতে অজ্ঞাতে যি কেইজন বৰণ্য ব্যক্তি, আল আমিন জনকল্যাণ সমাজৰ শুভ চিন্তক, হিতৈষী হেৰাই গৈছে তেখেত সকলৰো আত্মাৰ সদগতিৰ বাবে আমি শ্ৰদ্ধা জ্ঞাপন কৰিছো।

আল-আমিন জনকল্যাণ সমাজৰ পঞ্চদশ বছেৰেকীয়া অধিবেশনৰ লগত সংগতি ৰাখি আন কেইবাৰৰ দৰে এইবাৰো এখন স্মৃতিগ্রন্থ প্রস্তুত কৰি ৰাইজলৈ বুলি আগবঢ়ালো । আল আমিন জনকল্যাণ সমাজৰ কেইজনমান সদস্য সদস্যাৰ বাহিৰেও আন বিশিষ্ট সাহিত্যিক আৰু নিবন্ধকাৰৰ ভিন্নধৰ্মী লিখনিৰে সন্নিৱিষ্ট এই স্মৃতিগ্রন্থ খন ৰাইজে আকোঁৱালি ল'ব বুলি আশাবাদী।

প্রতিজন সন্মানিত আৰু শ্রদ্ধাৰ সাহিত্যিক আৰু নিবন্ধকাৰলৈ এই টোকাৰ জৰিয়তে আল- আমিন সমাজৰ হৈ তেখেত সকললৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিলো। এইবাৰো পূৰ্বৰ দৰে স্মৃতিগ্রন্থখন অসমীয়া আৰু ইংৰাজী দুটা ভাগত বিভক্ত কৰা হৈছে আৰু সম্পাদনা সমিতিৰ অনুমোদন সাপেক্ষে লিখনিবোৰৰ ক্রম সজোৱা হৈছে।

আল-আমিন জনকল্যাণ সমাজৰ সচিব প্রধানৰ বাৰ্ষিক প্রতিবেদনত এই সমাজৰ কাৰ্য্যক্রমণিকা আৰু অন্যান্য বিভিন্ন কাম-কাজৰ খতিয়ান সুন্দৰভাৱে প্রতিফলিত হৈছে, লগতে এই সমাজৰ বিত্তীয় সংক্রান্তীয় তথ্য বিত্তীয় সচিবৰ প্রতিবেদনত উপস্থাপন কৰিছে।

সম্পাদনা সমিতিৰ আন যিকেইজন মাননীয়-মাননীয়া সদস্য-সদস্যা আছে, তেওঁলোকৰ সহায়-সহযোগিতা নোপোৱা হ'লে হয়তো এই স্মৃতিগ্রন্থখন এই অৱস্থাত প্রকাশ কৰিবলৈ নোৱাৰিলোহেঁতেন। মই তেখেত সকললৈ এই টোকাৰ জৰিয়তে কৃতজ্ঞতা জ্ঞাপন কৰিলো।

ক'ব নোৱাৰাকৈ স্মৃতিগ্রন্থখন সম্পাদনা কৰাত বহুতো ভূলভ্রান্তি ৰৈ যাব পাৰে। নিজ গুণে শুধৰাই লোৱাৰ বাবে অনুৰোধ জনাই অনিচ্ছাকৃত ভূলৰ বাবে ক্ষমা মাগিছো।

সদৌ শেষত ৰাইজৰ সহায়-সহযোগিতা কামনা কৰি মোৰ সম্পাদকীয় টোকা এইখিনিতে সামৰণি মাৰিলো।

*ফকিল আহমেদ বৰা*

*সম্পাদক , আল-আমিন*

*গুৱাহাটী*

*ফোন নংঃ ৯৪৩৫১৪৪২৯৮*

# সূচীপত্ৰ


| | | |
|---|---|---|
| ধৰ্মীয় সঙ্গীতৰ ধাৰা আৰু জিকিৰ | আনিছ উজ জামান | ১ |
| আল-আমিন জনকল্যাণ সমাজৰ বিষয়ে একষাৰ | তবিউল হুছেইন | ৭ |
| মজিদ ককাইটি | আবু নাছাৰ চাঈদ আহমদ | ৯ |
| অৰ্থনীতি আৰু ইছলাম | ড° পইনুৰুদ্দিন আহমদ | ১৩ |
| অসমীয়া জাতিক কেনেদৰে কৰ্মপটু কৰি তুলিব পাৰি? | ৰমিছা বেগম | ১৬ |
| ভাৰতৰত্ন আৰু মিৰ্জা গালিব | চফিউৰ ৰহমান শইকীয়া | ১৮ |
| ৰমজানৰ অনুভৱ | নলীন বৰঠাকুৰ | ২২ |
| অসমৰ ক্ৰীড়া জগতৰ পিতৃ-পুৰুষ নুৰুল আমিন | মুহিউদ্দিন আহমেদ | ২৫ |
| অসমৰ বাকফ সম্পত্তি ঃ এটি চমু পৰ্যালোচনা | নুৰুল হক | ৩০ |
| চিন্তনীয় | মাচুম আৰা ৰহমান | ৩৯ |
| ৰেক ভিউ মিৰ'ৰ আৰু চেৰামন জুম্মা মছজিদ | ড° ৰফিক আহমেদ | ৪২ |
| জাকাত -ফিতৰা দিয়াৰ পিছতো ভিক্ষাৰী নকমে কিয়? | ছফিকুল ইছলাম | ৪৬ |
| ইছলামীক আদৰ্শৰ আধাৰত কিছু অনুভূতি | চৈয়দ হাৰোণাৰ ৰহমান | ৪৯ |
| আমিৰুল মো'মিনীন হজৰত ওমৰ বিন আল খাত্তাব (ৰাঃ) | ডাঃ তৌফিকুৰ ৰহমান বৰবৰা | ৫০ |
| স্বাৱলম্বীতা আৰু অসমৰ অনুন্নত অঞ্চলৰ গ্ৰাম্য মহিলা, এটি আলোক পাত | হাস্না আৰা বেগম, শিৱসাগৰ | ৫৫ |
| ইছলামৰ দৃষ্টিত নাৰী | গোলেনা বেগম | ৫৭ |
| নিকা নিৰ্বাচনৰ ওপৰতহে নিৰ্ভৰ কৰে গণতন্ত্ৰৰ ভৱিষ্যৎ | মবিদুল ইছলাম | ৬০ |
| সজল নয়নেৰে মৰহুমা মাৰ স্মৃতিত | হাচান ছৰিফ আহমদ, ডিব্ৰুগড় | ৬২ |
| অনগ্ৰসৰ নেলীত আলোকময় পথৰ সমদল-সমস্বৰ | ছাহজাহান তালুকদাৰ | ৬৫ |


## *English Section*


| | | |
|---|---|---|
| O Brother, Who Art Thou! (A Tale of Individualism and Islam) | Dr. Shahzia Anjum Holtom | ৭১ |
| My experience in the happy valley of Liechtenstein | Tanzia Nashrin Islam | ৭৩ |
| প্ৰধান সচিব বাৰ্ষিক প্ৰতিবেদন | ইনামূল ইছলাম | ৭৭ |
| বিত্ত সচিবৰ বাৰ্ষিক প্ৰতিবেদন) | ইমতিয়াজ আলি | ৮৩ |
| List of Members of Al-Ameen Welfare Society | | ৮৬ |

# অসমীয়া শাখা

# ধৰ্মীয় সঙ্গীতৰ ধাৰা আৰু জিকিৰ

আনিছ উজ জামান

ধৰ্মসঙ্গীতৰ ধাৰা দুটা। এই তত্বগধুৰ ধাৰা দুটা হ'ল (১) গুৰুতত্ব আৰু (২) দেহতত্ব। জিকিৰৰ প্ৰথম দুটা শাৰীতেই আছে—

'চিন্তো হেৰা মোৰ মন আল্লাৰ নামত
ভজো হেৰা মোৰ মন গুৰুৰ পাৰত।'

গুৰুতত্বত সতগুৰুৰ কথাৰ উল্লেখ আছে (সতগুৰুক ভেটিবা, আত্মাক চিনিবা, সিজিব দিনৰে কাম) "আমাৰ মনে হয় সদগুৰু সবাইকে শিক্ষা দেন, আৰু যে যতটুকু পাৰে সেই টুকু ধাৰণ কৰলেই মুৰশিদ তুষ্ট হন।" গুৰুতত্ব সম্পূৰ্ণ ধৰ্ম দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত। চুফীবাদৰ মতে আল্লাক নেদেখিলেও অনুভূতিৰ মাজেৰে আল্লা প্ৰাপ্ত হয়। পিতামাতাৰ দৰে গুৰুও সন্মানীয়। কিন্তু গুৰুক আল্লাৰ আসনত থ'ব পৰা নেযায়। ৰবীন্দ্ৰ কাব্যত 'সীমাৰ মাঝে অসীম তুমি' কওঁতেওঁ গুৰুৰ কথাকে কোৱা হৈছে। জিকিৰত প্ৰকাশিত দেহতত্বত দেহৰ বিভিন্ন অৱস্থানৰ কথা বৰ্ণিত হৈছে।

'ক'ব লাগিছে ভিক্ষাৰী আজানে চাই চাই বুলিবা বাট
শৰীৰৰ ভিতৰত আছে খালে বামে,
পিছলি পৰিবা তাত।।' —জিকিৰ

কওঁতে শৰীৰৰ অৱস্থানৰ কথা বৰ্ণনা কৰিছে। আন এটা জিকিৰত আছে—

'তনৰে ভিতৰত মইনাক বন্দী কৰে,
মায়া হে ভেটিলে সিউ।' — জিকিৰ

দেহতত্বৰ ধাৰাত বিভিন্ন সময়ত চুফী মতবাদৰ বিশ্বাসীজনে অথবা পীড় বা দৰবেশে দেহৰ বিভিন্ন কথা আৰু আল্লাৰ নামত আত্মপ্ৰতিষ্ঠা কৰোতে এনে ধৰণৰ ইঙ্গিতেই বহন কৰে। বংগৰ চুফী সাধক লালনেও তেওঁৰ গীতত—

'খাচাৰ ভিতৰ অচিন পাখি কেমনে আছে যায়
ধৰতে পাৰলে মন বেড়ী দিতাম তাহাৰ পায়।'

তেনেকৈ জিকিৰতো—

'আচমানৰে কুতুব তৰা আদমৰে জাত
সজাত মইনা সোমাই ঘনাই লগাই মাত'—জিকিৰ

—বোলা উল্লেখ আছে।

জিকিৰ গীতসমূহ চুফীবাদৰ ওপৰত প্ৰতিষ্ঠিত। আধুনিক গীতৰ ভাষা বা ভাৱ প্ৰকাশৰ যি পোনপটীয়া অৱস্থা, সেইয়া জিকিৰত নাই। জিকিৰ গীতসমূহ আধ্যাত্মবাদৰ ওপৰত প্ৰতিষ্ঠিত বাবে সকলো কথা যেনে— মানুহৰ জন্ম ৰহস্য, জীৱন ধাৰণৰ প্ৰক্ৰিয়া আৰু মৃত্যুৰ ৰহস্য গীতৰ মাজেৰে বুজাবলৈ চেষ্টা কৰিছে, যদিও প্ৰায়বোৰ গীতেই ইঙ্গিতসূচক। জিকিৰৰ মাজেৰে আজান চাহাবে এটা কথা প্ৰতিষ্ঠা কৰিছে যে আধ্যাত্মবাদৰ গুৰুসূত্ৰ বা মূল নীতিয়ে হ'ল 'কলিমা' (আল্লাক স্মৰণৰ নাম-প্ৰসঙ্গ), আল্লা এজন আৰু মহম্মদ

আল্লাৰ প্ৰেৰিত দূত। আজান ফকীৰ যিহেতু চুফী মাৰ্গৰ পীড় বা ফকীৰ অথবা দৰবেশ আছিল বাবেই তেখেতৰ গীতিকাব্যত বা জিকিৰৰ ভাষা পোনপতীয়া কিন্তু উক্তি পোনপতীয়া নাছিল।

এনচাইক্ল'পেডিয়া ব্রিটেনিকাৰ ১৯৬৪ চনৰ সংস্কৰণত আছে—

'Fakir, a term generally used in Arabic speaking countries for a mendicant dervish (q.v.) is the transliteration of an arabic word meaning 'needy person'. It refers to men's spritual need of god who alone is self-sufficient (Koran XXXV, 15). Although of Muslim origin it has come to be applied in India to Hindus as well largely replacing goswami, sadhu, bhikshu (bhikkhu) bawa and other designations. Fakirs are common to all creeds in India and in theory they belong to a religious order, but Muslim order don't profess celibacy and the hindu and other orders donot enforce it.'

জিকিৰৰ এটা বিশেষ তাৎপৰ্য হ'ল ইয়াত ব্যৱহৃত সুৰলা ভাষা, সুৰলা শব্দ, অনিৰ্বচনীয় বৰ্ণনা। দেহতত্বৰ সকলোবোৰ গুণ আৰু মানদণ্ড জিকিৰৰ মাজত নিহিত হৈ আছে। মানুহৰ দেহৰ অংগ বা মণ্ডলৰ বিভিন্ন আধ্যাত্মিক ৰূপ, শব্দ আৰু বৰ্ণনাৰ মাধ্যমেৰে প্ৰকাশ কৰিছে। এই অসাধাৰণ প্ৰকাশভঙ্গী ভাৰতীয় বৈষ্ণৱ সাহিত্যৰ বাহিৰে আন সাহিত্যত বিৰল। বৈষ্ণৱী ভাৱ আৰু সৰলতাৰ পূৰ্ণ প্ৰকাশ জিকিৰৰ ভাষাৰ মাজত নিহিত হৈ আছে। আনন্দ, বিষাদ আৰু জন্ম-মৃত্যুৰ ৰহস্যময়তাৰ মাজত বৈষ্ণৱী সুৰৰ প্ৰতিধ্বনি জিকিৰত উপলব্ধি কৰা যায়। বহল নদীত সাতুৰি-নাদুৰি গীত গাই ফুৰা ৰাজহংস আৰু বিশাল সাগৰৰ জলৰাশিত সাতুৰি গীত গাই ফুৰা হাঁহ জাতিয় চৰাইৰ কণ্ঠৰ সুৰ একে ধৰণৰ। কেৱল প্ৰতিধ্বনিত হোৱা দূৰত্বহে সুকীয়া সুকীয়া। বৈষ্ণৱী গীতৰ ব্যঞ্জনা আৰু জিকিৰৰ ব্যঞ্জনাৰো তাৰতম্য বেছি দূৰত্বৰ নহয় যদিও দেহতত্বৰ ভাষা আৰু ধ্বনিগত মান জিকিৰৰ ক্ষেত্ৰত কিছু সুকীয়া, কাৰণ চুফী ভাৱনাৰ অন্তৰ্নিহিত সুৰ জিকিৰৰ ভাষা আৰু বৰ্ণনাৰ প্ৰধান অংগ বিশেষ, যিটো বৈষ্ণৱ গীতৰ লগত নিমিলে। এইখিনিতে বৰগীত আৰু জিকিৰৰ দূৰত্বৰ সন্ধান উপলব্ধি কৰা যায়।

'কোৰাণে পুৰাণে এককে কৈছে যি গায় মহন্ত লোক
দুনীয়াত আছে দুই বেশে, মুৰ্চিদে বুজাব তোক।'
(জিকিৰ)

'জিকিৰ' গীতসমূহ সাধাৰণতে তিনিটা দিশৰ পৰা মূল্যায়ন কৰিব পাৰি। ভাষাগত, ধৰ্মীয়গত আৰু সাহিত্যিক মূল্যৰে।

জিকিৰ শব্দটোৱেই মূলগতভাৱে আৰবী শব্দ। জিকিৰ অৰ্থাৎ আল্লাহৰ নাম বাৰে বাৰে উচ্চাৰণ কৰে। ভাষাৰ ফালৰ পৰা আজান ফকীৰে অসমীয়া ভাষাটো খুব কম সময়ৰ ভিতৰত আয়ত্ব কৰিছিল আৰু এই ভাষাৰ কথিত আৰু লিখিত ৰূপ দুয়োটাকে পৰিগ্ৰহণ কৰি জিকিৰ ৰচনাত এনে ভাষাকেই ব্যৱহাৰ কৰিছিল। ইতিমধ্যে মহাপুৰুষ শংকৰদেৱৰ ৰচনাৰ ভাষাই অসমৰ জনমানসত সুন্দৰৰূপে প্ৰতিষ্ঠা লাভ কৰিছিল যদিও অসমীয়া ভাষাৰ কথিত ৰূপটোক তেওঁৰ ৰচনা আৰ্হি কৰি লৈছিল।

(ক) পানী মৰে পিয়াহত, অগ্নি মৰে জাৰত
খোদা ৰচুল লুকাই আছে মোমিনৰ আঁৰত (জিকিৰ)

(খ) কালৈ সাচিলা জপাৰ বৰে কাপোৰ
কালৈ সাচিলা ধন
জপাৰ বৰে কাপোৰ জপাতে পচিব
হাড়তো গজিব বন। (জিকিৰ)

এই 'সাঁচিলা' বা 'সাঁচতীয়া শব্দকেইটা সাধাৰণতে কঠিত ভাষাৰ ব্যঞ্জনা আৰু 'হাড়ত বন গজা' শব্দটোও তেনেদৰে লোকবাক্য বা জটুৱা ঠাঁচৰ আৰ্হিত ব্যঞ্জিত। এনেবোৰ ভাষাগত ৰূপ জিকিৰৰ বিভিন্ন ৰচনাত পোৱা যায়। ইয়াৰ মাজেদি আজান চাহাবৰ অসমীয়া ভাষাত থকা দখল বা প্ৰতিপত্তি মন কৰিবলগীয়া।

জিকিৰৰ ধৰ্মীয়গত ৰূপটো জিকিৰত থকা ভাষাগত ৰূপত দ্বিতীয় অৱস্থা।

(ক) নেৰিবা কলিমা ধৰিবা কলিমা
কলিমা নামৰে গুৰি।

(খ) আল্লাৰ এক নাম পছোৰা বতাহ
আল্লাই দিলেহে পায়।

(গ) শিলৰ নাওখনি দিলৰ বঠাহগছি
ভেৰোণ দুই ভায়ে বায়।

তৃতীয়তে জিকিৰৰ সাহিত্যিক মূল্য অপৰিসীম। বাচকনীয়া শব্দৰ ব্যৱহাৰ, ইঙ্গীতধৰ্মী ভাষা আৰু অন্তৰ্নিহিত অৰ্থই জিকিৰৰ সাহিত্যিক মূল্যক বিশেষভাৱে চিহ্নিত কৰিছে। ক'ৰবাত ক'ৰবাত তেওঁৰ কাব্যবোধ আধুনিক কবিতাৰ ভাৱনাবোধৰ ওচৰ চপা যেনেকৈ মাধৱদেৱৰ কাব্যবোধ আৰু ইঙ্গিতময় ভাষাত আধুনিক ছন্দৰে অন্তৰ্হিত।

(ক) নামে গঙ্গাজল ল'বলৈ কোমল
বই আছে হৃদয়ৰ মাজে।

(খ) দুনীয়া এদিনৰ দুনীয়া দুদিনৰ
দুনীয়া ফুলনিৰ বাৰী।

(গ) পানী মৰে পিয়াহত, অগ্নি মৰে জাৰত।

জিকিৰৰ দৰে বৈশিষ্ট্যময় জীৱন-সঙ্গীত সাহিত্যিক মূল্যায়নত এক মিশ্ৰিত শিল্প বোলা হয়। মঞ্চস্থ অভিনয় অবিহনে কেৱল পাঠ গ্ৰহণেৰেই নাট্যৰসৰ মূল উপলব্ধি নোহোৱাৰ দৰে আজান-ফকীৰৰ জিকিৰৰ আধ্যাত্মিক ৰসৰ সূত্ৰ বাস্তৱ জীৱন চাল-চলন, পৰিচালন ভঙ্গিমাৰে প্ৰকাশিত নহ'লে একে ভাব গধুৰ সঙ্গীতৰ পূৰ্ণ প্ৰকাশ সাব্যস্ত নহয়। আজান ফকীৰৰ জিকিৰৰ বিষয়বস্তু আধ্যাত্মিকতাৰ ৰসেৰে জীৱন-চালনৰ এক মিশ্ৰণ। সাধাৰণ ভাষাত সাধন সঙ্গীত বুলি অভিহিত কৰা জিকিৰসমূহৰ জীৱনৰ অনুভূতি তথা নিৰ্দেশিত পথটিৰে সাধনাৰ সিদ্ধি আৰু পৰমানন্দ লাভ কৰাটোৱেই মূল উদ্দেশ্য। আধ্যাত্ম্য শব্দটিও এক গৌণ বা মিশ্ৰিত শব্দ।

আগতে কৈ অহা হৈছে যে আজান ফকিৰে ধৰ্ম প্ৰচাৰৰ কোনো কঠিন প্ৰক্ৰিয়া লোৱা নাছিল। 'এইক্ষেত্ৰত তেওঁৰ বাবে সুবিধা হৈছিল যে বৈষ্ণৱ ধৰ্মৰ লগত ইছলাম ধৰ্মৰ কিছুমান বিশেষ মিল আছিল...। বৈষ্ণৱ ধৰ্ম চাৰি সুতি— নাম, দেৱ, গুৰু আৰু ভকত। ইছলাম ধৰ্মৰ পাচোটা সুতি— কলিমা, নামাজ, ৰোজা, হজ আৰু জাকাত। নাম ধৰ্মৰ শ্ৰেষ্ঠত্ব জিকিৰৰ মাজতো ঘোষিত হৈছে।

সাহিত্যৰ দিশত জিকিৰসমূহ একো একোটা গীতি কবিতা। অৱশ্যে কাহিনী গীতৰ সূত্ৰ সুকীয়া। কাহিনী গীত (Ballad) ত এটা বিশেষ কাহিনীৰ মাজেৰে বৰ্ণনা আগবঢ়াই নিয়া হয়। কাহিনী গীত প্ৰাচীন আৰু আধুনিক দুয়োটা ৰূপেই আছে। জিকিৰৰ ভাষা, ব্যঞ্জনা ৰীতি, বিষয়বস্তু, মানুহক আকৰ্ষণ কৰা ৰীতি সকলোবোৰ গীতি কবিতাৰ প্ৰধান লক্ষণ। জিকিৰৰ মাজত এনে প্ৰকাশঙ্গী থকা বাবে গীতি কবিতা আখ্যা দিব পৰা যায়।

'For a Lyric to be good of its kind, must satisfy us that it embodies a worthy feeling; it must impress us by the convincing sincerity of its utterance; while its language and imagery must be characterised not only be beauty and vividness, but also by propriety or the harmony which in all art required between the subject and its medium.'

'আজান ফকীৰৰ জিকিৰত এনে এক যুগজয়ী আবেদন আছে, এনে এক অন্তস্পৰ্শী অৰ্থ আছে, এনে এক বিশ্বজনীন সংবাদ আছে, যি কালজয়ী, যি অমৰ, যি শাশ্বত, যাক কোনেও কোনো কালে কোনো কাৰণতে ম্লান কৰিব নোৱাৰে।'

জিকিৰসমূহৰ মানসিক আবেদন বৰ গহীন আৰু মৰ্মস্পৰ্শী। জিকিৰৰ শৰীৰটোৰ মাজত মানুহৰ মন

পোৰা-নোপোৰা, দিয়া-লোৱা, আহবান-বিদায় এই অৱস্থাবিলাকৰ আনন্দৰ উৎস আৰু বেদনাৰ ৰিক্ততা অনুভৱ কৰিব পাৰি। জিকিৰৰ মাজত থকা ভাৱনাবোধে মানুহক জীৱনটোৰ প্ৰতি থকা মোহ আৰু মোহভংগৰ পৰিণতি এই দুয়োটা অৱস্থাৰ সন্ধান দিয়ে। এজন পূৰ্ণ মানুহ হ'বৰ বাবে জিকিৰৰ বহু ছন্দই আৰু ছন্দৰ মাজত থকা শিল্পচেতনাই অৰিহণা যোগায়।

'লালন জাতিতে জাতিতে ও ধৰ্মে ধৰ্মে কোন পাৰ্থক্য দেখেন নাই, হিন্দু ও মুছলমান ধৰ্মে কোনো বিভেদ বোঝেন নাই। আল্লাকে 'অধৰকালা' এবং মহম্মদ ও চৈতন্যদেৱ উভয়তে সমানভাৱে ঐশীশক্তি দ্বাৰা অনুপ্ৰাণিত মানৱ শ্ৰেষ্ঠ বলিয়া মনে কৰিয়াচেন। তাঁহাৰাই মানুসেৰ উদ্ধাৰেৰ জন্য ধৰাধামে অৱতীৰ্ণ হইয়াচেন। তাঁহাদেৰ মধ্যেই ভগৱানেৰ পূৰ্ণ প্ৰকাশ হইয়াছে। চুফী পাৰিভাষিক শব্দেৰ 'তাঁহাৰাই 'অল-ইনসালু'ন কালেৰ-দেবমানৱ - The perfect man তাহাৰাই মানবেৰ সদগুৰু পথ প্ৰদৰ্শক। এই সদগুৰুৰ কৃপা না হইলে সাধনায় সিদ্ধি লাভ কৰা যায় না, তাই লালন তাঁহাদেৰ উভয়েৰেই কৃপাভিক্ষা কৰিয়াচেন।'

আজান ফকীৰৰ জিকিৰৰ মূল বিশেষত্ব হ'ল— সাধাৰণ মানুহৰ মানসিক উৎকৰ্ষ সাধন আৰু বিশ্ব ভাতৃত্ববোধ। তেওঁৰ মানসিক পৰিক্ৰমাৰ সন্ধান তেওঁৰ গীতত সুন্দৰ ৰূপত প্ৰকাশিত হৈছে। সংকীৰ্ণমনা মানুহৰ মানসিক বন্দীত্বৰ পৰা আঁতৰি আহি এক মুক্ত আৰু বিশাল আস্থানলৈ গতি কৰাৰ যি ভাৱনাবোধ তেওঁৰ চেতনাত বিলীন হৈ আছিল, সেয়া যেন মহাপুৰুষ শঙ্কৰদেৱৰ মানসিকতাৰ ছায়া প্ৰতিবিম্বিত হোৱা অনুভৱ হয়। জনসমাজক নিজৰ আত্মাত বিলীন কৰাৰ প্ৰক্ৰিয়া সকলো মহান গুৰুৰ ব্যৱহাৰিক চৰিত্ৰৰ লক্ষণ। আজান চাহাবৰ মনৰ গতি প্ৰকৃতি তেনে ধৰণেই মানুহৰ মাজলৈ বিয়পাই দিছিল। সেয়াই সতগুৰুৰ জীৱন প্ৰক্ৰিয়াৰ প্ৰধান লক্ষণ।

'মোৰ মনত আন ভাৱ নাই অ' আল্লা
মোৰ মনত আন ভাব নাই,
হিন্দু কি মুছলমান একে আল্লাৰ ফৰমান
আখেৰত একে আল্লাৰ নাম।'

'আধ্যাত্মিক জগতৰ মাৰিফতৰ স্তৰত উন্নীত হ'বলৈ বহুতো স্তৰ অতিক্ৰম কৰিবলগীয়া হয়। ইয়াৰ ভিতৰত 'হাল' আৰু 'মাইয়েত মোকামে' বিশিষ্ট স্থান অধিকাৰ কৰি আছে। 'হাল'ৰ গভীৰ আৰু নিবিড় অৱস্থাৰ নাম 'মোকাম'। 'হাল' অৱস্থাত সৌন্দৰ্যময়ৰ বাহ্যপ্ৰকাশ সাধকৰ দৃষ্টিগোচৰ হয় আৰু দৃষ্টিগোচৰ উপভোগ কৰি সাধকে যি তৃপ্তি আৰু আনন্দ পায়, তাক ভাষাৰে বৰ্ণাব নোৱাৰে বুলিয়েই ইও এক উচ্চ মানৰ অৱস্থা। কিন্তু 'মোকাম'ত সৌন্দৰ্যময়ে সাধকৰ জীৱনজোৱা সাগৰ পৰিমাণ কঠোৰ সাধনাৰ পৰিশ্ৰমৰ অন্তত নিজৰ গুণেৰে বিশেষ দয়া আৰু অনুগ্ৰহত সাধকৰ লগত চিৰলগৰীয়া হৈ এক গোপন অভিসাৰত লিপ্ত হয়। এয়া সাধকে সাঁতুৰি সাগৰ পাৰ হৈ পোৱা অতি মহান উচ্চ অৱস্থা।

এই মোকামৰ স্তৰত উপনীত হৈ সাধকে সৌন্দৰ্যময়ৰ লগত গোপন অভিসাৰ প্ৰেম নিবেদনত লিপ্ত হৈ আত্মহাৰা হৈ পৰে। আত্মাৰ অবিনাশী নিত্য আনন্দৰ তুলনাত এই সসীম জড় দেহ যে একোৱেই নহয় ইয়াৰ উপলব্ধি হয়। মৌ মাখিয়ে মৌ পানত ব্যস্ত থকাৰ নিচিনা সাধকৰ এয়া বৰ্ণনাটিত এক মধুময় অৱস্থা। হজৰত আজানপীড় চাহাবে 'যেনে মৌ ডিমৰুৰ ভিতৰে পৰুৱা ওলাবৰ সন্ধি নাই' বুলি কৈছে। বাস্তৱিকতে এনে উপমা ৰিজনি আৰু উদাহৰণ এই 'মোকাম'ৰ অৱস্থাতে খাটে।'

মাৰিফৎ বা মাৰফৎ শব্দটোৰ অৰ্থ সাধনাৰ তৃতীয় স্তৰ য'ত সাধকৰ দিব্য চেতনাৰ সূত্ৰপাত হয়। লালন ফকীৰেও কৈছে- 'ইছলামৰ 'চৰিয়ত'ৰ লগত 'মাৰফত'ৰ লগত মিশ্ৰন যে গাখীৰৰ লগত মাখনৰ মিশ্ৰ। তেওঁৰ মতে জানি শুনিহে নামাজ পঢ়া হয়। নামাজ কেৱল মাত্ৰ এটা অনুষ্ঠান নহয়, তাত শতদল কমলৰ

কৃষ্ণৰ অথবা আল্লাহৰ স্বৰ্ণসিংহাখনৰ দীপ্তময় অৱস্থানৰ বোধ যদি নাথাকে, তেতিয়া নামাজ এটা অনুষ্ঠানলৈ পৰিণত হয়।

ধৰ্মীয় চেতনাৰ দ্বাৰা উদ্বুদ্ধ হ'লেও জিকিৰ বিলাকৰ প্ৰকৃত সৌন্দৰ্য তাৰ শব্দচয়ন আৰু লোককথাৰ আৰ্হিৰ ব্যঞ্জনা। সেয়েহে জিকিৰ গাওঁতে এটা বিশেষ সুৰধ্বনিয়ে আমাৰ মনত ক্ৰীড়া কৰে আৰু তাৰ ছন্দ লালিত্যৰ পোহৰে আত্মাক পোহৰ কৰি তোলে। এই সুৰধ্বনি আৰু শব্দ প্ৰকাশৰ লালিত্যই জিকিৰক এক অনিবৰ্চ্চনীয় ৰূপলৈ উত্তৰণ ঘটাইছে।

“নাহৰকটীয়াৰ শালমাৰী গাঁৱত এগৰাকী বহুত গীতমাত জনা যেনে -জয়মতীৰ মালিতা, মণিৰাম, পিয়লি ফুকন, বদন বৰফুকন, চিকন সৰিয়ঁহৰ গীত আদি ইতিহাস প্ৰসিদ্ধ হ'বপৰাকৈ কণ্ঠস্বৰ থকা মহান ব্যক্তিক সম্ভেদ পাই আজান ফকীৰ চাহাবে লগত শিষ্য লৈ নাহৰকটীয়াৰ টিংখাং শালমাৰী গাঁও ওলালগৈ। শালমাৰী গাঁৱত প্ৰায় দুমাহমান থাকি পীৰ গৰাকীয়ে জনশ্ৰুতিৰ লোকগীতসমূহ আয়ত্ব কৰিছিল। নীল গোঁহাইদেৱে আমাক জানিবলৈ দিয়ামতে টিংখাঙৰ বুৰঞ্জীবিদ কৃপানাথ ফুকন ডাঙৰীয়াই আজান ফকীৰৰ কাহিনী নীলগোহাঁই আৰু তেখেতৰ লগৰীয়া শিক্ষক বেণুধৰ মোহনক শুনাইছিল। এই কাহিনী ফুকনদেৱে নিজে ককাদেউতাকৰ মুখৰ পৰা শুনা, ককাদেউতাকে আজুককাকৰপৰা শুনা বুলিও আমাক জনালে। কৃপানাথ ফুকন ডাঙৰীয়াই নীলগোহাঁইক কোৱা মতে আজু ককাকে আজান ফকীৰক দেখা পাইছিল।

আজানপীৰ চাহাবৰ লোকগীত অধ্যয়ন আৰু লোকগীত আৰ্হিৰ প্ৰতি কেনে ধৰণৰ গভীৰ বিশ্বাস, সেয়া তেওঁৰ সৃষ্টিৰ বিভিন্ন অৱস্থানৰ মাজত আমি উপলব্ধি কৰি আহিছো। ওপৰত উল্লেখিত লোকসাহিত্য অধ্যয়ন তেওঁৰ মানসিকতাক কিমান শক্তিমান ৰূপ প্ৰদান কৰিছিল, সেয়া সহজে অনুমেয়। লোক সাহিত্যক আশ্ৰয় কৰিয়েই তেওঁৰ ভাষা জ্ঞানৰ পৰিধি বাঢ়িছিল, চিন্তাশক্তিয়ে নতুন নতুন পথেৰে গতি কৰাৰ প্ৰেৰণা পাইছিল আৰু নিজৰ আত্মাৰ মাজত পবিত্ৰ আল্লাহৰ সন্ধান লাভ কৰিছিল। পাৰস্যৰ কবি জালালুদ্দিন ৰুমীয়ে কবিতাৰ মাজত সেই সত্যতাকেই অনুধাৱন কৰিছিল।

"I gazed into my own heart.
There I saw Him, He was nowhere else."

লোকসাহিত্যৰ অধ্যয়ন, লোকগীতৰ ভাৱনাগীতৰ অনুভূতি তেখেতৰ সৃষ্টিত কেনেকৈ ক্ৰিয়া কৰিছিল, তাৰ প্ৰমাণ তেওঁৰ সৃষ্টিৰ সফুঁৰাত প্ৰমাণিত হৈছে—

মায়া নদী জাজে ভৰা
থিয় ডুবি ওখ গঢ়া
আতমাই কৰিছে ভয় অ' মনোৰায়
কাযে চপাই দিয়া নাও— দেহ বিচাৰৰ গীত।
ঢৌ দেখি কান্দে মোৰ প্ৰাণে
ঐ চাহেব
পাৰে চপাই দিয়া নাও।— জিকিৰ
কালৈ সাচিলা জপাৰ বৰে কাপোৰ
কালৈ সাচিলা ধন
জপাৰ বৰে কাপোৰ জপাতে পচিব
হাড়তো গজিব বন।— জিকিৰ
কি কাম কৰিলো কি বুদ্ধি কৰিলো
বাৰীত ডামে কলা ৰুই
আগেয়ে নাজানো এতিয়াই জানিলো
শৰীৰত একুৰা জুই। — জিকিৰ

ওপৰোক্ত জিকিৰবিলাকৰ উৰ্দু, পাৰ্চী, আৰবী ভাষাৰ শব্দ ব্যৱহাৰে সেই সময়ৰ সমাজ আৰু পৰৱৰ্তী কাললৈ সেই বিবৰিত শব্দ কেনেকৈ অসমীয়া জন মানসত জনপ্ৰিয় হৈ উঠিছিল, কালক্ৰমত ধৰ্ম নিৰ্বিশেষে অসমীয়া ভাষাৰ ভঁৰাল সমৃদ্ধ কৰিছিল— সেয়া মন

কৰিবলগীয়া। জিকিৰৰ ছন্দ ৰীতি, সুৰ, ভাবৰ তন্ময়তা, প্ৰকাশৰ ঠাঁচ সুকীয়া। কেৱল ভাষাগত জ্ঞান আৰু সংগীতৰ জ্ঞান থকা লোকেহে এনে ধৰণৰ গীত ৰচনা কৰা সম্ভৱ। সাহিত্যাচাৰ্য চৈয়দ আব্দুল মালিকৰ ভাষাৰে ক'বলৈ গ'লে— 'পদ, ছবি, দুলড়ী আদি চন্দৰে সৰহভাগ জিকিৰ ৰচনা কৰা হ'লেও সুৰ প্ৰত্যেকৰে বেলেগ বেলেগ; বৈচিত্ৰ জিকিৰৰ এটা প্ৰধান আকৰ্ষণ। এই জিকিৰ গীতবোৰৰ সুৰত উত্তৰ ভাৰতৰ সৰবৰহী কাওৱালী, কচিদা, গজল আদিৰ অথবা ধ্ৰুপদ, খেয়াল, ঠুংৰী আদিৰ প্ৰভাৱ দেখা নাযায়। প্ৰধান প্ৰভাৱ অসমীয়া ওজাপালি, দেহ বিচাৰৰ গীত বৰগীত আদিৰহে।'

জিকিৰ ৰচনা আৰু আজান চাহাবৰ সময় সম্পৰ্কত 'অসমীয়া জিকিৰ আৰু জাৰী' গ্ৰন্থৰ আগকথাত উল্লেখিত প্ৰখ্যাত বুৰঞ্জীবিদ ড° সূৰ্যকুমাৰ ভূঞাৰ লেখাখিনি বিশেষভাৱে উল্লেখনীয়।

Most of the Zikirs were composed by a great Muslim saint named Shah Milan, popularly known as Azan Faquir. The period of his activity began about the thirties of the seventeenth century A.D. As his object was to stablise Islam he had to point out the unorthodox deviations from the main principles and practices, such transgressions being prevalent amongst Assamese Muslims who lived far away from their co-religionists of Northern India. Azan Faquir could not escape the opposition and hostility which fall to the lot of every reforming prophet. His activities were misrepresented to the king of Assam and his two eyeballs were extracted which regrettable misfortune is elaborately described in the Zikirs themslves. It was in the reign of Swargadeo Gadadhar Singha, 1681-1696 A.D.,that people realised the greatness of Azan Faquir's spiritual powers. The monarch became satisfied, rehabilitated the saint by granting him lands and servitors to enable him to pursue his mission with ease and comfort. His fact of incarceration followed by royal patronage is recorded in an old unpublished Assamese Buranji or Chronicle.◆

**প্ৰস্তুতকৰণৰ বাবে উল্লেখিত প্ৰৱন্ধৰাজি ঃ**


১. ড° কাজী মোহাতাব হোছেইন, সাধক লালন শ্বাহ, পৃ. ৭৫৩

২. লালনৰ গীত

৩. Encyclopaedia Britannica, 1964, Vol-9, Pg.42

৪. ইৰফান ছফৰী, আজান ফকীৰৰ জিকিৰৰ সাহিত্যিক মূল্যায়ন, আজানপীৰ আৰু জিকিৰ, পৃ. ১৫৪

৫. ড° কৃষ্ণ কুমাৰ মিশ্ৰ, আজান ফকীৰ, জিকিৰ আৰু জিকিৰৰ ভাষা, আজান পীৰ আৰু জিকিৰ, পৃ. ১৬০

৬. W.H. Hudson, 3rd edition, 1969.

৭. ড° অনিল শইকীয়া, অসমীয়া সংগীত ইতিহাসত জিকিৰ, আজানপীৰ আৰু জিকিৰ, পৃ. ১৬৩

৮. উপেন্দ্ৰ নাথ ভট্টাচাৰ্য, ফকীৰ লালনশ্বাহ, পৃ. ৭৩৯

৯. আলহাজ দৰছেদ আলী, জিকিৰৰ জোকাৰণিত ধৰ্মীয় চেতনা, আজানপীৰ আৰু জিকিৰ, পৃ. ২০৬, ২০৭

১০. ড° ৰমাকান্ত চক্ৰৱৰ্তী, লালন তত্ত্ব, পৃ. ৯১১

১১. দলিলউদ্দিন খান, জিকিৰৰ লুইতপৰীয়া বাৰ আমাৰ উমৈহতীয়া, আজানপীৰ আৰু জিকিৰ, পৃ. ২২৪

১২. Foreword: Dr. S.K. Bhuyan, Asomiya Zikir Aru Zari.


ফোন নং--- ৯৮৫৪১-৫৪৩২৭

# আল-আমিন জনকল্যাণ সমাজৰ বিষয়ে একষাৰ

তবিউল হুছেইন

গুৱাহাটীৰ  পাঞ্জাবাৰীত মুখ্য কাৰ্যালয় অৱস্থিত আল-আমিন জনকল্যাণ সমাজে জন্ম লাভ কৰা কিমান বছৰ হ'ল সেই কথা এই মুহুৰ্ত্তত মোৰ মনলৈ অহা নাই কিন্তু এই অনুষ্ঠানটোৱে জন্ম লাভ কৰা পিছৰ পৰাই এতিয়ালৈকে বহুবোৰ জনকল্যাণমূলক আঁচনি হাতত লৈ অসমৰ জনসাধাৰণৰ সকলো শ্ৰেণীৰ লোকৰ মাজত যে এক বিশেষ প্ৰসিদ্ধি আৰু ব্যাপক জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈ আহিছে সেই কথা মই অতি আনন্দ আৰু গৌৰবেৰে লক্ষ্য কৰি আহিছো। এই অনুষ্ঠানটোৱে জন্মৰ লক্ষ্য আৰু উদ্দেশ্যও যে বহুমূখী আৰু অতিশয় মহান সেই কথাও অতিকে উল্লেখনীয়। এই প্ৰসঙ্গতে এই কথাও বিশেষ ভাৱে উল্লেখযোগ্য যে এই অনুষ্ঠানটোৰ জন্ম লগ্নৰ পৰাই যি সকল ব্যক্তিয়ে এই অনুষ্ঠানটোক সবল নেতৃত্ব প্ৰদান কৰি আহিছে সেই সকলৰ প্ৰত্যেক গৰাকীয়েই হৈছে ৰাজ্যখনৰ ভিতৰতে তেখেত সকলৰ নিজ নিজ ক্ষেত্ৰত, নিজ নিজ গুণ জ্ঞান, প্ৰজ্ঞা আৰু গৰিমাৰে নিজৰ নিজৰ জীৱন সমৃদ্ধ কৰি অহাৰ লগতে সামগ্ৰিক ভাৱে অসমৰ সমাজখনকো উজলাই তোলা আৰু তুলিব পৰা একোজন লেখত লব'লগীয়া মহান ব্যক্তি। গতিকে এই অনুষ্ঠানটোক এক এলা-পেচা, গতানুগতিক চিন্তা আদৰ্শ আৰু কৰ্মসূচীৰে জন্ম দিয়া এক অনুষ্ঠান বুলি একে আষাৰে উলাই কৰিব পৰা বিধৰ অনুষ্ঠান যে নহয় সেই কথা জনাই ভালদৰেই জানে।

এই অনুষ্ঠানটোৱে বিগত বছৰবোৰত কোনবোৰ আৰু কেনেবোৰ কাৰ্যসূচী যুগুত কৰি অতি সফলতাৰে ৰূপায়ণ কৰি প্ৰশংসা লাভ কৰি আহিছে, সেই সম্পৰ্কে বিৰবি ক'বলৈ গ'লে মোৰ যিখিনি মানসিক পৰিশ্ৰম কৰাৰ প্ৰয়োজন হ'ব, সেইখিনি পৰিশ্ৰম কৰিব পৰাৰ জোখাৰে মই শাৰিৰীক ভাৱে সুস্থ নহওঁ সেয়েহে মই থোৰতেহে দুআষাৰ লিখিবলৈ  বহিছো। অৱশ্যে এইটো কথা ঠিক যে উপৰি উক্ত বিষয় সন্দৰ্ভত মই সবিশেষ লিখিবলৈ সক্ষম নহ'লেও আন কোনোবা ব্যক্তিয়ে জনসাধাৰণৰ অৱগতিৰ অৰ্থে বাহুল্য ভাৱে লিখিবলৈ নিশ্চয় প্ৰয়াস কৰিব, এনেবোৰ কথা আনলৈ লিখিবলৈ মেলি দিছো যদিও মই এই কথা স্পষ্ট ভাষাত একে আষাৰে নকৈ নোৱাৰিলো যে এই অনুষ্ঠানটোক নেতৃত্ব প্ৰদান কৰা আৰু মুখ্য ভুমিকা গ্ৰহণ কৰি অনুষ্ঠানটোক সবল সক্ৰিয় আৰু জনপ্ৰিয় কৰি তোলা প্ৰত্যেক গৰাকী ব্যক্তিৰেই যে এক উদাৰ মন, বহল দৃষ্টিভঙ্গী আৰু সৰ্বজনগ্ৰাহ্য জীৱন দৰ্শন আছে, সেই কথাৰে উমান এই অনুষ্ঠানটোৱে ৰূপায়ন কৰি অহা আঁচনি আৰু পৰিকল্পনা সমূহৰ মাজতে বিচাৰি পোৱাৰ অৱকাশ আছে।

এইবোৰ কথাও এই অনুষ্ঠানটোৰ বিশেষভাৱে লক্ষণীয় আৰু প্ৰশংসনীয়  দিশ।

এইবোৰ কথা যিয়েই নহওঁক বাৰু, মোৰ এই চমু লেখাটোত এই অনুষ্ঠানটোৰ বৰ্ত্তমানৰ কৰ্মকৰ্ত্তা সকলৰ প্ৰতি এক বিনম্ৰ অনুৰোধ জনাই এই লেখাটোৰ সামৰণি ঘটাব খুজিছো।

সাম্প্ৰতিক কালত, সাম্প্ৰতিক কাল বুলিয়েই নহয়, যোৱা শতিকাৰ কেইবাটাও দশক ধৰি, লগতে চলিত শতিকাতো, অসমত বাস কৰা এক বিশেষ সম্প্ৰদায় যাৰ জনগোষ্ঠীৰ মাজত ঘটি অহা সাংঘাতিক

ধৰণৰ জনবিস্ফোৰণে অসমৰ জনসাধাৰণৰ মাজত বিভিন্ন দিশত যেনে ধৰণৰ জটিল সমস্যা সৃষ্টি কৰি আহিছে, সেই কথা আল-আমিন জন কল্যাণ সমাজো নিশ্চয় ভালদৰে অৱগত। এই সমস্যা সমাধান কল্পে ৰজাঘৰ-প্ৰজাঘৰ, উভয়েই কেতবোৰ কঠোৰ কাৰ্যব্যৱস্থা ল'বলগীয়া অৱস্থা একোটাও সৃষ্টি হৈছে। এই জটিল সমস্যা বা সমস্যাবোৰ সমাধানৰ ক্ষেত্ৰত সংশ্লিষ্ট সম্প্ৰদায়টোক লোক সকলে, বিশেষ ভাবে, পৰিয়াল পৰিকল্পনা তথা জন্ম নিয়ন্ত্ৰণৰ দিশবোৰ কঠোৰ ভাৱে মানি চলাৰ ওপৰত সৰ্বাধিক মনযোগ দিয়া আৰু কাৰ্যব্যৱস্থা লোৱাৰ প্ৰয়োজন উদ্ভৱ হৈছে। যিবোৰ অযুক্তিকৰ কথা আৰু কামৰ অজুহাতত সংশ্লিষ্ট জনগণে উপৰি উক্ত বিষয় বস্তুৰ সন্দৰ্ভত প্ৰয়োজনীয় মনযোগ দিয়া নাই বা দিয়াৰ পৰা অদ্যপৰিমিত বিৰত আছে, তেওঁলোকৰ মাজত অভূতপূৰ্ব সজাগতা আৰু সচেতনা জগাই তোলাৰ ক্ষেত্ৰত আল-আমিন জনকল্যাণ সমাজৰো বিস্তৃত ভাৱে নহলেওঁ কিছু কৰণীয় আছে বুলি আমাৰ মনে ধৰে। এই সমাজে অন্তত কিছু কিছু নিৰ্বাচিত অঞ্চলত সেই অঞ্চলৰ জনসাধাৰণক অসমত বিশেষ ভাৱে, পৰিবৰ্ত্তিত পৰিস্থিতিৰ প্ৰতি লক্ষ্য কৰি পৰিয়াল পৰিকল্পনা আৰু জন্ম নিয়ন্ত্ৰণৰ ওপৰত গুৰুত্ব আৰু প্ৰয়োজনীয়তা হৃদয়ঙ্গম কৰিব পৰাকৈ আৰু পতিয়ন যাব পৰাকৈ কেতবোৰ সজাগতা বা সচেতনামূলক কৰ্মপন্থা বা কাৰ্যসূচী ল'ব পাৰিব নেকি, সেই বিষয়ে চিন্তা কৰি চাব বুলি আশা কৰিলো। এনে কাৰ্যসূচী যুগুত কৰা বা আচনি ৰূপায়ন কৰাৰ ক্ষেত্ৰত ডাঃ ইলিয়াছ আলিৰ দৰে সমাজসেৱকৰ দিহা পৰামৰ্শ লোৱাতো হয়তু প্ৰয়োজন হ'ব পাৰে। আল-আমিন সমাজে এই গুৰুত্বপূৰ্ণ বিষয়টোৰ সন্দৰ্ভত ইতিমধ্যে কিবা চিন্তা-চৰ্চা কৰিছে নেকি, সেই বিষয়ে মই অৱগত নহওঁ। যদি কৰিছে, মোৰ এই পৰামৰ্শটো উপেক্ষিত বুলি গণ্য হৈ পৰিলেও মোৰ কবলগীয়া একে নাথাকিব।

মোৰ এই ক্ষুদ্ৰ পৰিসৰৰ লেখাটোও আল-আমিন জনকল্যাণ নামৰ ইতিমধ্যে জনপ্ৰিয়তাৰ শীৰ্ষ বিন্দুলৈ উৰ্দ্ধগামী হোৱা এই সামাজিক অনুষ্ঠাটোৰ প্ৰতি মোৰ যি পৰ্যবেক্ষণ, উপলব্ধি, আৰু অনুভৱ অকপটে ব্যক্ত কৰিলো, সেইখিনি কথাৰেই এই অনুষ্ঠানটোৰ প্ৰতি থকা মোৰ সদ্ভাৱ পুণৰ নবীকৰণ কৰি মোৰ মনলৈ অহা কথাখিনিৰ সামৰণি মাৰিলো। ◆

ফোন নং--- ৯৭০৭৩-৩৬৫৬৭

বিঃ দ্ৰ ঃ আল আমিন জনকল্যাণ সমাজৰ ফালৰ পৰা ইতিমধ্যে পৰিয়াল পৰিকল্পনা তথা জনবিস্ফোৰণৰ পৰা হ'ব পৰা সমস্যা আদিৰ সম্পৰ্কে দুখনকৈ সজাগতা শিবিৰ পাতি সাধাৰণ ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে।

প্ৰথমখন সভা ১৩/১/১৮ তাৰিখে গুৱাহাটীৰৰ সাতগাওঁৰ নোৱাপাৰাৰ ইছলামীয় অধ্যয়ন কেন্দ্ৰত অনুষ্ঠিত কৰা হয়।

দ্বিতীখন সভা বকোৰ সোণাতলী আঞ্চলিক কলেজৰ সভাকক্ষত ৫/০২/১৮ তাৰিখে অনুষ্ঠিত কৰা হয়।

দুয়োখন সভাতে ডাঃ ইলিয়াচ আলী চাহাবে সক্ৰিয় ভাৱে অংশ গ্ৰহণ কৰি ৰাইজক পৰিয়াল পৰিকল্পনা তথা জনবিস্ফোৰণৰ ধাৰা হ'ব পৰা সম্ভাব্য বিপদৰ ওপৰত বক্তব্য ৰাখে। দুয়োখন সভাতে ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীৰ অপূৰ্ব সঁহাৰি পোৱা গৈছিল।

এই বিষয়ে পৰবৰ্ত্তী কালত সময়ে সময়ে অধিক কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। বিষয়বস্তুৰ ওপৰত আলোকপাত কৰাৰ বাবে লেখকক ধন্যবাদ জ্ঞাপন কৰিলো।

সম্পাদক

# মজিদ ককাইটি

আবু নাছাৰ চাঈদ আহমদ



মজিদ ককাইটি। অর্থাৎ অসমৰ অগণন কলা-প্রেমী জনতাৰ হিয়াৰ আমঠু আব্দুল মজিদ। নামেই যাৰ পৰিচয়। বিভিন্ন সম্বোধনেৰে যিগৰাকী ওখ-পাখ আৰু উচ্চ ব্যক্তিত্বসম্পন্ন মানুহৰ সৈতে সান্নিধ্য লাভ কৰিবলৈ বহুতে হেপাহ কৰে, সেইগৰাকী মজিদ ককাইটি বা মজিদৰ বিষয়ে মই এটা দীঘলীয়া লিখনিৰে তেখেতৰ সৈতে মোৰ মধুৰ সম্পৰ্কৰ কথা প্ৰকাশ কৰিছিলোঁ আৰু তাৰ যোগেদি মই তেখেতৰ শিল্পী-প্ৰাণ জীৱন, মানৱীয় মন আৰু প্ৰাণ-প্ৰচুৰ্যময়ী বৈশিষ্ট্যৰ বিষয়ে আলোকপাত কৰিছিলোঁ ('এগৰাকী দুৰন্ত ডেকা মানুহ ঃ আব্দুল মজিদ', *দৈনিক জনমভূমি*, নৱেম্বৰ ১৬, ২০১১)। তেখেতৰ সৈতে মোৰ সোণালী সম্পৰ্ক গঢ়ি উঠিছিল ২০০৯ চনত আৰু তেখেত আমাৰ পৰা চিৰদিনৰ বাবে আঁতৰি যোৱালৈকে সেই সম্পৰ্কৰ চিৰসেউজ হৈ আছিল।

মজিদ ককাইটিৰ সৈতে মোৰ প্ৰথম চিনাকি হৈছিল চৈয়দ আব্দুল মালিক (আমাৰ মালিক ককাইটি)ৰ যোৰহাটস্থ বাসগৃহত, বোধকৰো ১৯৮২ চনৰ কোনোবা এটা দিনত। সেই সময়ত 'বদন' মালিকৰ ঘৰলৈ যাবলৈ বহুতে ভয় কৰিছিল, কিজানিবা 'জনতাৰ'! ৰোষত পৰিব লগীয়া হয়। তেনে এটা পৰিস্থিতিত মালিক ককাইটিৰ ঘৰত আব্দুল মজিদক লগ পাইছিলোঁ প্ৰথম বাৰৰ বাবে। বয়সত মোতকৈ যথেষ্ঠ ডাঙৰ এইগৰাকী সুদক্ষ কথাছবি পৰিচালক 'চামেলি মেমচাব' খ্যাত সুন্দৰ ব্যক্তিত্বৰ মানুহগৰাকীক মই তেতিয়াৰ পৰা ককাইটি বুলি সম্বোধন কৰি ভাল পাইছিলোঁ। তেখেতৰ সৈতে কিন্তু মোৰ ঘনিষ্ঠ সম্পৰ্ক ২০০৯ চনতহে আৰম্ভ হৈছিল। ২০১৭ চনৰ ২৪ ছেপ্তেম্বৰত তেখেতৰ বিয়োগত এই দীঘলীয়া যাত্ৰাৰ পৰিসমাপ্তি ঘটে। মোৰ জীৱনতো এক বিশাল শূণ্যতাই আৱৰি ধৰে। তেখেত আমাৰ মাজত নাথাকিলেও তেখেতে এৰি থৈ যোৱা মধুৰ আৰু সোণালী সম্পৰ্ক মোৰ বাবে এক অমূল্য সম্পদ হৈ থাকি ৰ'ল।

মজিদ ককাইটি দৰে এগৰাকী অতিকৈ মৰমীয়াল পিতৃ, শহুৰ, ককা, আৰু সবাতকৈ ওপৰত বহুতো মানৱীয় গুণ-গৰিমাৰে বিভূষিত, এগৰাকী সংসাৰী ব্যক্তিৰ সৈতে মোৰ

সম্পৰ্ক হৈছিল এখন তথ্যচিত্ৰ নিৰ্মাণক কেন্দ্ৰ কৰি। সেইখন আছিল Islamic Heritage in India's Northeast এইখন তথ্যচিত্ৰই দিল্লীত বিপুল সমাদৰ পাইছিল আৰু সেই কথাটো কেইবাখনো ৰাষ্ট্ৰীয় পৰ্যায়ৰ বাতৰি কাকতত প্ৰকাশ পাইছিল। কথাটো এনেকুৱা ধৰণৰ। ২০০৮ চনৰ জুন মাহত Indira Gandhi National Centre for the Artsৰ পৰা মোলৈ এটা প্ৰস্তাৱ আহিছিল - অসম আৰু মণিপুৰৰ ইছলামিক ঐতিৰ্যৰ ওপৰত এক গৱেষণামূলক লিখনি আৰু তাৰ সমান্তৰালভাবে ডকুমেণ্টৰি ফিল্ম প্ৰস্তুত কৰিব লাগে। বিদ্যায়তনিক কামখিনি মই কৰাৰ দায়িত্ব লৈ তাৰ বাবে প্ৰস্তুত কৰা কনচেপ্ত ডিজাইনৰ আধাৰত তৈয়াৰ কৰিব লগীয়া ফিল্মৰ দায়িত্ব ল'বলৈ মজিদ ককাইটিক অনুৰোধ কৰিলোঁ। পোনছাতেই তেখেতে এই দায়িত্ব ল'বলৈ সন্মতি প্ৰকাশ কৰিলে। সেই দিন ধৰি তেখেতৰ সৈতে এই প্ৰজেক্টটো লৈ বহুত বাৰ আলোচনাত বহিছিলোঁ। অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে আৰু মণিপুৰৰ ইম্ফল আৰু থৈবাল জিলাত থকা মুছলমান বসতি থকা অঞ্চল তেখেতৰ লগত ভ্ৰমিছিলোঁ। তেখেতৰ শিল্পী সত্বাৰ সৈতে জড়িত কথাবিলাক অসমৰ প্ৰায় সকলো সংস্কৃতিপ্ৰেমী লোকে জানে। সেইখিনি বাদ দি তেখেতৰ কেইবাটাও দিশ দেখি আমি মোহিত হৈছোঁ; সেয়া হৈছে - তেখেতৰ ইতিহাস চেতনা; বিস্তৰ অধ্যয়ন, সুশৃঙ্খল জীৱন, সময়ানুবৰ্তিতা আৰু তেখেতৰ ফিল্ম য়ুনিটৰ প্ৰতিজন সদস্যৰ প্ৰতি অকৃপণ মৰম আৰু দায়বদ্ধতা। তেতিয়া আশী বছৰ পাৰ কৰা মজিদ ককাইটিয়ে শীত কালতো চাৰি বজাতে শোৱা পাটি এৰি দৃশ্য গ্ৰহণ কৰিবলৈ প্ৰস্তুত হোৱাৰ কথা আমি জানোঁ। সেই বয়সতো প্ৰচণ্ড গৰম নেওচি সমগ্ৰ দিনটো শ্যুটিং কৰিও ভাগৰি নপৰা আৰু বয়সৰ ওচৰত হাৰ নমনা মজিদ ককাইটিৰ মনোবল দেখি তবধ মানিছিলোঁ। তেতিয়া তেখেতক ত্ৰিশ বছৰীয়া চফল যুৱকৰ নিচিনা যেন লাগিছিল। 'সাত নম্বৰৰ সন্ধানত' ছবিখনৰ শ্যুটিং লৈ থকাৰ সময়ত একেজাপে খাল পাৰ হৈ চমক দেখুৱাৰ কথা অভিনেতা জুবিন গাৰ্গৰ মুখত শুনিছিলোঁ। ইমান অফুৰন্ত উদ্যম তথা শক্তি তেখেতে ক'ৰ পৰা আহৰণ কৰিছিল সেই কথা ভাবিলে মই ভাবি পাওঁ তেখেতৰ কৰ্ম, দায়িত্ব আৰু নিষ্ঠাই আছিল সকলো অনন্যতাৰ অনাবিল উৎস।

জীৱনৰ অন্তিম সময়ছোৱাত মজিদ ককাইটিয়ে দুবাৰ মৃত্যুৰ সৈতে যুঁজ কৰি জয়ী হৈছিল। তৃতীয় বাৰ মৰণৰ হাতত তেখেত পৰাভূত হ'ল। প্ৰথমবাৰ জয়ী হৈ তেখেত বহি নাথাকিল। তেখেতে 'দিন সলনিৰ দিন' নাম দি কাজিৰঙাৰ গড় হত্যাৰ সমস্যাৰ ওপৰত এখন কথাছবি কৰাৰ মানসৰে চিত্ৰনাট্য প্ৰস্তুত কৰি উলিয়ালে। সেইখন মোক চাবলৈ দিলে। তাত তেখেতৰ শিল্পীমনৰ প্ৰখৰতাৰ জীৱন্ত উমান পাইছিলোঁ। তেখেতৰ জীৱনৰ এটা ডাঙৰ ইচ্ছা আছিল শৰাইঘাটৰ ৰণৰ মহাবীৰ লাচিত বৰফুকনৰ পালি-সেনাপতি বাঘ হাজৰিকাৰ ওপৰত এখন পূৰ্ণাংগ কথাছবি নিৰ্মাণ কৰাৰ। আমাৰ ডকুমেণ্টৰীখনৰ কাম সমাপ্ত হোৱাৰ পাছত তেখেতে মোৰ ওপৰত ন্যাস্ত কৰিলে ছবিখনৰ স্ক্ৰীণপ্লেখিনি প্ৰস্তুত কৰাৰ। এইটো কাম মোৰ বাবে একেবাৰে নতুন আৰু আগতে উল্লেখ কৰা ডকুমেন্টৰীখনৰ স্কৃপ্ত লিখাৰ বাহিৰে মোক কোনো অভিজ্ঞতা নাছিল। তেখেতে অৰ্পন কৰা দায়িত্ব লোৱাৰ আগতে মই Syd Field, *Screenplay: The Foundation of Screenwriting* আদিকৈ এই সম্পৰ্কত প্ৰকাশিত কেইবাখনো উৎকৃষ্ট কিতাপ গোটাই লৈ, সত্যজিৎ ৰায়ে কেনেকৈ এই কামখিনি কৰে তাৰ ওপৰত অধ্যয়ন কৰি কামটোত হাত দিলোঁ। তাৰ মাজে মাজে ককাইটিৰ সৈতে দীঘলীয়া আলোচনাত বহিলোঁ। কামখিনি তেখেত দ্বিতীয়বাৰ অসুস্থ হৈ পৰাৰ আগেয়ে সম্পূৰ্ণ কৰি পাৰাৰ পইণ্ট প্ৰেজেন্টেশ্বন কৰিলোঁ। তাতকৈ আৰু আগবাঢ়িব নোৱাৰিলোঁ। তেখেত আকৌ গুৰুতৰভাবে অসুস্থ হৈ পৰিল। মোৰ ফালৰ পৰা কামখিনি প্ৰায় সম্পূৰ্ণ হ'ল যদিও তেখেতৰ স্বাস্থ্যজনিত কাৰণত অধিক আলোচনা কৰিব পৰা নগ'ল। তেখেতক দেখা কৰিবলৈ গ'লে তেখেতে বাঘ হাজৰিকা ছবিখনৰ কৰাৰ

অপৰিসীম হেপাহৰ কথা কয় আৰু তাৰ লগতে বিভিন্ন দৃশ্যৰ বিতং আঁচনি কেমেৰা মভমেণ্ট আদিৰ বিষয় বিলাক Screenplay ত কিদৰে ধৰি ৰাখিব পৰা যায় তাৰ ওপৰত বহুতো কথা মোক বুজাই দিয়ে। তাকে কৰোতে তেখেত ইমান ক্লান্ত হৈ পৰে যে মই নানা অজুহাত দেখুৱাই তেখেতৰ পৰা অনিচ্ছা সত্ত্বেও বিদায় লৈ আহিছিলোঁ এক বেদনাভৰা মনলৈ। ৩ চেপ্তেম্বৰ তাৰিখ, দেওবাৰে, অৰ্থাৎ ঈদ-উল-আজহাৰ পাছদিনা শেষবাৰ লগ পাওতে তেখেতক দেখি অতিকৈ দুখ লাগিছিল। সেইদিনাও তেখেতৰ কল্পনাতীত স্মৃতিশক্তি আৰু ইতিহাস চেতনাৰ পৰিচয় দি ৰমণীগাভৰুৰ চৰিত্ৰ সঠিক ৰূপত ঠিয় কৰাবৰ বাৰে মোক দুটামান উপদেশ দিলে। মই তেখেতৰ পৰা বিদায় লোৱাৰ সময়ত তেখেতে এক ৰহস্যময়ী মিচিকিয়া হাঁহি মাৰি ক'লে, "বয়স হ'ল। দেহা পৰিব নে চৰিব !"

মজিদ ককাইটিৰ সপোন - বাঘ হাজৰিকাক - হয়তো কথাছবিৰ ৰূপত সহজে অসমীয়া মানুহ তথা ছবি জগতেত দেখা পোৱাটো হৈ নুঠিব। তাৰ প্ৰধান কাৰণ হৈছে এইখন ব্যয়বহুল কথাছবি কৰিবলৈ হয়তো কোনো আগবাঢ়ি নাহিব। সেই বাস্তৱ সত্যটো উপলব্ধি কৰি মই ইতিমধ্যে প্ৰায় সম্পূৰ্ণ হৈ পৰা স্ক্ৰীণপ্লেখিনি অন্য এক ৰূপ দিবলৈ ঠিক কৰিছোঁ। কিমান সফল হওঁ, নাজনোঁ। হয়তো তেখেতৰ অসম্পূৰ্ণ আশাই মোক দিক বাট দেখুৱাই দিব।

ব্যক্তি হিচাপে মজিদ ককাইটি সমাজপ্ৰিয় আৰু ধাৰ্মিক ব্যক্তি আছিল। সমাজৰ প্ৰায় সকলো কামত তেখেত জড়িত হৈ থাকি ভাল পাইছিল। এগৰাকী ধাৰ্মিক মুছলমান হিচাপে তেখেতে ধৰ্মৰ কামখিনি কৰিছিল। জীৱনত শেষৰ পিনে বৰকৈ অসুস্থ হৈ পৰাৰ আগলৈকে তেখেতে নিতৌ বাসস্থানৰ ওচৰতে থকা মছজিদত মগৰিবৰ নামাজ পঢ়িবলৈ যায়। এবাৰ তেখেতে হজ যাত্ৰাও কৰি আহিল। অসমৰ মুছলমানসকলৰ মাজত ধৰ্মৰ লগতে প্ৰগতিশীল চিন্তা-চৰ্চা কৰা মঞ্চ তৈয়াৰ কৰাৰ উদ্দেশ্যত 'আল-আমিন জনকল্যাণ সমাজ'ৰ প্ৰতিষ্ঠাত আগ-ভাগ লৈ তেখেত তাৰ প্ৰথমগৰাকী সভাপতিৰ দায়িত্ব লৈছিল। তেখেতৰ ঘৰৰ নিচেই কাষতে থকা নামঘৰৰ সৈতে সুসম্পৰ্ক ৰাখিছিল। কলাক্ষেত্ৰৰ কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য হিচাপেও নিজস্ব অৱদান দিছিল।

সাধাৰণতে দেখা যায় যে শিল্পীসকলৰ অধিকাংশ ব্যক্তি অভিমানী আৰু খেয়ালি হয়। অলপ কথাতে ঠেহ পাতে। কিন্তু মজিদ ককাইটি এইক্ষেত্ৰত ব্যতিক্ৰমী আছিল। কোনে কি কৈছে বা কি আচৰণ কৰিছে তাক কেতিয়াও তেখেতে গুৰুত্ব দিয়া নাছিল। নিজৰ কামত একনিষ্ঠ এইগৰাকী অনন্য সম্পন্ন ব্যক্তিয়ে সেই কাৰণে অসমৰ ইমুৰৰ পৰা সিমুৰলৈকে অগণন জনতাৰ সৈতে মধুৰ সম্পৰ্ক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। তাৰেই মনোৰম আৰু অন্তৰাত্মা স্পৰ্শ কৰা উদাহৰণ মই নিজে বহুতো দেখিবলৈ পাইছিলোঁ। এটা অতি বিতোপন উদাহৰণেৰে এই কথাটোকে সাব্যস্ত কৰিবলৈ বিচাৰিছোঁ। তেখেত প্ৰথম বাৰৰ বাবে গুৰুতৰ ধৰণেৰে অসুস্থ হৈ চিকিৎসালয়ৰ আইচিয়ুত (ICU) থাকি মৃত্যুৰ সৈতে যুঁজ দি থকাৰ সময়ত বিভিন্ন ঠাইত নামঘৰ আৰু মছজিদত সোনকালে আৰোগ্য হোৱাৰ বাবে প্ৰাৰ্থনা কৰিছিল। এইবিলাক প্ৰাৰ্থনা আৰু তেখেতৰ পৰিধিবিহীন মনোবলৰ বাৰেই তেখেত দুনাই সুস্থ হৈ পৰিছিল।

মোৰ আগতে উল্লেখ কৰা লিখনীত এটা কথা কৈছিলোঁ। আমেৰিকাৰ বিখ্যাত ধৰ্মপ্ৰচাৰক জনাথন এডৱাৰ্ডচে(১৭০৩-১৭৫৮) চমু কিন্তু কৰ্মময়ী জীৱনত বিস্তৰ কাম কৰি ১৩ খনকৈ মূল্যবান গ্ৰন্থ লিখি জীৱনক জাতিষ্কাৰ কৰি থৈ গৈছে। এই সম্পৰ্কে তেখেতৰে পৰিনাতি ট্ৰায়ন এডৱাৰ্ডচে (১৮০৯-১৮৯৪)য়ে এই বিষয়ে লিখি এইদৰে মন্তব্য কৰিছিল, "Age does not depend upon years, but upon temperament and health. Some people are born old and some never grow so."। মজিদ ককাইটি নিজে

স্বাস্থ্য-সচেতন ব্যক্তি। বয়সৰ সৈতে জড়িত দুই-এটা অসুখ-আমনিয়ে ব্যতিব্যস্ত কৰিব নোৱাৰা চিৰ-নবীন এই ব্যক্তিগৰাকীক বৃদ্ধৰ সংজ্ঞাই ঢুকি পাব নোৱাৰিছিল।

অলেখ বঁটা, পুৰস্কাৰ, মানপত্ৰ, সন্মান লাভ কৰা এইগৰাকী ব্যক্তি কিমান মৰমীয়াল, সুন্দৰ আৰু সভ্যতাৰ প্ৰতি কিমান সংবেদনশীল, কিমান সচেতন মনৰ গৰাকী, কি এক প্ৰখৰ স্মৃতি শক্তিৰ অধিকাৰী সেই কথা তেখেতৰ সান্নিধ্যলৈ নাহিলে অনুভৱ কৰা নাযায়। কাৰণ, সাধাৰণতে তেখেতে জুখি-মাখি কথা কৈছিল। কিন্তু ৰাজহুৱা অনুষ্ঠানত অতি সুন্দৰ ভাষাত সাৰুৱা কথা কৈ নিজৰ বিশাল ব্যক্তিত্ব আৰু জ্ঞানৰ বিনম্ৰ পৰিচয় দিয়াৰ কথা আমি ভালদৰে জানোঁ। প্ৰচাৰ বিমুখ এই ব্যক্তিগৰাকীয়ে নিজে কিমান জানে সেই কথা জাহিৰ কৰি ফুৰিব নাজানিছিল। যিসকলে তেখেতক নিচেই কাষৰ পৰা কিছু দিন ধৰি জানিবলৈ সুযোগ পাইছিল, তেখেতসকলেহে এইবিলাক কথা জানিছিল। মোৰেই সৌভাগ্য যে এইগৰাকী মহান ব্যক্তিক ওচৰৰ পৰা জনাই নহয়, তেখেতৰ লগত প্ৰায় নটা বছৰ একলগে কাম কৰাৰো সুযোগ লাভ কৰিছিলোঁ। সেইটো মোৰ বাবে এক আবিস্মৰণীয় অভিজ্ঞতা হৈ ৰ'ব।

মজিদ ককাইটি আমাৰ পৰা চিৰবিদায় লোৱাৰ দহটা মাহ পাৰ হৈ গ'ল। কিন্তু তেখেতে এৰি থৈ গ'ল তিনিগৰাকী সুযোগ্য সন্তান আৰু যোগ্য বোৱাৰী। অতিকৈ সাদৰী আৰু মৰমিয়াল আকুমা বৌৰ হাতৰ চাহ-জলপান নোখোৱাকৈ তেখেতৰ ঘৰৰ পৰা কোনো কোনো ব্যক্তি উভতি যাব নোৱাৰিছিল। ককাইটিৰ সকলো দায়িত্ব নীৰৱে পালন কৰা এইগৰাকী অসমান্য মহিলা আমাৰ সকলোৰে আদৰৰ। মুঠতে, সংসাৰী মজিদ ককাইটিয়ে পৰিয়ালটিৰ সকলো কাম সুন্দৰকৈ সমাপন কৰি জীৱনটো সফল, সাৰ্থক আৰু জতিষ্কাৰ ৰূপত সজাই ইহ-জগতৰ পৰা মেলানি মাগিলে। সকলো কাম সাধি জীৱনৰ যৱনিকা তৰা এগৰাকী অতিকৈ সৌভাগ্যবান মজিদ ককাইটিৰ বিষয়ে এটা সৰু প্ৰবন্ধত লিখি শেষ কৰিব নোৱাৰি। আমি যি কিঞ্চিৎ এই লিখনিত কৰিবলৈ চেষ্টা কৰিছোঁ, সেয়া মাথোন তেখেতৰ প্ৰতি আমাৰ এক বিনম্ৰ আৰু সামান্য শ্ৰদ্ধাৰ্য। ◆

ফোন নং--- ৯৪৩৫৪০৭৩৭৬

তোমাৰ মৃত্যুৰ লগে লগে মানুহে তোমাক পাহৰি যোৱাটো যদি নিবিচাৰা, তেন্তে হয়তো তুমি মূল্যবান ৰচনা লিখিব লাগিব নতুনবা তুমি এনে কৰ্ম্ম কৰিব লাগিব যাক লৈ মানুহে মূল্যবান লেখা লেখিব পাৰে।

—— ফ্ৰেংকলিন

# অৰ্থনীতি আৰু ইছলাম

ড° পইনুৰুদ্দিন আহমদ

ধনেই ধৰ্মৰ মূল, ধন নহ'লে যায় জাতিকুল' অথবা ধনৰ নাম জয়ৰাম, ধনেই কৰে সব কাম' বোলা প্ৰবচনবিলাকৰ পৰাই ধনৰ গুৰুত্ব বুজিব পাৰি। ধন বা অৰ্থনীতি হৈছে ব্যক্তি একোজন বা জাতি একোটাৰ বুনিয়াদ-ৰাজহাড় স্বৰূপ ধনৰ জোৰ থাকিলে মনৰো বল বাঢ়ে। দেশ একোখনৰ প্ৰগতি উন্নয়ন ধন দৌলতৰ ওপৰত বহুলাংশে নিৰ্ভৰ কৰে। ই সবল নহ'লে বিভিন্ন প্ৰকাৰে লটি-ঘটি হ'বলগীয়া হয়। সেইদেখি ইহসংসাৰ আৰু মানৱ জীৱনত অৰ্থনীতিৰ গুৰুত্বপূৰ্ণ ভূমিকা যাক উলাই কৰিব নোৱাৰি। পৱিত্ৰ ইছলাম ধৰ্মত অৰ্থনৈতিক ব্যৱস্থা অতি সুশৃংখলাবদ্ধ। এনে ব্যৱস্থাৰ মূল লক্ষ্য হৈছে ন্যায় আৰু সমতাৰে একোখন সমাজ প্ৰতিষ্ঠা কৰা সততা, বিশ্বাস যোগ্যতা, শিষ্টতা, প্ৰত্যয়, দায়িত্ব আদিৰ প্ৰতি অকণো কৰ্ণপাত নকৰাকৈ সোঁৰে-বাঁৱে কুট-কৌশল কৰি ধন আৰ্জি জধে-মধে খৰচ কৰাৰ অৱকাশ ইছলামত নাই। ইছলামৰ লক্ষ্যই হৈছে সকলোৰে কল্যাণ, সকলোৰে শান্তি সুখ। এনে উদ্দেশ্যত উপনীত হোৱাৰ কাৰণে ইছলামত কিছু আদৰ্শনীয় পালনীয় নীতি-নিৰ্দেশনা স্পষ্ট কৰি দিয়া হৈছে। তেনে কেইটিমান হ'ল ঃ

(১) বৈধ উপায়ে আৰ্জন আৰু খৰচ ঃ উপাৰ্জন আৰু খৰচ সম্পৰ্কে পৱিত্ৰ কুৰআনত নিয়ম বান্ধি দিয়া হৈছে। যেনেকৈ তেনেকৈ আৰ্জি য'তে ত'তে ব্যয় কৰাৰ অনুমোদন নাই। প্ৰত্যেকজন মুছলমান নৰ-নাৰীয়ে (ক) মদ, মাদক দ্ৰব্য আদি বনাব নোৱাৰিব অথবা এই'বোৰৰ ব্যৱসায় কৰিব নোৱাৰিব, এইবোৰ খোৱাটো দূৰৈৰ কথা। সেইদৰে, জুৱা, লটাৰী, ভেটী, সুদ আদিৰ জৰিয়তে অৰ্জা ধনো হাৰাম (নিষিদ্ধ), হালাল (বৈধ) নহয়। (খ) মিছা মাতি, ঠগ প্ৰৱঞ্চনা কৰি, চুৰি ডকাইতি কৰি অৰ্জা ধন অবৈধ। এতিম (মাউৰা) ল'ৰা-ছোৱালীৰ ধন-সম্পদ, মাটিবাৰী আদি প্ৰৱঞ্চনাৰে হস্তগত কৰা হাৰাম। (গ) খোৱা খাদ্য আৰু অত্যাৱশ্যকীয় বস্তু বাহানি জমা কৰি থোৱা, চোৰাং বেহা কৰা আৰু বয়-বস্তুৰ কৃত্ৰিম নাটনি ঘটোৱা আদি ইছলামত নিষিদ্ধ। (ঘ) বেশ্যাগিৰি আৰু এইধৰণৰ সমাজৰ পক্ষে অহিতকৰ কাম-কাজৰ পৰা হোৱা উপাৰ্জন বৈধ নহয়। উপাৰ্জনৰ ক্ষেত্ৰত থকা এনে বাধা নিষেধৰ দৰে খৰচপাতিৰ ক্ষেত্ৰতো বাধা আৰোপ কৰা হৈছে। অপচয় কৰা, লাহ-বিলাহ সমাজ আৰু পৰিয়ালৰ পক্ষে ক্ষতিকাৰক কোনো খৰচ পাতিতে ইছলামৰ অনুমোদন নাই।

(২) সম্পত্তি আৰু ব্যক্তিগত স্বাধীনতাৰ অধিকাৰঃ বৈধ উপায়ে টকা-পইচা আৰ্জি তাৰ মালিক হোৱাৰ অধিকাৰ ইছলামে প্ৰতিজন ব্যক্তিকে প্ৰদান কৰিছে। সমাজৰ বৃহৎ স্বাৰ্থ বিঘ্নিত নকৰিলে কথা কোৱা, মতামত প্ৰকাশ কৰা কাম কৰাৰ অধিকাৰৰ ক্ষেত্ৰত ইছলামে কোনো প্ৰকাৰে হস্তক্ষেপ নকৰে। অৱশ্যে এইক্ষেত্ৰত শ্বৰীয়তৰ সীমা লংঘন কৰিব নোৱাৰিব।

(৩) জাকাত ঃ ইছলামৰ পাঁচটি স্তম্ভ (কলিমা, নামাজ, ৰোজা, জাকাত আৰু হজ)ৰ অন্যতম স্তম্ভ জাকাত

বাধ্যতামূলক দান। কুৰআন শ্বৰীফত নামাজ (ছালাত)ৰ স’তে ৮২ বাৰ জাকাতৰ উল্লেখ আছে। জাকাত হৈছে বৰকতৰ আধাৰ। জাকাতক ইছলামী অৰ্থনৈতিক ব্যৱস্থাৰ প্ৰধান বুনিয়াদ বুলিব পাৰি। জাকাতৰ ব্যৱস্থা মতে এজন মানুহৰ প্ৰয়োজন পূৰ্ণ হোৱাৰ পাছত বছৰটিত যি অতিৰিক্ত ধন ৰৈ যায় তাৰ পৰা এটা নিৰ্দিষ্ট পৰিমাণ (শতকৰা ৪০ ভাগৰ ১ ভাগ অৰ্থাৎ এশ টকাত আঢ়ৈ টকা) দুখীয়া গৰীবক দান দিব লাগে। এই জাকাত ব্যৱস্থাৰ অন্তৰ্নিহিত উদ্দেশ্য হ’ল সমাজত ধনী দুখীয়াৰ মাজত সমতা স্থাপন কৰা। দৰাচলতে এই জাকাত ব্যৱস্থা পৰিপূৰ্ণভাৱে কাৰ্যকৰী হ’লে সমাজত ধনী-দুখীয়াৰ ব্যৱধান কমি যাব আৰু এখন বৈষম্যহীন সমাজ প্ৰতিষ্ঠাৰ বাট মুকলি হ’ব। জাকাতৰ যোগেদি অৰ্থনৈতিক সমবিতৰণ সম্ভৱপৰ হৈ উঠে। দেশত প্ৰচলিত ‘আয়কৰ’ (ইনকাম টেক্স)ৰ লগত জাকাতৰ কোনো সামঞ্জস্য নাই।

(৪) সুত নিষিদ্ধ ঃ আধুনিক পুঁজিবাদৰ ভিত্তি হৈছে সুত ব্যৱস্থা। ই জাকাতৰ সম্পূৰ্ণ বিপৰীত। জাকাতে সমাজত সমতা স্থাপন কৰে। কিন্তু সুতে দুখীয়াক লাও লোৱা কৰে আৰু ধনীক আৰু বেছি ধনী কৰে। সেই দেখি ইছলামত সুত হাৰাম কৰা হৈছে। যদিও কিছুমানে বিশেষকৈ কাবুলীৱালাসকলে সুত্য ‘ব্যৱসায়’ কৰে দৰাচলতে কিন্তু সুত কোনো ব্যৱসায় নহয়, ই শোষণ আৰু সম্পত্তি জমা কৰা উপায়হে। এই বিষয়ে কুৰআনত স্পষ্টভাৱে কোৱা হৈছে ঃ ‘আল্লাই ব্যৱসায় বাণিজ্য চলাবলৈ অনুমতি দিছে, কিন্তু সুত নিষিদ্ধ কৰিছে। (২ ২৭৫) ‘তুমি সুত হিচাপে যি দিয়া সিয়ে, অন্যলোকৰ সম্পত্তি বৃদ্ধি কৰে, ই আল্লাৰ ওচৰত একো বৃদ্ধি নকৰে’ (৩০.৩৯)।’ হে বিশ্বাসী সকল দ্বিগুণ আৰু চাৰিগুণ হিচাপত সুত নলবা, আল্লাৰ, প্ৰতি কতৃব্য পৰায়ণ হ’বা, যাতে তোমালোকে উন্নতি কৰিব পাৰা’ (৩.১৩০)। ‘হে বিশ্বাসী সকল খোদাৰ প্ৰতি কৰ্তব্য পালন কৰা আৰু সুতৰ পৰা পোৱাখিনি পৰিত্যাগ কৰা, যদি তোমালোক বিশ্বাসী হোৱা। কিন্তু যদি তোমালোকে তাকে নকৰা তেন্তে খোদা আৰু তেওঁৰ নবীৰ পৰা ক্ষুব্ধ বাবে সতৰ্ক থৈ থাকিবা। আৰু যদিহে তোমালোকে তৌবাহ (অনুতাপ) কৰা তেন্তে তোমালোকে তোমালোকৰ ধন পাবা। শোষণ নকৰিবা আৰু শোষিত নহ’বা।’

(৫) উত্তৰাধিকাৰৰ কানুন ঃ ইছলামত সা-সম্পত্তিৰ উত্তৰাধিকাৰ আইন-কানুন অতিশয় প্ৰাঞ্জল আৰু ইয়াত সম্পত্তিৰ পাহাৰ গঢ়াৰ অৱকাশ সমূলি নাই। এই সম্পত্তিৰ বিতৰণ ব্যৱস্থাক ইছলামী পৰিভাষাত ‘মিৰাচ বোলে। এজন মানুহ মৰিলে তেওঁৰ সতি-সন্ততি, স্ত্ৰী, ভাই, ভনী আদিয়ে কি পৰিমাণৰ সম্পত্তিৰ ভাগ পাব তাক, বঢ়িয়াকৈ মিৰাচত বৰ্ণিত আছে। পৱিত্ৰ কুৰআনৰ চুৰা ‘নিচা’ (মহিলা জাতি)ৰ ৭নং আয়াত (বাক্য)ত সংক্ষিপ্ত ৰূপত আৰু ১১,১২,১৭২ নং আয়াত কেইটাত বিস্তাৰিতভাৱে সম্পত্তিৰ ভাগ-বাটোৱাৰাৰ নিয়ম বৰ্ণনা কৰা হৈছে। উত্তৰাধিকাৰসকলৰ ভাগৰ বৰ্ণনা প্ৰসংগত পাক কুৰআনত নিচফ (আধা), ৰুবু (এক চতুৰ্থাংশ), চুমুন (আঠ ভাগৰ এভাগ), চুলচ (এক তৃতীয়াংশ), চুলুচান (দুই তৃতীয়াংশ), চুদচ (ছয় ভাগৰ এভাগ) অংশবোৰ নিৰ্ধাৰিত কৰি দিছে। এই অংশ নিৰ্ধাৰণ কৰা আৰু নিৰ্দিষ্টকৰণ কৰা কাৰণে ইয়াক ‘ইনামুল ফৰজ’ আখ্যা দিয়া হৈছে, যিহেতুকে ‘ফৰজ’ৰ অবিধানিক অৰ্থ হ’ল ‘নিৰ্দিষ্ট’ কৰা, পৱিত্ৰ কুৰআনৰ ভাষাত “তোমালোকৰ সন্তানসকলৰ (উত্তৰাধিকাৰ) সম্পৰ্কে খোদা-তালাই নিৰ্ধাৰণ কৰি দিছে ল’ৰাৰ কাৰণে দুজনী ছোৱালীৰ ভাগৰ সমান; যদিহে কেৱল ছোৱালী দুজনী বা তাতকৈ বেছি তেতিয়া ভাগ পাব দুই-তৃতীয়াংশ; যদিহে মাথোন একেজনী ছোৱালী তেন্তে ‘নিফচ’ (আধা) ভাগ পাব। যদিহে মৃতকজনে সন্তান, এৰি থৈ যায় তেন্তে মাক-বাপেকে পাব ছয় ভাগৰ এভাগ (চুদুচ); যদি সন্তান নাথাকে আৰু মাক-বাপেকহে একমাত্ৰ উত্তৰাধিকাৰ তেন্তে মাকে পাব এক তৃতীয়াংশ (চুলুচ); যদি মৃতকৰ ভাইহঁত (বা ভনীয়েকহঁত)ক এৰি

থৈ যায় তেন্তে মাতৃয়ে পাব ছয়ভাগৰ এভাগ (চুদুচ)।' (৪ ঃ ১১)।

(৬) ৱাকফ ঃ কোনো লোকে নিজৰ সা-সম্পত্তি বিশেষকৈ মাটি, ঘৰ আদি 'ৱাকফ' অৰ্থাৎ মহাদান কৰি যাব পাৰে। এই ৱাকফ সম্পত্তিৰ পৰা হোৱা আয়ৰ জৰিয়তে ভৱিষ্যত প্ৰজন্মৰ কাৰণে বিভিন্ন কল্যাণমূলক কাম কৰিব পাৰে। নিজৰ ল'ৰা-ছোৱালী অথবা সমাজৰ অন্যান্য লোকৰ মঙ্গলৰ কাৰণে এই বাকফ সম্পত্তিৰ পৰা হোৱা আয় ব্যয় কৰিব পাৰিব। ৱাকফ সম্পত্তিৰ আয়ৰ বৃহৎ অংশ জনকল্যাণৰ কাৰণে ব্যৱহাৰ কৰি সামান্য পৰিমাণে আল্লাৰ ওৱাস্তে খৰচ কৰাৰ বিধান আছে। ৱাকফ সম্পত্তিৰ তদাৰক কৰোতাজনক মুতাৱল্লী অথবা পৰিচালক (মেনেজাৰ) বোলা হয়। ৱাকফৰ আয়ৰ যোগেদি স্কুল, কলেজ, বিশ্ববিদ্যালয় আদি স্থাপন, দুখীয়া ল'ৰা-ছোৱালীক অধ্যয়নৰ খা-খৰচ, বিধবাক জীৱন ধাৰণৰ সুবিধা কৰি দিয়া, বৃত্তি দিয়া আদি কাৰ্যত ব্যৱহাৰ কৰিব পাৰি।

ওপৰোক্ত নীতি-নিৰ্দেশনাবোৰৰ বাহিৰেও ইছলামত অৰ্থনৈতিক ব্যৱস্থাৰ অন্যান্য দিশতো জোৰ দিছে। ইছলামী দেশ বা জাতিয়ে নিবনুৱা মানৱ-সম্পদ, অনাবাদী ভূমি, জলসম্পদ, খনিজ দ্ৰব্যকে ধৰি সকলোধৰণৰ উৎপাদনশীল সমলৰ সদ-ব্যৱহাৰ কৰিব লাগিব। সেইদৰে অৰ্থনৈতিক দিশৰ পৰা লাভজনক হ'লেও সকলো প্ৰকাৰৰ দুনীতি, অনীতি নিৰ্মূল কৰিব লাগিব। আনকি দেশ আৰু দহৰ কল্যাণৰ স্বাৰ্থত ব্যক্তিগত স্বাধীনতাকো 'কুৰবানি' দিব লাগিব।

উল্লেখযোগ্য যে পবিত্ৰ কুৰআন আৰু হাদীছৰ বাণী-নিয়মাৱলী মানি চলাহেঁতেন মুছলমানসকল পৃথিৱীৰ ভিতৰতে সমৃদ্ধিশালী হ'ব পাৰিলেহেঁতেন। সেইবোৰ নীতি-নিৰ্দেশনা নমনাৰ ফলত সমগ্ৰ দুনিয়াত আজি মুছলমানসকলৰ কি দুৰ্দশা হৈছে তাক নতুনকৈ বহলাই কোৱাৰ প্ৰয়োজন নাই।

ইছলামী অৰ্থনৈতিক ব্যৱস্থা সঁচাকৈয়ে এক আদৰ্শনীয় ব্যৱস্থা। এই ব্যৱস্থা সম্পূৰ্ণৰূপে বাস্তৱায়ন কৰিব পাৰিলে সমাজত অনৈক্য-অসূয়া নাথাকিব আৰু এখন শান্তিপূৰ্ণ সমৃদ্ধিশালী সমাজ গঢ় উঠিব, তাত কোনো সন্দেহ নাই। ◆

ফোন নং--- ৯৪৩৫৬ ২৮৮৯৪

পৃথিৱীৰ জীৱন্ত কবিতা হৈছে গছৰ পাতবোৰ, ফুল আৰু ফলৰ পুৰ্বে যিবিলাকৰ আৰ্বিভাৱ হয়। পৃথিৱী জীৱন্ত, প্ৰস্তৰীভূত নহয়। মূল্যবান ধাতু গলাই সুন্দৰ আকৃতিৰ বিভিন্ন অলঙ্কাৰ গঢ়াব পাৰি যদিও সেইবোৰৰ আকৰ্ষণ সীমতি। কিন্তু পৃথিৱীয়ে উৎপন্ন কৰা সকলো উদ্ভিদৰ আবেদনময় আকৰ্ষণ অতুলনীয়।

--- হেনৰী ডেভিদ থোৰেউ
(প্ৰকৃতিপ্ৰেমী বৈজ্ঞানিক)

# অসমীয়া জাতিক কেনেদৰে কৰ্মপটূ কৰি তুলিব পাৰি?

ৰমিছা বেগম

অসমীয়া জাতিক কেনেদৰে কৰ্মপটূ কৰি তুলিব পাৰি --এইটো এটা ডাঙৰ প্ৰশ্ন। এই প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ প্ৰথমে মই ক'ব বিচাৰো-- শুই থকা মানুহক জগাব পাৰি, জাগি থকা মানুহক জগাব কেনেকৈ? অসমখন আনে লৈ গ'ল, ৰসাতলে গ'ল বুলি আমি চিঞৰি থাকিহে ভাল পাওঁ, মাথোঁ কামহে কৰিব নিবিচাৰো। অসমখন প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ। অসমৰ ভূমি অতি সাৰুৱা আৰু উৰ্বৰা। অসমৰ জলবায়ু কৃষিৰ বাবে অতি উপযোগী। সেয়ে অসম ঘাইকৈ কৃষি প্ৰধান দেশ। কৃষি-কৰ্ম, শিল্প-কৰ্ম, বাঁহ- বেত, গৃহ নিৰ্মাণ, বস্ত্ৰ-শিল্প, কপাহী কাপোৰ, পাট-মুগা কাপোৰ তৈয়াৰ, কাঁহ-পিতলৰ বাচন-বৰ্তন তৈয়াৰ , আদি অলেখ কৰ্মত অসমীয়াসকল এটা সময়ত পাৰ্গত আছিল। তাৰ জৰিয়তে সুন্দৰভাবে জীৱন নিৰ্বাহ কৰিছিল।

দুখৰ বিষয় আমাক এতিয়া কৰ্মপটূ কৰি তুলিবলৈ পৰাৰ্মশ দিবলগীয়া হৈছে। ক্ৰমান্বয়ে পৰিৰ্বতনৰ ঢৌ আহিল । আসমীয়াসকল কৰ্মবিমুখ হ'ব ধৰিলে। শ্ৰম নকৰাকৈ আৰামত খাই বৈ জীয়াই থকাৰ, ধনী হোৱাৰ মানসিকতা আমাৰ মাজত গঢ়ি উঠিল। অসমীয়াসকলৰ প্ৰায়ভাগৰে ঘৰত এতিয়া হালৰ গৰু, গাই-গৰু নোহেৰা হ'ল। বিজ্ঞানৰ অৱদান ট্ৰেকটৰ আহিল যদিও বিঘাই বিঘাই মাটি ছন পৰিল। চাউল, আটা, ময়দা, বিবিধ দাইল, গুৰ, চেনি, সৰিয়হ তেল, বাহিৰৰ পৰা যোগান নধৰিলে আমি লঘোন দিব লাগিব। মাছ, মঙহ, কণী নহ'লে ভাতমুঠি আমাৰ পেটলৈ নাযায়। তাৰেও সৰহ ভাগ বাহিৰৰ পৰাহে আহে। সেইবোৰ উৎপাদন কৰিবলৈ আমাৰ ঠাইৰ অভাৱ নাই। মাথোঁ আমি আগ্ৰহী নহয়। লজ্জা নিবাৰণৰ বাবে কাপোৰ ডোখৰো আনেহে আমাক দিব লাগে। অসমীয়াৰ সৰহভাগ জীয়ৰী-বোৱাৰীয়ে বোঁৱা- কটা কেতিয়াবাই এৰিলে। ৰাজমিস্ত্ৰী, কাঠমিস্ত্ৰী, গৃহ নিৰ্মাণৰ কাম, কৃষি কৰ্মত নিয়োজিত হোৱা , মাটিৰ বাচন-বৰ্তন তৈয়াৰ কৰা আদি কামবোৰ আমাৰ এলাগী হ'ল। অসমীয়া মানুহ কানীয়া-সোৰোপা, এলেহুৱা-নিৰ্কৰ্মা বুলি সমাজত পৰিচিত হ'ল। সৰহভাগ মানুহ কাম বন নকৰি ভালৰো ভালটো খাই আত্মসমালোচনা নকৰি আন্দোলনমুখী হ'ল। তাৰ বাবে দায়ীনো কোন? আমিয়ে- নহয় জানো?

অসমীয়াসকল শাৰীৰিক আৰু মানসিক ভাৱে দুৰ্বল আছিলনে? এনেকৈয়ে আমি যদি থাকো আনে আহি আমাৰ মূৰত কঠাল ভাঙি খাব , অথচ আমি গমকে নাপাম। আমি যদি সমাজত সসন্মানে জীয়াই থাকিব বিচাৰো --কৰ্ম বিমুখ এলেহুৱা স্বভাৱ পৰিত্যাগ কৰি কৰ্মমুখী হ'ব লাগিব।

ডি গ্ৰীৰ পিছত ডিগ্ৰীলৈ মাথোঁ চৰকাৰী চাকৰি বিচাৰি হাবাথুৰি খালে নহ'ব। আত্মনিৰ্ভৰশীল হ'ব পৰাটোত আত্মৰ্মযাদা থাকে। স্বাৱলম্বী হ'বলৈ আন

উপায়ো যে আছে সেয়া আমি বুজিব লাগিব। অসমীয়াসকলৰ মাজত পৰিস্থিতি মোকাবিলা কৰাৰ দক্ষতা, সাহস আৰু শক্তি আছে যদিও সৰহ সংখ্যকে সমাজৰ নেতিবাচক দৃষ্টিভংগীৰ বাবেই তাক প্ৰৰ্দশন নকৰে। আমাৰ নৱ প্ৰজন্মক কায়িক শ্ৰম কৰাৰ বাবে আগ্ৰহী বা উৎসাহ নিদিওঁ কাৰণেই আমাৰ সমাজত নিৰনুৱা সমস্যাই ভয়াবহ ৰূপ ধাৰণ কৰিছে। ঘৰুৱা , সামাজিক আৰু চৰকাৰী পৰ্যায়ত কায়িকভাৱে শ্ৰম কৰিবলৈ সহায় আৰু উৎসাহ যোগালে নৱ প্ৰজন্মই কৰ্মৰ প্ৰতি আগ্ৰহী হ'ব। শিক্ষিত যুৱকসকলে বৈজ্ঞানিক পদ্ধিতিৰে কৃষি কৰ্মত নিয়োজিত হ'লে, গাড়ী চালকৰ আসনত বহিলেও যথেষ্ট লাভান্বিত হ'ব। এই ক্ষেত্ৰত চৰকাৰৰো যথেষ্ট কৰণীয় আছে।

সচাঁ কথা ক'বলৈ হ'লে সমগ্ৰ দেশৰ কৃষক সমাজ চৰকাৰৰ দ্বাৰা সম্পূৰ্ণভাৱে উপেক্ষিত হৈ পৰিছে কৃষকে চৰকাৰৰ পৰা ঋণ লৈ কৃষি কৰ্মত নিয়োজিত হয় যদিও উৎপাদিত সামগ্ৰীৰ বিপৰীতে যথোচিত মূল্য নাপায়। উৎপাদিত সামগ্ৰীৰ যথোচিত মূল্য নাপাই কৃষকে ৰাজপথত আহি আন্দোলন কৰে যদিও চৰকাৰৰ গা নলৰে। আনকি চৰকাৰে গণতান্ত্ৰিকভাৱে প্ৰতিবাদ কৰা আন্দোলনকাৰীৰ ওপৰত নিৰ্যাতন চলায়। প্ৰতি বছৰেই নামনি অসমৰ বাণিজ্যিক নগৰী বুলি খ্যাত বৰপেটা ৰোডৰ ৰাজপথত কৃষকে কবি, বেঙেনা, বিলাহী, তিঁয়হ আদি সিঁচি প্ৰতিবাদ সাব্যস্ত কৰে। তথাপিও চৰকাৰৰ গা - লৰেনে? চহৰৰ অলিয়ে- গলিয়ে বস্তাই বস্তাই কেঁচামাল কৃষকে পেলাই থৈ যাবলগীয়া হয়।

এইবোৰ দেখি নৱ প্ৰজন্মই হতাশ হৈ কৃষি কৰ্ম কৰিব নিবিচাৰে। চৰকাৰে কৃষকক উৎপাদিত সামগ্ৰীৰ বিপৰীতে যথোচিত মূল্য দিলে, বেংকৰ জৰিয়তে ঋণৰ ব্যৱস্থা কৰিব পাৰিলে নৱ প্ৰজন্মও কৃষি কৰ্ম কৰিবলৈ আগ্ৰহী হ'ব। কৃষি, মীন, উদ্যোগ, পশুপালন আদি বিভাগসমূহত নতুন প্ৰজন্মক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে। ৰাজ্যত বন্ধ হৈ পৰা কুটীৰ শিল্পকে ধৰি সৰু-বৰ উদ্যোগসমূহ পুনৰ উজ্জীৱিত কৰি নতুন প্ৰজন্মক তাত সংস্থাপিত কৰাৰ ব্যৱস্থা কৰিলে নিবনুৱা সমস্যাটোৰ কিছু সমাধান হ'ব আৰু নৱ প্ৰজন্ম কৰ্মপটু হ'ব।

কৰ্মবিমুখতাৰ ফলত প্ৰাকৃতিক সম্পদবোৰ থকা সত্বেও নিৰণুৱা সমস্যাৰে ভৰাক্ৰান্ত অসমখন। জীৱন এক যুদ্ধক্ষেত্ৰ। সংগ্ৰাম। কৰ্মৰ সৰু- বৰ নাই। যিকোনো কামেই অতি নিষ্ঠা আৰু সততাৰে কৰিব পাৰিলে আমি নিশ্চয় উপকৃত হ'ম। সুস্থ পৰম্পৰাই সামাজিক মুল্যবোধক সুৰক্ষিত কৰি ৰাখে। অভ্যাসৰ নৰ কৰ্ণ পথে কৰে শৰ। এনে মানসিকতা নৱ প্ৰজন্মৰ মূৰত সুমুৱাই দিব পাৰিলে কৰ্ম সংস্কৃতি গঢ়ি তুলিব পৰা যাব। শ্ৰম অবিহনে ক'তো স্থায়ী প্ৰগতিৰ জখলা পোৱা নাযাব। অসমত উৎপাদিত হোৱা কেঁচা সামগ্ৰীবোৰৰ সদ্ব্যৱহাৰৰ দ্বাৰা অসমীয়া মানুহ কৰ্মপটু হোৱাটো সম্ভৱ। ◆

ফোন : ৯৪০১৯১৬৫৪৭

"ভোকাতুৰ লোকে যিমানেই ৰাজনৈতিক স্বাধীনতা লাভ নকৰক কিয়, তেওঁলোক কেতিয়াও সন্তুষ্ট নহয়।"

*লেনিন*

"মহৎ ব্যক্তিৰ জীৱনত উদ্দেশ্য থাকে, সাধাৰণ মানুহৰ জীৱনত থাকে কেৱল আকাংক্ষা।"

*ৱাশ্বিংটন*

# ভাৰতৰত্ন আৰু মিৰ্জা গালিব

*"পুচতে হ্যয় ইউ, কে গালিব কৌন হ্যয়*

*কোয়িতো বাতলাও কে হম বাতলায়ো ক্যা।" (গালিব)*

চফিউৰ ৰহমান শইকীয়া

বিশ্ববৰেণ্য কবি মিৰ্জা আচাদুল্লাহ মিৰ্জা গালিব উৰ্দু সাহিত্যৰ পথাৰখনত এটি উজ্বল নক্ষত্ৰ। অমূল্য লিখনিৰে উৰ্দু সাহিত্যৰ ভড়াল চহকী কৰি থৈ যোৱা তেওঁ এজন অনন্য ব্যক্তি যিজনৰ লিখনি ভাৰততে সীমাবদ্ধ নাথাকি সীমাৰ প্ৰাচীৰ ভাঙি সমগ্ৰ বিশ্বতে বিয়পি পৰিছে। তেওঁৰ সুন্দৰ কবিতা, শ্বেৰবোৰ মূল্যবান সম্পদ যিবোৰ পৃথিৱীৰ বিভিন্ন দেশৰ ভাষালৈ ৰূপান্তৰিত হৈছে। সেই মহান ব্যক্তিজনে ১৮৬৯ চনৰ ১৫ ফেব্ৰুৱাৰী তাৰিখে ইহ সংসাৰৰ পৰা মেলানি মাগিছিল। তেওঁৰ ১৪৯ তম মৃত্যু তিথিৰ দিনটোত আমি সাহিত্যপ্ৰেমী সমাজে তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি যাচিছো। কিন্তু প্ৰশ্ন উঠে এই মহান ব্যক্তিজনে প্ৰাপ্য সন্মান লাভ কৰিলেনে?

আজিৰ পৰা কেইবাবছৰ মান আগতে ভাৰতৰ কেইখনমান আগশাৰীৰ বাতৰি কাকতত ২০১১ চনত এটা বাতৰি প্ৰকাশ পাইছিল য'ত উচ্চতম ন্যায়ালৰ অৱসৰপ্ৰাপ্ত ন্যায়াধিশ মাৰ্কাণ্ডে কাটজুয়ে কৈছিল যে উৰ্দু সাহিত্যত অপূৰণীয় সম্ভাৰ আগবঢ়োৱা গালিব হৈছে এজন ভাৰত ৰত্ন পোৱাৰ আটাইতকৈ যোগ্য ব্যক্তি। পোন প্ৰথমবাৰৰ বাবে এই বক্তব্য তেওঁ ৰাখিছিল দিল্লীত "জাচন-ই-বাহাৰ"এ আয়োজন কৰা এখন মুচাইৰাত। সেইদিনা মুচাইৰাত উপস্থিত আন গণ্য মান্য ব্যক্তিসকলৰ ভিতৰত আছিল লোকসভাৰ অধ্যক্ষা মীৰা কুমাৰ, আইন দপ্তৰৰ মন্ত্ৰী চলমান খুৰছিদ আৰু নিৰ্বাচন আয়োগৰ অধ্যক্ষ এচ, ৱাই, কুৰেচী। কাটজুৰ প্ৰস্তাবক তাৰ উপস্থিত থকা সকলো ব্যক্তিয়ে উষ্ম সহাৰি জনায়। তেওঁ যুক্তি প্ৰদৰ্শন কৰিছিল যেনেকৈ ৰাজনীতিক ব্যক্তি তথ্য জাতীয় নেতাসকলৰ ক্ষেত্ৰত নিয়ম শুধৰণি কৰি মৃত ব্যক্তিক মৰণোত্তৰভাৱে ভাৰতৰত্ন প্ৰদান কৰাৰ হৈছে, ঠিক তেনেকৈ গালিবৰ নিচিনা এজন মহান লিখকৰ ক্ষেত্ৰত একে পদ্ধতিৰে ভাৰতৰত্ন প্ৰদান কৰা কিয় সম্ভৱ নহয়। ভাৰতৰত্ন সন্মানেৰে পুৰস্কৃত নকৰিলে মিৰ্জা গালিবৰ কোনো ক্ষতি নহয় বৰঞ্চ আমাৰহে ক্ষতি হ'ব। এজন যোগ্য ব্যক্তিক আমি প্ৰাপ্য সন্মানেৰে পুৰস্কৃত নকৰাত শোক আমিহে ভোগ কৰিম। ২০১২ চনৰ ১১ জানুৱাৰী তাৰিখে এই সকলো কথা বৰ্ণনা কৰি, তেওঁৰ উদ্যোগতে (Centre of Study of Society and secularism) নামৰ অনুষ্ঠানটোৰ পৰা ১৫৬ জন সদস্যৰ স্বাক্ষৰিত এখন অনলাইন পেটিচন ভাৰতৰ প্ৰধান মন্ত্ৰী মনমোহন সিঙলৈ প্ৰেৰণ কৰা হয়। কিন্তু এই আবেদনৰ কোনো সঁহাৰি

পোৱা নগ'ল অৰ্থাৎ মিৰ্জা গালিব ভাৰতৰত্ন প্ৰদান কৰাৰ সপোন বাস্তৱিত হৈ নুঠিল। কিন্তু সময় এতিয়াও উকলি যোৱা নাই, মৰণোত্তৰভাৱে এইজন বৰেণ্য ব্যক্তিক এতিয়াও সন্মানীয় পুৰস্কাৰটোৰে পুৰস্কৃত কৰাৰ কথা চিন্তা কৰিব পাৰে। এতিয়ালৈকে ভাৰতৰত্ন উপাধিৰে বিভূষিত কৰা হৈছে বিভিন্ন বিষয়ত দক্ষতালব্ধ ৪৫ জন ব্যক্তিক ইয়াৰে ১১ জনক মৰণোত্তৰ ভাৱে ভাৰতৰত্ন প্ৰদান কৰা হৈছে। তেওঁলোক হ'ল- লাল বাহাদুৰ শাস্ত্ৰী (১৯৬৬) ভাৰতৰ দ্বিতীয়জন প্ৰধান মন্ত্ৰী; কে কামৰাজ (১৯৭৬) তামিলনাদুৰ প্ৰাক্তন মুখ্য মন্ত্ৰী; বিনোৱা ভাবে (১৯৮৩) সমাজ সেৱক, স্বাধীনতা সংগ্ৰামী; এম ৰামচন্দ্ৰ (১৯৮৮), অভিনেতা আৰু তামিলনাদুৰ প্ৰাক্তন মুখ্য মন্ত্ৰী; বি .আৰ .আম্বেদকাৰ (১৯৯০) সংবিধান ৰচক, পণ্ডিত আৰু অৰ্থনীতিবিদ; ৰাজীৱ গান্ধী (১৯১১) ভাৰত ষষ্ঠজন প্ৰধান মন্ত্ৰী; বল্লভ ভাই পেটেল(১৯৯১), প্ৰথম গৰাকী ভাৰতৰ গৃহ মন্ত্ৰী; আবুল কালাম আজাদ (১৯৯২), ভাৰতৰ প্ৰথমজন শিক্ষা মন্ত্ৰী তথা স্বাধীনতা সংগ্ৰামী; অৰুণা আচফ আলী (১৯৯৭) স্বাধীনতা সংগ্ৰামী; জয় প্ৰকাশ নাৰায়ণ (১৯৯৯) স্বাধীনতা সংগ্ৰামী; গোপীনাথ বৰদলৈ (১৯৯৯) স্বাধীনতাৰ পিছৰ অসমৰ প্ৰথমজন মুখ্য মন্ত্ৰী।

ভাৰতৰত্ন প্ৰাপ্ত ব্যক্তি সকলৰ ভিতৰত আছে পদাৰ্থ বিজ্ঞানত চি.ভি.ৰমন, চিভিল ইঞ্জিনিয়াৰিং বিষয়ত এম.ভি বিশ্বেশ্বৰিয়া, চিকিৎসক তথা পশ্চিম বংগৰ মুখ্য মন্ত্ৰী বিধান চন্দ্ৰ ৰয়, সংস্কৃত পণ্ডিত পাণ্ডুৰং ভামন কানে, উদ্যোগ বিভাগত জে .আৰ. ডি টাটা চিনেমা শিতানত সত্যজিত ৰায়, শাস্ত্ৰীয় সংগীতত এম.শুভলক্ষ্মী, চিতাৰত ৰবি শংকৰ, অৰ্থনীতিত আমত্য সেন, নেপথ্যৰ সংগীতত লতা মঙ্গেশকাৰ, হিন্দুস্থানী শাস্ত্ৰীয় সংগীত চেহনাই বাদক ওস্তাদ বিচমিল্লা খান, হিন্দুস্থানী শাস্ত্ৰীয় সংগীতত ভীমচেন যোশী, ক্ৰীকেট খেলত শচীন তেণ্ডুলকাৰ। এনেকৈ দেখা যয় ৰাজনীতি আৰু স্বাধীনতা সংগ্ৰামী সকলৰ বাহিৰে চিনেমা আৰু সংগীতৰ ক্ষেত্ৰত ভাৰত ৰত্ন প্ৰদানত বিশেষ গুৰুত্ব পাইছে যদিও সাহিত্যৰ ক্ষেত্ৰত তেনেকৈ গুৰুত্ব পোৱা নাই আৰু এতিয়ালৈকে ভাষা সাহিত্যত অৰিহণা যোগোৱা কোনো ব্যক্তিয়ে ভাৰতৰত্ন প্ৰাপ্তিৰ বাচনিত নুঠিল।

ভাৰতবৰ্ষৰ ইমূৰৰ পৰা সিমূৰলৈ গালিবৰ লিখনিৰ প্ৰভাব এতিয়াও উজলি আছে। তেওঁৰ লিখনিৰ জেউতি এতিয়াও ম্লান পৰি যোৱানাই। যিকোনো জলচা, মুচাইৰা, বা বন্ধুত্বপৰ্ণ সমাৱেশত মিৰ্জা গালিবৰ পংক্তি বা শ্বেৰে মানুহক উদ্বুদ্ধ কৰি তোলা, মজলিচ মধুৰ আৰু আনন্দময় কৰে। গালিব আছিল নিজে এজন স্বাধীন ভাবধাৰা পোষণ কৰা ব্যক্তি। তেওঁ ধৰ্মৰ আওতাৰ পৰা আতৰি আছিল, মুছলমান হ'লেও তেওঁ নামাজ নপঢ়িছিল, মছজিদলৈ নগৈছিল। তেওঁক এদিন এজন ইংৰাজ বিচাৰপতিয়ে সুধিছিল-তুমি মুছলমান নেকি? উত্তৰত তেওঁ কৈছিল- মই আধা মুছলমান। বিচাৰপতিজনে হাঁহি কৈছিল তুমি আধা মুছলমান কেনেকৈ হ'লা। উত্তৰত গালিবে কৈছিল- মই মদ্যপান কৰো কিন্তু গাহৰি মাংস নাখাও। গালিবৰ জীৱন ধাৰা প্ৰতি লক্ষ্য কৰিলে তেওঁক এজন চিয়া চুফী যেন লাগে। প্ৰকৃততে তেওঁ এজন চুন্নী মুছলমানহে। গালিবে এটা ধৰ্ময়ে অনুসৰণ কৰিছিল, সেইটো হ'ল মানবতাৰ ধৰ্ম।

গালিবে সকলো ধৰ্মৰ ভাল লগা, মনেৰে আকৰ্ষণ কৰা মানুহক বন্ধুৰ ডোলেৰে বান্ধি ৰাখিছিল। তথাপিও দেখা যায় মুছলমানতকৈ হিন্দু ধৰ্মৰ বন্ধুহে সংখ্যাত বেছি আৰু অন্তৰংগ আছিল। তেওঁ ডাষ্টানবুত নিজে প্ৰকাশ কৰিছে- মই এজন অৰ্দ্ধ মুছলিম মানুহ। মই সুৰাপান কৰো, সুৰাপান নকৰিলে মোৰ ৰাতি টোপনি

নহয়।' মোৰ বন্ধু মহেশ দাসে কুঁহিয়াৰৰ ৰসৰ পৰা তৈয়াৰী দেশী মদ মোলৈ প্ৰায়ে লৈ আহিছিল। গালিবে ঈদৰ পোচাক পিন্ধি দেৱালী আৰু হোলী উৎসৱত অংশ গ্ৰহণ কৰিছিল। দীপালীৰ ৰাতি গালিবে এবাৰ কাচিম গলিৰে খোজ কাঢ়ি ঘৰলৈ আহিছিল, বাটৰ দুয়োকাষে তেতিয়া মাটিৰ চাকিবোৰ শাৰী শাৰীকৈ জ্বলি আছিল, সৰু সৰু লৰাবোৰে ফটকা ফুটাইছিল, সকলোফালে এটা সুন্দৰ দৃশ্য যেনিবা আকাশখন ধৰালৈ নামি আহিছে, তৰাবোৰে মাটিতে তৰালিৰ সৃষ্টি কৰিছিল। ঘৰৰ সমুখত ৰামজানিক দেখি তেওঁলৈ দুটামান দেৱালীৰ বৰফী আগবঢ়াই দিলে। ৰামজানিয়ে ক'লে মুছলমান নহয় জানো? গালিবে ওলোতাই প্ৰশ্ন কৰিলে বৰফীকেইটা হিন্দু নেকি? তেওঁ কেইখনমান জিলেপী দেখুৱাই কলে এই জিলেপী কেইখন কোন ধৰ্মৰ কোন জাতিৰ? ক্ষত্ৰিয়, চিয়া নে চুন্নী? গালিবৰ আগত তিষ্ঠিব নোৱাৰি ৰামজানি আঁতৰি গ'ল।

মীৰ টাকি মীৰ গালিবৰ এজন অগ্ৰজ বিখ্যাত কবি, তেওঁ গালিবৰ সৰুকালৰ কবিতা পঢ়ি ভবিষ্যৎবাণী কৰিছিল, এইজন ল'ৰা ভাল শিক্ষক পালে এজন অতুলনীয় কবি হ'ব। গালিব ভবিষ্যতৰ এজন স্বনামধন্য কবি, তাত কোনো সন্দেহ নাই। যেতিয়া গালিবৰ বয়স তেৰ বছৰ সেই সময়তে মীৰ টাকি মীৰৰ মৃত্যু হয় আৰু সেই সময়তে গালিব বিবাহপাশত আৱদ্ধ হৈছিল উমাৰাও বেগমৰ লগত। গালিবে প্ৰথম কবিতাটো লিখিছিল আঠ বছৰ বয়সত যেতিয়া তেওঁৰ জন্মস্থান আগ্ৰাৰ কালামহলত বসবাস কৰিছিল। কবিতাটো কানহায়ালাল নামৰ এজন ভদ্ৰলোকে য'তনে ৰাখিছিল। গালিবে পাহৰি গৈছিল যে তেওঁ তেনেকুৱা কবিতা এটি কেতিয়াবা লিখিছিল। জীৱনৰ বিয়লি বেলা যেতিয়া তেওঁক কবিতাটো দেখুৱা হৈছিল, গালিবে সেইটো পঢ়ি আনন্দিত হৈছিল। ন বছৰ বয়সত তেওঁ পাৰ্চী কবিতা লিখিবলৈ আৰম্ভ কৰি বহুদিনলৈ তেওঁ পাৰ্চী ভাষাতে কবিতা লিখিছিল। অৱশ্যে বিবাহ সূত্ৰে দিল্লীলৈ অহাৰ পিছত উৰ্দু ভাষাত কবিতা, গজলৰ সৃষ্টিশীল জীৱনৰ পাতনি মেলে।

গালিবে লিখা 'মেহৰ-ই-নিমৰোজ' (দুপৰীয়াৰ সূৰ্য) টাইমুৰ ইতিহাসৰ এখন সুন্দৰ ৰচনা আৰু ১৮৫৪ চনত ইয়াৰ প্ৰকাশ হৈছিল। এই বছৰটো গালিবৰ সাহিত্যিক জীৱনৰ সৌভাগ্যৰ দিশ-নিৰ্ণয়ক আছিল বুলি ক'ব পাৰি। এই বছৰটোতে সম্ৰাট বাহাদুৰ শ্বাহ জাফৰে তেওঁক 'কবিতাৰ চুলটান' উপাধি প্ৰদান কৰিছিল আৰু জ'কৰ মৃত্যুৰ পিছত তেওঁৰ স্থানত স্থলাভিসিক্ত কৰিছিল। সম্ৰাটে জাফৰে টাইমুৰ ইতিহাসৰ দ্বিতীয় ভাগ 'মাহে নিম্নাহ' (পূৰ্ণিমাৰ জোন) লিখাৰ দায়িত্ব অৰ্পণ কৰিছিল যদিও, দিল্লীৰ সিংহাসন পতন আৰু টাইমুৰ বংশৰ অৱসান ঘটাৰ পাছত গালিবৰ বুৰঞ্জী 'মেহৰ-ই নিমৰ'জ'তে সীমাবদ্ধ হৈ থাকিল। মাত্ৰ ১৯ বছৰ বয়সতে গালিবৰ প্ৰথম উৰ্দু কবিতা সংকলনৰ পিছত, ১৮২১ চনত ২৪ বছৰ বয়সত দ্বিতীয় সংকলনখন প্ৰকাশ পায়। পুস্কিন, গ্যেৰ্টে, ৰাইৰণ আদি কবি সকলৰ দৰে তেৰো একে বয়সতে কবি হিচাপে স্বীকৃতি পায়।

গালিবৰ ডাষ্টানবুত বিচাৰি পোৱা যায় চিপাহী বিদ্ৰোহৰ এখন সজীৱ বুৰঞ্জীৰ বিৱৰণি। তেওঁ স্বচক্ষুৰে দেখিছিল মোগল ৰাজ্যৰ পতন আৰু বৃটিছ সাম্ৰাজ্যৰ উত্থান। তেওঁ দেখিছিল বৃটিছ আৰু স্বদেশী সৈনিক আৰু সাধাৰণ জনতাৰ ৰাস্তাত সিঁচৰিত তেজৰ চেঁকুৰা। ডাষ্টানুবুত সেই সময়ত ঘটা ঘটনাৱলী বিশদভাৱে প্ৰকাশ কৰিছে। ভাৰত ইংৰাজৰ কৰ্তৃত্বলৈ অহাৰ সময়ত কেনেকৈ সৰু সুৱা দোষ এটাতে মানুহক ফাঁচী দিছিল। বিদ্ৰোহৰ সময়ত সাধাৰণ মানুহৰ দুৰাৱস্থা আৰু দুৰ্গতিৰ কথা বৰ্ণনা কৰি তেওঁ লিখিছে - "দুখেৰে ভাগি পৰা লোকসকলৰ ভিতৰত ময়ো এজন। বহুজনৰ দৰে ময়ো

ঘৰতে বহি আছিলো। যেতিয়া মই চিঞৰ আৰু হুলস্থূল শুনিছিলো মোৰ ইচ্ছা গৈছিল তাৰ অনুসন্ধান কৰিবলৈ। কিন্তু কেনেকৈ বাহিৰলৈ যাম। কাণেৰে মাথোন শুনিছিলো কদম খোজত যোৱা ঘোৰাৰ শব্দ আৰু সমদলেৰে আগবঢ়া পদাতিক সৈনিকৰ পদধ্বনি। পথৰ ধুলিবোৰ তেতিয়া তেজেৰে ৰাঙলী হৈ পৰিছিল। বাগিছাৰ ফল, ফুল পাত চিঙি পেলোৱা হৈছিল। দুখ লাগিছিল সেই ধুনীয়া সুন্দৰ মুখৰ নি: সহায় মহিলা সকললৈ , ভাললৈ পৃথিৱীখন নেদেখা সৰু ল'ৰা- ছোৱালীবোৰলৈ যিসকলৰ অসহায় নিৰ্মল হাঁহিয়ে বিদ্ৰুপ কৰিছিল ফুলি থকা ফুলবোৰক। কাৰণ এওঁলোক  সকলোকে ৰক্তৰ ঘূৰ্ণী বতাহে টানি লৈ গৈছিল মৃত্যুমুখলৈ।"

মাচনভী গালিবৰ প্ৰথম শ্ৰেষ্ঠ মনোৰম সৃষ্টি। বহুতো কিংবদন্তী কাহিনীৰ ওপৰত সৃষ্টি কৰা উপদেশমূলক কবিতা ইয়াত সন্নিবিষ্ট কৰা হৈছে। কবিতাৰ উপৰিও তেওঁৰ বিভিন্নজন বন্ধুলৈ লিখা চিঠিবোৰ অমূল্য সম্পদ - "উৰ্দু-ই-হিন্দ" আৰু "উৰ্দু-ই-মোল্লাত" সংকলন কৰা হৈছে। গদ্য সাহিত্য ভিতৰত আছে নাম -ই-গালিব,  লটিফ -ই -গালিব আৰু দোপতে কায়ম।

পাৰিবাৰিক জীৱনত গালিব আছিল এজন অতিকৈ হতাশগ্ৰস্থ, দুৰ্ভগীয়া ব্যক্তি। সাতটাকৈ সন্তান জন্মৰ পিছতো তেওঁ সন্তানহীন আছিল। কিয়নো এই সন্তানবোৰ কোনোবা জন্মতে অথবা জন্মৰ এমাহ, দুমাহ বা বছৰ উকলি যোৱাৰ পিছত মৃত্যু হৈছিল। তেওঁ দুখেৰে কৈছিল- মোৰ পত্নী সন্তানৰ মাতৃ হৈ গৌৰান্বিত হ'ব বিচাৰিছিল আৰু তাৰ বিনিময়ত মই প্ৰত্যেকবাৰ তেওঁৰ কোলাত তুলি দিছিলো একোটা মানুহৰ জ'কা, নিষ্প্ৰাণ শিশু। শেষত তেওঁ উমৰাও বেগমৰ ভতিজাক আৰিফক সন্তান হিচাবে তুলি লৈছিল। গালিবৰ ব্যক্তিগত জীৱনত দুটা বস্তুয়ে স্পষ্টকৈ পৰিলক্ষিত হয়। এফালে ঋণৰ গধুৰ বোজা, আনফালে তেওঁৰ ওপৰত ক্ৰিয়া কৰা মদৰ অপ্ৰতিৰোধ্য প্ৰভাৱ। ইয়াৰ সমান্তৰালকৈ তেওঁ গতিশীল কৰিছিল তেওঁৰ অমূল্য সৃষ্টি।

তেওঁৰ ককাক কোকান বেগ তুৰ্কীৰ চেলনুক বংশৰ এজন সম্ভ্ৰান্ত ব্যক্তি আছিল। মোগল সম্ৰাটৰ আহমদ শ্বাহৰ দিনত তেওঁ উজবেগিস্তানৰ পৰা ভাৰতলৈ আহে। আৰু আগ্ৰাত নিগাজীকৈ  থাকিবলৈ লয়। ককাকে ধৰি তেওঁৰ দেউতাক, খুড়াক আদিয়ে সৈনিক হিচাপে কাম কৰি সুখ্যাতি লভিছিল। কেৱল গালিবে আছিল ইয়াৰ ব্যতিক্ৰম। তেওঁৰ অগ্ৰজ সকলৰ হাতত আছিল একোখন তৰোৱাল আৰু ইয়াৰ বিপৰীতে গালিবে হাতত তুলি লৈছিল এডাল কলম। তৰোৱালেৰে দেশ জয় কৰাৰ বিপৰীতে গালিবে গজল, কবিতাৰ সৃষ্টিৰে মানুহৰ হৃদয় জয় কৰিছিল। তেওৰ কলমৰ মাজেৰে নিজৰি আহিছিল সাহিত্যৰ অফুৰন্ত ভাণ্ডাৰ, তেওঁৰ লিখনিৰে জীপাল হৈ উঠিছিল উৰ্দু সাহিত্যৰ পথাৰখন।

তেওঁৰ জীৱনৰ বিয়লিবেলা আৰ্থিক অনাটনত বাৰুকৈ ভোগে আৰু স্বাস্থ্যৰ অবনতি হয়। ১৮৬৯ চনৰ ফেব্ৰুৱাৰীৰ মাহৰ পোন্ধৰ তাৰিখে ইহ জীৱনৰ সামৰণি মাৰে। এই বছৰতে ভাৰতৰ জাতীয় নায়ক মহাত্মা গান্ধীৰ জন্ম হয়। গালিবৰ নশ্বৰ দেহ সমাধিস্থ হয় চুফী সাধক নিজামুদ্দীন আউলীয়াৰ মাঝাৰস্থলীত। আজিৰ এই দিনটোত আমি সাহিত্যপ্ৰেমী সমাজে তেওঁলৈ শ্ৰদ্ধাঞ্জলী যাচিছোঁ আৰু লগতে আশা কৰিছো--এইজন মহান সাহিত্যিকক ভাৰত চৰকাৰে এদিন ভাৰতৰত্ন সন্মানেৰে সন্মানিত কৰিব।

মিৰ্জা গালিব অমৰ হওঁক আৰু তেওঁৰ ভাষাৰে আমি কামনা কৰিছোঁ--

"চালামত ৰহো তুম হাজাৰ বৰচ
হৰ বৰচ কা উমৰ হো, হাজাৰ বৰচ।" ◆

ফোন নং -- ৯৪৩৫০-৪০০৯৭

# ৰমজানৰ অনুভৱ

নলীন বৰঠাকুৰ

ৰমজানৰ মাহটো মুছলমানসকলৰ বাবে বৰ পৱিত্ৰ আৰু আত্মশুদ্ধিৰ সময় বুলি গণ্য কৰা হয়। এই সময়চোৱাত তেওঁলোকে আল্লাৰ ওচৰত প্ৰাৰ্থনা কৰাই নহয়, দীৰ্ঘ সময় নিৰম্বু উপবাসে থাকি, ধৰ্মগ্ৰন্থ পঢ়ি, আৰু সৎ আলোচনা কৰি মনত শান্তি লাভ কৰে। দেখা যায় যে, উপবাসে মানুহক শাৰীৰিকভাৱে কিছু দুৰ্বল কৰে যদিও মনটো আধ্যাত্মিকতাৰ ফালে ঘুৰাবলৈ সহায় কৰে। অৱশ্যে এনে উপবাস আৰু খাদ্যৰ অভাৱত থকা লঘোণৰ মাজত পাৰ্থক্য আছে। ৰমজানৰ সময়ত ইচ্ছা কৰিলে ঘৰত মজুত থকা খাদ্যবস্তু গ্ৰহণ কৰাৰ সুবিধা থাকে যদিও তেনে কৰা নহয়। স্বেচ্ছাই সময়মতে আহাৰ গ্ৰহণ নকৰাৰ ইচ্ছাই মানুহৰ ইচ্ছা শক্তিও বঢ়ায়। হিন্দুসকলৰ ক্ষেত্ৰতো, মাহ এটাৰ নিৰ্দ্দিষ্ট কেইবাটাও দিনত উপবাসে থকাৰ বিধান আছে। এসময়ত এনে উপবাসৰ দিনৰ তালিকাখন যথেষ্ঠ দীঘল আছিল। তদুপৰি ধৰ্মীয় কাম সম্পাদনৰ বাবে পুৰোহিত অথবা পূজাৰীৰ লগতে গৃহস্থয়ো উপবাসে থাকিব লাগে। সেইদৰে ভাওনাৰ দিনা ভাৱৰীয়াসকলে উপবাসে থকাৰ নিয়ম আছে। ওঠৰ শতিকাত ভাৰত ভ্ৰমণলৈ অহা এজন ফৰাচী পৰ্য্যটকে কলিকতালৈ আহি এনেদৰে উপবাসে থকা মানুহ দেখিছিল।সেই বাবে তেওঁ হিন্দুৰ সংজ্ঞা এনেদৰে দিছিল - হিন্দুৱে দিনটোত বহুবাৰ গা ধোৱে আৰু বেছিভাগ সময় উপবাসত থাকে। বৌদ্ধধৰ্মতো শ্ৰমণসকলে পুৱাই গাঁৱলৈ ওলাই যায়, আৰু মানুহে তেওঁলোকক দিবলৈ ভক্তিভাৱত খাদ্যবস্তু লৈ বাটৰ কাষত ৰৈ থাকে। শ্ৰমণসকলে ভিক্ষাপাত্ৰত এসাজৰ বাবে সামান্য খাদ্য লাভ কৰিলে দিনটোৰ বাবে বিহাৰলৈ ঘুৰি গৈ ধৰ্মীয় কামকাজত নিমগ্ন হয়।

মুছলমান, বিশেষকৈ মধ্যপ্ৰাচ্যৰ মুছলমানসকলৰ বাবে এমাহ ৰমজানৰ ৰোজা ৰক্ষা কৰা শাৰীৰিকভাৱে বৰ কষ্টকৰ, কাৰণ এই সময়চোৱাত নিজৰ দৈনন্দিন কামসমূহ তেওঁলোকে পেলাই থ'ব নোৱাৰে। তথাপি প্ৰফেটে এনে বিধান দিয়াৰ আন এটা দিশ থাকিব পাৰে বুলি আমি ব্যক্তিগতভাৱে ভাৱো। ইছলামৰ প্ৰৱৰ্তনৰ সময়ৰ পৰা প্ৰফেটে যুদ্ধত নামিবলগীয়া হৈছিল। ইয়াৰ বাবে তেওঁক সাহসী, বিশ্বস্ত, ধৰ্মানুৰাগী আৰু কষ্টসহিষ্ণু যোদ্ধাৰ প্ৰয়োজন হৈছিল। ৰমজানৰ সময়ৰ কষ্টকৰ উপবাসৰ বিধানে নিশ্চয় এনে এচাম যোদ্ধাৰ সৃষ্টি কৰিছিল। প্ৰফেটৰ পাছতো, আবু বক্কৰৰ সময়লৈকে সামান্য ব্যক্তিগত সম্পদ আৰু খাদ্য লগত লৈ ইছলামৰ যোদ্ধাসকল দিগ্বিজয়ৰ বাবে ওলাই গৈ সফল হৈছিল। প্ৰফেটৰ সময়ৰ পৰা ৰাজ্যৰ শাসক আৰু ধৰ্মগুৰু একেজন ব্যক্তি আছিল, আৰু তেওঁক খলিফা বোলা হৈছিল। ইছলামৰ প্ৰাৰম্ভিক সময়ৰ এজন খলিফা, আবু বক্কৰে ব্যক্তিগত বয়বস্তুকে ধৰি ৰাজ্য পৰিচালনাৰ সকলো বস্তু এটা থৈলাত ভৰাই ঘোঁৰাৰ পিঠিত লৈ ফুৰিছিল। অৰ্থাৎ ইছলামৰ তেতিয়াৰ শাসক আৰু ধৰ্মগুৰুজনৰ সম্পত্তি সিমানেই আছিল। তেওঁৰ যোদ্ধাবোৰ আছিল অসম সাহসী।

কোনো নদী পাৰ হ'লে এৰি আহিবলগা দলংখন ভাঙি দিছিল। যদিহে নাৱেৰে তেওঁলোক পাৰ হৈছিল, তেনেহ'লে নদীখন পাৰ হৈ নাওবোৰ জ্বলাই দিছিল; অৰ্থাৎ, যুদ্ধত হাৰিলে ঘুৰি অহাৰ পথ নিজেই বিনষ্ট কৰি লৈছিল। আল্লাৰ প্ৰতি বিশ্বাসে দিয়া সাহস আৰু অতিমাত্ৰাই কষ্টসহিষ্ণু গুণৰ বাবে অতি কম সময়ৰ ভিতৰত বিশাল ইছ্লামী সাম্ৰাজ্য এনে যোদ্ধাৰ সহায়ত গঢ় লৈ উঠিছিল। কিন্তু পিছৰ সময়ত পৰাজিত ৰাজ্যসমূহৰ পৰা লুণ্ঠন কৰা ধন-দৌলতৰ বাবে ইছ্লামী শাসক আৰু তেওঁলোকৰ ওমৰাও অত্যন্ত বিলাসী হৈ পৰিল। যি আৰবৰ নাৰীয়ে পুৰুষৰ সমানে খেতি-বাতি আদিত কাম কৰি সমাজত উচ্চ আসন আৰু মৰ্য্যাদা লাভ কৰিবলৈ সক্ষম হৈছিল, সময়ত তেওঁলোকক লাহ-বিলাহৰ প্ৰতি প্ৰলোভন দেখুৱাই পৰ্দানসীন কৰা হ'ল আৰু তেওঁলোকে পূৰ্বে কৰা কাম-কাজ কৰিবলৈ পৰাজিত দেশৰ পৰা বন্দী কৰি অনা নাৰীক তেওঁলোকৰ দাসী হিচাপে নিযুক্ত কৰা হ'ল। এইদৰে দাসী আবৃত হৈ আৰু লাহ-বিলাহৰ মাজত থাকিবলৈ পাই আৰবৰ নাৰী সোণৰ সঁজাত বন্দী হৈ পৰিল। বৰ্তমানৰ আধুনিক সময়তো দেখা গৈছে যে এই আৰামৰ জীৱন স্বেচ্ছাই ত্যাগ কৰিব নোৱাৰালৈকে আৰবৰ নাৰীয়ে পুৰুষৰ সমকক্ষ হ'বলৈ অথবা সমঅধিকাৰ পাবলৈ বহু সময় লাগিব।

বহু ইছ্লামী শাসকে আনৰ দেশ আক্ৰমণ কৰি বিজয়ী হওঁতে, বিজিত দেশৰ প্ৰজাই ইছ্লামলৈ ধৰ্মান্তৰিত হৈছিল। ইছ্লামৰ শিক্ষাৰ উদ্দেশ্য আছিল যে কাকো ইচ্ছাৰ বিৰুদ্ধে ধৰ্মান্তৰিত কৰিব নালাগে। ভাৰতবৰ্ষত ইছ্লামৰ প্ৰসাৰ শান্তিৰ পথেৰে আগবাঢ়িছিল। বৰ্বৰ হুনৰ আক্ৰমণত বাগদাদ চহৰ তথা আব্বাচীয় সাম্ৰাজ্য ধ্বংসহোৱাৰ পিছত তাত থকা চুফীপন্থাৰ ধৰ্মগুৰুসকলে নিৰাপত্তা বিচাৰি ভাৰতবৰ্ষলৈ আহে। চুফীসাধকসকলৰ উদাৰ মনোভৱৰ বাবে, বিশেষকৈ ভাৰতবৰ্ষৰ নিম্নবৰ্গৰ জনতাই, এনেপন্থাৰ ইছ্লামক স্বইচ্ছাৰে গ্ৰহণ কৰে। ফলত ভাৰতবৰ্ষত ইছ্লামৰ প্ৰসাৰৰ বাবে চুফীপন্থা অধিক বলবান হৈ পৰে। চুফীবাদ পিছলৈ দক্ষিণ-পূব এছিয়ালৈকো বিয়পি পৰে। উচ্চবৰ্ণৰ বহু হিন্দুৱে ইছ্লামী শাসকৰ পৰা সা-সুবিধা লাভ, অথবা নিজৰ স্বাৰ্থৰক্ষাৰ বাবেও ইছ্লাম গ্ৰহণ কৰিছিল। সেইয়া পৃথক কথা।

অনুমানিক তেৰ শতিকাত কামৰূপত ইছ্লামৰ প্ৰৱেশ ঘটে। প্ৰথম অৱস্থাত প্ৰচাৰকসকল প্ৰায়ে পৰ্যটকহে আছিল আৰু এওঁলোক পীৰ, দৰৱেশ অথবা ফকীৰ আছিল। এওঁলোকৰ কিছু সংখ্যকে ধাম বা দৰগাহ স্থাপন কৰিছিল। সেই সময়ত মক্কালৈ যোৱা কষ্টকৰ আছিল বাবে বহু মুছলমান এই দৰগাহসমূহলৈ আহিছিল। জনপ্ৰিয়তাৰ বাবে বহু পীৰ, স্থানীয় শাসকসকলৰ ৰোষতো পৰিছিল। কিন্তু শাসকে দৰগাহসমূহৰ ক্ষতি সাধন কৰা নাছিল। কমতাপুৰত শ্বাহ গৰীব কামাল, ৰংপুৰত ইছমাইল গাজী, পাগলা পীৰ, হাজোত গিয়াছ-উদ্দিন আউলিয়া, পশ্চিম কামৰূপত শ্বাহ চুলতান, দিনাজপুৰত একদিল শ্বাহ, গৌড়ত সত্যপীৰ আদিয়ে ধৰ্ম প্ৰচাৰ কৰিছিল। নামনি অসমত চুফীসাধকসকলৰ সহায়ত ইছ্লামৰ প্ৰৱেশ ঘটে। আমি মনত ৰাখিব লাগিব, যে পূৰ্বে বৰ্তমানৰ বংগপ্ৰদেশ আৰু বাংলাদেশ আৰু অসমৰ ভূখণ্ডৰ মাজত অবাধ আহ-যাহ আছিল। বাগদাদৰ পৰা অহা চুফী পীৰসকল এই ভূখণ্ডলৈকো আহিছিল। ইতিমধ্যে অসম আক্ৰমণ কৰিবলৈ অহা ইবন বখতিয়াৰৰ সোঁহাত হৈ পৰা স্থানীয় ব্যক্তি আলি মেছ অসমৰ প্ৰথমজন ইছ্লামধৰ্ম গ্ৰহণ কৰা ব্যক্তি বুলি জনা যায়। নামনি অসমৰ বহুলোকে পূৰ্বে নজনা ধৰ্মকথা শুনিবলৈ এই পীৰসকলৰ ওচৰলৈ আহিছিল। এইসকল লাহে লাহে ইছ্লামৰ প্ৰতি আকৃষ্ট হয় আৰু ইছ্লাম ধৰ্ম গ্ৰহণ কৰে।

সেই সময়ত নামনি অসম তথা বৃহৎ বংগৰ নতুন মুছলমানসকলে হজযাত্ৰাৰ বাবে আৰবদেশলৈ যোৱা সম্ভৱ নাছিল। গতিকে চুফী পীৰসকলৰ দৰগাহসমূহকে বিকল্প

হিচাপে গ্ৰহণ কৰি সেইবোৰ একোখন পীঠস্থান হিচাপে গ্ৰহণ কৰিবলৈ লয়। বৰ্তমান তেনে পীঠস্থানসমূহত 'উৰুছ' পালন কৰা হয়। নামনি অসমৰ অতি শ্ৰদ্ধাৰ এজন পীৰ গিয়াছ-উদ্দিন আউলিয়া চাহাবৰৰ সমাধিস্থান হাজোত আছে, আৰু এই স্থান মুছলমানেই নহয় অন্য ধৰ্মৰলোকেও ভক্তিভাৱেৰে দৰ্শন কৰে। সেইদৰে উজনিত আজান পীৰ চাহাবে পূৰ্বৰে পৰা থকা অথচ প্ৰকৃততে মছজিদ আৰু নামাজহীন মুছলমানসকলক সংস্কাৰ প্ৰদান কৰি তেওঁলোকক আধ্যাত্মিতাৰ পথলৈ আনিবলৈ সক্ষম হয়।

অসমৰ আজান ফকীৰ আৰু গিয়াছ-উদ্দিন আউলিয়াৰ দৰে, বাংলাদেশৰ অতি শ্ৰদ্ধাৰ পীৰ হৈছে শ্বাহ জালাল। এই শ্বাহ জালালৰ দেশৰ পৰা অসমলৈ আহিছে পূৰ্ব পাকিস্তানমূলৰ তথাকথিত 'বাংলাদেশী'সকল। অৱশ্যে ইয়াৰ মাজতো ৱাহাবি বা কাদিৰি আদি অন্য পন্থাৰ লোকো আছে। নামনি অসমৰ সৈতে পূৰ্বৰে পৰা থকা সংযোগৰ বাবে তেওঁলোকে অসমীয়া ভাষা গ্ৰহণৰ ক্ষেত্ৰত সমস্যা পোৱা নাই। সম্প্ৰতি এইসকল ব্যক্তিয়ে অসমীয়া ভাষা স্বেচ্ছাই গ্ৰহণ কৰাই নহয়, 'চৰ-চাপৰি সাহিত্য সভা'ৰ নেতৃত্বত অসমীয়া সাহিত্যলৈ অৱদান আগবঢ়াবলৈ সক্ষম হৈছে। তথাপি বহু 'অসমীয়া'ই কয়, যে এওঁলোকে ভাষাটো গ্ৰহণ কৰিছে যদিও অসমীয়া সংস্কৃতি গ্ৰহণ কৰিব পৰা নাই। আন এটা অভিযোগ হৈছে, যে তেওঁলোকে ঘৰত অথবা নিজৰ ভিতৰত কথা-বতৰা পাতোতে সততে অসমীয়া ভাষা ব্যৱহাৰ নকৰে।

বহু 'বিশুদ্ধ' অসমীয়া'ই বুজি নাপায়, যে সামাজিক মিলা-মিচাৰ দ্বাৰাহে সংস্কৃতিৰ বিনিময় হয়। পূৰ্ব-পাকিস্তান অথবা বাংলাদেশমূলৰ লোকসকলে, অসমীয়া ভাষা গ্ৰহণ কৰিলে যদিও, বিহু মাৰিবলৈ ওলাই আহিব নোৱাৰিবও পাৰে আৰু ধৰ্মীয় কাৰণতো ভাওনাত অংশ ল'ব নোৱাৰিব পাৰে। কিন্তু কোনোবাই তেওঁলোকক শুদ্ধ উচ্চাৰণৰ অসমীয়া ভাষা শিকালে তেওঁলোকৰ নৱ-প্ৰজন্মই 'জ্যোতি' বা 'ৰাভা সংগীত' গাব নোৱাৰাৰ কাৰণ থাকিব নালাগে। তেওঁলোকৰ বাবে 'খাঁটি' অসমীয়াৰ সৈতে সামাজিকভাৱে মিলা-মিছাৰ সুযোগ সৃষ্টি হ'লেহে পাৰস্পৰিক বুজা-পৰা আৰু সাংস্কৃতিক তথা ভাৱ বিনিময় সম্ভৱ হ'ব। একে কথা, নেপালী, হিন্দীভাষী, চাওতালী, উৰিয়া আদি মূলৰ লোকসকলৰ ক্ষেত্ৰতো প্ৰযোজ্য। আমি জানিব লাগিব যে ভাষা আৰু জাতি, দুটা পৃথক সত্বা। ভাষাৰ পৰা জাতিলৈ যাত্ৰাৰ ক্ষেত্ৰত দীৰ্ঘ সময়ৰ প্ৰয়োজন। সেই সময় আৰু পৰিৱেশ আমি মূলসুঁতিৰ অসমীয়াই তেওঁলোকক দিব লাগিব।

পৱিত্ৰ ৰমজান আৰু ঈদ-উদ-জোহাৰ উপলক্ষে আমি আশা কৰো যে অসমীয়া ভাষা কোৱা সকলোৰ মাজত পাৰস্পৰিক বুজা-পৰা অধিক হৈ আমাৰ ভাষাা আৰু জাতিতো শক্তিশালী হওক। লগতে জন্ম হওক এক কষ্টসহিষ্ণু, কৰ্মদক্ষ, সাহসী আৰু আধ্যত্মিক শক্তিৰে বলবান নতুন অসমীয়া জাতিৰ। ◆

দুৰভাষ ঃ ৯৪৩৫৩৫১৯০১

"মানৱ সমাজত শান্তি আৰু প্ৰগতিৰ বাবে মাৰণাস্ত্ৰৰ উদ্যোগ আদিৰ সলনি গ্ৰন্থ উদ্যোগৰহে প্ৰয়োজন। আনকি বোমা, ফটকা আদিৰ উদ্যোগৰ সলনিও গ্ৰন্থ উদ্যোগহে বাঞ্চনীয়। "

ড° মুকুন্দ মাধৱ শৰ্মা।

# অসমৰ ক্ৰীড়া জগতৰ পিতৃ-পুৰুষ নুৰুল আমিন

মুহিউদ্দিন আহমেদ

নুৰুল আমিন অসমৰ গৌৰৱ। কুৰি শতিকাত মূলতে নুৰুল আমিনেই অসমৰ ক্ৰীড়া জগতখনৰ ভেটি ভিন্ন দিশেৰে সুদৃঢ় কৰি থৈ গ'ল। আজীৱন অসমৰ বাহিৰত দেশে-বিদেশ ভিন ভিন সময়ত ভিন ভিন খেলত অংশ গ্ৰহন তথা অসম আৰু ভাৰতৰ হৈ প্ৰতিনিধিত্ব কৰা, ভাৰতীয় খেলুৱৈৰ নেতৃত্ব বহন কৰি দেশে দেশে খেলিবলৈ যোৱা নুৰুল আমিন চাহেবে অসমক পাহৰি যোৱা নাছিল; পাহৰি যোৱা নাছিল জন্মভুমি নগাঁৱক। তেখেতে অসমৰ বাহিৰতেই হওক নাইবা ভাৰতৰ বাহিৰত অনুষ্ঠিত ক্ৰীড়া প্ৰতিযোগিতাত ৰত থকাৰ সত্বেও মাজে মাজে কিছু সময়ৰ সুৰুঙা উলিয়াই অসমৰ আৰু লগতে নগাঁৱৰ ক্ৰীড়া জগতখনৰ উত্তৰণৰ হকে অহোপুৰুষাৰ্থ কৰিছিল।

নগাঁৱৰ কথা নকলোৱেই যেনিবা নুৰুল আমিন অসমৰ নহয়, ভাৰতৰ নহয়, আন্তৰ্জাতিক ক্ৰীড়া জগতৰ এটি পৰিচিত নাম। ল'ৰালি কালৰে পৰা শিক্ষা আহৰণৰ লগে লগে পৃথক পৃথক খেলত অংশ গ্ৰহণ কৰি প্ৰাপ্ত বয়স্কত নিজকে এগৰাকী আন্তৰ্জাতিক খ্যাতি সম্পন্ন খেলুৱৈ হিচাপে গঢ়ি তোলা আমিন চাহেবে ক্ৰমে ফুটবল, ক্ৰিকেট, টেনিচ, বেডমিন্টন, টেব'ল টেনিচ, হকী, মালযুঁজ প্ৰমুখ্যে বহু 'ইনডৰ' আৰু আউটড'ৰ ' ক্ৰীড়া প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি স্বকীয় ক্ৰীড়া পটুতাৰ পৰিচয় দিয়াৰ লগতে স্বৰাজ্য তথা স্বদেশ গৌৰৱ বৃদ্ধি কৰিছিল। কেৱল এগৰাকী নিপুণ খেলুৱৈয়ে নহয় নুৰুল আমিন চাহেব আছিল এগৰাকী উচ্চস্তৰীয় খেল পৰিচালক আৰু নৈষ্ঠিক ক্ৰীড়া সংগঠক। পেছাত অধিবক্তা আমিন চাহেবে ওৰেটো জীৱন খেল পথাৰ খচকি আহিছিল যদিও তেখেতে সমাজৰ বৌদ্ধিক উত্তৰণৰ হকেও শিক্ষা-সংস্কৃতিৰ সম্প্ৰচাৰণৰ বাবে ভিন ভিন দিশেৰে চেষ্টা চলাইছিল।

একেধাৰে সুখ্যাত খেলুৱৈ ক্ৰীড়া সংগঠন, ক্ৰীড়া-পৰিচালক, শিক্ষাবিদ, সমাজ-সংগঠক নুৰুল আমিন চাহেবৰ ১৯১৯ চনৰ ৮ জানুৱাৰী তাৰিকে নগাওঁ নগৰত জন্ম হৈছিল। তেখেতৰ পিতৃ আছিল অধিবক্তা খানবাহাদুৰ নুৰুদ্দিন আহমেদ আৰু মাতৃৰ নাম আছিল ৰহিমা খাতুন। জীৱনৰ সেন্দুৰীয়া পথেৰে ঠুনুক ঠানাক খোজেৰে আগবাঢ়ি অহা আমিন চাহেবে ১৯৩৫ চনত নগাওঁ চৰকাৰী হাইস্কুলৰ পৰা প্ৰবেশিকা পাচ কৰি কলেজীয়া জীৱনৰ পাতনি মেলিছিল। কটন কলেজত। তেখেতে ১৯৩৭ চনত উক্ত কলেজৰ পৰা আই এ পাচ কৰি উচ্চ শিক্ষা আহৰণৰ বাবে গৈ আলিগড় বিশ্ববিদ্যালয়ত নামভৰ্তি কৰে আৰু ১৯৩৯ চনত সেই বিশ্ববিদ্যালয়ৰ পৰা বি.এ ডিগ্ৰী লাভ কৰে। বি এ পাচ কৰাৰ পিছত আমিন চাহেবে উক্ত বিশ্ববিদ্যালয়তে এম.এ আৰু তাৰ সামন্তৰাল ভাৱে ল' পঢ়িবলৈ লয়। ১৯৪১ চনত তেখেতে এম, এ আৰু এল এল বি. ডিগ্ৰী অৰ্জন কৰি ছাত্ৰ জীৱনৰ সামৰণি মাৰে।

পেছা হিচাপে আমিন চাহেবে ১৯৪৪ চনৰ পৰা তেতিয়াৰ কলিকতা উচ্চ ন্যায়ালয়তে ওকালতি কৰিবলৈ লয়। পিছে ওকালতিক জীৱন নিৰ্বাহৰ ভেঁটি স্বৰূপে গ্ৰহণ কৰিলেও ছাত্ৰাৱস্থাৰ পৰাই খেলা-ধুলাৰ প্ৰতি অনুৰাগী আমিন চাহেবৰ মুল লক্ষ্য আছিল ক্ৰীড়া-

জগতখন। সেয়ে ছাত্ৰত্তোৰ কালতো তেখেতে নিজৰ পেছাতকৈ ক্ৰীড়াৰ প্ৰতিহে অধিক প্ৰাধান্য দিছিল। কলেজীয়া ছাত্ৰ হৈ থাকোতেই আমিন চাহেবে ১৯৩৬ চনত স্বকীয় প্ৰতিভাৰ পৰিচয় দি কটন কলেজত 'ফুটবল ব্লু' খিতাপ লাভ কৰিছিল। একে পাৰ্গতালিৰ বাবে আমিন চাহেবক ১৯৪০ চনত আলিগড় বিশ্ববিদ্যালয়ত "বিশ্ববিদ্যালয় ফুটবল কালাৰ (University Footbal Colour) খিতাপ অৰ্জন কৰাৰ লগতে ক্ৰমান্বয়ে মৰ্যাদা সম্পন্ন পৃথক পৃথক দলসমূহৰ হৈ ৰাজ্যিক, ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাসমূহত নিয়মীয়াকৈ খেলিবলৈ লয় আৰু তাৰ যোগেৰে তেখেতে সময়ে সময়ে নিজৰ কৃতিত্বৰ পৰিচয় দিয়াৰ উপৰিও নতুন নতুন সুযোগ লাভ কৰিবলৈ সক্ষম হয়। তাৰ উদাহৰণস্বৰূপে আমিন চাহেবে ১৯৪৪-৪৫ বৰ্ষৰ কালছোৱাত সুখ্যাত মেহমেদীয়ান ক্লাবৰ হৈ প্ৰথম বিভাগত ফুটবল লীগ খেলাৰ সুযোগ লাভ কৰে। আমিন চাহেবৰ নিপুণতাৰ পৰিচয় পোৱাৰ ১৯৪৮ চনত তেখেতক 'সন্টোষ ট্ৰফী' খেলিবলৈ যোৱা অসম দলৰ নেতা (captain) নিৰ্বাচন কৰা হয়। অৱশ্যে আকস্মিক অসুস্থাতাৰ হেতু তেখেতে উক্ত প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব পৰা নাছিল। ওপৰত কোৱা হৈছে যে আমিন চাহেব এগৰাকী সুযোগ ক্ৰীড়া সংগঠকো আছিল। সেয়ে তেখেতক ১৯৫৬ চনত 'অসম ৰাজ্যিক স্পৰ্টচ কাউন্সিল'ৰ প্ৰতিষ্ঠাপক অবৈতনিক সম্পাদক নিৰ্বাচন কৰা হয় আৰু তেখেতে ১৯৭৭ চনলৈকে কুৰি বছৰৰো অধিক কাল উক্ত পদ গ্ৰহণ কৰি অসমৰ ক্ৰীড়া জগতৰ ভেঁটি সুদৃঢ় কৰি তোলে। পৰবৰ্তী কালত আমিন চাহেবক উক্ত কাউন্সিলৰ উপসভাপতিও নিৰ্বাচন কৰা হয়। তদুপৰি আমিন চাহেবে ১৯৫৮ চনৰ পৰা ১৯৭৭-৭৮ বৰ্ষলৈকে প্ৰায় কুৰি বছৰ ধৰি অসম ফুটবল সন্থাৰ অবৈতনিক সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি আৰু উক্ত দায়িত্ব সুচাৰুৰূপে পালন কৰি অসমৰ ফুটবল জগতখনক সজীৱ কৰি তোলে। খেল সংগঠক হিচাপে আমিন চাহেব যে কেৱল অসমৰ চাৰিসীমাৰ ভিতৰতে আৱদ্ধ আছিল এনে নহয় ক্ৰামন্বয়ে তেখেতে সমগ্ৰ ভাৰতবৰ্ষৰ ক্ৰীড়া সংগঠনত ব্ৰতী হৈ পৰে। তাৰ উদাৰহণ ১৯৫৯ চনৰ পৰা ১৯৬২ চনলৈকে আমিন চাহেবক সৰ্বভাৰতীয় ফুটবল সংস্থা (All India Football Federation) ৰ নিৰ্বাচনী সমিতিৰ সদস্য নিয়োগ কৰা হয়। তেখেতে ১৯৬২ চনত জাকাৰ্টাত' এচিয়ান গেমছ' খেলি সোণৰ পদক অৰ্জন কৰা ভাৰতীয় ৰাষ্ট্ৰীয় ফুটবল দল (Indian National Football Team) ৰ মেনেজাৰ' পদ অলংকৃত কৰি ভাৰতবৰ্ষক প্ৰতিনিধিত্ব কৰিছিল। আমিন চাহেবৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে জাকাৰ্টা পৰা প্ৰত্যাবৰ্ত্তন কৰা কালছোৱাত চিংগাপুৰত এখন প্ৰদৰ্শনীমূলক খেল খেলি ভাৰতীয় ফুটবল খেলুৱৈৰ পাৰদৰ্শিতাৰ পৰিচয় দিয়াৰ লগতে দেশ দুখনৰ মাজত সদ্‌ভাৱ গঢ়ি তোলে । ইয়াৰ পিছতে আমিন চাহেবে ১৯৬৬ চনত সৌহাৰ্দ্যামূলক (Good will Mission) ভাৱে ভাৰতক ৰাষ্ট্ৰীয় ফুটবল দলৰ (National Football Team) নেতৃত্ব বহন কৰি ব্ৰহ্মদেশ ভ্ৰমণ কৰে। ১৯৭১ চনত তেখেতে ভাৰতীয় ৰাষ্ট্ৰীয় ফুটবল দল (Indian National Football Team) ৰ পৰিচালকৰ দায়িত্ব গ্ৰহণ কৰি সৌহাৰ্দ্যমূলক ভাৱে ৰাচিয়া ভ্ৰমণ কৰে। এইদৰে দোপদদোপে আগবাঢ়ি অহা আমিন চাহেবক ১৯৭৫ চনৰ নৰেশ্বৰ মাহত 'অল ইণ্ডিয়া ফুটবল ফেডাৰেশ্বন'ৰ সৰ্ব্বোচ্চ পদ সভাপতি' নিৰ্বাচিত কৰা হয় আৰু তেখেতে ১৯৮০ চনলৈকে উক্ত আসন অলংকৃত কৰে। তেখেতৰ সভাপতিত্বৰ কালছোৱাত বহিঃ ৰাষ্ট্ৰৰ সৈতে সদ্ভাৱ গঢ়ি তোলাৰ মানসেৰে আমিন চাহেবে ভাৰতীয় ৰাষ্ট্ৰীয় ফুটবল দলৰ নেতৃত্ব গ্ৰহণ কৰি ১৯৭৭ চনত জাম্বিয়া থায়লেণ্ড আৰু বাংলাদেশ ভ্ৰমণ কৰে। ১৯৭৯ চনত আমিন চাহেবে ৰাষ্ট্ৰীয় দলটোৰ নেতৃত্ব লৈ ক্ৰমে ডুবায়, আবুঢাবি আৰু বাহৰেইন ভ্ৰমণ কৰি উক্ত ৰাষ্ট্ৰসমূহৰ সৈতে এটা সু-সম্পৰ্ক গঢ়ি তোলাৰ লগতে আন্তৰ্জাতিক ক্ৰীড়া জগতখনত ভাৰতীয় ফুটবলৰ প্ৰভাৱ বিস্তাৰ কৰে।এইবোৰৰ লগতে তেখেতে সভাপতিত্বৰ

কালছোৱাতে মৰ্য্যদা সম্পন্ন ‘ফেডাৰেশ্বন কাপ ফুটবল টুৰ্ণামেন্ট’ৰ পাতনি মেলি আৰু ‘নেশ্বনেল চাব জুনিয়ৰ ফুটবল টুৰ্ণামেন্ট’ৰ পৃষ্ঠপোষকতা কৰি ভাৰতবৰ্ষত ফুটবলৰ জনপ্ৰিয়তা তথা অগ্ৰগতি বৃদ্ধি কৰে।

ওপৰত উনুকিয়াই অহা হৈছে যে এগৰাকী বহুমুখী প্ৰতিভাসম্পন্ন খেলুৱৈ নুৰুল আমিন চাহেব ফুটবল খেলৰ এগৰাকী সুযোগ্য পৰিচালকো আছিল। ‘সেয়ে তেখেতক উচ্চস্তৰীয় ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় ফুটবল ‘ৰেফৰী’ নিয়োগ কৰা হৈছিল। মুঠৰ ওপৰত ভাৰতীয় ফুটবল জগতত আমিন চাহেবৰ ক্ৰীড়া নিপুণতা ইমান বিস্তাৰিতভাৱে প্ৰকাশ পাইছিল যে তেখেতে ১৯৬২ চনৰ পৰা ১৯৭৫ চনলৈকে সুদীৰ্ঘ ১৩ বছৰ কাল সৰ্বভাৰতীয় ফুটবল সংস্থা (All India Football Federation)ৰ সন্মানীয় ‘চেয়াৰমেন ৰেফাৰী’(Chairman Referee)ৰ আসন অলংকৃত কৰে।

কেৱল ফুটবলেই নহয়, আমিন চাহেবে ছাত্ৰৱস্থাৰ পৰাই টেনিচ খেলোটো পূৰ্ণ গতিৰে আত্ম নিয়োগ কৰিছিল। সেয়ে তেখেতে কলেজ আৰু বিশ্ববিদ্যালয়ত অনুষ্ঠিত ভিন ভিনটেনিচ্ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি প্ৰায়ে ‘চেম্পিয়ন ’ খিতাপ অৰ্জন কৰিছিল। কলেজ আৰু বিশ্ববিদ্যালয়ৰ উপৰিও ভিন ভিন ঠাইত অনুষ্ঠিত টেনিচ ‘টুৰ্ণামেন্ট’ সমূহত অংশগ্ৰহণ কৰি আমিন চাহেবে বহু সময়ত ‘চেম্পিয়নছিপ’ অৰ্জন কৰিবলৈ সক্ষম হয়। টেনিচ প্ৰতিযোগিতাত প্ৰদৰ্শন কৰা এনে পাৰদৰ্শিতাৰ বাবে তেখেতেৰ ১৯৩৯ চনত সন্মানীয় “হল টেনিচ কালাৰ উপাধিৰে ভূষিত কৰা হয়।

কেৱল ফুটবল আৰু টেনিচ খেলুৱৈয়ে নহয়, নুৰুল আমিন চাহেবে প্ৰায় আটাইবোৰ বিভাগৰ খেল অনুশীলন কৰিছিল আৰু তাৰ লগে লগে সেইবোৰৰ উত্তৰণ ঘটাবলৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছিল বিশেষকৈ স্ব-ৰাজ্য অসমত। তেখেতে ক্ৰিকেট খেলো অনুশীলন কৰিছিল আৰু লগতে অসমত ক্ৰিকেটৰ জনপ্ৰিয়তা বঢ়োৱাৰ মানসেৰে ‘অসম ক্ৰিকেট দল’ৰ কেপ্তেইনৰ দায়িত্ব গ্ৰহণ কৰিছিল। ১৯৫০ চনত তেখেতে নেতৃত্বত অসম দলে চি, কে,নাইডুৰ নেতৃত্বৰ সুখ্যাত ‘হোলকাৰ দল’ৰ বিৰুদ্ধে ৰঞ্জীট্ৰফী মেচখেলে। এগৰাকী ক্ৰিকেট সংগঠক হিচাপে আমিন ১৯৪৮ চনৰ পৰা ১৯৫৬ চনলৈকে আঠ বছৰ কাল ধৰি অসম ক্ৰিকেট সন্থাৰ অবৈতনিক সম্পাদক হিচাপে সেৱা আগবঢ়ায়। তদুপৰি তেখেতে দুবছৰ কাল ধৰি ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ (Board of Control for Cricket)ৰ ‘ওৱৰ্কিং কমিটিৰ সদস্য হিচাপে ৰাষ্ট্ৰীয় পৰ্য্যায়ত ক্ৰিকেটৰ প্ৰতি সেৱা আগবঢ়ায়।

ভিন ভিন বিভাগৰ ক্ৰীড়াৰ প্ৰতি থকা বহুমুখী প্ৰতিভা তথা অভিজ্ঞতাৰ বাবে এই গৰাকী নগঞা অসমীয়া নুৰুল আমিনক সৰ্বভাৰতীয় অলিম্পিক সংস্থাৰো উপসভাপতি নিৰ্বাচিত কৰা হৈ উঠিল। উপৰোক্ত খিনিয়েই সৰ্বস্ব নহয়। তাৰ লগতে আমিন চাহেবক স্কুল গেমছ ফেডাৰেশ্বন অৱ ইণ্ডিয়া’ৰো উপসভাপতিৰ আসনত বহুৱা হৈছিল।

ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় খলপাত যিমানেই সুনাম অৰ্জন নকৰক লাগে, আমিন চাহেবে এটা কথা ভালদৰে বুজি পাইছিল যে তেখেতে খেলুৱৈ জীৱনৰ অংকুৰণ ঘটিছিল অসমৰ মাটিত ,নগাঁৱত। জন্ম ৰাজ্যৰ প্ৰতি তেখেতৰ আছিল অকৃত্ৰিম স্নেহ। সম্ভৱ, সেই কাৰণেই ৰাষ্ট্ৰীয় খলপাত ভিন ভিন ক্ৰীড়া বিভাগৰ পৃষ্ঠপোষকতা কৰাৰ সমান্তৰালভাৱে তেখেতে অসমৰ ক্ৰীড়া জগতখনৰো সকলো দিশৰ পৰা আগবঢ়াই নিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। ছাত্ৰাৱস্থাত অৰ্জন কৰা ‘ফুটবল ব্লু’ ‘ফুটবল কালাৰ’, হল টেনিচ কালাৰ’,টেনিচ চেম্পিয়ন আদি উপাধিৰে বিভূষিত আমিন চাহেবে কিদৰে সুদীৰ্ঘ কাল ধৰি ‘আসাম ষ্টেট স্পৰ্টচ কাউন্সিল’ৰ আৰু আসাম ফুটবল এচ’চিয়েশ্বন’ৰ পৃষ্ঠপোষকতা কৰিছিল, সেই বিষয়ে ওপৰত আলোচনা কৰা হৈছে। তাৰ লগতে ১৯৬৫ চনৰ পৰা ১৯৬৯ চনলৈকে তেখেতে স্পৰ্টচ এণ্ড ফিজিকেল এডুকেশ্বন আসাম’ৰ সঞ্চালকৰ দায়িত্ব গ্ৰহণ

কৰি বিদ্যালয়সমূহলৈ আৰু গ্ৰাম্যাঞ্চললৈ খেলা-ধুলাৰ সম্প্ৰসাৰণ ঘটাইছিল। এই গৰাকী মহান ক্ৰীড়া সংগঠক আমিন চাহেবে সৰ্বভাৰতীয় ক্ৰীড়া জগতৰ উন্নতিৰ হকে ‘ফেডাৰেশ্বন অৱ ফুটবল টুৰ্ণামেন্ট’, নেশ্বনেল চাব-জুনিয়ৰ ফুটবল টুৰ্ণামেন্ট ’আদি গঠন আৰু পৃথক পৃথক ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰি দিয়াত গাৱে-ভূঞে থকা শ শ অপৰিচিত খেলুৱৈই তেওঁলোকৰ সুপ্ত প্ৰতিভা বিকাশৰ আৰু পৃথক পৃথক ক্ৰীড়া অনুশীলনৰ বাবে একোটা মঞ্চ লাভ কৰিছিল। যাতে অসমীয়া ল’ৰা-ছোৱালীয়ে ভিন্ন ধৰণৰ খেলা-ধুলাত আগবাঢ়ি যাব পাৰে সেই উদ্দেশ্যে আমিন চাহেবে নিজে উদ্যোগলৈ অসমত ‘আসাম এমেশ্বাৰ এথলোটিক এচ’চিয়েশ্বন’, আসাম ভলীবল এচ’ চিয়েশ্বন,’ আসাম হকী এচ’ চিয়েশ্বন’, আসাম টেবুল টেনিচ এচ’ চিয়েশ্বন’ আদি পৃথক পৃথক ক্ৰীড়া সংস্থা গঠন কৰাত ঘাই শিপা স্বৰূপে বৰঙণি যোগাইছিল। তদুপৰি আমিন চাহবে স্বৰ্গীয় পি. ডি ষ্ট্ৰেটীৰ সৈতে লগ লাগি অসমত’ নেশ্বনেল স্পৰ্ষ্টচ ক্লাৱ ’ গঠন কৰি সেইসংগঠনৰ সহায়েৰে মূল মূল নগৰসমূহত খেলপথাৰ নিৰ্মাণ কাম হাতত লৈছিল। এই ‘নেশ্বনেল স্পৰ্ষ্টচ্ ক্লাৱ’ৰো অবৈতনিক সম্পাদকৰ দায়িত্ব মূৰ পাতিলৈ আমিন চাহেবে পোন প্ৰথম যোৰহাটত খেলপথাৰখন (ষ্টেডিয়াম) নিৰ্মাণ কৰে। তেখেত সম্পাদক হৈ থকা কাৰ্য্যকালতেই তেখেতৰ যত্নতে ‘নেশ্বনেল স্পষ্টচ্ ক্লাৱ’ৰ কাৰ্য্যকৰী সমিতিয়ে গুৱাহাটীত খেলপথাৰ নিৰ্মাণৰ বাবে আঞ্চলিক সমিতিক দহ হেজাৰ টকাৰ আৱন্টন দিয়ে আৰু সেই টকা গুৱাহাটী আঞ্চলিক ক্ৰীড়া সমিতিৰ সমসাময়িক সভাপতি প্ৰয়াত ৰাধা গোবিন্দ বৰুৱাদেৰৰ হাতত দিয়া হয়। উক্ত টকাৰে বৰুৱাদেৱে গুৱাহাটীত খেলপথাৰ নিৰ্মাণৰ কাম আৰম্ভ কৰে আৰু আমিন চাহেবেও উক্ত খেলপথাৰ নিৰ্মাণত বৰুৱাদেৰক পাৰ্য্যমানে সহায় সহযোগ কৰে। এইদৰে আমিন চাহেবেৰ তৎপৰতা তথা সহযোগৰে বৰুৱাদেৱে গুৱাহাটীত ‘এন এচ, চি এ, ষ্টেডিয়াম (নেশ্বনেল স্পৰ্টচ্ ক্লাব অৱ আসাম ষ্টেডিয়াম) নিৰ্মিত কৰা হয়। পৰৱৰ্তী কালতেহে এই ‘এন ,এচ ,চি এ ষ্টেডিয়ামক, সম্ভৱ ৰাজনৈতিক প্ৰলেপ সানি, নেহেৰু ষ্টেডিয়াম’ নামেৰে নামাংকন কৰা হয়।

আমিন চাহেবে অসমত উপৰি উক্ত ক্ৰীড়া সংস্থাসমূহ গঠন কৰাই নহয়, তেখেতে আসমীয়া খেলুৱৈক ভিন ভিন খেলাৰ ৰীতি -নীতি তথা ক্ৰীড়া পদ্ধতিৰ প্ৰশিক্ষণ দিয়াই তেওঁলোকক ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতা সমূহত অংশগ্ৰহণ কৰিব পৰা কৰি তুলিবলৈ চেষ্টা কৰিছিল আৰু তাৰ যোগেৰে অসমৰ ক্ৰীড়া জগতখনক বহি: জগতৰ সৈতে পৰিচিত কৰিবলৈ বিচাৰিছিল। সেয়ে আমিন চাহেবে নিজে উদ্যোগলৈ ১৯৫৩ চনত আৰ্ন্তজাতিক ক্ৰিকেট দলৰ অংশ গ্ৰহণেৰে যোৰহাটত ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিল। সেইদৰে তেখেতৰ প্ৰচেষ্টাতেই পিছৰ কালছোৱাত ৰাচিয়া, ব্ৰহ্মদেশ, পশ্চিম, জাৰ্মেনি, ইণ্ডুনেছীয়া আৰু মালয়েচীয়াৰ ফুটবল দল আহি অসমত পৃথক পৃথক ঠাইত অনুষ্ঠিত পৃথক পৃথক ফুটবল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল। এইবোৰৰ লগতে আমিন চাহেব স্পৰ্ষ্টচ এণ্ড ফিজিকেল এডুকেশ্বন্ আসামৰ সঞ্চালক হৈ থকাৰ কালছোৱাতে তেখেতে ১৯৬৬ চনত অবিভক্ত অসমৰ ৰাজধানী শ্বিলঙত ভাৰতৰ’ একাদশ ৰাষ্ট্ৰীয় স্কুল গেমচ্ চেম্পিয়নশ্বিপ’ প্ৰতিযোগিতা অনুষ্ঠিত কৰি অসমৰ গৌৰৱ বৃদ্ধি কৰিছিল। অসমৰ ক্ৰীড়া জগতলৈ আগবঢ়োৱা এনে অনবদ্য অৱদানৰ বাবে নুৰুল আমিন চাহেবক সন্মানীয় ‘লাইভ ওৱায়াৰ অৱস্পৰ্টচ্ অৱ আসাম” (live wire of sports of Assam) উপাধিৰে ভূষিত কৰা হৈছিল।

আমিন চাহেবে ভাৰত তথা অসমৰ ক্ৰীড়া জগতক শক্তিশালী কৰি তোলাৰ লগতে জন্মভূমি নগাঁৱৰ খেলপথাৰখনো জীপাল কৰি তুলিছিল। তেখেতৰ পৃষ্ঠপোষকতা, তৎপৰতা, ত্যাগ আৰু কৰ্তব্যনিষ্ঠাৰ ফলতেই নগাওঁ ক্ৰীড়া সন্থাই কুৰি শতিকাৰ দ্বিতীয়াৰ্দ্ধত অতি সাধাৰণ অৱস্থাৰ পৰা এনেদৰে অগ্ৰগতি লাভ কৰিছিল যে সেইছোৱা কালত নগাওঁ অসমৰ ক্ৰীড়া জগতৰ কেন্দ্ৰস্থল স্বৰূপ হৈ পৰিছিল। একমাত্ৰ আমিন

চাহেবৰ প্ৰচেষ্টাতেই নগাও এখন উন্নত 'ষ্টেডিয়ামৰ গৰাকী হৈ পৃথক পৃথক ক্ৰীড়া সম্পন্ন কৰিব পৰা হ'ল।

এগৰাকী আৰ্ন্তজাতিক খেলুৱৈ তথা অগ্ৰণী ক্ৰীড়া সংগঠক হিচাপে ওৰেটো জীৱন পাৰ কৰা অধিবক্তা আমিন চাহেবে অসমত শিক্ষা বিস্তাৰৰ বাবেও চেষ্টা কৰিছিল। উদাহৰণস্বৰূপে তেখেতে কিছুসংখ্যক স্থানীয় শিক্ষানুৰাগীৰ সৈতে লগ লাগি নগাওঁত আইন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰি নিজে ১৯৬৯ চনৰ পৰা ১৯৭৩ চনলৈকে উক্ত মহাবিদ্যালয়ৰ অধ্যক্ষৰ আসন অলংকৃত কৰি শিক্ষা জগতলৈ সেৱা আগবঢ়ায়। আকৌ তেখেতে ডেকা কালতে, অৰ্থাৎ ১৯৪৫-৪৬ চনতে কলিকতাৰ 'আচামীজ ষ্টুডেন্টচ্ লিতাৰেৰী ক্লাৱ' (এ, এছ এল, চি) ৰো সভাপতিৰ পদ গ্ৰহণ কৰি অসমীয়া সাহিত্যৰ প্ৰতি সেৱা কৰাৰ লগতে কৰ্ম্মৰত কলিকতাস্থ অসমীয়া ছাত্ৰ বৰ্গকো উৎসাহ যোগাইছিল। এইদৰে জীৱনৰ শেহৰ ফালে আমিন চাহেবে স্থানীয় ভিন ভিন সামাজিক অনুষ্ঠানৰ সৈতে জড়িত থাকি সমাজ সেৱা কৰি আহিছিল। তেখেতে গুৱাহাটী আসাম ইমডাডিয়া হস্পিতালৰো প্ৰতিষ্ঠাপক সঞ্চালক আছিল আৰু তেখেতৰ উদ্যোগতে এই অনুষ্ঠানটিয়ে গুৱাহাটী সিজুবাৰীত ১৫ বিঘা মাটি লাভ কৰিবলৈ সক্ষম হৈছিল। আমিন চাহেব কেৱল ক্ৰীড়াজগত তথা শিক্ষা বিস্তাৰতে আৱদ্ধ আছিল এনে নহয় তেখেত দীৰ্ঘদিন ধৰি আকাশবাণীৰ সৈতে জড়িত আছিল। আমিনচাহেব আকাশবাণী, গুৱাহাটী'ৰ প্ৰগ্ৰেম এডভাইজাৰ কমিটি'ৰো সদস্য আছিল।

ওপৰৰ আলোচনাৰ পৰা এইটো প্ৰাঞ্জলকৈ পৰিস্ফুট হৈ পৰে যে সৰ্বভাৰতীয় ক্ৰীড়া জগতত নিজৰ দখল থকাৰ বাবেই নুৰুল আমিন চাহেব অসমৰ প্ৰায় আটাইবোৰ ক্ৰীড়া বিভাগৰ উত্তৰণ ঘটাবলৈ সক্ষম হৈছিল। ৰাষ্ট্ৰীয় . খলপাত আমিন চাহেবৰ হাত আৰু জন্মভুমিৰ প্ৰতি অকৃত্ৰিম স্নেহ থকাৰ বাবেই তেখেতে অসমত ফুটবল, ভলীবল, লন টেনিচ, টেবুল টেনিচ, ক্ৰিকেট, বাস্কেটবল, হকী আদি বিভাগবোৰ গঢ়িসেইবোৰ সবল কৰি তুলিছিল। তেখেতে স্পৰ্টচ্ এণ্ড ফিজিকেল এডুকেশ্বন আসাম'ৰ যোগেৰে গাৱে ভূঞে খেলা-ধুলাৰ জনপ্ৰিয়তা বৃদ্ধি কৰিছিল। অসমত আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰি অসমৰ গৌৰৱ বৃদ্ধি কৰিছিল। নিজে অবৈতনিক সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি অসমত ষ্টেডিয়াম নিৰ্মাণৰ পাতনি মেলিছিল। এগৰাকী আৰ্ন্তজাতিক খেলুৱৈ, এগৰাকী ৰাষ্ট্ৰীয় ক্ৰীড়া পৃষ্ঠপোষক হিচাপে নুৰুল আমিন চাহেবে উদ্যোগ লোৱাৰ বাবেহে অসমৰ ক্ৰীড়া জগতে বৰ্ত্তমানৰ অৱস্থালৈ কম সময়ৰ ভিতৰতে আগবাঢ়ি আহিব পাৰিলে। আমিন চাহেবৰ অবিহনে সৰ্বকালে কেন্দ্ৰীয় চৰকাৰৰ অৱহেলাৰ বলি হোৱা অসমে নিশ্চয় ইমান অগ্ৰগতি লাভ কৰিব নোৱাৰিলেহেঁতেন। এই সকলো দিশ চালি জাৰি চাই আমাৰ ভাৱ হয় যে মাজখিনিত যি যাক উপাধিৰে অলংকৃত নকৰক লাগে নুৰুল আমিন অসমৰ ক্ৰীড়াজগতৰ-পিতৃপুৰুষ।

নগাঁৱৰ গৌৰৱ, অসম গৌৰৱ আন্তঃৰাষ্ট্ৰীয় তথা ৰাষ্ট্ৰীয়, খেলুৱৈ, ক্ৰীড়া, সংগঠক অধিবক্তা শিক্ষাবিদ সমাজসংগঠক নুৰুল আমিন চাহেবৰ ১৯৯১ চনৰ ২৯ আগষ্ট তাৰিখে মৃত্যু হয়। তেখেত স্মৃতি যুগমীয়া কৰিবৰ বাবে নগাঁৱৰ ষ্টেডিয়ামখনক নুৰুল আমিন ষ্টেডিয়াম নামেৰে নামাকৰণ কৰা হৈছে। অৱশ্যে ক্ৰীড়া জগতৰ প্ৰতি আগবঢ়োৱা আৱদান লক্ষ্য কৰিলে আমিন চাহেবৰ প্ৰতি আগবঢ়োৱা অৱদান সেয়াই যথেষ্ট বুলি আমি নাভাবো।

(বিঃদ্ৰঃ তথ্য--আমিন চাহেবে জীৱন কালৰ কিছু বিশেষ ঘটনাৰ বিষয়ে লিখি থৈ যোৱা এটি দীঘলীয়া লেখা তেখেতৰ পুত্ৰ আমান চাহেবে ০২-০১-০৬ তাৰিখে এই লেখকক দিয়ে। উক্ত লেখাৰ আধাৰতেই এই প্ৰবন্ধ যুগুটোৱা হ'ল। এই লেখাৰ লেখকৰ 'অসমৰ মুছলমান সমাজ সংস্কৃতিলৈ অৱদান শীৰ্ষৰ গ্ৰন্থৰ পৰাই উদ্ধৃত কৰা হৈছে। ◆

ফোন নং- ৯১০১৯-৮৪৫০১

# অসমৰ বাকফ সম্পত্তি ঃ এটি চমু পৰ্যালোচনা

নুৰুল হক

সপ্তম শতিকাত আৰব মৰুত ইছলামৰ উত্থান পৰবৰ্তী কালত ইয়াৰ প্ৰসাৰ আৰু প্ৰচাৰে মানৱ সভ্যতাৰ ইতিহাসত এক নতুন যাত্ৰা প্ৰদান কৰে আৰু এক নতুন ধৰ্মীয় দৰ্শনত অনুপ্ৰাণিত হৈ ইছলামধৰ্মী লোকসকলৰ মাজত জনকল্যাণমুখী কামৰ যোগেদি মানৱ সেৱা আগবঢ়োৱাৰ এক নতুন দিশ উন্মোচন হয় যিটো বাকফ নামেৰে জনাজাত। এই বাকফ হৈছে মহান আল্লাৰ নামত কোনো ব্যক্তিয়ে নিজৰ সা-সম্পত্তি জনকল্যাণৰ বাবে চিৰদিনৰ বাবে হস্তান্তৰ কৰা পদ্ধতি। বাকফ স্থাপনৰ লগে লগে সম্পতিটোৰ ওপৰত থকা ব্যক্তিগত মালিকানাৰ অন্ত পৰে আৰু ভৱিষ্যতে এই সম্পত্তিৰ কোনো কাৰণতে হৰণ-ভগণ হ'বলৈ নিদিয়াতো বাকফ'ৰ এটা মূল উদ্দেশ্য। ৱাকিফে (দাতাই) বহু ক্ষেত্ৰত জীৱিত কালত ৱাকফ সম্পত্তিটো পৰিচালনা কৰাৰ দায়িত্ব নিজে বহন কৰে আৰু তেওঁৰ মৃত্যুৰ পাচত এজন পৰিচালক (মোতাৱলী)ৰ দ্বাৰা সম্পত্তিটো পৰিচালনা কৰি ইয়াৰ উপাৰ্জনৰে জনহিতকৰ কামত খৰচ কৰাৰ ব্যৱস্থা কৰে।

বিশ্বৰ বিভিন্ন প্ৰান্ত ইছলামী সভ্যতাৰে বিকশিত হোৱাৰ লগে লগে মুছলিম সমাজত বাকফ স্থাপনৰ পদ্ধতি আৰম্ভ হয়। ভাৰতত মুছলমান শাসনৰ দিনৰ পৰা বৰ্তমানলৈ, চাচাৰ কমিটি প্ৰতিবেদন মতে স্থাপন হোৱা ৱাকফ সম্পত্তিৰ মূল্য এক লাখ বিশ হাজাৰ কোটি টকাৰ কম নহয়।

পবিত্ৰ কোৰাণ চৰিফত বাকফ সম্পৰ্কে কোনো পোনপতীয়া বা প্ৰত্যক্ষ নিৰ্দেশনা নাই যদিও দান দিয়া নাইবা সমাজৰ কল্যাণৰ হকে বিভিন্ন কামত উপাৰ্জিত ধন সম্পত্তি খৰচ কৰাৰ বহু নিৰ্দেশনা আছে।

এই বিষয়টোৰ ওপৰত নিৰ্দেশনা থকা কোৰাণৰ কেইটামান আয়াত তলত উল্লেখ কৰা হ'ল—

"তোমালোকে পূব বা পশ্চিম পিনে মুখ কৰাটোৱেই পূণ্যৰ কাম নহয়। বৰঞ্চ প্ৰকৃত পুণ্যবান তেওঁহে যিজনে আল্লাৰ শেষ বিচাৰৰ দিন, ফিৰিষ্টাসকল, আল্লাৰ পৰা অবতীৰ্ণ হোৱা পুথিসমূহ আৰু নবীসকলৰ প্ৰতি নিষ্ঠা আৰু আন্তৰিকতাৰে ইমান আনে আৰু যিজনে নিজৰ ধন সম্পদ আল্লাহৰ প্ৰতি থকা প্ৰেমৰ বাবে আত্মীয় স্বজন, অনাথ, দৰিদ্ৰ, অভাৱগ্ৰস্ত লোক ভ্ৰমণৰত প্ৰবাসী, খোজনীয়া আৰু দাসৰ মুক্তিৰ বাবে ব্যয় কৰে আৰু যিজনে নামাজ প্ৰতিষ্ঠা কৰে, জাকাত আদায় দিয়ে, কোনো চুক্তি বা প্ৰতিজ্ঞা কৰিলে তাক পুৰণ কৰে, বিপদ-আপদ, অভাৱ-অনাটন দুৰ্য্যোগ বিভিষিকা আৰু হক বাতিলৰ সংঘৰ্ষৰ সময়ত চৰম ধৈৰ্য্য সৱলম্বলন কৰে, তেওঁলোকেই প্ৰকৃত সত্যবাদী আৰু পুণ্যবান (কোৰাণ ২.১৭৭)

==আমি তোমালোকক জীৱন ধাৰণৰ যি উপকৰণ দান কৰিছো, মৃত্যু অহাৰ আগেয়ে

তোমালোকে (সত কামত) ব্যয় কৰা যাতে (কোনোবা মৃত্যু মুখত পৰিলে) সি ক'বলগীয়া নহয়— 'হে প্ৰভু, তুমি কিয় মোক অলপ সময় অৱকাশ নিদিলা, (দিয়াহেঁতেন) মই দান খাইৰাত কৰিলোহেঁতেন আৰু সৎকৰ্মীসকলৰ অন্তৰ্ভুক্ত হ'লোহেঁতেন, (কোৰাণ ৬৩ঃ১০)

ইয়াৰ উপৰিও পবিত্ৰ কোৰাণৰ চুৰা ২ আয়াত ২১৫, ২৬২, ২৭৩, ২৭৪ চুৰা ১৭ আয়াত ২৬, চুৰা ৫১ আয়াত ১৯, চুৰা ৫৭ আয়াত ৭,১৮ আৰু চুৰা ৬৪ আয়াত ১৬ নম্বৰত বিভিন্ন ধৰণৰ দান আদিৰ ওপৰত নিৰ্দেশনা আছে।

পবিত্ৰ কোৰাণৰ উল্লেখিত আয়াত সমুহৰ উপৰিও কেইবাটাও হাদিছ প্ৰচলিত আছে । উদাহৰণ স্বৰূপে ওমৰ ইবন খাট্টাবে হজৰত মোহম্মদ (দঃ)ৰ পৰামৰ্শ মতে খইবৰত দান কৰা মাটি, ওচমান (ৰাঃ)ৰে পানীৰ অভাৱ পুৰাবলৈ এটা কুৱা কিনি পাছত ৱাকফলৈ পৰিবৰ্তন কৰা ইত্যাদি। ৰছুল কৰিম (দঃ)ৰ লগৰীয়া সকলৰ বহু কেইজনে কেইবাটাও দাতব্য ৱাকাফ গঠন কৰাৰ ইঙ্গিত হাদিছত আছে।

**ৱাকফৰ প্ৰকাৰ ঃ**

প্ৰধানত ৱাকফ সম্পত্তি সমূহৰ উপাৰ্জন বিশেষকৈ কি উদ্দেশ্যত ব্যৱহাৰ হ'ব ৱাকিফে ৱাকফখন প্ৰতিষ্ঠা কৰাৰ সময়তে নিৰ্দ্ধাৰণ কৰে আৰু ইছলামীক পণ্ডিত, উলেমাসকলে ব্যৱহাৰিক দিশটোৰ ওপৰতে ভিত্তি কৰি ৱাকফ সম্পত্তি সমূহক বিভিন্ন প্ৰকাৰত চিহ্নিত কৰিছে। সেয়া হ'ল ৱাকফ খাইৰী, ৱাকফ ফি-আহলী বা ৱাকফ আলাআল-আওলাদ, ৱাকফ আল চবিল, ৱাকফ আল আৰৰিধ, ৱাকফ ইষ্টিমাৰী, ৱাকফ মুকাচাৰ ইত্যাদি।

আমাৰ এই আলোচনা যিহেতু অসমত থকা আৰু অসম ৱাক্ফ বৰ্ডত পঞ্জীয়ন হোৱা ৱাকফ সমূহক ভিত্তি কৰিয়েই ক'বা হ'ব সেয়েহে ৱাক্ফ খাইৰি আৰু ওৱাক আলাআল-আওলাদক কেন্দ্ৰ কৰিয়েই আমি বিষয়টো পৰ্য্যালোচনা কৰাৰ চেষ্টা কৰিম। অসম চৰকাৰে শেহতীয়াকৈ গেজেটত অধিসূচনা যোগে প্ৰকাশ কৰা আৰু আকদাচ আলি মীৰ চাহাবৰ "পুন্য ভূমি অসম আৰু ৱাকাফ"'ত সন্নিবিষ্ট কৰা প্ৰায় চৈধ্যহাজাৰ মছজিদ, খানকাহ কৱৰস্থান মাদ্ৰাছা, ইদগাহ আৰু অসম ৱাকফ বোৰ্ডত পঞ্জীয়ন হোৱা ১৩৬০ খন মাদ্ৰাছা এই আলোচনাৰ আওতালৈ অনা হোৱা নাই।

**অসমলৈ মুছলমানৰ আগমণ আৰু ৱাকফ ঃ**

উত্তৰ গুৱাহাটীৰ কানাইবৰশি শিলালিপিত উল্লেখ কৰা দিনৰে পৰা অসমলৈ অহা আৰু অসমত কালক্ৰমত বৰ্ধিত জনসংখ্যাৰ মুছলমান লোকসকলৰ ইতিহাস বিচাৰ কৰিলে দেখা যায় যে হজৰত আজান পীৰ চাহাবে জিকিৰ আৰু জাৰীৰ জৰিয়তে অসমত ইছলামী দৰ্শন প্ৰচাৰ কৰাৰ মাধ্যমেৰে অসমত এখন সুস্থ মুছলমান সমাজ গঢ় লৈ উঠে আৰু ইছলামী নীতি-নিয়মৰ প্ৰচলন আৰম্ভ হয়। কিন্তু এই মুছলমান সমাজখনত ৱাকফ স্থাপনৰ প্ৰকৃত সমল ১৯শ শতিকাৰ শেষ ভাগলৈকে বিচৰি পোৱা নেযায়।

অসমত প্ৰথমখন ৱাকফ কোনো প্ৰতিষ্ঠা কৰিছিল এই বিষয়ে মতভেদ আছে যদিও শেহতীয়া ভাৱে পোৱা তথ্য অনুসৰি ১৮৮৯ চনত তেতিয়াৰ অবিভক্ত গোৱালপাৰা জিলাৰ ধুবুৰী নগৰৰ এজন সমাজ হিতৈষী ব্যক্তি আৰিফুল্লা চৌধুৰীয়ে অসমত প্ৰথমখন ৱাকফৰ পাতনি মেলে আৰু এই ৱাকফ বৰ্তমান আৰিফুল্লা চৌধুৰী ৱাকফ নামেৰে জনাজাত। নগৰ আৰু কৃষিভূমি দুয়োটা লগ লগাই এই সম্পত্তিত প্ৰায় ৮২ বিঘা মাটি আছে। নগৰীয়া অঞ্চলত কিছু আবাসী লোক আছে যদিও এই ৱাকফৰ মাটিত ব্যৱসায়ীক প্ৰতিষ্ঠানেই বেছি।

ইয়াৰ পাছতে ১৮৯০ চনত গুৱাহাটীৰ ফেন্সি বজাৰত ১৪ বিঘা ২ কঠা মাটিৰে অহিদুৰ ৰহমান নামৰ এজন ব্যক্তিয়ে দ্বিতীয়টি ৱাকফ স্থাপন কৰে। বৰ্তমান এই ৱাকফৰ মাটিত কেইবাশ লোকৰ ব্যৱসায়িক প্ৰতিষ্ঠান আছে।

কুৰি শতিকাৰ আৰম্ভণিৰ পৰা বৰ্তমানলৈকে অসমত বহু ৱাকফ স্থাপন হোৱাৰ বিৰৰণ আমি পাও যদিও অসম ৱাকফ বৰ্ডত পঞ্জীয়ন নোহোৱা ৱাকফ সমূহৰ আচল তথ্য বৰ্তমান  ৱাকফ বৰ্ডত উপলব্ধ নহয়। অসম ৱাকফ বৰ্ডত পঞ্জীয়ন হোৱা ১৭৯ খন ৱাকফ ইষ্টেটৰ জিলা ভিত্তিৰ পৰিসংখ্যা তলত দাঙি ধৰা হ'ল।

(১) বৰপেটা ৮, (২) বাক্সা ২, (৩) কাছাৰ ৬৯, (৪) ধুবুৰী ৬, (৫) দিমা-হাচাও ৩, (৬) গোৱালপাৰা ১২, (৭) হাইলাকান্দি ৯, (৮) যোৰহাট ৪, (৯) ডিব্রুগড় ২, (১০) কামৰূপ (নগৰ) ১৬, (১১) কৰিমগঞ্জ ২৮, (১২) মৰিগাঁও ২, (১৩) নগাঁও ১৪, (১৪) শিৱসাগৰ ২, (১৫) শোণিতপুৰ ৩ (১৬) তিনিচুকীয়াত মুঠ ১৭৯

এই ১৭৯ ৱাকফ ইষ্টেটৰ উল্লেখযোগ্য ৱাকফ হৈছে ধুবুৰী জিলাৰ হামিদাবাদ ৱাকফ ইষ্টেট, আৰিফুল্লা চৌধুৰী ৱাকফ ইষ্টেট, চেখ কাজি ৱাকফ ইষ্টেট, গোৱালপাৰা জিলাৰ মজিবুৰ ৰহমান ৱাকফ ইষ্টেত, হাকীম মিৰউল্লা আৰু হাচান ৱাকফ ৱাকফ ইষ্টেট, কামৰূপ (মহানগৰ) জিলাৰ অহিদুৰ ৰহমান ৱাকফ ইষ্টেচ, গোলাম ৰহমান ৱাকফ ইষ্টেত ডাঃ বাক্ৰুবা আলি ৱাকফ ইষ্টেট, চৈয়দ আনোৱাৰউদ্দিন ৱাকফ ইষ্টেট, ৰৌছনআৰা এডুকেনশ্বন ফাউণ্ডেশ্বন ৱাকফ ইষ্টেট, নগাঁও জিলাৰ মনধন শইকীয়া ৱাকফ ইষ্টেট, যোৰহাট জিলাৰ মহম্মদ চাহ ৱাকফ ইষ্টেট তিনিচুকীয়া জিলাৰ আল বঙলা মছজিদ ৱাকফ ইষ্টেট শোণিতপুৰ জিলাৰ তেজপুৰ বজাৰ বৰমছজিদ ৱাকফ ইষ্টেট, ইউচুফ বেপাৰী ৱাকফ ইষ্টেট, দিমা হাচাও জিলাৰ চামচুদ্দিন খা ৱাকফ ইষ্টেট হাইলাকান্দি জিলাৰ কাচিমুল উলুম মাদ্রাছা ৱাকফ ইষ্টেট, কাছাৰ জিলাৰ আব্দুল ৰহমান বৰলস্কৰ ৱাকফ ইষ্টেট, অম্বৰ আলি লস্কৰ ৰকাফ ইষ্টেট, হাজী কেৰামত্ত উল্লা ৱাকফ ইষ্টেট আৰু কৰিমগঞ্জ জিলাৰ অম্বৰ আলি চৌধুৰী ৱাকফ ইষ্টেট, নিচাৰ আলি চৌধুৰী ৱাকফ ইষ্টেট আৰু বদৰপুৰ ৰেলৰে জামে মছজিদ ৱাকফ ইষ্টেট। ঠাইৰ অভাৱত সম্পূৰ্ণ তালিকা দিয়া হোৱা নাই।

**অসমৰ ৱাকফ সম্পত্তিসমূহৰ শ্ৰেণী বিভাগ ঃ** অসম ৱাকফ বৰ্ডত পঞ্জীয়নভুক্ত ৱাকফসমূহ আইনগতভাৱে দুটি শ্ৰেণীৰ বিভক্ত কৰা হয়। ৱাকফ খাইৰ (Public) আৰু ৱাকফ আলাল-আওলাদ (Pvt)। এই ১৭৯ খন ৱাকফ সম্পত্তিৰ ৱাকিফে বৰ্ডত দাখিল কৰা দলিল সমূহ পৰীক্ষা কৰিলে প্ৰত্যেকটো ৱাকফ ইষ্টেটৰ উদ্দেশ্য বুজাত কোনো অসুবিধা নেথাকে। ৱাকফ খাইৰি সমূহৰ উপাৰ্জনৰে ৱাকফৰ পৰিচালনাৰ খৰচ বাদ দি জনকল্যাণমূলক কাম যেনে - শিক্ষাৰ প্ৰসাৰ, ছাত্ৰ-ছাত্ৰী, এতিম নাইবা নিঃস্বজনৰ হোষ্টেল তৈয়াৰ কৰা, দুখীয়া লোকৰ বাবে স্বাস্থ্য সেৱা, গৰীৱ লোকক আৰ্থিক সাহায্য প্ৰদান, যিকোনো ধৰণৰ জাতীয় বিপৰ্য্যয়ৰ সময়ত সহায়ৰ হাত আগবঢ়োৱাকে কেন্দ্ৰ কৰি বিভিন্ন ধৰ্মীয় আৰু পূণ্যৰ কাম কাজত খৰচ কৰিব পৰা হয়। ৱাকফ আল-আলা আওলাদৰ ক্ষেত্ৰটো ৱাকফখনৰ পৰিচালনাৰ খৰচ বাদ দি উপাৰ্জনৰ টকা ৱাকিফৰ পৰিয়াল, সতসন্ততিৰ উত্তৰণৰ কাৰণে খৰচ কৰা হয়। অসমৰ কেইখনমান ৱাকফৰ বাহিৰে অন্যান্য সকলো ৱাকফ আল-আল আওলাদ শ্ৰেণীভুক্ত। কিন্তু পূণ্য, ধৰ্মীয় নাইবা জনসাধৰণৰ উপকাৰত অহা কিছু কামো কৰিব পৰা ব্যৱস্থা এই ৱাকফ নামাসমূহও আছে। অৱশ্যে, সাত শতাংশ অৰিহণা ৱাকফ সম্পত্তিৰ কোনখিনি আয়ৰ পৰা বৰ্ডক প্ৰদান কৰা হ'ব সেই বিষয়ে  চৰকাৰ বা আদালতে এতিয়ালৈকে কোনো স্থিৰ সিদ্ধান্ত  দিব পৰা নাই।

**অসম ৱাকফ সম্পত্তিৰ তথ্য পৰিচালনা আৰু আয়ৰ মুল্যায়ন ঃ**

অসম ৱাকফ বৰ্ডৰ তথ্যমতে অসমত পঞ্জীয়ন হোৱা ৱাকফ ইষ্টেট সমূহৰ প্ৰায় ১৫০০০ বিঘা মাটি

আছে। গতিকে ১৫০০০ বিঘা মাটিৰ বৰ্তমান মূল্য বহু কোটি হ'ব লাগে আৰু ৱাকফ সম্পত্তিৰ পৰা বছৰত কেইবা হেজাৰ কোটি টকা উপাৰ্জন হ'ব লাগে বুলি বিভিন্ন সংবাদ মাধ্যমত উত্থাপিত অভিযোগবোৰ সকলোৰে জ্ঞাত। সম্পত্তিৰ প্ৰকৃত তথ্য বিচাৰিলে আমি দেখো যে এই ১৭৯ খন ৱাকফত বৰ্তমান কিমান মাটি আছে আৰু কিমান মাটি আয়ৰ উপযোগী হৈ আছে সেই তথ্য বৰ্ডৰ হাততো নাই— কাৰণ ধুবুৰী জিলাৰ ৰাউচকাটা ৱাকফ ইষ্টেটৰ ৪০০০ বিঘা মাটিৰ বৰ্ত্তমান কোনো অস্তিত্ব নাই। হামিদবাদ ৱাকফ ষ্টেটৰ প্ৰায় ২০০ বিঘা মাটি ইতিমধ্যে ব্ৰহ্মপুত্ৰই খহাই দিছে। গোৱালপাৰা জিলা নুৰুদ্দিন ৱাকফ ইষ্টেট ৪২০০ বিঘা মাটি আগতেই চৰকাৰে অধিগ্ৰহণ কৰিছে। কাছাৰ জিলাৰ আধান মিঞা, ৱাকফ ইষ্টেটৰ ২২ বিঘা মাটি ৰেলৰে বৰ্ডে অধিগ্ৰহণ কৰিছে। গতিকে ৱাকফ ইষ্টেট সমূহৰ প্ৰকৃত সম্পদ/মাটি কিমান আৰু আয়ৰ পৰিসৰ কেনেকুৱা আইনগতভাৱে পূৰ্ণ পৰ্য্যায়ৰ জৰীপ নহ'লে প্ৰকৃত তথ্য লাভ কৰা কাৰোপক্ষে সম্ভৱ নহয়। আগতে দুবাৰ হোৱা জৰীপে প্ৰত্যেক ৱাকফ ষ্টেটৰ ক্ষেত্ৰত তথ্য দিয়াত সম্পূৰ্ণ বিফল হৈছে- কাৰণ জৰীপ কৰোতে প্ৰত্যেকটো ৱাকফ সম্পত্তিৰ যি খিনি তথ্য উদঘাটন কৰাৰ ব্যৱস্থা কৰি ৰখা হৈছে সেই ব্যৱস্থা কোনো এখন অধিসূচনাতে উল্লেখ কৰা হোৱা নাই। সেয়েহে গেজেটত প্ৰকাশ পোৱা জৰীপৰ প্ৰতিবেদনত প্ৰত্যেক ৱাকফ ইষ্টেত কিমান মাটি আছে ৱাকিফৰ পৰিয়ালে কিমান মাটি দখল কৰি আছে, বছেৰেকীয়া ৱাকফ পৰিচালনাত খৰচ কিমান, ৱাকফখনৰ উদ্দেশ্য কি, বছেৰেকীয়া আয়, চৰকাৰক দিব লগা ভূমি ৰাজহ আৰু অন্যান্য কৰৰ পৰিমাণ, মোতাৱালীৰ পাৰিতোষক, ৱাকফৰ ৰাজহ আহৰণ হোৱা খৰচ, ৱাকফৰ স্থায়ী আৰু অস্থায়ী সম্পত্তি আৰু ইয়াৰ বৰ্তমান মূল্য, অসম ৱাকফ বৰ্ডক দিব লগা সাত শতাংশ অৰিহণা, ৱাকফ নামাৰ বিৰৰণ, বেদখল হৈ থকা মাটিৰ পৰিমাণ, ৱাকফ স্থাপনৰ তাৰিখ, ৱাকফখনৰ খৰচৰ ধৰণ আৰু প্ৰকৃতি বে-আইন ভাৱে হস্তান্তৰ হোৱা মাটিৰ পৰিমাণ, আদালতত চলি থকা ৱাকফ সম্পত্তি সম্পৰ্কত গোচৰ আদিৰ বিৰৰণ গেজেটত প্ৰকাশ পোৱা জৰীপৰ অধিসুচনাখনত পোৱা নাযায়। আইনৰ চাৰিবেৰৰ ভিতৰত থাকি এই জৰীপ নোহোৱা হেতুকে বৰ্তমান ১৭৯খন ৱাকফৰ আচল সম্পদৰ আৰু আয়ৰ তথ্য আমাৰ কাৰো অৱগত নহয়। চৰকাৰৰ ২৫-০১-২০১৬ তাৰিখ পুনৰ নতুন জৰীপ কৰিবৰ কাৰণে যি অধিসুচনা জাৰি কৰিছে সেই অধিসুচনাতো নীতিগত ভাৱে থাকিব লগা নিৰ্দেশনাৰ কোনো উল্লেখ নাই (প্ৰতিলিপি শেষত)। বিষয়টো ৱাকফ বৰ্ডৰ মুখ্য কাৰ্য্যবাহী বিষয়া গৰাকীক ২৩-০৬-২০১৬ তাৰিখে অৱগত কৰা হৈছিল যদিও পৰবৰ্ত্তী কাৰ্য্যপন্থাৰ বিষয়ে আমি অৱগত নহয়। ১৭৯ ৱাকফ ইষ্টেটৰ তালিকা বিহীন অধিসুচনা খনৰ ওপৰত অসমৰ ভূমি অধিকৰ্তাই জৰীপ কৰাই দাখিল কৰিব লগা প্ৰতিবেদনে যে কোনো শুদ্ধ তথ্য উন্মোচন কৰিব নোৱাৰে সেই কথা ধুৰুপ। এনে ক্ষত্ৰত অসমৰ জনসাধৰণে কোনো দিনেই এই ৱাকফ সম্পত্তিসমূহৰ প্ৰকৃত মাটি কালি, আয় আৰু অন্য সকলো তথ্যৰ পৰা বঞ্চিত হৈ থাকিব। অশুদ্ধ হ'লেও বৰ্ডে দাখিল কৰা বিৰৰণৰ ওপৰতে আমি সকলোৰে সকলো সময়তে সন্তুষ্ট হৈ থকাতো সুস্থ গণতন্ত্ৰৰ এক পৰিপন্থী কাৰ্য্য বুলি সকলো সচেতন লোকে বিবেচনা কৰে। সদন কমিটিয়েও এইক্ষেত্ৰত কোনো শুদ্ধ তথ্য দিবলৈ চেষ্টা নকৰাতো দুৰ্ভাগ্যজনক। চৰকাৰে নিষ্ঠাৰে এই দায়িত্ব পালন কৰিব কেতিয়া?

**ৱাকফ সম্পত্তিসমূহৰ পৰিচালনা ঃ** ১৮৮৯ চনৰ পৰা ১৯৫৪ চনত ভাৰত চৰকাৰে ৱাকফ এক্ট প্ৰণয়ন কৰা সময়লৈকে অসমত প্ৰতিষ্ঠিত ৱাকফ সম্পত্তিসমূহ কি ধৰণেৰে পৰিচালনা কৰা হৈছিল সেই বিষয়ে আমি বিশেষভাৱে অৱগত নহও। ভাৰত বিভাজনৰ পাচত ১৯৫৪ চনত প্ৰথমবাৰৰ বাবে ৱাকফ

পৰিচালনাৰ বিভিন্ন দিশ সামৰি ভাৰত চৰকাৰে এখন আইন প্ৰণয়ন কৰে। কিন্তু এই আইনৰ কেইটামান ধাৰাৰ বিৰুদ্ধে ওজৰ আপত্তি অহাত ভাৰত চৰকাৰে ১৯৬৪, ১৯৬৯ আৰু ১৯৮৪ চনত এই আইন সংশোধন কৰে আৰু ১৯৯৫ চনত ১৯৫৪ আৰু পাছৰ সংশোধনী আইনসমূহৰ মূল বিষয়সমূহ লৈ এখন নতুন আইন The Waqf Act 1995 প্ৰণয়ন কৰে। ২০১৩ চনত এই আইনখন কেন্দ্ৰীয় চৰকাৰে পুনৰ কিছু সংশোধন কৰে।

প্ৰচলিত আইনত ৱাকফ সমূহৰ জৰীপ, কেন্দ্ৰীয়, ৱাকফ কাউন্‌চিল গঠন, ৱাকফ বৰ্ড গঠন, কৰ্তব্য আৰু দায়িত্ব, ৱাকফ ইষ্টেট সমূহৰ পঞ্জীয়ন. ৱাকফ সম্পত্তিসমূহৰ আয় ব্যয়ৰ ব্যৱস্থা, মুখ্য কাৰ্যবাহী বিষয়া আৰু মোতাৱলীৰ নিয়োগ কৰ্তব্য আৰু দায়িত্ব, বৰ্ডৰ অধ্যক্ষ সদস্য সকল আৰু মোতাৱলীক অপসাৰণ, বৰ্ডৰ ৰাজহ সংগ্ৰহ, বাজেট প্ৰস্তুতি আৰু আহৰণ কৰা ৰাজহৰ বিধিমত খৰচ, বৰ্ডৰ বিত্তীয় অ'ডিত মোতাৱলীয়ে বৰ্ডক বছৰৰ শেষত দাখিল কৰিবলগীয়া বাজেট আৰু যোৱাতো বছৰত হোৱা আয় আৰু ব্যয়ৰ প্ৰতিবেদন, ৱাকফ সম্পত্তিৰ আয়ৰ পৰা সাত শতাংশ বৰ্ডক দিব লগা অৰিহণা, ৱাকফ সম্পত্তিসমূহৰ পৰিদৰ্শন আৰু হিচাপ পৰীক্ষা, বৰ্ডে চৰকাৰক প্ৰতি বছৰে দিব লগা প্ৰতিবেদন, বৰ্ড আৰু ৱাকফ কাউন্সিলৰ, সম্পৰ্ক, ৱাকফ ত্ৰিবুনেল গঠন, বেদখল উচ্ছেদ, বিশেষ কাৰণত বৰ্ডৰ প্ৰশাসন চৰকাৰলৈ হস্তান্তৰ, ৱাকফ সংক্ৰান্তীয় আইনী ব্যৱস্থাকে মুখ্য কৰি অন্য সকলো দিশ সামৰি ৱাকফ সম্পত্তিসমূহ সুস্থ পৰিচালনাৰ নীতি নিয়মসমূহ নিৰ্ধাৰণ কৰি থোৱা আছে। ইয়াৰ উপৰি এটা ৱাকফ সম্পত্তি বৰ্ডে পোনপতীয়াকৈ কেনেকৈ পৰিচালনা কৰিব পাৰে সেই ব্যৱস্থাও আইনখনত আছে।

এটা ৱকাফ সম্পত্তি পৰিচালনাৰ মূল ব্যক্তি মোতাৱলী আৰু বিশেষ ক্ষেত্ৰত একোখন কমিটি। ৱাকফ নামাত উল্লেখ কৰা বিভিন্ন নিৰ্দেশনা সমূহৰ ওপৰত ভিত্তি কৰি মোতাৱলী/কমিটিয়ে ৱাকফ বৰ্ডৰ তত্বাব্যৱধনাত আৰু আইনত পৰিস্ফুত হৈ থকা সকলো নীতি নিৰ্দেশনা মানি এটা ৱাকফ সম্পত্তি পৰিচালনা কৰাতো বাধ্যতামূলক। কিন্তু ১৯৫৪ চনৰ ৱাকফ আইনৰ ভিত্তিত অসম চৰকাৰ ১৯৫৭ চনত স্থাপন কৰা অসম ৱাকফ বৰ্ড আৰু পাছত পাচ বছৰৰ অন্তৰে অন্তৰে গঠন হোৱা অসম ৱাকফ ৱাৰ্ডৰ প্ৰশাসনিক দুৰ্বলতা, ৱাকফ সম্পত্তি সমূহৰ সময়মতে নথি সংশোধন কৰাত বিফলতা, বেদখল উচ্ছেদৰ প্ৰতি অসম ৱাকফ বৰ্ডৰ নিস্ক্ৰিয়তা সৰহসংখ্যক মোতাৱলীৰ প্ৰশাসনিক দুৰ্বলতা, অনভিজ্ঞতা আৰু সন্দেহজনক ভূমিকা, মোতাৱলীৰ নিয়োগক কেন্দ্ৰ কৰি ৱাকিফৰ সতি-সন্ততিৰ মাজত কাজিয়া, বে আইনি ভাৱে ৱাকফ সম্পত্তি হস্তান্তৰ, লিজত লোৱা ৱাকফৰ মাটি পৰবৰ্ত্তী সময়ত ব্যক্তিগত সম্পত্তিলৈ ৰূপান্তৰ, ৱাকিফে দলিল যোগে ৰেজিষ্টাৰ কৰা ৱাকফ সম্পত্তি পৰবৰ্ত্তী সময়ত নিজেই বিক্ৰী কৰি দিয়া, বহু অহং স্বভাৱৰ মোতাৱলীয়ে বৰ্ডৰ লগত যোগাযোগ নৰখাৰ মানসিকতা, কিছু মোতাৱলীয়ে ৱাকফৰ মাটি নিজৰ নামত নামজাৰি কৰি লোৱা, ৱাকফৰ ভুমিৰ ৰায়তি স্বত্ত্ব লৈ মাটিৰ মালিক হোৱা ব্যক্তিৰ ওপৰত কোনো শাস্তিমূলক ব্যৱস্থা নোলোৱা, সৰহ সংখ্যক মোতাৱলীয়ে আইন মতে দাখিল কৰিব লগা আগন্তুক বছৰৰ বাজেট, আয়-ব্যয়ৰ প্ৰতিবেদন, বৰ্ডৰ দিব লগা অৰিহণা, বৰ্ডলৈ প্ৰেৰণ নকৰা, সময়মতে ৱাকফ বৰ্ডৰ পৰা ৱাকফ সম্পত্তিৰ পৰিদৰ্শন আৰু অডিত নকৰা, বৰ্ডৰ সদস্যসকলে নিষ্ঠাৰে কাম কৰাত ব্যৰ্থতা, ৰাজনীতিকৰ অসুভ প্ৰভাৱ, ৱাকফ সম্পত্তি আৰু বৰ্ডৰ প্ৰতি চৰকাৰৰ দায়িত্বহীন আচৰণ আৰু অমনোযোগিতা, বৰ্ডৰ কাৰ্য্যালয়ত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰে নন্‌ চেলেৰি শিতানত আগবঢ়োৱা অনুদান (চি চি এফৰ বাহিৰে) সময়মতে খৰচ নকৰা এজন পূৰ্ণকালীন দক্ষ মুখ্য কাৰ্যবাহী বিষয়া নিয়োগ কৰাত অনিহা, বহু ক্ষেত্ৰত

বৰ্ডৰ অধ্যক্ষ আৰু সদস্য সকলৰ মাজত বুজাবুজিৰ অভাবে সমস্যা সমাধানৰ ক্ষেত্ৰত আনি দিয়া জটিলতা, বৰ্ডৰ কাৰ্যালয়ৰ নিয়োগৰ ক্ষেত্ৰত সৰহ সংখ্যক কৰ্মচাৰীক বৰ্ডে ইচ্ছামতে নিয়োগ কৰা হেতুকে কৰ্ম সংস্কৃতিৰ কিছু অভাৱ পৰিলক্ষিত হোৱা, চৰকাৰৰ অনুমোদন নোহোৱাকৈ ১৩ লাখ টকাৰ এখনি এখনি বিলাসী গাড়ী বৰ্ডে ক্ৰয় কৰা, বৰ্ডে ১,৩৬৫ খন অসমৰ খাৰেজি আৰু হাফিজিয়া মাদ্ৰাছা সংশোধিত আইনৰ ৩৬ ধাৰাত পঞ্জীয়ন কৰি পৰৱৰ্ত্তী কাৰ্য্যপন্থা গ্ৰহণ কৰাত বৰ্ডৰ বিফলতা, এই মাদ্ৰাচা সমূহৰ পঞ্জীয়নৰ মাচুল হিচাপে বৰ্ডৰ পুঁজিলৈ অহা ৬ লাখতকৈও অধিক টকা প্ৰচলিত মানি খৰচ নকৰা, বৰ্ডৰ কাৰ্যালয় নিৰ্মাণৰ বাবে আধাৰশিলা স্থাপনৰ খৰচক কেন্দ্ৰ কৰি গুৱাহাটীৰ উচ্চ ন্যায়ালয়ত গোচৰ তৰা, সদন কমিটিক বৰ্ডে ভালেইখন ৱাকফ সম্পত্তিৰ কোনো সম্ভেদ দিব নোৱাৰা, ধুবুৰীৰ আৰিফুল্লা চৌধুৰী ৱাকফ সম্পত্তি আৰু গুৱাহাটীৰ অহিদুৰ ৰহমান ৱাকফ সম্পত্তিৰ দৰে কোটি টকা বছৰটোত উপাৰ্জন হোৱাৰ সম্ভাৱনা থকা সত্বেও বছৰ বছৰ ধৰি বৰ্ডে নিষ্ক্ৰিয়তা অৱলম্বন কৰা, বহু বছৰ ধৰি আদালতত চলি থকা গোচৰ মীমাংসা নোহোৱা, কোনো কোনো ক্ষেত্ৰত বৰ্ডৰ অধ্যক্ষজনে নিজে বৰ্ডৰ দায়িত্বৰ প্ৰতি আওকণীয়া মনোভাৱ গ্ৰহণ কৰি বৰ্ডৰ বিভিন্ন কাৰ্য্যৰ সমালোচনাত ব্যস্ত থকা আদি এশ এবুৰি সমস্যাই ৱাকফ সম্পত্তি সমূহৰ সুস্থভাৱে পৰিচালনা কৰাত প্ৰধান অন্তৰায় বুলি চিহ্নিত হৈ আহিছে।

১৯৫৪ চনৰ ৱাকফ আইনৰ আধাৰত ১৯৫৭ চনত গঠন হোৱা অসম ৱাকফ বৰ্ডৰ কাৰ্য্য পৰিচালনা, বৰ্ডৰ সদস্যৰ নিৰ্বাচন, কাৰ্যালয়ত বিষয়া আদি নিয়োগৰ তৎকালীন ভাৱে প্ৰয়োজন হোৱা Assam Waqf Rules আৰু Assasm Waqf Regulations প্ৰণয়ন কৰিবলৈ ৰাজ্যিক চৰকাৰক লাগিছিল ক্ৰমান্বয়ে ৪১ আৰু ৪৭ বছৰ। এই দুই কাৰ্যই ৰাজ্যিক চৰকাৰে নিষ্ঠাৰে কাম কৰাত কিমান আগ্ৰহি সেই কথাকে স্পষ্ট কৰি প্ৰমাণ কৰে।

**ৱাকফ সম্পত্তি সমূহৰ উপাৰ্জনৰ মূল্যায়ন আৰু অসম ৱাকফ বৰ্ড ঃ**

অসমত বৰ্তমান ১৭৯ টা ৱাকফ সম্পত্তিৰ পৰা প্ৰকৃততে এটা বছৰত কিমান আয় হয় বা হ'ব লাগে তাৰ প্ৰমাণিক তথ্য বৰ্ডৰ হাতত নাই। কাৰণ নীতিগতভাৱে মোতাৱলী নাইবা কমিটিসমূহে আয়-ব্যয়ৰ বছৰেকীয়া প্ৰতিবেদন বৰ্ডক দাখিল কৰিব লাগে যদিও সৰহ সংখ্যক মোতাৱলীয়ে কোনো প্ৰতিবেদন বৰ্ডক দাখিল নকৰাকৈ থাকে। ১৭৯ খন ৱাকফ ইষ্টেটৰ পৰা বৰ্ডে মাত্ৰ গঢ়ে ৪০ ৪৫ ৰ পৰাহে প্ৰতিবেদন লাভ কৰে। অন্যহাতেদি লিজত থকা নগৰীয়া ৱাকফ সম্পত্তিসমূহৰ ব্যৱসায়িক প্ৰতিষ্ঠান বিলাকৰ পৰাও লিজ-ৰেণ্ট নিৰ্ধাৰণ কৰাৰ কোনো নিৰ্দিষ্ট নিয়ম নোহোৱা হেতুকে তেনে প্ৰতিষ্ঠান বোৰৰ পৰা পাব লগা ৰাজহ মোতাৱলীয়ে নেপায়। ২০১৪ চনত কেন্দ্ৰীয় চৰকাৰে Waqf Properties Lease Rules প্ৰণয়ন কৰিছে যদিও অসমত এতিয়ালৈকে এই বিধি সম্পূৰ্ণৰূপে প্ৰযোজ্য হোৱা নাই। অসমত ৱাকফ সম্পত্তিৰ অন্তৰ্ভুক্ত কেইবা হাজাৰ বিঘা কৃষি ভূমিৰ পৰাও বৰ্ডৰ তহবিললৈ কোনো অৰিহণা নাহে— কাৰণ এই কৃষিভূমি ৱাকফ সম্পত্তিলৈ ৰূপান্তৰ কৰাৰ বহু বছৰত আগৰ পৰাই ৰায়তসকলে ভোগ-দখল কৰি আছিল। উদাহৰণ স্বৰূপে কাছাৰ জিলাত আব্দুল মুজিদ ৱাকফ সম্পত্তিৰ ৪০০০ বিঘা মাটি কেইবা শ পৰিয়ালে নাম মাত্ৰ খাজনা দি ৱাকফ স্থাপন কৰাৰ আগৰ পৰাই দখল কৰি আছে যদিও তেওঁলোক ২০১৪ চনৰ সংশোধিত ৱাকফ আইনমতে বেদখলকাৰী।

ওপৰত উল্লেখিত তথ্যৰ পৰা আমাৰ বুজাত অসুবিধা নহয় যে বহুসংখ্যক ৱাকফ সম্পত্তিৰ লগত অসম ৱাকফ বৰ্ডৰ কোনো প্ৰত্যক্ষ যোগাযোগ নাই আৰু তেনে ক্ষেত্ৰত ৱাকফ সম্পত্তি সমূহৰ প্ৰকৃত আয় বছৰত কিমান তাৰ সদুত্তৰ বৰ্ডৰ হাতত নথকাতোৱেই স্বাভাৱিক। এইখিনিতে কৈ থোৱা ভাল যে অসম ৱাকফ বৰ্ডৰ সকলো প্ৰশাসনিক খৰচ অসম চৰকাৰেহে বহন কৰে।

অসম বিধান সভাৰ অধ্যক্ষই ২০১৩ চনত ৱাকফ প্ৰশাসনত আৰম্ভ হোৱা হেজাৰ কোটি টকাৰ দুনীৰ্তিৰ

অভিযোগৰ সংক্ৰান্তত ৱাকফ সম্পত্তিসমূহৰ প্ৰকৃত আয় - মাহ /বছৰত কিমান সেই আয়, খৰচৰ মাপকাঠি কি আৰু সংশ্লিষ্ট বিষয়সমূহৰ তদন্তৰ কাৰণে গঠন কৰি দিয়া তদন্ত কমিটিয়েও ৱাকফ সম্পত্তি সমূহৰ আয়-ব্যয়ৰ ওপৰত প্ৰতিবেদনত কোনো কথা উল্লেখ নকৰাটো ৰহস্যজনক। এটা বিশেষ মুহুৰ্তত সদন কমিটিৰ অধ্যক্ষ গৰাকীক এই সম্পৰ্কে উনুকিয়াই দিয়াত তেখেতৰ উত্তৰ ৰাইজৰ ওচৰত সদৰি কৰিব পৰা বিধৰ নাছিল। মুঠৰ ওপৰতে ৱাকফ সম্পত্তিৰ আয় ব্যয়ৰ এক ধুসৰ প্ৰতিচ্ছবিৰ বাহিৰে আমাৰ সন্মুখত বৰ্তমান একোৱেই নাই।

**অসম ৱকাফ বৰ্ড ঃ**

১৯৫৭ চনত প্ৰথমে গঠন হোৱা অসম ৱাকফ বৰ্ডৰ প্ৰথম অধ্যক্ষ আছিল মাননীয় ফখৰুউদ্দিন আলি আহমেদ ডাঙৰীয়া। অধ্যক্ষকে মুখ্য কৰি অসম ৱাকফ বৰ্ডৰ সদস্য ৭ জন। ১৯৯৫ চনৰ নতুন ৱাকফ আইন আৰু ২০১৩ চনৰ সংশোধনীয়ে যথেষ্ট ক্ষমতা ৱাকফ বৰ্ডসমূহক প্ৰদান কৰিছে। কিন্তু বাস্তৱ ক্ষেত্ৰত ১৯৫৭ চনৰ পৰা ২০১৭ চনলৈ দীঘলীয়া যাত্ৰাত অসমৰ ৱাকফ সম্পত্তি সমূহৰ উন্নয়নত বৰ্ডৰ যোগাত্মক অৰিহণা কিমান, বৰ্ডৰ সভাৰ কাৰ্য ক্ৰমনিকা পৰীক্ষা কৰিলেই সহজে বুজিব পৰা যায়। ২০১২-২০১৭ চনৰ বাবে, গঠিত অসম ৱাকফ বৰ্ডৰ কাৰ্য্যকালত ৱাকফ সম্পত্তিসমূহৰ স্তুপিকৃত সমস্যাৰ এটাও সমাধান নোহোৱাতো সঁচাকৈয়ে দুৰ্ভাগ্যজনক।

অন্যহাতেদি অসম ৱাকফ বৰ্ডে ১৯৯৩-৯৪-২০১৭-১৮ত ভিতৰত অৰিহণা পোৱা ৩৫,৭৪,৫৫০.০০ৰ পৰা কিছু জনহিতকৰ কামো নকৰা নহয়। এইক্ষেত্ৰত এগৰাকী তালাক প্ৰাপ্ত মহিলাক মাহেকীয়া মাননি দিয়া, দুখীয়া ছাত্ৰ-ছাত্ৰীক জলপানি দিয়া, জাকাত সংগ্ৰহ কৰি নিঃস্বজনক বিতৰণ কৰা, কিছু সংখ্যক ছাত্ৰক মোবাইল ফোন মেৰামতিৰ প্ৰশিক্ষণ দিয়া ইত্যাদি। ভাৰতৰ অন্য ৰাজ্য হাৰিয়ান, পশ্চিম বংগ, কৰ্ণাটক, কেৰেলা, আদি বৰ্ডৰ তুলনাত অসমত জনহিতকৰ, ধৰ্মীয় আৰু পুণ্যৰ কাম চকুত লগাকে আয়ৰ তুলনাত নোহোৱাতো কোনো অস্বাভাৱিক কথা নহয়। হাৰিয়ানা ৱাকফ বৰ্ডে পোনপতীয়াকৈ ১৫০০০ ৱাকফ সম্পত্তি পৰিচালনা কৰে আৰু বৰ্ডৰ আয় বছৰেকীয়া প্ৰতিবেদন মতে প্ৰায় ৩৫ কোটি টকা। হাৰিয়ানা ৱাকফ বৰ্ডে এখন ইঞ্জিনিয়াৰিং কলেজ পৰিচালনা কৰে, জন্মু আৰু কাশ্মীৰ ৱাকফ বৰ্ডে এখন বিশ্ববিদ্যালয়ো পৰিচালনা কৰে বুলি বাতৰিত প্ৰকাশ। পশ্চিম বংগ ৱাকফ বৰ্ডে এখন আই টি আই আৰু অন্য ভালেখিনি দাতব্য অনুষ্ঠান পৰিচালনা কৰে। কেন্দ্ৰীয় ৱাকফ কাউন্সিলৰ ৰ পৰা তামিলনাডু, ৰাজস্থান, কণাটক, মধ্য প্ৰদেশ, কেৰেলা, ৱাকফ বৰ্ডে ঋণ লৈ ৱাকফ সম্পত্তিৰ ব্যৱসায়ীক উত্তৰণৰ যোগেদি জনহিতকৰ কামত নিজকে জড়িত কৰাৰ অলেখ উদাহৰণ আছে। কিন্তু অসম ৱাকফ বৰ্ডে আজি ৮ বছৰেও যোৰহাটৰ মহম্মদ চাহ ৱাকফ ইষ্টেটক, কেন্দ্ৰীয় ৱাকফ কাউন্সিলে অনুমোদন দিয়া ২৫ লাখ টকাৰ ঋণ মোকলাই অনাত সফল নহ'ল। নেচনেল ৱাকফ ডেভলপমেণ্ট কৰ্প'ৰেচন লিমিটেডৰ পৰাও ব'ৰ্ডে এতিয়ালৈকে কোনো সুবিধা আদায় কৰিব পৰা নাই।

**সামৰণি ঃ**

বৰ্তমান নিৰ্বাচিত সদস্য আৰু চৰকাৰৰ মনোনীত সদস্যৰে গঠিত বৰ্ডৰ কাৰ্য্যকাল যোৱা চেপ্তেম্বৰ মাহত অন্ত পৰাত মুখ্য কাৰ্যবাহী বিষয়া গৰাকীক বৰ্ডৰ দায়িত্ব দিয়া হৈছে যদিও চৰকাৰৰ এই সিদ্ধান্ত আইন বিৰোধী। তৎসত্বেও বিষয়া গৰাকীয়ে অৱশ্যে এক দৃঢ় পদক্ষেপ লৈ বিগত কালত বৰ্ডে সমাধা কৰিব নোৱাৰা বহু কাৰ্য্য সম্পাদন কৰিব পাৰে।

অসম ৱাকফ বৰ্ডৰ জড়তা ভাঙি জনকল্যাণমুখী এক সংস্থালৈ ৰূপান্তৰ কৰিব যায় যদিহে তলত উল্লেখ কৰা ব্যৱস্থা সমূহ চচ্ছ ভাৱে গ্ৰহণ কৰি সংশ্লিষ্ট কৰ্তৃপক্ষই প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰে -

(১) তৎকালীন ভাৱে বৰ্ডৰ সদস্যসকলৰ নিৰ্বাচন অনুষ্ঠিত কৰা আৰু নতুনকৈ গঠিত হ'ব লগা বৰ্ডত সমাজৰ প্ৰতি দায়বদ্ধতা থকা লোককহে চৰকাৰে বৰ্ডলৈ মনোনীত

কৰা। ৰাজনীতিৰ মেৰপাক আৰু ব্যক্তিগত স্বাৰ্থৰ পৰা আঁতৰত থাকি অধ্যক্ষকে মুখ্য কৰি সকলো সদস্যই নিষ্ঠা আৰু সতাতৰে কৰ্ত্তব্য পালন কৰা। অডিত অফিচাৰ আৰু পৰিদৰ্শক কেইগৰাকীক কাৰ্যালয়ৰ বিভিন্ন কামত ব্যস্ত ৰখাৰ পৰিবৰ্ত্তে তেওঁলোকৰ দায়িত্ব সমূহ পালন কৰাত অধিক গুৰুত্ব দিয়া।

(২) অতি সোনকালে ৱাকফ সম্পত্তিসমূহৰ আইনগতভাৱে জৰীপ আৰম্ভ কৰা আৰু নিৰ্দিষ্ট সময়ত শেষ কৰি গেজেটত প্ৰকাশ কৰা। এই ব্যৱস্থাৰ যোগেদি তথ্যৰ এক ভাণ্ডাৰ সকলোৰে প্ৰয়োজন হোৱাকৈ গঠন কৰাত সহায়ক হ'ব।

(৩) এজন দক্ষ আৰু পূৰ্ণকালীন মুখ্য কাৰ্যবাহী বিষয়া আৰু এজন অভিজ্ঞ অধীক্ষক (Supdt.) বৰ্ডত সোনকালে নিয়োগ কৰা।

(৪) The Assam Waqf Rules 1998 আৰু TheAssasm Waqf regulation 2004 সংশোধনী প্ৰস্তাৱ সমূহ চৰকাৰে সোনকালে অনুমোদন দি কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা কৰা। বৰ্ডত কাৰ্য্যালয়ত তৎকালীন ভাৱে প্ৰয়োজন হোৱা বিষয়া কৰ্মচাৰী, নিয়োগৰ ব্যৱস্থা কৰা। সদন কমিটিয়ে আগবঢ়োৱা পৰামৰ্শ সমূহ চালি জাৰি চাই কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত আগভাগ লোৱা।

(৫) The Waqf Properties Lease Rules 2014 ৰ সকলো বিধি নিয়াৰিকৈ প্ৰয়োগ কৰাৰ ব্যৱস্থা সৰলীকৰণ কৰি উপাৰ্জনক্ষম ৱাকফ সম্পত্তি সমূহ এই বিধিৰ আওতালৈ অনা।

(৬) ৰাজহৰ বিশেষ উৎস থকা কৃষি ভূমি সমূহকো চিনাক্ত কৰি লিজ বিধি কাৰ্যকৰী কৰাৰ ব্যৱস্থা কৰা।

(৭) মোতাৱলী সকলৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা আৰু ৱাকফ সম্পৰ্কীয় আইন বিধিসমূহ অসমীয়া-বঙালী ভাষালৈ ৰূপান্তৰ কৰাৰ ব্যৱস্থা কৰা।

(৮) অসম চৰকাৰে গুৰুত্ব সহকাৰে বৰ্ডৰ সকলো সমস্যা অনুধাবন কৰি তৎপৰতাৰে সমাধানৰ ব্যৱস্থা লোৱা। ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি তিনিজন সদস্যৰ ৱাকফ ত্ৰিবুনেল তৎকালীন ভাৱে গঠন কৰা।

৯) বৰ্ডৰ বিষয়া কৰ্মচাৰী সকলে সততা আৰু নিষ্ঠাৰে নিজৰ কৰ্তব্য পালন কৰি কৰ্ম সংস্কৃতিৰ পৰিচয় দাঙি ধৰা।

(১০) বৰাক উপত্যকাৰ ৱাকফ সম্পত্তিসমূহৰ তদাৰকী ব্যৱস্থা উন্নত কৰা। আব্দুল ৰহমান বৰলস্কৰ ৱাকফ সম্পত্তিৰ ২,৫০০ বিঘা মাটিৰ, অবৈধভাৱে চলাই থকা চাহ বাগানখন নতুনকৈ লীজত দিয়াৰ ব্যৱস্থা কৰা। বৰাক উপত্যাকাৰ ৱাকফ সম্পত্তি সমূহ সুস্থভাৱে পৰিচালনাৰ কাৰণে কাছাৰ জিলাৰ শিলচৰত বৰ্ডৰ এটা সৰু কাৰ্য্যালয় স্থাপন কৰা।

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ১৯৯৪ চনৰ এক ৰায় মতে অহিদুৰ ৰহমান ৱাকফ সম্পত্তিৰ মালিক অসম ৱাকফ বৰ্ড। বৰ্ডে বছৰত ২১ হাজৰকৈ টকা মাটিৰ খাজনা পৰিশোধ কৰি আছে। আদালতৰ গোচৰ আৰু অন্যান্য জটিলতাৰ অজুহাতত কোনো বিশেষ কাম কৰিব নিবিচৰা ৱাকফ বৰ্ডে বৰ্তমান পৰিস্থিতিত ব্যৱসায়িক প্ৰতিষ্ঠান সমূহৰ লগত অনতিপলমে লীজ এগ্ৰিমেন্ট স্বাক্ষৰ কৰা উচিত।

বিভিন্ন দিশৰ পৰা অহা নেতিবাচক হেচাকো আওকান কৰি বৰ্তমান মুখ্য কাৰ্যবাহী বিষয়া গৰাকীয়ে এই সম্পত্তি উদ্ধাৰ কৰাৰ যি প্ৰচেষ্টা হাতত লৈছে সেই প্ৰচেষ্টাক সকলোৱে আদৰণি জনাইছে। এই কাম সফল হ'লে, ৱাকিফ অহিদুৰ ৰহমানৰ সপোনৰ 'সজকাম'ৰ যোগেদি হাজাৰজনৰ মুখত হাঁহি বিৰিঙিব বুলি সকলোৱে আশা কৰিব পাৰে। কিন্তু এই কাৰ্য্যত নিজৰ স্বাৰ্থৰ কাৰণে বিধি পঠালি দিয়া লোকসকলৰ বেহু ভাঙি আগবাঢ়ি যোৱাত বৰ্ডৰ কাৰ্য্যালয়ৰ সকলো বিষয়া কৰ্মচাৰী, সাধাৰণ প্ৰশাসনৰ, জি এম চি আৰু ৰাইজৰ অকুণ্ঠ সহায়ৰ প্ৰয়োজন হ'ব। বৰ্ত্তমান বৰ্ডৰ তহবিলত এই ৱাকফ সম্পত্তিৰ পৰা লীজ ৰেণ্ট হিচাপে আহৰণ কৰি জমা ৰখা প্ৰায় ১৫ লাখ টকা জনহিতকৰ কামত সোনকালে খৰচ কৰাটো বাঞ্চনীয়।

ইয়াৰ উপৰিও আৰিফুল্লা চৌধুৰী ৱাকফ সম্পত্তিৰ ক্ষেত্ৰটো বিষয়া গৰাকীয়ে নতুন লীজ বিধিৰ দফাসমূহ প্ৰয়োগ কৰি হেপী কনভেণ্ট স্কুলৰ মালিককে প্ৰমুখ্য কৰি কোটিপটি ব্যৱসায়ী সকলক বৰ্ডৰ আওতালৈ আনি ৱাকফৰ বুৰঞ্জীত এক নতুন দিগন্তৰ সুচনা কৰিব বুলি সকলোৱে আশা ৰাখিছে। ইয়াৰ উপৰিও ব্যৱসায়িক প্ৰতিষ্ঠান থকা কাৰামতউল্লা ৱাকফ ইষ্টেট, বাক্কুৰ আলি ৱাকফ ইষ্টেট, চৈয়দ আনোৱাৰউদ্দিন ৱাকফ ইষ্টেট, আব্দুল ৰহমান বৰলস্কৰ ৱাকফ ইষ্টেট আদিতো লীজ বিধি প্ৰয়োগ কৰি সম্পত্তি সমূহৰ আয়ৰ পৰিসীমা বৃদ্ধিৰ যোগেদি বিষয়া গৰাকীয়ে মানৱ সম্পদ উন্নয়ন আৰু এখন গতিশীল সমাজ নিৰ্মাণত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।

গ্ৰন্থ পঞ্জী ঃ

1. Law of Waqfs-- S. A Kader
2. Law of Waqfs-- Akdas Ali. Mir
3. A History of Philon thropic Foundation - The Islamic world from the 7th century to the present by Murat Cizakca.
4. Recods mantained by Assam Board of Waqf
5. Internet.
6. পূণ্য ভূমি অসম আৰু ৱাকফ- আকদাচ আলি মীৰ
7. চাচাৰ কমিটিৰ প্ৰতিবেদন
8. ৱাকফ সম্পত্তি আৰু ৱাকফ ইষ্টেট একেটা অৰ্থত ব্যৱহাৰ কৰা হৈছে। ◆

---

**Copy**

**GOVERNMENT OF ASSAM**
**REVENUE (REFORMS) & DM DEPARTMENT**
**DISPUR, GUWAHATI-6**
**ORDERS BY GOVERNOR**
**NOTIFICATION**

Dated Dispur, the 25th January, 2016.

No. RRG.164/2015/13 : The Governor of Assam is pleased to appoint the Director of Land Records, Assam as the Ex-offico State Survey Commissioner of Waqf and the Additional Deputy Commissioner (Revenue) as Additional Survey Commissioner of Waqf for the district and the Revenue Circle Officer as Assistant Survey Commissioner of Waqf in their respective Revenue Circle to s urvey update and maintain district-wise records of all Waqf lands and estates.

Sd/- P.K. Tiwari, IAS
Commissioner & Secretary to the Govt. of Assam
Revenue & DM Department.

---

ওপৰৰ অধিসূচনাখনত ৱাকফ এক্ট ১৯৯৫ ৰ চাৰি নম্বৰ ধাৰা আৰু ডি আসাম ৱাকফ ৰুলচ্ ১৯৯৮ ৰ ৩ নং বিধিৰ কোনো উল্লেখ নাই । জৰীপৰ পাছত ৰাজ্যিক চৰকাৰৰ ওচৰত ৰাজ্যিক চাৰ্ভে কমিচনাৰে দাখিল কৰিব লগা প্ৰতিবেদনৰো, অধিসূচনাখনত কোনো উল্লেখ কৰা হোৱা নাই।

ফোন নং- ৭০০২১৯৯৬৭৬

# চিন্তনীয়

মাচুম আখা ৰহমান

হেৰি নহয়, মানে মই এটা কথা বহুত দিনৰ পৰাই ক'ম বুলি ভাবি আছিলোঁ, আজি আপোনাক লগ পালোঁ যেতিয়া কথাটো কওঁ দেই। তেখেতে ক'লে ও, কওঁকচোন কিনো কথা। মই ক'লোঁ মোৰ ছোৱালীজনীৰ এতিয়া বিয়াৰ বয়স হ'ল, 'ভাল ল'ৰা' এজন চাই দিব পাৰিব নেকি? কাৰণ আপোনাৰ লগত বহুত মানুহৰে চিনাকী আছে নহয় জানো?তেতিয়া তেওঁ ক'লে যে, অ' হয়, মোক হুছেইন চাৰেও কৈছিল তেওঁৰ ল'ৰাজনৰ বাবে এজনী 'ভাল ছোৱালী' চাই দিববলৈ। থিক আছে বাৰু , মই এই কথাটো গুৰুত্ব সহকাৰে ল'ম।

এয়াই হৈছে, আমাৰ আজিৰ সমাজৰ মানুহৰ কথা বতৰা। ইয়াত যে 'ভাল ল'ৰা' বা 'ভাল ছোৱালী বিচৰাৰ কথা কোৱা হৈছে সেইটো ভাল চৰিত্ৰৰেই কথা কোৱা হৈছে। কিন্তু আজি কালি ভাল চৰিত্ৰ কিমানৰ মাজত বিচাৰি পোৱা যায়? ধনৰ ধনীমানুহৰ ক্ষেত্ৰতহে এইটো প্ৰযোজ্য যেন লাগে। সেই পইছা লাগে অসৎ উপায়েৰেই আহৰণ নকৰক কিয়। ধনী, পইছা থকা মানুহ মাত্ৰই জানো সুখী! এতিয়া মানুহে যিকোনো উপায়েৰে সকলোঁ প্ৰকাৰৰ ভোগ-বিলাসৰ সা-সামগ্ৰী যোগাৰ কৰি লৈ দুনিয়াই জীৱনত ঠগ, প্ৰৱঞ্চনা আদি কৰি অমানুষিক ক্ৰিয়া-কলাপেৰে আধুনিক দুনিয়া তেনেই ছানি পেলাইছে। পৰকালৰ কথা অন্তৰৰ পৰা সমূলঞ্চে পাহৰি গৈছে। কিন্তু টকা-পইচাৰে মানুহ সম্পূৰ্ণ সুখী হ'ব পাৰে জানো? আগতে কৈ অহা 'ভাল'ৰ অৰ্থ হৈছে ভাল চৰিত্ৰ অৰ্জন। ই একেদিনাই হোৱা বস্তু নহয় , ভাল স্কুল, কলেজ, বিশ্ববিদ্যালয়ৰ পৰা ভাল'(Degree)' লৈ পাছ কৰিলেই ভাল ল'ৰা বা ভাল ছোৱালী বুলি ভাবিলে ভুল হ'ব। ভাল চৰিত্ৰ হ'ব লাগিলে এটা সুস্থ শৰীৰ সুস্থ মনৰ দৰকাৰ। থাকিব লাগিব সদায় সামাজিক দায়বদ্ধতা থকা সমাজ, ব্যক্তি, প্ৰতিৱেশীৰ ভাল-বেয়া, উচিত-অনুচিত, সৰু-ডাঙৰ চিনি লৈ তাক সেই ধৰণে আচৰণ কৰিব পাৰিব লাগিব। সৰু কালৰে পৰা মানৱীয় মূল্যবোধ থকাটো অতি প্ৰয়োজন।

চৰিত্ৰ গঠনত ইছলামৰ অৱদানৰ কথা কৈ শেষ কৰিব নোৱাৰি। মহান আল্লাহতা'লাই নিজেই কৈছে যে " তোমালোকৰ প্ৰত্যেকৰে বাবে নবী (ছ:)ৰ জীৱন আদৰ্শ স্বৰূপ।" ইছলাম' এটা পৰিপূৰ্ণ জীৱন ব্যৱস্থা (complete code of life)। তেখেতৰ মতে সমগ্ৰ মানৱ জাতি এক আদমৰ সন্তান। ধৈৰ্য্য, বিশ্বাস আৰু সহনশীলতা নৱী (ছ:) ৰ স্বভাব। যাক সকলো মানৱ জাতিকে অনুসৰণ কৰিববলৈ কোৱা হৈছে। কাৰণ "ধৈৰ্য্য ঈমানৰ অৰ্দ্ধেক।" যিটো আজিকালিৰ ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত অতি বিৰল। সকলো জাতি ধৰ্ম ভেদ কৰি সেৱা, সহায়, মৰম চেনেহ কৰিববলৈ নবী (ছ:) ৰ বাৰে বাৰে কৈ গৈছে। প্ৰাকৃতিক দুৰ্যোগৰ সময়ত কৰা সহায়, ওচৰ-চুবুৰীয়াক কৰা উপকাৰ হৈছে সৰ্বোৎকৃষ্ট। নবী (ছ:) এ কৈছে,"মুছলমান

নাৰী সকল, তোমালোকৰৰ ওচৰ চুবুৰীয়াই তোমালৈ যদি ভেড়াৰ ঠেঙৰ মাংসহীন অংশ এটাও উপহাৰ হিচাবে পঠিয়ায়, সেই উপহাৰক তুমি কেতিয়াও ঘৃণা বা উপেক্ষা নকৰিবা।"যিকি নহওঁক পৃথিৱীত ৰীতি, সমব্যথা আৰু পাৰস্পৰিক সহাৰি আৰু আদান প্ৰদান কৰা। আহাৰ গ্ৰহণৰ শুদ্ধ চুন্নতি পদ্ধতি দ্বাৰা আখিৰাতত মুনাফা লাভ কৰাৰ ভেটি গঢ়ি তুলিব পাৰি। হাদীছত আছে যে যদি " বিছমিল্লাহ" বুলি খাদ্য খোৱা হয় আৰু খোৱাৰ অন্তত "আলহামদুলিল্লাহ" বুলি শুকৰিয়া আদায় কৰে তেওঁ আল্লাহৰ ৰহমৰ হকদাৰ হৈ পৰে। হালাল খাদ্যৰ দ্বাৰা দিলত আল্লাহৰ নূৰ জন্মে, কিন্তু হাৰাম খাদ্যৰ দ্বাৰা বৰকত আৰু নূৰ লুপ্ত বয়।

পৰিস্কাৰ-পৰিচ্ছন্ন, পৰিপাটিকৈ কৰা কাম, কমকৈ কথা কোৱা, বেছিকৈ চিন্তা কৰা, সহজ-সৰল জীৱন, বিলাসিতা ত্যাগ কৰা কামবোৰ নবী কৰীম(ছ:)ৰ বৰ পছন্দৰ আছিল। "ইছলাম ধৰ্ম আৰু ভাল চৰিত্ৰ" এটা মুদ্ৰাৰে ইপিঠি-সিপিঠি। এই কথা জানে সকলোৱেই, কিন্তু মানি চলে কেইজনে? টকা -পইছা, সময় আৰু কথা-বতৰাৰ মিতব্যয়িতাই মানুহৰ মনলৈ শান্তি লাগিব "আনে। কম বয়সৰ পৰাই এই কথাৰ গুৰুত্ব বুজিব পাৰিব লাগিব। ইছলাম ধৰ্মৰ বুনিয়াদ হৈছে এক প্ৰগতিশাল চিন্তা, শান্তিকামী মনোভাৱ, জ্ঞান অন্বেষণ আৰু তীব্ৰ গোড়ামি বিৰোধী। জ্ঞান অৰ্জন কৰা প্ৰত্যেক নৰ-নাৰীৰ বাবে বাধ্যতামূলক। কাৰণ মহান আল্লাহৰ সৰ্বপ্ৰথম বাণী হ'ল- "পঢ়া আৰু জ্ঞানৰ চৰ্চা কৰা।" বিজ্ঞানময় "কুৰ্আন শ্বৰীফ"ৰ অৰ্থ বুজি সফল প্ৰয়োগ কৰি আমি আগবাঢ়ি যাব লাগিব। আধুনিক সমাজ ব্যৱস্থাৰ বিভিন্ন কিতাপ, আলোচনী আৰু ইলেকট্ৰ'নিক মিডিয়া, ইন্টাৰনেট, ওৱেবচাইটৰ মাজেৰে গুৰুত্বপূৰ্ণ তথ্য সংগ্ৰহ কৰি কামত লগাব বা আনকো নতুন নতুন আৱিস্কাৰৰ কথাৰে সমাজসেৱামূলক কামত খটুৱাব লাগিব। আল্লাহৰ প্ৰতিনিধিত্বৰ দায়িত্বক বুজাব পাৰিব লাগিব। নৱী কৰীম (ছ:) এ ইৰশ্বাদ কৰে"নামাজৰ পাছত চাৰিটা বিষয়ৰ বাবে আল্লাহতা'লাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰিবা।"

১-কবৰৰ আজাবৰ পৰা ৰক্ষা।

২ - দোজখৰ আজাবৰ পৰা ৰক্ষা।

৩-- পৃথিৱীৰ সকলো জীৱিত আৰু মৃত বস্তুৰ ক্ষতিকাৰক সংস্পৰ্শৰ পৰা ৰক্ষা।

৪--- দাজ্জালৰ ভয়াবহ ফিট্‌নাৰ পৰা ৰক্ষা পাবলৈ আল্লাহৰ পানাহ বিচৰা।

এই 'ফিট্‌না' শব্দৰ অৰ্থ হৈছে বিপৰ্যয় বা পৰীক্ষা। জীৱন যুদ্ধত দিনৰ প্ৰতি কোন কিমান নিষ্ঠাবান, কোন একেবাৰে নহয়, কোনে বিপদত আল্লাহৰ ওপৰত অবিচল থাকে আৰু কোনে ধৈৰ্য্য হেৰুৱাই পেলায়, তাৰে মূল্যংকন কৰা হয়। ফিট্‌না বিভিন্ন প্ৰচাৰৰ , হ'ব পাৰে ব্যক্তিগত, পাৰিবাৰিক, সামাজিক জীৱন, প্ৰাকৃতিক দুৰ্যোগৰ সময়, চৰিয়ত বিৰোধী কাম-কাজ, ধৰ্মীয় নিৰ্যাতনৰ সময় আদিত।

আজি কালি মুছলমান সমাজত চলা বিসদৃশ নাচ-গান, ল'ৰা-ছোৱালীৰ অবৈধ মিলা -মিছাক ইছলামে কেতিয়াও স্বীকৃতি দিয়া নাই। তাৰ সলনি পৰ্দা প্ৰথাকহে গুৰুত্ব আৰোপ কৰা হৈছে। ল'ৰা-ছোৱালীবোৰৰ নৈতিক চৰিত্ৰৰ যি পতন হ'বলৈ ধৰিছে, ই সমাজৰ কাৰণে মুঠেই হিতকাৰক নহয়। আজি কালি নাৰী শিক্ষাৰ নামত যি হৈ হুলস্থুল শুনা যায়, সেই কথা নবী (ছ:) এ ডেৰহাজাৰ বছৰৰ আগতেই গুৰুত্ব দি থৈ গৈছিল। মুহাম্মাদ (ছ:) এ কৈছিল, "যদি সন্তানক প্ৰকৃত মানুহ কৰিব বিচৰা হয়, তেতিয়াহ'লে সেই সন্তানৰ জন্মৰ ওঠৰ বছৰ আগেয়ে তাৰ মাকক শিক্ষিত কৰিব লাগিব।"

ইছলাম ধৰ্মত কোনো "বৃদ্ধাশ্ৰম" নাই, নাৰীসকলক 'মাতৃ জাতি'বুলি কোৱা হয়। পুৰুষক আদেশ কৰা হৈছে যে এই মাতৃ জাতিৰ ভাৰ কান্ধত লব

লাগিব। কাৰণ 'মাকৰ ভৰিৰ তলতহে সন্তানৰ বেহেস্ত।' ইছলামে সকলো কল্যাণ কাৰক কামবোৰ 'হালাল' আৰু অ-কল্যাণকামী কাম বোৰক 'হাৰাম' আখ্যা দিছে।

মানৱ জাতিৰ বাবে সকলোতকৈ ডাঙৰ আৰু স্পৰ্শকাতৰ বিষয়টো হৈছে ইজ্জৎ, আবৰু। কথা বতৰাত সদায় সংযমী হৈ চলিব লাগিব। ল'ৰা-ছোৱালী যিমানেই ভাল কাম নকৰক, সিহঁতে দিন-দুনিয়া আখিৰাতত পদে-পদে বিপৰ্য্যয় হোৱাটো নিচেই স্বাভাবিক। দোখজৰ দুবাৰডলি নিচেই ওচৰত হ'ব। কাৰণ মাক-বাপেকৰ সন্তুষ্টিয়েই হৈছে আল্লাহৰও সন্তুষ্টি। এনে ধৰণৰ শিক্ষা ঘৰতেই সৰুকালৰ পৰা দিব লাগিব। স্নেহৰ বান্ধোন সুলকি পৰিল দিন অতিবাহিত হোৱাৰ লগে লগে। ওখ ওখ অট্টালিকাই সমাজৰ সকলো বান্ধোনকে তচ্ নচ্ কৰি পেলালে। সৰুতে শুনা সেই মৌ-মিঠা মাতবোৰ অতীত হ'ল। আনৰ দুখত চকুলো বোৱা এতিয়া সাধু কথাৰ দৰে হ'ল। ককাইটি, বাইটি, পেহাটি-পেহীটি, জেঠাইটি, আমৈটিৰ সম্বোধনৰ সৰলতা মানুহে নিজেই পঙ্কিলতাৰে বুৰাই পেলালে এক শ্বাসৰুদ্ধকাৰী কষ্টকৰ পৰিবেশলৈ। পৰিবনে কেতিয়াবা ইয়াৰ অন্ত? সদায় খেপিয়াই ফুৰিব লাগে, বিশ্বাস ভাল পোৱাবোৰ। সকলো ফালেই কেৱল মানসিক দ্বন্দ্ব-বিদ্ৰোহৰ অগনিয়ে ধন গুলৈৰ দৰে খেদি ফুৰা দেখো। কিয় যে এটা সৰল, পোনবাট বিচাৰি ফুৰিলেও পাবলৈ টান হৈ পৰিছে। বোধহয় আমি আল্লাহৰ হবিব নবী (ছঃ) ৰ আদৰ্শবোৰ গুৰুত্ব সহকাৰে পালন নকৰাৰ বাবেই যেন ঘৰ, সমাজ, দেশত কেৰোণে বিন্ধি থকা -সৰকা কৰিছে। সময় বহুত পাৰ হৈ গ'ল। কাল বিলম্ব নকৰি এতিয়াও যদি এই কথাবোৰৰ গুৰুত্ব দিয়া হয়, তেতিয়াহ'লে আকৌ আমি ঘুৰাই পাম হৃত প্ৰতিপত্তি। ইয়াত নাই অকনো সন্দেহ। হেলা নকৰিব হে ইছলাম দৰদী বন্ধুসকল, সজাগ হওঁক, সচেতন হওঁক। আল্লাহৰ ভয় দিলত প্ৰতিষ্ঠিত কৰক আৰু কামিয়াবিৰ ফালে ধাবিত হওঁক। ◆

ফোন - ৯৯৫৪৩৮৮১৭৫

## কেতিয়া কাক চিনি

বজালেই কাঁহ পাত্ৰ ভগা-ভাল চিনি
সাক্ষী ক'লে চিনি লোক ক'ত দুৰ জ্ঞানী-
ভাল কৰি চিনি পায় বিবাহৰ পৰে
পিতা মাতাৰ প্ৰতি ভক্তি পুত্ৰই কেনে কৰে।
পুৰিলেই চিনি ভাল বেয়া ৰূপ সোণ
বিপদত চিনি মিত্ৰে কেনে কৰে গুণ।
কথা ক'লে চিনি লোক মূৰ্খ নে পণ্ডিত
সাধুক চিনি বা লেন-দেন কৰি বিত।
ব্যৱহাৰে চিনি যাৰ মনে আছে দয়া
পঢ়াৰ আৰম্ভণিতে চিনি ল'ব ভাল বেয়া।।

# বেক ভিউ মিৰ'ৰ আৰু চেৰামন জুম্মা মছজিদ

ড° ৰফিক আহমেদ



যাত্ৰা পথত চালকৰ আসনত বহাজনে মাজে-সময়ে পিছলৈ চোৱাৰ প্ৰয়োজন হয়। সেয়ে গাড়ীবিলাকত একোখন বেক ভিউ মিৰ'ৰ থাকে। বেক ভিউ মিৰ'ৰক আওকাণ কৰি চালকজনে অনবৰতে পিছলৈ চাই আগলৈ গতি কৰিলে দুৰ্ঘটনাত পতিত হোৱাটো খাটাং। বৰ্তমান ৰাষ্ট্ৰযন্ত্ৰত সাৰ-পানী যোগোৱা এটা গুৰু অংশই অনবৰতে পিছলৈ চাই আগলৈ গতি কৰা ব্যৱস্থাৰ পোষকতা কৰিছে। পিছলৈ নোচোৱাকৈয়ো থাকিব নোৱাৰি। কিয়নো দুৰ্ঘটনা ঘটাব পৰা বিপদ পিছফালৰ পৰাও আহিব পাৰে। কিন্তু পিছলৈ ঘূৰি চোৱা কথাটো মূলতঃ হ'ব লাগিব বেক ভিউ মিৰ'ৰৰ যোগেদি। ইয়াতেই ইতিহাস সম্বলিত জ্ঞানৰ প্ৰাসংগিকতা আছে। সমাজ জীৱনৰ যাত্ৰাত ইতিহাস হ'ল বেক ভিউ মিৰ'ৰ। এই দাপোনখনে আমাক অভিজ্ঞতাৰ শিক্ষা দিয়ে যাতে সেই শিক্ষাৰে আগন্তুক যাত্ৰা নিৰাপদ আৰু অধিক সুখকৰ কৰি তুলিব পাৰি। তেনে এটা প্ৰসংগকে ইয়াত দাঙি ধৰিব খুজিছোঁ।

কেৰালা প্ৰদেশৰ চৈধ্যখন জিলাৰ অন্যতম হ'ল ত্ৰিশূৰ। ইয়াতে আছে কাদুংগলুৰ নামেৰে এখন অখ্যাত বৰং প্ৰখ্যাত ঠাই। এই কাদুংগলুৰ নামটোৰ লগত জৰিত হৈ আছে চেৰামন জুম্মা মছজিদৰ নাম। ক'ৰবাত চেৰামন পেৰুমল জুম্মা মছজিদ বুলিও পোৱা যায়। চেৰামন জুম্মা মছজিদৰ লগত কেৰালাৰে কাছাৰাগৰ জিলাৰ থেলাংগাৰা নামৰ আন এখন ঠাইও জৰিত হৈ আছে। এই কাছাৰাগৰতে আছে মালিক ডিনাৰ নামৰ ইছলাম ধৰ্ম প্ৰচাৰকৰ মাজাৰ (কবৰ) আৰু তেওঁৰ নামত সজা মছজিদটো। কথিত আছে মালিক ডিনাৰ কাবুলত বসবাস কৰা পাৰস্যৰ এজন দাসৰ সন্তান আছিল। কালক্ৰমত তেওঁ হাছান অল বছ্ৰি নামৰ ইছলাম ধৰ্মৰ সন্তজনৰ



সান্নিধ্যলৈ আহি তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰে আৰু পৰৱৰ্তী কালত ইছলাম ধৰ্ম প্ৰচাৰৰ কামত মনোনিৱেশ কৰে। মালিক ডিনাৰৰ উদ্যোগতে চেৰামন জুম্মা মছজিদটো সজা হৈছিল। প্ৰাপ্ত তথ্য অনুসৰি ৬২৯ খ্ৰীষ্টাব্দত নিৰ্মাণ কৰা এই মছজিদটোৱেই আছিল ভাৰত ভূমিত মুছলমানৰ প্ৰথমটো মছজিদ আৰু বিশ্বৰ প্ৰাচীন মছজিদবিলাকৰ ভিতৰত এটা। সেই সময়ত স্বয়ং হজৰত মহম্মদ জীয়াই আছিল। কথিত আছে যে চেৰামন পেৰুমল আছিল তেতিয়াৰ মালবাৰ অঞ্চলৰ এজন ৰজা। আৰব ব্যৱসায়ীৰ মুখে হজৰত মহম্মদৰ গুণ-গান শুনি লগ পাবলৈ বুলি মদিনালৈ গৈ ইছলাম ধৰ্ম গ্ৰহণ কৰে। ঘূৰি অহাৰ পথত তেওঁৰ মৃত্যু হয়। মৃত্যুৰ পূৰ্বে লগত অহা ইছলাম ধৰ্মৰ প্ৰচাৰক দলৰ দলপতি মালিক দিনাৰৰ হাতত কেৰালাৰ ৰজালৈ বুলি এখনি ইচ্ছা পত্ৰ দি পঠায়। এই ইচ্ছাপত্ৰ অনুসৰি মালিক ডিনাৰৰ দায়িত্বত চেৰামন জুম্মা মছজিদটো নিৰ্মাণ কৰা হয়। মছজিদটো থকা ঠাইডোখৰৰ নাম এতিয়া চেৰামন-মালিক নগৰ।

বহুতে ভাবে ভাৰতত ইছলাম ধৰ্মৰ বিস্তাৰ ঘটিছিল তৰোৱালৰ আগত। কিন্তু ইতিহাসে কয় সপ্তম শতিকাৰ প্ৰথম ভাগতেই দক্ষিণ ভাৰতৰ মালৱাৰ অঞ্চলত ইছলামৰ প্ৰৱেশ ঘটিছিল এক সাংস্কৃতিকী সমন্বয়পূৰ্ণ যাত্ৰাৰে। তাৰ প্ৰায় চাৰিশ বছৰৰ পাছতহে মুছলমান আক্ৰমণকাৰীসকলৰ সমসাময়িকভাৱে উত্তৰ ভাৰতত ইছলামৰ প্ৰৱেশ ঘটিছিল। কিন্তু পাঠ্যক্ৰমত ভাৰতত মুছলমানসকলৰ ইতিহাস পঢ়োঁতে বাৰশ শতিকাৰ পাছৰ ইতিহাসৰ কথাহে পঢ়িবলৈ পাওঁ। ভাৰতত হিন্দু-মুছলমানৰ সমন্বয় আৰু সংঘাত, সংস্কৃতি আৰু সংমিশ্ৰণৰ আলোচনাত এই বাৰশ শতিকাৰ পাছৰ উত্তৰ ভাৰতৰ ইতিহাসেহে সততে ঠাই পোৱা দেখা যায়। অতি সম্প্ৰতি ৰাজনৈতিক ৰান্ধনি ঘৰত ভুলে শুদ্ধই ৰন্ধা হিন্দু-মুছলমানৰ সমন্বয় আৰু সংঘাতৰ প্ৰসংগই আকাশ-বতাহ গৰম কৰি ৰাখিছে। দক্ষিণ ভাৰতত সপ্তম শতিকাতে শান্তিপূৰ্ণ পথেৰে ইছলামৰ প্ৰৱেশ কৰা কথাটো এই গৰম বতাহৰ প্ৰকোপত তল পৰি ৰয়।

মধ্য প্ৰাচ্য দেশসমূহৰ লগত মালৱাৰ অঞ্চলৰ সুবিধাজনক সাগৰীয় পথ আছিল। সেই পথৰ সুবিধা লৈ দুয়োটা অঞ্চলৰ মাজত প্ৰাচীন কালৰ পৰাই বেহাবেপাৰ চলিছিল। এই বেহা-বেপাৰত দুয়োটা পক্ষই লাভবান হৈছিল। আৰবীয় সামগ্ৰীৰে স্থানীয় ৰজা-প্ৰজা উপকৃত হৈছিল, ৰজাই কৰ-কাটল লাভ কৰিছিল আৰু বণিকসকলে আহৰণ কৰিছিল মুনাফা। নিজ দেশৰ পৰা অনা বয়বস্তু বিক্ৰী কৰি তাত নোপোৱা দুই-চাৰিপদ সামগ্ৰী এই অঞ্চলটোৰ পৰা লৈ গৈছিল। এই বাণিজ্যিক সম্পৰ্কৰ সুবিধা লৈ ইছলাম ধৰ্মই পৰৱৰ্তী কালত সহজেই মালৱাৰ অঞ্চলত বিস্তাৰ লাভ কৰিছিল। এই বিস্তাৰত সংঘাতৰ পৰিবৰ্তে সমন্বয়হে আছিল বেছি। আনকি সেই



অঞ্চলৰ ৰজাই মুছলমান বণিকসকলৰ বাবে মছজিদ সজাই দিছিল। মালৱাৰ অঞ্চলৰ মাপিলাসকলেই হ'ল ভাৰতত ইছলাম গ্ৰহণ কৰা প্ৰথমটো সম্প্ৰদায়।

কালিকটত এটা জুম্মা মছজিদ আছে। পূৰ্বে ই আছিল হিন্দুসকলে উপাসনা কৰা এটা মন্দিৰ। আৰবৰ মুছলমান বণিকসকলৰ লগত গঢ়ি উঠা সদ্‌ভাবৰ বাবে ৰজা জামৰিনে এই মন্দিৰটো মুছলমানসকলক মছজিদ হিচাপে ব্যৱহাৰ কৰিবলৈ উপহাৰ দিছিল । উল্লেখ্য যে মুছলমানসকলৰ প্ৰতি ৰজা জামৰিণৰ সদ্‌ভাৱ ইমানেই বেছি আছিল যে তেওঁৰ নৌবাহিনীৰ বহুতো বিষয়া আৰু নাবিক আছিল আৰব মূলৰ মুছলমান। ইয়াৰ সমৰ মূৰব্বীজন আছিল কুঞ্জলী মাৰিক্কৰ নামৰ এজন মুছলমান বীৰ যোদ্ধা। ইফালে পৰ্তুগীজসকলে মালৱাৰ উপকূলত খোপনি পুতিবলৈ অহৰহ চেষ্টা চলাই আছিল। কিন্তু কুঞ্জলী মাৰিক্কৰৰ নেতৃত্বত থকা নৌবাহিনীৰ সমুখত তিষ্ঠিব নোৱাৰি পৰ্তুগীজসকলে বাৰে বাৰে পৰাজয় বৰণ কৰিবলগীয়া হৈছিল। উক্ত জুম্মা মছজিদত কোনো এটা শুকুৰবাৰে কুঞ্জলী মাৰিক্কৰে আন আন যোদ্ধাসহ নামাজত থকাৰ সুযোগ লৈ পৰ্তুগীজসকলে আক্ৰমণ চলালে। এই কথা গম পাই ৰজা জামৰিণে নায়াৰ সম্প্ৰদায়ৰ প্ৰায় তিনিশ সৈনিক পৰ্তুগীজৰ বিৰুদ্ধে যুঁজিবলৈ পঠালে। সৈনিকসকলে পৰ্তুগীজ আক্ৰমণকাৰীক আগভেটা দিলে যাতে মুছলমানসকলে সুকলমে নামাজ শেষ কৰিব পাৰে। বহু সৈনিকে পৰাক্ৰমেৰে যুঁজি প্ৰাণ আহুতি দিলে, বহু সৈনিক জীৱনলৈ ঘূণীয়া হ'ল, তথাপিও তেওঁলোকে পৰ্তুগীজসকলক বাট এৰি নিদিলে। নামাজৰ পাছত মুছলমানসকলো যুঁজত অৱতীৰ্ণ হয়। শেষত প্ৰায় সকলো পৰ্তুগীজ সেনা নিপাত হয় ।

চেৰামন জুম্মা মছজিদ নিৰ্মাণ কৰাৰ ১৪০ বছৰৰ পাছত মীৰ কাছিমে ভাৰত আক্ৰমণ কৰিছিল। আক্ৰমণ কৰিছিল ধন-সোণ লুটি নি বাগদাদ চহৰক জাকত জিলিকা কৰি তুলিবলৈ, ভাৰতত ইছলাম ধৰ্ম বিস্তাৰ কৰিবলৈ নহয়। কিন্তু সেই সময়লৈ ভাৰতৰ মুঠ জনসংখ্যাৰ ৬ শতাংশই ইছলাম ধৰ্ম আদৰি লৈছিল। যদি উত্তৰ ভাৰতত মুছলমান আক্ৰমণকাৰীৰ প্ৰৱেশ নাথাকিলেহেঁতেন, তেতিয়াও আজিৰটো তাৰিখত এক বুজন সংখ্যক মুছলমান ভাৰতত থাকিলহেঁতেন আৰু শেষত গৈ - 'হাথ মে লুংগী, মুহ মেঁ পান, ভাগৌ মোল্লা পাকিস্তান' এই শ্ল'গানৰ সমুখ হ'বলগা নহ'লহেঁতেন। লগতে নাথাকিলেহেঁতেন আজি একাংশ সংগঠন আৰু দলে ৰন্ধা ৰাজনৈতিক জোলত মিহলোৱা দেই পুৰি মৰা মছলাবোৰ।

মুছলমান লোকৰ জীৱনত পালন কৰিবলগীয়া কৰ্তব্য হ'ল কলিমা, নামাজ ৰোজা, জাকাত আৰু হজ। সেয়ে সম্বল থকাজনে হজ যাত্ৰালৈ যোৱাৰ মানস কৰে। চৌদি আৰবে ভাৰতৰ বাবে বছৰি একলাখ সত্তৰ হাজাৰ

হজযাত্ৰীৰ সীমা বান্ধি দিছে। এতিয়া প্ৰশ্ন হ'ল এই হজ যাত্ৰীসকলৰ কিমানে বাৰু চেৰামন মছজিদ কিম্বা মালিক ডিনাৰ মছজিদৰ কথা জানে? জনাসকলেৰ কিমানে বাৰু এই নিমিত্তবোৰত গুৰুত্ব প্ৰদান কৰে। এয়া নিমিত্ত হ'লেও গুৰুত্ব অপৰিসীম। মক্কা-মদিনালৈ পোনে পোনে ঢাপলি মেলাসকলৰ বাৰু মন নাযায়নে এবাৰ চেৰামন মছজিদলৈ যাবলৈ? মন নাযায়নে মালিক ডিনাৰৰ নামত থকা মছজিদটো বা তেখেতৰ মাজাৰত আশীস বিচাৰিবলৈ? মন যোৱা নোযোৱাৰ এই কথাটো খুচৰি চাবলৈকে কেৰালা চৰকাৰৰ পৰ্যটন বিভাগৰ তথ্য ভাণ্ডাৰত প্ৰৱেশ কৰিছিলো। দেখিলো ২০১৩-১৪ আৰু ২০১৪-১৫ চনত বিদেশী পৰ্যটকৰ সংখ্যাৰ দিশৰ পৰা ত্ৰিশূৰ জিলাৰ স্থান আছিল ৰাজ্যখনৰ চৈধ্যখন জিলাৰ ভিতৰত একাদশত। আনহাতে দেশীয় পৰ্যটকৰ সংখ্যাৰ দিশৰ পৰা এই স্থান দ্বিতীয়। উত্তৰ ভাৰত আৰু উত্তৰ পূব ভাৰতৰ ৰাজ্যৰ পৰা কেৰালালৈ যোৱা পৰ্যটকৰ সংখ্যা চকুত লগা বিধৰ নহয়। অসমৰ পৰা বছৰি মাথোঁ আঠ হেজাৰৰ আশে পাশে। পৰ্যটন উদ্যোগে ত্ৰিশূৰ জিলাৰ প্ৰধান যি বিশটা স্থান চিনাক্ত কৰিছে তাত কাদুংগলুৰ কিম্বা চেৰামন মছজিদৰ নাম-গোন্ধ নাই ।

কিয় কৈছোঁ চেৰামন মছজিদ আৰু মালিক ডিনাৰ মছজিদলৈ যোৱাৰ কথা? অতি সম্প্ৰতি ভাৰতত জাতীয়তা তথা সংস্কৃতিৰ প্ৰসংগত হিন্দু-মুছলমানৰ সমন্বয় আৰু সংঘাতৰ যিবোৰ কথাই প্ৰচাৰ মাধ্যমৰ বতাহ গৰম কৰি আছে তাত নাই দক্ষিণ ভাৰতৰ ইছলামৰ বহু পুৰণি সাংস্কৃতিকী সমন্বয়পূৰ্ণ যাত্ৰাৰ কথা। বৰ্তমান হিন্দু-মুছলমান সংঘাত আৰু সমন্বয়ৰ যি চিত্ৰ বাতৰি কাকত বা দূৰদৰ্শনত অহৰহ প্ৰকাশ পাই আহিছে সেয়া এক খণ্ডিত চিত্ৰহে; ইয়াত সমগ্ৰ ভাৰতৰ পূৰ্ণাংগতা নাই। চেৰামন মছজিদ বা মালিক ডিনাৰ মছজিদলৈ ভ্ৰমণ কৰা কথাটোৱে হিন্দু আৰু মুছলমানৰ সমন্বয় আৰু সংস্কৃতিৰ আন কিছুমান নতুন দিশ মুকলি কৰিব পাৰে। লগতে এই ভ্ৰমণে চেৰামন জুম্মা মছজিদ আৰু মালিক ডিনাৰ মছজিদৰ এক ঐতিহাসিক স্বীকৃতি প্ৰদান কৰিব। ভাৰতলৈ যে ইছলাম এক ঘৃণাৰ পথেৰে প্ৰৱেশ কৰা নাছিল সেই কথাৰ বহুল প্ৰচাৰ ঘটাব। ভুল ধাৰণাবোৰৰ কিছু শুধৰণি হ'ব। এনেবোৰ কথাতে আছে ইতিহাস নামৰ বেক ভিউ মিৰ'ৰখনৰ গুৰুত্ব। এই মিৰ'ৰখন গুচাই নেপেলাব বা কলুষতাৰ আচ্ছাদনেৰে ঢাকি নেপেলাব। দেওবন্দী একঘেয়ামীৰ পৰা মুক্ত হৈ দক্ষিণলৈ কিছু দৃষ্টি নিক্ষেপ কৰোঁ আহক। ◆

**ভ্ৰাম্যভাষ ঃ** ৯৬৭৮৬৭৫১১৭,
(rofiqueahmed@gmail.com)

সফল মানুহ হোৱাতকৈ গুণী মানুহ হবলৈ চেষ্টা বেছিকৈ কৰা ভাল --------- এলবাৰ্ট আইনষ্টাইন

কিতাপ নথকা ঘৰ আত্মা নোহোৱা শৰীৰৰ দৰে -------- জৰ্জ বাৰ্নাৰ্ড শ্ব'

"দুখবোৰ মেঘাচ্ছন্ন আকাশৰ নিচিনা। বৰষুণৰ পিছত যিদৰে আকাশ ফৰকাল হয়, চকুপানী নিগৰালেও মনৰ দুখ আঁতৰ হয়।"

ৰিভাৰ'ল

# জাকাত -ফিতৰা দিয়াৰ পিছতো ভিক্ষাৰী নকমে কিয়?

ছফিকুল ইছলাম

আমাৰ সম্প্ৰদায়টোৰ প্ৰতি অমুছলিম ভাই সকলৰ বিভিন্ন অভিযোগৰ এটা অন্যতম অভিযোগ হ'ল আমাৰ মাজত ভিক্ষাৰী বেছি। কনা-লেঙেৰা-বিধবা ইত্যাদি যেন সকলো আমাৰ মুছলিম সম্প্ৰদায়টোৰ মাজতেই আল্লাহ তাআলাই ঢালি দিছে। বাছ আস্থানত, মছজিদৰ সন্মুখত, বজাৰত সকলোতে প্ৰায় ৯০ শতাংশ ভিক্ষাৰী হ'ল মুছলিম। ধৰ্মীয় উৎসৱ আদিতো কথাই নাই। সেয়ে অমুছলিম ভাই সকলৰ উক্ত অভিযোগ আমি নাকচ কৰিব নোৱাৰো। তেওঁলোকৰ এই অভিযোগ স্বীকাৰ কৰি লৈ আমি বিচাৰ-বিশ্লেষণ কৰাৰ প্ৰয়োজন হৈছে যে আমাৰ মাজত ভিক্ষাৰীৰ সংখ্যা কিয় ইমান বেছি? কণা-লেঙেৰা কেৱল আমাৰ সম্প্ৰদায়ৰ মাজতেই আছে নে বেলেগ সম্প্ৰদায়ৰ মাজতো আছে? দূৰ্ঘটনা হৈ বা বেমাৰ আজাৰ হৈ হাত-ভৰি অচল হোৱা মানুহ আমাৰ লগতে বেলেগ সম্প্ৰদায়ৰ মাজতো আছে। কিন্তু আমাৰ সম্প্ৰদায়ৰ কণা, লেঙেৰা, ভিক্ষাৰী কিয় অধিক দেখিবলৈ পোৱা যায়? সকলো সম্প্ৰদায়ৰ মাজতে কাৰোবাৰ স্বামীৰ মৃত্যু হয়। কিন্তু বিধবা কেৱল যেন মুছলিম মহিলাৰ মাজতহে দেখিবলৈ পোৱা যায়। ইয়াৰ কাৰণ কি?

উল্লেখ্য যে আমাৰ মুছলিম লোকসকলে সদায় দান-দক্ষিণা কৰে, উৎসৱ আহিলেই গৰীৱ-দুখীয়াক টকা দিয়াৰ বিধান আছে। ধনী সকলে বছৰেকৰ মূৰত ৰাহি হোৱা ধন-সম্পত্তিৰ এটা অংশ গৰীৱ-দুখীয়াক দিব লাগে। যাক জাকাত কোৱা হয়। ধনবান মুছলিম সকলে এই জাকাত বছৰি বছৰি প্ৰদান কৰি আহিছে। তথাপিও গৰীৱ-দুখীয়া কিয় কমা নাই? এনেহেন লাগে যেন বছৰি বছৰি ভিক্ষাৰী বা দুখীয়া লোকৰ সংখ্যা বৃদ্ধিহে হৈছে। ৰমজান মাহ আহিলেই দেখিবলৈ পোৱা যায় আমাৰ সম্প্ৰদায়টোৰ মাজত থকা গৰীৱ-দুখীয়া-বিধবাৰ সংখ্যা। যতেই যোৱা যায় তাতেই ভিক্ষাৰী।

মুছলিম সম্প্ৰদায়টোৰ মানুহে অইন ধৰ্মৰ লোকৰ তুলনাত দান-দক্ষিণা বেছি কৰাৰ ফলত এই দান-দক্ষিণা লোৱাৰ বাবে মানুহ আহে। ফলত ভিক্ষাৰীৰ এই প্ৰতিচ্ছবিটো দৃষ্টিগোচৰ হয়। প্ৰকৃততে আমাৰ মানুহে দান-দক্ষিণা কৰা হিচাপে ভিক্ষাৰী বা গৰীৱ -দুখীয়াৰ সংখ্যা কমিবহে লাগিছিল। কিন্তু সেইটো নহৈ বৃদ্ধিহে হৈছে। আমাৰ সম্প্ৰদায়ৰ ধনী লোকসকলে জাকাত দিয়ে, ৰমজান মাহত ফিতৰা দিয়ে, কোৰবাণীৰ চামৰাৰ টকা সম্পূৰ্ণ বিতৰণ কৰে। এইবোৰ টকা দান নহয় বা কাৰো ইচ্ছাৰ ওপৰত নহয়। এয়া ইছলামৰ হুকুম। মুছলিম সকলে এইবোৰ টকা গৰীৱ-দুখীয়াক দিয়াটো বাধ্যতামূলক। ইয়াৰোপৰিও গৰীৱ-দুখীয়া, এতিম, বিধবাক সহায়ৰ হাত আগবঢ়াবলৈ ধনী লোকসকলক কোৰআন আৰু হাদীছত বাৰে বাৰে তাগিদা দিয়া হৈছে, উৎসাহ দিয়া হৈছে। সেয়ে প্ৰায় লোকেই আল্লাহৰ এই নিৰ্দেশ মানি দান-দক্ষিণা কৰি থাকে। ফৰজ দান-দক্ষিণাৰ

ওপৰিও পূণ্যৰ আশাত ইচ্ছাকৃত ভাবেও বিভিন্ন সময়ত অন্তৰ খুলি দান আগবঢ়াই আহিছে আমাৰ সম্প্ৰদায়ৰ লোক সকলে। ইমানৰ পিছতো আমাৰ মাজত প্ৰতিবছৰেই ভিক্ষাৰীৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাইয়েই আছে।

সেয়ে এই বিষয়টো বিতংভাৱে বিচাৰ-বিশ্লেষণ কৰি সমাধানৰ পথ বাহিৰ কৰি উলিওৱাটো আমাৰ দায়িত্ব বুলি ভাবো।

জাকাত-ফিতৰা, দান-দক্ষিণা কৰাৰ পিছতো ভিক্ষাৰীৰ সংখ্যা বৃদ্ধি পাই থকাৰ মুখ্য কাৰণ হিচাপে ইয়াৰ ত্ৰুটিপূৰ্ণ বিতৰণ ব্যৱস্থাকে মূল কাৰণ বুলি আমি ভাবো। জাকাত-ফিতৰা সঠিকভাৱে বিতৰণ নকৰাৰ বাবেই আজি সমাজত যধে-মধে ভিক্ষাৰীৰ উপস্থিতি দৃষ্টিগোচৰ হৈছে। জাকাত, ফিতৰা সমষ্টিগতভাৱে সংগ্ৰহ আৰু বিতৰণৰ যি ব্যৱস্থা ইছলামত আছে সেই ব্যৱস্থা আজি আমাৰ সমাজত মানি চলা নাই। ইয়াৰ পৰিৱৰ্তে ব্যক্তিগতভাৱে জাকাত-ফিতৰা প্ৰদান কৰা হৈছে। ফলত এই সমস্যাই দেখা দিছে। আজি বহুতেই জাকাতৰ টকাৰে শাৰী, লুংগী বা আন বস্তু কিনি ঘৰত জাকাতৰ মালিক হৈ বহি ৰমজানৰ কোনো এটা দিনত ভিক্ষাৰী বা বিধবা এতিমক খবৰ দিয়ে। সেই নিৰ্দিষ্ট দিনটোত ভিক্ষাৰীৰ লগতে ভাল মানুহেও ভিক্ষাৰীৰ বেশ ধৰি সেই জাকাত সংগ্ৰহ কৰে। এনে পদ্ধতিত জাকাতৰ টকা মালিকৰ পৰা আদায় হৈছে ঠিকেই কিন্তু জাকাতৰ জৰিয়তে গৰীৱ-দুখীয়া দূৰ কৰাৰ যি মহান উদ্দেশ্য আছিল সেয়া আদায় হোৱা নাই। ধৰি ল'লো ২০ জন ধনী মানুহে তেওঁলোকৰ জাকাতৰ টকাৰে কাপোৰ কিনি বিলাই দিলে। সেই অঞ্চলৰ গৰীৱ-দুখীয়াৰ লগতে বহু সচল মানুহেও সেই কাপোৰ ল'লে। ফলত দেখা যায় বহু ভিক্ষাৰীয়ে কেইবাখনো শাৰী বা লুংগী লাভ কৰিলে। প্ৰকৃততে ইমান শাৰী বা লুংগীৰ তেওঁৰ প্ৰয়োজন নাই। ফলত সেই শাৰী বা লুংগী আকৌ বেচেৰা সকলে দোকানত বিক্ৰী কৰিব লগা হয়। বছৰ বছৰ ধৰি ৰমজান মাহত এনেদৰেই জাকাত-ফিতৰাৰ টকা বিতৰণ কৰি অহা হৈছে। এখন শাৰী লুংগী বা কিছু টকা পোৱা লোক সকলে আকৌ পিছৰ বছৰত আহি সেই ঘৰত হাজিৰ হয় জাকাতৰ বাবে। কিন্তু ইয়াৰ পৰিৱৰ্তে যদি জাকাতৰ সেই মালিক সকলে কেইবাজনৰ জাকাতৰ টকা একেলগ কৰি বা কোনো সমিতি গঠন কৰি নিজৰ নিজৰ এলেকাৰ প্ৰকৃত হিতাধিকাৰীক বাছনি কৰি তেওঁলোকক সংস্থাপন বা জীৱিকা অৰ্জনৰ বাবে সেই জাকাতৰ ধনেৰে কিবা উপাৰ্জনৰ ব্যৱস্থা কৰি দিয়ে তেন্তে সেইসকলে অৱশ্যেই পিছৰবাৰ জাকাত ল'বলৈ নাহে। ঠেলা-ৰিক্সা, দোকান, পোহনীয়া জন্তু, চিলাই মেচিন ইত্যাদি বিভিন্ন বস্তু আছে যিবোৰৰ যোগাৰ কৰি দিলে জীৱিকা অৰ্জনৰ ৰাস্তা মুকলি হ'ব। কিন্তু এইবোৰ চিন্তা কৰিব কোনে? আনফালে মাদ্ৰাছাৰ নামতো জাকাত-ফিতৰাৰ টকা খৰচ হৈ আছে। মাদ্ৰাছাৰ নামত আদায় দিয়া বহু টকা অপব্যৱহাৰ হোৱাৰ অভিযোগ নতুন নহয়। গৰীৱ-দুখীয়া, এতিম, ছাত্ৰ-ছাত্ৰীৰ নামত সংগ্ৰহ কৰা টকা ৬০ঃ৪০ কৰি সেই টকা ভাল মানুহৰ পকেটতো সোমাইছে। ভূৱা ৰছীদ বহী ছপাই ভুৱা মাদ্ৰাছাৰ নামত একাংশ লোকে জাকাতৰ টকা সংগ্ৰহ কৰিছে। জাকাতৰ মালিক সকলেও কোনো বাছ বিচাৰ নকৰি ছোৱাবৰ আশাত মন ইচ্ছামতেই ১০ টকা ২০ টকা ১০০ টকা দি সকলোকে সন্তুষ্ট কৰি জাকাতৰ টকা শেষ কৰিছে। সেই জাকাতৰ টকা কাক দিলে বা সঠিকভাৱে টকাটো ব্যয় হ'বনে নাই সেই কথা বিচাৰ কৰাৰ কোনো সময় নাই। বহুতেই জাকাত আদায় দি নিজকে দাতা বা কাৰোবাক অনুগ্ৰহ কৰা বুলিও ধাৰণা কৰে। কিন্তু জাকাত আদায় দিয়াটো কোনো দান বা অনুগ্ৰহ নহয়। এয়া আল্লাহৰ হুকুম। এয়া ধনীৰ কৰুণা নহয়, গৰীৱৰ প্ৰাপ্যহে। সেয়ে জাকাতৰ টকাৰে যদি গৰীৱ-দুখীয়াৰ উপকাৰ নহয় বা ভিক্ষাৰী দূৰ নহয় তেন্তে সেই জাকাত আদায়ৰ অৰ্থ কি থাকিব পাৰে?

ঠিক তেনেদৰে ৰমজান মাহত ফিতৰা আদায়ৰ ক্ষেত্ৰতো এই খেলিমেলি দেখা যায়। ৰমজান মাহত ফিতৰা আদায়ৰ উদ্দেশ্যই হ'ল যে সেই ফিতৰাৰ সামগ্ৰী বা টকাৰে গৰীৱ-দুখীয়া সকলে নিজৰ নিজৰ প্ৰয়োজনীয়খিনি পূৰণ কৰিব। ফিতৰাৰ ধনেৰে গৰীৱ-দুখীয়া সকলে নিজৰ প্ৰয়োজনখিনি পূৰণ কৰি ইদৰ দিনা ধনীসকলৰ লগতে একলগে ইদৰ আনন্দ উপভোগ কৰিব। কিন্তু দেখা যায় এই ফিতৰা ইদৰ দিনা বা ইদৰ পিছতো বহুতে আদায় দিয়ে। বহুলোকে ধুনীয়া কুৰ্তা-পাঞ্জাৰী পিন্ধি সুগন্ধি আতৰ লগাই ইদগাহলৈ যাওতে দহ টকা-বিশ টকাকৈ ভিক্ষাৰীক দান কৰে। ইদৰ দিনা এনেদৰে দান কৰি তেওঁলোকে নিজকে হয়তো দানশীল বা ধাৰ্মিক বুলি আত্মতৃপ্তি ল'ব পাৰে, কিন্তু এই দানে মুছলিম সমাজৰ কিমান কুৎচিত প্ৰচিচ্ছবি দাঙি ধৰিছে সেয়া কিন্তু কেতিয়াও তেওঁলোকে চিন্তা কৰা নাই। এই দানৰ ফলত যে ইদৰ দিনাও ভিক্ষাৰীৰ আমদানী কৰি এক পৰিৱেশ কুলষিত কৰিছে সেই কথা হয়তো ভবাৰ সময় নাই। ইদৰ দিনা দান-দক্ষিণা কৰি তেওঁলোকে প্ৰকৃততে ধাৰ্মিক কাম কৰিলে নে দানৰ নামত ভিক্ষাৰীৰ সংখ্যা বঢ়ালে? ইদৰ দিনা যিখিনি দান কৰে সেই দানেৰে ভিক্ষাৰীসকলে কি কৰিব? সেই দানখিনি ইদৰ পূৰ্বেই আদায় দিলে ছোৱাবো পাব আৰু দানৰ উদ্দেশ্যও পূৰণ হ'ব। সেই দানৰ টকাৰে গৰীৱ-দুখীয়া সকলে নিজৰ ল'ৰা-ছোৱালী লৈ এসাজ ভালদৰে খাই আনন্দ-ফূৰ্তিৰে ধনী সকলৰ লগতে ইদৰ ময়দানত হাজিৰ হ'বগৈ। ইদৰ দিনা দান-বৰঙণি দিয়া বন্ধ কৰিলে ভিক্ষাৰী সকলে সেইদিনা নাহিব। ধনী-গৰীৱ সকলোৱে মিলি আনন্দ-ফূৰ্তি কৰিব। এয়াই হ'ব প্ৰকৃত খুছীৰ দিন 'ইদ উল ফিতৰ'। কিন্তু এই কথাবোৰ আমি চিন্তা কৰিছো নে?

জাকাত-ফিতৰাৰ টকা ব্যক্তিগতভাৱে আদায় নিদি নিজৰ নিজৰ মছজিদ মহল্লাত কমিটি গঠন কৰি সেই কমিটিত জাকাত-ফিতৰাৰ ধন জমা কৰি উপযুক্ত ব্যক্তি সকলক বাছি উলিয়াই সেই ধন দিলে নিশ্চয় আজিৰ দৰে ভিক্ষাৰী নাথাকিব। সেই কমিটিয়ে উপযুক্ত মাদ্ৰাছাসমূহ বাছি উলিয়াই সেই মাদ্ৰাছা সমূহৰ নামত থকা একাউণ্টত যদি জমা কৰি দিয়ে তেন্তে জাকাতৰ টকা আজিৰ দৰে অপব্যৱহাৰ নহ'ব। ভুৱা ৰছীদ বহীৰে টকা সংগ্ৰহ কৰা সকলো নাইকিয়া হ'ব। ৰমজান মাহত টাউন চহৰত ঘৰে ঘৰে, দোকানে পোহাৰে জাকাত, ফিতৰা সংগ্ৰহৰ বাবে মাদ্ৰাছাৰ মৌলনা-ছাত্ৰ সকলে দিন-ৰাতি একাকাৰ কৰি ঘূৰি ফুৰা পৰিলক্ষিত হয়। ছুন্নতৰ পোছাকধাৰী এই সকল জাকাত সংগ্ৰহ কৰা লোকে অমুছলিমৰ ঘৰতো জাকাত-ফিতৰাৰ বাবে সোমাই যায়। ইছলামৰ সঠিক নীতি-নিয়ম সমাজত প্ৰচলন কৰাৰ প্ৰথম ভূমিকা পালন কৰিব লগা আলিম-উলামা সমাজৰ আজি এই অৱস্থা। আলিম-উলামা তথা মছজিদৰ ইমাম সকলে আচলতে জাকাত-ফিতৰা বিতৰণৰ সঠিক ব্যৱস্থাৰ ওপৰত গুৰুত্ব দিব লাগিছিল। তেওঁলোকে ৰাইজক কথাবোৰ ভালকৈ বুজাই দিব লাগিছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে তেওঁলোকেই আজি চান্দাৰ বহী লৈ মানুহৰ ঘৰে ঘৰে, বজাৰৰ অলিয়ে-গলিয়ে জাকাত বিচাৰি ঘূৰি ফুৰে। সেয়ে এই ক্ষেত্ৰত আমি বিশেষভাৱে মুছলিম সমাজৰ সচেতন-ধাৰ্মিক লোক সকলক আহ্বান জনাও যে তেওঁলোকে আগবাঢ়ি আহক। আমাৰ আৰু সমাজখনক ঠিক কৰাৰ কাৰ্যব্যৱস্থা হাতত লওক। আলিম-উলামাৰ ওপৰত সকলো এৰি দি বিশ্বৰ শ্ৰেষ্ঠতম ধৰ্ম ইছলামক অপমানিত, বদনামীত আৰু নিন্দিত কৰাৰ পৰা বচাওঁক। আমাৰ চকুৰ আগতে সকলো পৰিৱৰ্তন হৈ আছে। কিন্তু আমাৰ পৰিৱৰ্তন কেতিয়া হ'ব? শেষত পৰিৱৰ্তনৰ বাবে আল্লাহ তাআলাৰ এই বাণী আমি মনত পেলোৱা উচিত—'সেই জাতিৰ পৰিৱৰ্তন তেতিয়ালৈকে নহয়, যেতিয়ালৈকে তেওঁলোকে নিজে নিজৰ পৰিৱৰ্তনৰ বাবে চেষ্টা নকৰিব।' (কোৰআন-১৩ : ১১)।◆

ফোন ঃ ৯৩৬৫৮০৬৬১৫

# ইছলামীক আদৰ্শৰ আধাৰত কিছু অনুভূতি

চৈয়দ হাৰোণাৰ ৰহমান

ইছলাম এক জীৱন দৰ্শন, জীৱন বিধান। ইছলাম বিশেষ কৰি দুটা বিষয়ৰ ওপৰত নিৰ্ভৰশীল যাক ইছলামৰভেটী বুলিও কোৱা হয় সেইয়া হৈছে ঈমান আৰু সৎকৰ্ম্ম। দুয়োটা ওতপ্ৰোতঃ ভাবে জড়িত। এটা আনটোৰ পৰিপূৰক নাজাত বা মুক্তি সৎকৰ্ম্মৰ ফচল বুলি পণ্ডিত সকলে কয়। ই পবিত্ৰ কোৰাণত বহু বাৰ উল্লেখ থকা এটা হৈছে ইল্লা-ল্লামীনা আমানু ৱা আমিলু -স্বালি হাতি.........

সৎকৰ্ম্ম কৰিবলৈ এখন শুদ্ধ অন্তৰ লাগিব। কোৰাণ শ্বৰিফৰ ৩০ পাৰা চুৰা আলাত আল্লাই কৈছে- কাদ -আফলাহা মান তাজ্জাকা অথাৎ তেৱেঁই সফল কাম হ'ব, যি জনে নিজকে পবিত্ৰ কৰিলে। চুৰা হুজৰাত আল্লাই কৈছে (Most hounoured of you in the sight of Allah is the who is most righteous) অৰ্থাৎ আল্লাৰ ওতৰত আটাইতকৈ সন্মানিত সেইজন যি জন আটাইতকৈ বেছি ন্যায় পৰায়ণ। বদৰৰ যুদ্ধত জিকি অহাৰ পিচত নবীজীয়ে মুছলিম সকলক উদ্দেশ্যে কৰি কৈছিল যে তোমালোকে জিহাদ কৰি আহিলা থিকেই কিন্তু ইয়াতকৈ ডাঙৰ জিহাদ তোমালোকৰ সন্মূখত সেইয়া হৈছে নিজৰ অন্তৰ জয় কৰা আৰু সমাজখনৰ পৰা অবিচাৰ সংঘৰ্ষ বিভেদকামী শক্তিৰ উৎপীড়ন মষিমূৰ কৰি এখন শান্তি কামি, শৃঙ্খলা বদ্ধ ও একত্ৰিত সমাজ প্ৰতিস্থা কৰা ইয়াক তেখেতে (Greater) জিহাদ আখ্যা দিছিল

ইতিহাস পৰ্য্যালোচনা কৰিলে দেখা যায় ইছলামিক সভ্যতা অতীজতে জ্ঞান বিজ্ঞান প্ৰযুক্তি বিদ্যা আদিত আগবঢ়া আছিল। মুছলমান সকল সুসভ্য জাতি হিচাবে সমাদৰ লাভ কৰিছিল। ৭০০-১৫০০ খৃঃ লৈকে ইছলামৰ এটা স্বৰ্ণ যুগ (Golden era) বুলিও কোৱা হয়। মুছলমানৰ দ্বাৰা পৰিচালিত শিক্ষা অনুষ্ঠান বিলাকত পশ্চিমৰ বিভিন্ন প্ৰান্তৰ পৰা উচ্চ শিক্ষা লাভৰ বাবে শিক্ষা অনুৰাগী সকলৰ সোঁত বলিছিল। বাগদাদৰ বাচাৰা স্পেইনৰ কাৰডোবা বিশ্ববিদ্যালয় দুখন এই ক্ষেত্ৰত উল্লেখ যোগ্য।

কিন্তু পৰিতাপৰ কথা যেতিয়াৰ পৰা মুছলমান সকল মানবীয় প্ৰমূল্য বোধক আওকান কৰি শিক্ষা আৰু প্ৰজ্ঞাৰ পিনে পিঠি দিলে তেতিয়াৰ পৰা মুছলমানৰ ওভতনি যাত্ৰা আৰম্ভ হল। কোৰান হাদিছৰ ভুল বাখ্যাৰে প্ৰচাৰ চলোৱা কিছু সংখ্যক ধৰ্ম্ম গুৰু এই ক্ষেত্ৰত জগৰীয়া আজিৰ মুছলমান সকলৰ বুজন সংখ্যক অকল ধৰ্ম্মীয় অনুষ্ঠানিকতা ৰীতি-নীতি (rituals)আদিতে সীমিত হৈ থকা দেখা যায়। মুছলমান সকলৰ অৰ্থ সামাজিক ভাবে পিচ পৰি থকাৰ মূখ্য কাৰণ শিক্ষা-দীক্ষাৰ প্ৰতি অনিহা অৱশ্য দৰিদ্ৰতাও, মানসিক দৃষ্টিভংগী ৰক্ষনশীল চিন্তা চৰ্চাৰ প্ৰভাবো ইয়াৰ বাবে দায়ী--

আজিৰ মুছলমান পৰিচয়ৰ সংকটত ভুগিছে, মুছলমান সকলৰ এই পুতৌ লগা অৱস্থাৰ পৰিবৰ্ত্তন সাধিবলৈ নিজেই আগবাঢ়ি আহিব লাগিব।

আল্লাই পবিত্ৰ গ্ৰন্থ কোৰানত কৈছে আল্লাই নিশ্চয় কোনো জাতিৰ অৱস্থাৰ পৰিবৰ্ত্তন কৰি নিদিয়ে যেতিয়ালৈকে নিজৰ অৱস্থাৰ পৰিবৰ্ত্তনৰ বাবে চিন্তিত আৰু সচেষ্ট নহয়, পবিত্ৰ কোৰাণ (১৩:১১)। ◆

ফোন ঃ ৯৪৩৫১-৯২১৯৩

# আমিৰুল মো'মিনীন হজৰত ওমৰ বিন আল খাত্তাব (ৰাঃ)

ডাঃ তৌফিকুৰ ৰহমান বৰবৰা

বিশ্ব বিখ্যাত জান্নাতৰ শুভ সংবাদ প্ৰাপ্ত বুলি খ্যাত, আমিৰুল মোমিনীন হজৰত ওমৰ বিন্ আল খাত্তাব (ৰাঃ) ইছলামিক ইতিহাসৰ এজন অতি উচ্চ মৰ্য্যাদা সম্পন্ন চাহাবা, যিজনৰ ইছলাম গ্ৰহণে ইছলামক এক নতুন গতি প্ৰদান কৰিছিল। কঠোৰমনা ব্যক্তি হিচাবে তেওঁ প্ৰসিদ্ধ হলেও শুদ্ধ বিচাৰ, দৃঢ় মনোবল, গাম্ভীৰ্যতা আৰু সাহসিকতা আদি গুণৰ বাবে, তেখেত এজন সন্মানিত খলিফা হিচাবে জনাজাত। হজৰত ওমৰ (ৰাঃ)ঃ ১০ বছৰ ৬ মাহ ইছলামিক ৰাষ্ট্ৰৰ ২য় জন খলিফা আছিল। হজৰত ওমৰ (ৰাঃ)ৰ খিলাফত সময়চোৱা আছিল ইছলামী হুকুমতৰ "সোণালী যুগ"। পাৰ্থিব ভোগ বাসনাৰ প্ৰতি তেওঁ আছিল নিৰাশক্ত, আখেৰাতৰ প্ৰতি অধিক প্ৰত্যাশী। এখন বিশাল সম্ৰাজ্যৰ খলিফা হৈয়ো তেওঁ তালি লগোৱা ফটা কাপোৰ পৰিধান কৰিছিল। হজৰত ওমৰে (ৰাঃ) নবীজী (ছঃ) লগত সকলো জিহাদত যোগদান কৰিছিল। নবীজীয়ে তেওঁক খুউব ভাল পাইছিল আৰু এদিন মদিনাত বেহেস্তৰ শুভ সংবাদ দিছিল।। ৰমজান মাহৰ ২০ ৰাকাত তাৰাবিহ নামাজ হজৰত ওমৰ (ৰাঃ)ৰ দিনৰ পৰাই বিশ্বৰ মুছলমানৰ মাজত প্ৰচলন হয়।

বিখ্যাত আমেৰিকান বুদ্ধিজীৱী আৰু লিখক Michael H. Hart ৰ এখন Best Seller পুঠি "The 100" A Ranking of the must influential persons in History- বিশ্বৰ ১০০ জনৰ ভিতৰত হজৰত ওমৰ (ৰাঃ) স্থান আছিল ৫২ নম্বৰ। প্ৰথম স্থানত আছে হজৰত মোহাম্মাদ (ছঃ) - দ্বিতীয়, তৃতীয় আৰু দহ নং স্থানত নাম আছে ক্ৰমে — Issac Newton; Jesus Christ; Albert Einstein. হজৰত ওমৰ (ৰাঃ) সম্বন্ধে লিখিছে, — "Umar was second and probably the greatest of the muslim caliphs. Umars achievements are impressive indeed. After Muhammad himself he was principal figure in the spread of Islam, without his rapid conquest, it is doubtful that, Islam would be nearly as widespred today as it actually is. Furthermore most of the territory concquered during his reign has remained Arab ever since". কিতাপখনৰ আৰম্ভণীত Hart এ লিখিছে, I must emphasize that this a list of most influential persons in history not a list of the greatest. The most influential people who sweyed the destinies of millions of human being, determined the rise and fall of civilization and changed the course of history.

হজৰত ওমৰ (ৰাঃ) ৰ পিতাকৰ নাম আছিল আল খাত্তাব। তেওঁৰ পিতাক আৰু মাক উভয়ে আছিল নবীজীৰ (ছঃ) বংশৰ লোক। ফাৰুক উপাধিৰে তেওঁ মানুহৰ মাজত জনাজাত। ফাৰুকৰ অৰ্থ হ'ল সত্য আৰু অসত্যৰ পৃথককাৰী। তেখেতৰ জন্মস্থান হ'ল মক্কা।

জন্মবছৰ অনুমানিক ৫৮৬ খৃঃ।। বাল্য কালৰ পৰাই ওমৰ (ৰাঃ) এজন প্ৰখ্যাত বীৰ আছিল। আন চাহাবা সকলৰ দৰে ওমৰ (ৰাঃ) এ প্ৰথম অৱস্থাত ইছলাম গ্ৰহণ কৰা নাই আৰু মদিনালৈ হিজৰত কৰা নাছিল।

**ইছলামৰ ঘোৰ বিৰোধী ওমৰৰ ইছলাম গ্ৰহণ ঃ**

হজৰত ওমৰৰ (ৰাঃ) ইছলাম গ্ৰহণ এক আলৌকিক ঘটনা বুলিয়েই কব পাৰি। বিশ্বনবী হজৰত মোহাম্মদৰ (ছঃ) নবুৱতৰ পিচত আল্লাহৰ ৰছুল আৰু তেখেতৰ অনুগামী সকল মক্কাৰ খোদাদ্ৰোহী কোৰাইচ পাগান সকলৰ প্ৰবল বিৰোধীতাৰ সন্মূখীন হৈছিল, যাৰ ফলত ১৩ বছৰ মক্কাত ভীষণ অত্যাচাৰ, ব্যভিচাৰৰ অন্তত মদিনা শ্বৰীফলৈ হিজৰত কৰিব বাধ্য হৈছিল। প্ৰথম অৱস্থাত আমাৰ ৰছুলৰ নিজৰ বংশধৰ সকলেই ঘোৰ বিৰোধীতা কৰিছিল। প্ৰধান শত্ৰু হিচাবে ওমৰ বিন্ খাত্তাব আৰু আবু জিহালৰ নাম উল্লেখযোগ্য। তেওঁলোকে ন-মুছলমান সকলক অত্যাচাৰ কৰাৰ উপৰি আমাৰ নবীজীক হত্যা কৰাৰ পৰিকল্পনা কৰিছিল। এনে অৱস্থাত আল্লাহৰ নবীয়ে মহান আল্লাহ-তালাৰ ওচৰত প্ৰাৰ্থনা কৰিছিল যাতে শত্ৰু পক্ষৰ ওমৰ মক্কাৰ নতুন ধৰ্ম্ম ইছলামত দীক্ষিত হয়। হয়টো আমাৰ নবীজীৰ দোৱা মহান আল্লাহ চোবহানু তালাৰ ওচৰত কবুল হল আৰু ইছলামৰ ঘোৰ শত্ৰু ওমৰে ইছলাম ধৰ্ম্ম গ্ৰহণ কৰি এক নতুন গতি প্ৰদান কৰিলে।

ঘটনাটো এনেকুৱা, প্ৰথম অৱস্থাত হজৰত মোহাম্মদ (ছঃ) মনে মনে ইছলাম প্ৰচাৰ কাৰ্য্য চাফা পাহাৰৰ এক নিৰ্জন ঠাইত আৰম্ভ কৰিছিল আৰু আল্লাৰ ঘৰ কাবা শ্বৰীফত নামাজ পঢ়িব গলে বিৰোধীৰ হাতত লাঞ্চিত আৰু অপমানিত হৈছিল। এদিন ইছলামৰ শত্ৰু ওমৰে হাতত খোলা তৰোঁৱাল লৈ নবীজীক হত্যা কৰাৰ উদ্দেশ্যে ঘৰৰ পৰা ওলাই গৈ মাজ বাটত গম পালে যে, তেখেতৰ নিজ ভগ্নী ফাতিমা আৰু ভনীজোঁৱাই চাইদ বিন জাইদে ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিছে। ভীষণ খং আৰু লজ্জাত ওমৰ মৰমৰ ভনীয়েকৰ ঘৰ পালেগৈ। সেই সময়ত ভনীয়েকৰ ঘৰত খাবাব বিন আৰত নামৰ এজন ছাহাবাই পবিত্ৰ কোৰআন পাঠ কৰি থকা শুনা পালে।। ঘৰৰ ভিতৰত প্ৰৱেশ কৰি ওমৰে নিজ ভনী আৰু ভনী জোঁৱাইক প্ৰহাৰ কৰিব ধৰিলে। ভীষণ জোৰে ভনীয়েক ফাতিমাক প্ৰহাৰ কৰাৰ ফলত মূৰৰ পৰা ৰক্ত প্ৰবাহ দেখা পাই তেখেতৰ অন্তৰত হৃদয় পৰিবৰ্ত্তন আৰম্ভ হব ধৰিলে। কিছুসময়ৰ পাচত ক্ষান্ত হৈ ভনীয়েকৰ পৰা সেই পাতত লিখা কোৰাণৰ আয়াতটো চাব বিচাৰিলে। ভনীয়েক ফাতিমাই প্ৰথমে দিবলৈ অমান্তি হৈছিল যদিও, ওমৰক পাকচাফ হৈ আহিব কলে। ওমৰে পবিত্ৰ কোৰাণৰ ২০ নং চুৰাৰ, ২-৬ আৰু ১৪ নং আয়াত আৰবী ভাষাত বাৰে বাৰে পঢ়ি অভিভুত হৈ পৰিল—

ছুৰা নম্বৰ ২০  আত্ ত্বা-হা (আয়াত ২-৬)

আমি তোমাক বিপন্ন কৰিবলৈ তোমাৰ প্ৰতি এই কোৰআন অৱতীৰ্ণ কৰা নাই। বৰং এয়া এনে ব্যক্তিৰ বাবে সদুপদেশ যেয়ে আল্লাহক ভয় কৰে। এয়া সেইজনৰ পৰা অৱতীৰ্ণ হৈছে যিজনে পৃথিৱী আৰু সুউচ্চ আকাশমণ্ডল সৃষ্টি কৰিছে। তেওঁ পৰম কৰুণাময়, বিশ্বজগতৰ মহাসিংহাসনত উপবিষ্ট হৈ আছে। আকাশ মণ্ডল আৰু পৃথিৱী আৰু ইয়াৰ মাজত যি আছে তাৰ গৰাকী আল্লাহ আৰু ভূ-গৰ্ভত যি আছে তাৰ গৰাকীও তেওৱেঁই।

আয়াত- ১৪

নিশ্চয় ময়েই আল্লাহ। মোৰ ব্যতিত আন কোনো উপাস্য নাই। এতেকে তুমি মোৰ উপাসনা কৰা আৰু মোৰ স্মৰণাৰ্থে নামাজ প্ৰতিষ্ঠা কৰা।

পবিত্ৰ কোৰআনৰ এই আয়াত কেইটা পঢ়ি ওমৰে কব ধৰিলে “ইমান সুন্দৰ, অনুপম, জ্ঞান গম্ভীৰ কোৰাণৰ বাণী”— লগে লগে আল্লাহৰ নবীজী কত আছে বুলি সুধি, খাবাবক লগত লৈ চাফা নামৰ পাহাৰ পালেগৈ। সেই সময়ত আল্লাহৰ নবীজী তেখেতৰ অনুগামী সকলৰ

লগত মনে মনে ধৰ্ম্ম চৰ্চ্চা কৰাত ব্যস্ত আছিল। ওমৰে হাতত তৰোৱাল লৈ অহা বুলি গম পাই চাহাবা সকলে ভয় খাইছিল যদিও দুৱাৰ খুলি দিব কলে। আল্লাহৰ নবীয়ে অকনো ভয় সংকোচ নকৰি আগবাঢ়ি গৈ অতি মিঠা মাতেৰে ওমৰক আদৰণী জনাই অহাৰ উদ্দেশ্য সুধিলে। অশ্রুশিক্ত নয়নেৰে ওমৰে প্ৰথমে নবীজীৰ হাতত চুমা খাই কলে— "হে আল্লাহৰ ৰছুল, মই মহান আল্লাহ আৰু তেওঁৰ ৰছুলৰ ওপৰত ইমান আনিছো আৰু ইছলামত দীক্ষিত হব আহিছো।" মনৰ আনন্দত ৰছুলুলাই চিঞৰি উঠিল— আলাহ-হু-আকবাৰ- আল্লা মহান ...... ই এক অবিস্মৰণীয় ঘটনা— ইছলামৰ এজন ঘোৰ বিৰোধী ওমৰ বিন আল খাত্তাব মুছলমান হোৱা গম পাই মক্কাৰ পাগান কোৰাইচ সকল আচৰিত আৰু হতভম্ব হৈ পৰিছিল। এই যুগান্তকাৰী ঘটনাই ইছলামক এক নতুন শক্তি প্ৰদান কৰিলে। সেই দিনৰ পৰা মুছলমান সকলে মুকলি মূৰীয়াকৈ ধৰ্ম্ম চৰ্চ্চা, নামাজ পঢ়িব পৰা হ'ল। এইদৰে মহান আল্লাহে তেখেতৰ মনোনীত ধৰ্ম্ম ইছলামে যাতে বিশ্বত বিস্তাৰ লাভ কৰিব পাৰে— ওমৰৰ নিচিনা এজন বীৰ পুৰুষক ইছলামত দীক্ষিত কৰালে।।

**মদিনাত ইছলামৰ জয়যাত্ৰা ঃ**

৬২২ খৃষ্টাব্দ আল্লাহৰ ৰছুল তেখেতৰ অনুগামীসকলৰক লৈ মদিনালৈ হিজৰত কৰি মদিনাত বিশ্বৰ প্ৰথম ধৰ্ম্মনিৰপেক্ষ গণতন্ত্ৰ ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰে। মাত্ৰ দহ বছৰ কাল তেখেত ৰাষ্ট্ৰ প্ৰধান হৈ আছিল। সেই সময়ত মদিনাত থকা ইহুদী আৰু খ্ৰীষ্টানসকলৰ লগত শান্তি স্থাপনৰ বাবে এক চুক্তি স্বাক্ষৰিত হয়। নবীজীৰ মূখ্য পৰামৰ্শদাতা আছিল হজৰত আবু-বক্কৰ চিদ্দিক (ৰাঃ) আৰু হজৰত ওমৰ (ৰাঃ), মদিনাত ক্ষিপ্ৰ গতিৰে ইচলাম ধৰ্ম্মই বিকাশ লাভ কৰাত মদিনাৰ ওচৰৰ বেডুইন, পাগান অবিশ্বাসীসকলে বিদ্ৰোহ আৰম্ভ কৰিলে। মুছলমান সকলে মদিনাত হিজৰত কৰাৰ প্ৰথম বছৰৰ শেষৰ ফালে কোৰানত জিহাদ সম্বন্ধে প্ৰথম আয়াত নাজিল হয়।

ছুৰা নং (২) ছুৰা বাকৰা (আয়াত নম্বৰ ১৯০-১৯১)

"যিবিলাকে তোমালোকৰ বিৰুদ্ধে যুদ্ধ কৰে সিহঁতৰ বিৰুদ্ধে তোমালোকেও আল্লাহৰ পথত যুদ্ধ কৰা; কিন্তু সীমা অতিক্ৰম নকৰিবা। কিয়নো আল্লাহে সীমা অতিক্ৰমকাৰীবিলাকক ভাল নাপায়।"

দ্বিতীয় হিজৰীত বিখ্যাত বদৰৰ যুদ্ধত মক্কাৰ কোৰাইছ সকলক পৰাস্ত কৰি ইছলামৰ জয়যাত্ৰা আৰম্ভ হয়। আমাৰ নবীজী ৬৩২ খৃঃ ইন্তেকাল হোৱাৰ পাচত হজৰত ওমৰৰ (ৰাঃ) উপদেশ মৰ্মে ইছলামীক ৰাষ্ট্ৰৰ প্ৰথম খলিফাৰ শাসনভাৰ গ্ৰহণ কৰে হজৰত আবু-বক্কৰ চিদ্দিক (ৰাঃ) আৰু দুবছৰ পাচত ৬৩৪ খৃঃত তেখেতৰ ইন্তেকাল হয়। তাৰ পাচত ৬৩৪ খৃঃত মদিনাত হজৰত ওমৰ বিন আল খাত্তাব (ৰাঃ) ২য় খলিফা নিযুক্তি হয় আৰু মৃত্যুলৈকে ১০ বছৰ ৬ মাহ শাসনভাৰ সুচাৰুৰূপে পৰিচালনা কৰে। হজৰত ওমৰৰ (ৰাঃ) শাসনকাল ইছলামিক ইতিহাসৰ সোণালী যুগ বুলি জনাজাত।

মহান একমাত্ৰ আল্লাহৰ একত্ব (তৌহিদ) প্ৰতিষ্ঠা, সত্য আৰু ইছলাম ধৰ্ম্ম ৰক্ষাৰ বাবে হজৰত মোহাম্মাদৰ (ছ) ১০ বছৰীয়া মদিনাৰ শাসন কালত ৮২ খন সৰু - ডাঙৰ যুদ্ধত লিপ্ত হবলৈ বাধ্য হৈছিল। পবিত্ৰ কোৰআনৰ শিক্ষাৰে অনুপ্ৰাণিত হৈ হজৰত মোহাম্মদে (ছঃ) প্ৰস্তুত আৰু প্ৰচাৰ কৰা বৈপ্লৱিক আঁচনি সমূহ যেনে- সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, বৌদ্ধিক, আধ্যাত্মিক, সাংস্কৃতিক আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত হজৰত ওমৰৰ (ৰাঃ) অৱদান অতুলনীয়। আদৰ্শ নবীৰ (ছঃ) জীৱনৰ প্ৰত্যেকটো চুন্নত হজৰত ওমৰে (ৰঃ) আখৰে আখৰে পালন কৰি প্ৰতি মুহুৰ্তত মহান আল্লাক স্মৰণ কৰি কৈছিল "কিয়ামতৰ দিনা আল্লাহে যদি মোক ক্ষমা নকৰে, তেনেহলে মোৰ কি অৱস্থা হ'ব।" তেখেতৰ জীৱনৰ জয়যাত্ৰাৰ মূল মন্ত্ৰ হ'ল "ৰাত-তাকৰা, একমাত্ৰ আল্লাহক ভয়, ভক্তি আৰু উপাসনা আৰু মানৱ সেৱা কৰা।"

তেখেতে প্ৰায়ে ৰোজা ৰাখিছিল আৰু ইছাৰ নামাজ জামাতত পঢ়ি ঘৰলৈ অহাৰ পাছত ফজৰ নামাজলৈকে নফিল তাহাজ্জুদ নামাজত মগ্ন আছিল। এজন ন্যায় পৰায়ণ শাসক হিচাবে হজৰত ওমৰৰ (ৰাঃ) খ্যাতি বিশ্ব বিয়পা, জনসমাবেশত তেওঁ জনতাক প্ৰায়ে প্ৰশ্ন কৰিছিল— আমিৰুল মো'মিনীন হিচাবে ঠিকমতে দায়িত্ব পালন কৰিছেনে নাই? কিবা অন্যায় কাম তেওঁলোকৰ দৃষ্টিত পৰিছে নেকি?, জনসাধাৰণৰ সেৱালৈ পিঠি দি পাৰ্থিব ভোগ বিলাসত মত্ত হৈছে নেকি? সত্যৰ পথেৰে, শান্তিৰ ৰথেৰে এইজনা মহান চাহাবাই অক্লান্ত শ্ৰম, অতল আত্মবিশ্বাস, ধৈৰ্য্য, দূৰদৰ্শিতা আৰু অতি নিষ্ঠাৰে নিজৰ গুৰু দায়িত্ব পালন কৰি ইতিহাস ৰচনা কৰি গ'ল।

**হজৰত ওমৰ (ৰাঃ) ৰ শাসন কালৰ কেইটামান ব্যতিক্ৰমী ঘটনাঃ**

১) হজৰত ওমৰ (ৰাঃ) ৰাষ্ট্ৰ প্ৰধান আছিল যদিও লগত দেহৰক্ষী নাছিল আৰু ফটা কাপোৰ পৰিধান কৰিছিল এদিন তেখেতে এখন কৃষিক্ষেত্ৰৰ আতৰত এটা ৮ বছৰীয়া ল'ৰাই ভেড়া চৰাই থকা দেখি অলপ গাখীৰ খাব বিচাৰিলে। গাখীৰ নাপাই সৰু ভেড়া পোৱালী এটা ল'ৰাটোক খুজিলে। ল'ৰাজনৰ উত্তৰ দিলে মই মালিকক কি জবাব দিম? হজৰত ওমৰে (ৰাঃ) কলে মালিকক কবা ভেড়া পোৱালীটো বাঘে খালে। সেই সৰু ল'ৰাজনৰ উত্তৰ আছিল **"আল্লাই দেখি আছে মই একো দিব নোৱাৰো।"** এই ঘটনাত হজৰত ওমৰ (ৰাঃ) অত্যন্ত আনন্দিত হৈছিল কাৰণ ইছলামৰ নৈতিক শিক্ষা তেতিয়া মদিনাত সৰ্বত্ৰে বিৰাজমান।

২) চৰকাৰী ধনৰ অপব্যয় হব বুলি এদিন হজৰত ওমৰে (ৰাঃ) এজন পুৰণি বন্ধু তেখেতক লগ পাব অহাত জ্বলি থকা চাকিটো নুমুৰাই দি কথা পাতি বন্ধুক বিদায় দিলে। কেইদিনমান পাছত বন্ধুৱে প্ৰশ্ন কৰাত হজৰত ওমৰে (ৰাঃ) উত্তৰ দিনে ব্যক্তিগত কামত মই চৰকাৰী চাকি জ্বলাব নোৱাৰো।

৩) তোষামোদ তেখেতে বেয়া পাইছিল। এবাৰ ৰোম আৰু পাৰস্যৰ ৰাজদূত দুজনে তেখেতক দেখা কৰিব আহি কৈছিল "সকলো মানুহৰ মতে 'হজৰত ওমৰৰ জ্ঞান, চৰিত্ৰ আৰু ন্যায় পৰায়ণতাৰ তুলনা নাই'। ৰাজদূতদ্বয় বিদায় লোৱাৰ পাছত 'নফচে' ওমৰ (ৰাঃ) চাহাবক প্ৰৰোচনা কৰিব ধৰাত আমিৰুল মো'মিনীনে পানীৰ কলহ এটা মূৰত লৈ ৰাস্তাৰ মাজেৰে গৈ এগৰাকী বৃদ্ধাৰ ঘৰত পানীৰ কলহটো দি আহিল।

৪) এবাৰ ৰাতি ছদ্মবেশত গৈ থাকোতে তিনটা সৰু ল'ৰাই পেটৰ ভোকত কান্দি থকা শুনি ভীষণ অনুতপ্ত হৈ সেই ৰাতিয়ে ৰাজভৰালৰ পৰা ঘেহুৰ বস্তা এটা নিজৰ মূৰত লৈ গৈ সেই মানুহ ঘৰত দি আহিছিল। তেখেতৰ ৰাষ্ট্ৰত কোনোবা ভোকত থকাতো তেখেতে পছন্দ কৰা নাছিল।

৫) হজৰত ওমৰৰ (ৰাঃ) অধীনৰ শাসনকৰ্তা সকলে জনসাধাৰণৰ অৱস্থালৈ লক্ষ নকৰি ভোগ বিলাসৰ মাজত জীৱন কটোৱা তেওঁ মুঠেই পচন্দ নকৰিছিল। এবাৰ আজাৰবাইজানৰ গবৰ্ণৰ উৎবাই এজন দূতৰ হাতত কিছু মিঠাই আমিৰুল মো'মিনীনৰ ওচৰলৈ পঠাই দিছিল। সেই মিঠাই হজৰত ওমৰে খাবলৈ অস্বীকাৰ কৰি দূতজনক সুধিছিল সেই প্ৰদেশৰ সকলো প্ৰজাই এই ধৰণৰ মিঠাই খাবলৈ পায়নে। ধনী অভিজাত লোকৰ মিঠাই নিজে নাখাই হজৰত ওমৰে গবৰ্ণৰ জনক জাননী দিলে— তেওঁ যেন আল্লাহক ভয় কৰে। গভৰ্ণৰে যি ধৰণৰ খাদ্যৰে পেট পূৰ কৰে, সকলো জনসাধাৰণে যেন একেই খাদ্য খাবলৈ পায়।

হিমচৰ গৱৰ্ণৰ আব্দুল্লা বিন কাৰ্তে নিজৰ বাবে এটা সুন্দৰ ঘৰ নিৰ্মাণ কৰা বুলি জানিব পাৰি হজৰত ওমৰে (ৰাঃ) মানুহ পঠাই সেই ঘৰ ভাঙি পেলাইছিল।

তিনিদনৰ পাছত গৱৰ্ণৰক মাতি আনি সকিয়নি দিছিল 'যোৱা ভালদৰে ৰাজ্য শাসন কৰিবা, তোমাক তাত ঘৰ বনাব পঠোৱা নাই।'

৬) খালিদ-বিন-আল-ৱালিদ, হজৰত ওমৰৰ (ৰাঃ) দিনত ৰাষ্ট্ৰৰ প্ৰধান সেনাপতি (Commandar in-chief) আছিল। খালিদৰ নেতৃত্বত এখনৰ পাঁচত এখন যুদ্ধ জয় কৰি বিশেষকৈ Byzantine Emperor অধীনত থকা বৰ্তমানৰ ছিৰিয়া আৰু পেলেষ্টাইন জয় কৰাৰ পাচত আমিৰুল মো'মিনীনে হঠাৎ এদিন খালিদক প্ৰধান সেনাপতি পদৰ পৰা অপসাৰণ কৰিছিল, কাৰণ আছিল হজৰত ওমৰে (ৰাঃ) সদায় সকলো জয়যাত্ৰা আল্লাহৰ হুকুম বুলি মানি লৈছিল আৰু সন্দেহ কৰিছিল খালিদে নিজৰ বীৰত্বৰ বাবেহে যুদ্ধত জয়ী হৈছিল বুলি গৰ্ব কৰিছিল। বহুতে এই সিদ্ধান্তটো ভুল বুলি গণ্য কৰে। খালিদৰ কবৰ বৰ্তমান ছিৰিয়াৰ হোমছ্ নামৰ প্ৰদেশত আছে।

৭) হজৰত ওমৰৰ (ৰাঃ) দিনৰ পৰা তাৰাবী নামাজ আৰু হিজৰি চন প্ৰবৰ্তন কৰিছিল। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী প্ৰস্তুত কৰিবলৈ আদেশ দিছিল। কেইবাটাও স্তৰত সেনা বাহিনী গঠন কৰি ভাট্টা নিৰ্দ্ধাৰণ কৰিছিল। তেওঁৰ দিনতে অমুছলমান বৃদ্ধ আৰু বৃদ্ধাক বয়তুল মালৰ পৰা ভাট্টা দিয়া আৰম্ভ কৰিছিল।

**হজৰ দোৱা আৰু অততায়ীৰ হাতত চাহাদত ঃ**

২৩ হিজৰি চনৰ (৬৪৪ খৃঃ) হজৰত ওমৰে হজ সমাপ্ত কৰি আল্লাহৰ ওচৰত দোৱা মাগিছিল— "হে আল্লাহ মই এতিয়া দুৰ্বল আৰু বুঢ়া হৈছো। নিজ কৰ্তব্যত কিবা ভুল ত্ৰুতি কৰাৰ পূৰ্বে মই আপোনাৰ ওচৰলৈ যাব খোজো।" সেই বছৰতে জিলহজ মাহৰ শেষত তেওঁ অততায়ীৰ হাতত শ্বহীদ হয়।

সেইদিনা ফজৰৰ নামাজৰ বাবে সকলোৱে আহি মছজিদে নববীত সমবেত হৈছিল। নামাজৰ ইমাম আমিৰুল মো'মিনীন হজৰত ওমৰ (ৰাঃ)। তেওঁ নামাজীসকলক কাতাৰ ঠিক কৰিবলৈ কৈ 'আল্লাহু আকবাৰ' বুলি নামাজ আৰম্ভ কৰিছে মাত্ৰ সেই মুহূৰ্ততে পিছপিনে আন্ধাৰত লুকাই থকা আবু লুলু নামৰ এজনে চোচা লৈ অতি তীক্ষ্ণ চুৰীৰে হজৰত ওমৰ (ৰাঃ) ক আঘাত কৰে। আঘাতপ্ৰাপ্ত ওমৰে (ৰাঃ) কাষতে থকা আব্দুৰ ৰহমানক (ৰাঃ) নামাজ পৰিচালনা কৰিবলৈ ইংগিত দি পিছপিনে বহি পৰে। আব্দুৰ ৰহমানে সংক্ষিপ্ত ভাৱে নামাজ শেষ কৰে। মুছলমান সকলে নামাজৰ শেষত ওমৰ (ৰাঃ)ক তেখেতৰ ঘৰলৈ লৈ যায়। তেজেৰে লুতুৰি পুতুৰি হৈ থকা হজৰত ওমৰে কোনোমতে নামাজ আদায় কৰে।

ৰাতিপুৱা গোটেই চহৰত চুৰিকাঘাতৰ কথা ৰাষ্ট্ৰ হৈ পৰিল। পুৰুষ, তিৰোতা, ল'ৰা-ছোৱালী সকলোৱে ৰাস্তাত ওলাই 'হায় ওমৰ', হায় ওমৰ বুলি কান্দোনৰ ৰোল তুলিলে। জখম বৰ সাংঘাতিক আছিল। নৰাধম ঘাতকজন এজন কাফিৰ বুলি জানি তেওঁ কৈছিল- "আলহামদুলিল্লাহ, আল্লাহে দয়া কৰি কোনো মুছলমানৰ হাতত মোৰ মৃত্যু ঘটাব খোজা নাই।" অধিক ৰক্তক্ষয়ৰ বাবে তেখেতৰ অৱস্থা ক্ৰমে অৱনতি ঘটি আহিছিল। খলিফা ওমৰ (ৰাঃ) মৃত্যু পথৰ যাত্ৰী। পৰৱৰ্ত্তী খলিফা নিৰ্বাচনৰ কাৰণে তেখেতে নিজে এখন কমিটি গঠন কৰি দিছিল আৰু নিৰ্দেশ দিছিল তেওঁৰ পুত্ৰ আব্দুল্লাই পৰামৰ্শত অংশ গ্ৰহণ কৰিব পাৰিব কিন্তু নিজে খলিফা হ'ব নোৱাৰিব। এনেকুৱা ত্যাগৰ আদৰ্শ বাস্তৱিকতে বিৰল। চুৰিকাঘাতৰ তিনিদিন পিছত ২৩ হিজৰি চনৰ ২৭ জিলহজ তাৰিখে তেখেতে শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ ইচ্ছা অনুসৰি মা আয়েছা (ৰাঃ)ৰ অনুমতি সাপেক্ষে নবীজী (ছঃ) আৰু আবু বক্কৰ (ৰাঃ)ৰ সমাধিৰ কাষত তেখেতক সমাধিস্ত কৰা হয়। বিশ্বৰ বুকুত এজন অনন্য আদৰ্শ ৰাষ্ট্ৰ নায়ক হিচাবে অতুলনীয় নজিৰ স্থাপন কৰি এইজনা মহাত্মাই শ্বাহাদৎ বৰণ কৰি প্ৰিয় মওলাৰ সান্নিধ্যলৈ গুচি গ'ল। ◆

ফোনং ৯৪৩৫৩-৯৪২২৮

# স্বাৱলম্বীতা আৰু অসমৰ অনুন্নত অঞ্চলৰ গ্ৰাম্য মহিলা, এটি আলোক পাত

হাস্না আৰা বেগম, শিৱসাগৰ

দেশ এখনৰ উন্নতি আৰু বিকাশ নিৰ্ভৰ কৰে সেই দেশখনৰ নাগৰিক সকলৰ ওপৰত। নাগৰিক বুলিলে পুৰুষ, নাৰী উভয়কে বুজায়, নাৰী পুৰুষৰ সহযোগিতাতহে এখন সমাজ তথা ৰাষ্ট্ৰ বৰ্ত্তী থাকে, আৰু একো একোটা পৰিয়াল গঠন হয়। তেনেস্থলত নাৰী সমধিকাৰ, সম মৰ্যাদা আৰু নাৰী সুৰক্ষিত নহ'লে দেশখনে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত আশানুৰূপ ফলাফল দেখুৱাব নোৱাৰিব। সেয়েহে নগৰ অঞ্চলৰ মহিলা সকলৰ লগতে অনুন্নত, গ্ৰাম্য অঞ্চলৰ মহিলা সকলক সমানে অৰ্থ-সামাজিক, দিশত আগবাঢ়ি যাব পৰাকৈ উপযুক্ত আৰু প্ৰয়োজনীয় শিক্ষা প্ৰদান কৰিবলৈ ব্যৱস্থা কৰিব লাগিব। বৰ্তমান অসম চৰকাৰে নাৰী সকলক সবলীকৰণ (empowerment) কৰিবলৈ বহুতো গ্ৰাম্য আঁচনি হাতত লৈছে, তাৰে কিছু সংখ্যক আঁচনি কাৰ্যকৰী হৈছে। আত্ম সহায়ক (SHG) গোট সমূহৰ জৰিয়তে ক্ষুদ্ৰ উদ্যোগ, (Post office) ডাকতাঁৰ বিভাগ, বেংক আদিত উৎপাদনৰ লাভাংশ জমা কৰি থ'ব পৰা ব্যৱস্থাৰ প্ৰতি সচেতন হ'ব ধৰিছে। গতিকে গ্ৰাম্য অঞ্চলৰ সকলো নাৰী নিৰক্ষৰতা আৰু অজ্ঞতাৰ পৰা মুক্ত হ'ব লাগিব আৰু নিজৰ ক্ষমতা তথা প্ৰতিভা ৰাইজক উপলব্ধি কৰিব পৰাকৈ নিজকে প্ৰস্তুত কৰি তুলিবলৈ সক্ষম হ'ব লাগিব। নাৰীক সবলীকৰণ কৰাৰ উদ্দেশ্যে লোৱা আঁচনিত নাৰীৰ বাবে আছুতীয়া (Budget) পৰিকল্পনা কৰাৰ নীতি গ্ৰহণ কৰা হৈছে বুলি প্ৰকাশ। আত্মসহায়ক গোট গঠন কৰাৰ দ্বাৰা নাৰীক আৰ্থিকভাৱে সবলীকৰণ কৰাৰ লগতে সামাজিক ভাৱে সবল কৰাৰ এক আন্দোলন গঢ়ি উঠিছে। ইতিমধ্যে সহজতে ঋণ লাভ কৰি নাৰীয়ে ক্ষুদ্ৰ উদ্যোগ গ্ৰাম্য অঞ্চলৰ কিছু ঠাইত গঢ়ি তুলিছে। ২০০১ চনৰ নাৰীৰ সবলীকৰণৰ ৰাষ্ট্ৰীয় নীতি প্ৰয়োগ কৰা হয়। (National Policy for Empowerment of women 2001) এই ৰাষ্ট্ৰীয় নীতিৰ মূল লক্ষ্য আছিল নাৰীৰ বিকাশ, উন্নয়ন আৰু সবলীকৰণ। বৰ্তমান আমাৰ ৰাজ্যৰ অনুন্নত গ্ৰাম্য অঞ্চলসমূহত মহিলাসকলক লিখা কাৰ্য্যৰ জৰিয়তে শব্দৰ চিনাক্তকৰণ কৰা আৰু তাক প্ৰয়োগ কৰিবলৈ বিভিন্ন প্ৰণালী ব্যৱহাৰ কৰা হৈছে। উদাহৰণ স্বৰূপে আমাৰ ৰাজ্যৰ 'কনকলতা মহিলা সবলীকৰণ' আঁচনি। এইখিনিতে ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান (NRLM) উল্লেখনীয়। চৰকাৰৰ এক দৃঢ় পদক্ষেপ মহিলাসকলক বিশেষভাৱে গ্ৰাম্য অঞ্চলৰ মহিলাসকলক সবল কৰি তোলা।

গ্ৰাম্য অঞ্চলৰ অনুন্নত নাৰী সকলৰ উন্নতি আৰু বিকাশৰ প্ৰতি ভাৰতবৰ্ষত NGO সমূহে লোৱা পদক্ষেপৰ দুই-এক উদাহৰণ ক্ৰমে উল্লেখ কৰা হ'ল। ২০১৫ চনত বানাৰসত হ'প' HOPE নামৰ এটা বেচৰকাৰী সংস্থাৰ জন্ম হয়। সেইসময়ত বানাৰস হিন্দু বিশ্ববিদ্যালয়ৰ অধীনস্থ কাশী বিদ্যপীঠত B.S.W. পঢ়ি থকা কেইজনমান ছাত্ৰই গঙ্গাৰ ঘাটত জন্মদিন এটা পালন কৰি উভতি আহোতে দেখা এটা অতি কৰুণ দৃশ্যই তেওঁলোকক এদিন বেচৰকাৰী সংস্থা (NGO) লৈ পৰিণত কৰিলে। তেওঁলোকে সেইদিনা দেখা কৰুণ দৃশ্যটো আছিল— মহিলাসহ ল'ৰা-ছোৱালী কিছুমানে এটা জাবৰৰ দ'মৰ পৰা খাদ্য বিচাৰি খাই থকা, য'ত একে ঠাইতে সেই একেখিনি দ'মত জন্তু কিছুমানেও খাদ্যৰ সন্ধানত জাবৰখিনি খুচৰি আছিল, সেই মৰ্মান্তি দৃশ্য দেখি তেতিয়াই ছাত্ৰকেইজনে সিদ্ধান্তত উপনীত হৈছিল যে সমাজৰ এই শ্ৰেণীটোৰ মানুহসকলৰ বাবে কিবা এটা

কৰিবলাগিব যাতে তেওঁলোকেও সাধাৰণ ভাৱে জীয়াই থাকিব পাৰে। এনেকৈয়ে HOPE ৰ জন্ম। ছাত্ৰসকলে গাঁৱৰ মহিলাসকলক সবলীকৰণ কৰাটোৰ প্ৰতি লক্ষ্য ৰাখি সক্ৰিয় ভূমিকা পালন কৰি আহিছে। NGO টোৰ সদস্যসকলে একো একোখন গাঁৱলৈ গৈ নিৰক্ষৰ মহিলাসকলক লিখা খিনি যেনে— আখৰ লিখা, চিনাক্তকৰণ কৰা, নিজৰ চহীটো কৰিব পৰাকৈ প্ৰথমে নিজক দক্ষ কৰি তোলা, তাৰোপৰি তেওঁলোকক শাৰীৰিক, মানসিক ভাৱে সবল কৰি তুলিবলৈ 'কাৰাটে' পৰ্যন্ত মাহ জোৰা প্ৰশিক্ষণ দিয়া হয়। প্ৰশিক্ষণ দিয়া মহিলাসকলৰ মাজৰ পৰা ২৫ গৰাকী মহিলাক বাছনি কৰি Green Group নামেৰে এটা গোট গঠন কৰা হয়। তেওঁলোকে পৰিধান কৰা বস্ত্ৰৰ ৰং Green। এই মহিলাসকলে বানাৰসৰ 'ঘুচিয়াডী নামৰ অতি পিছপৰি থকা গাঁৱখনলৈ গৈ বহুবছৰৰ পৰা চলি থকা জুৱা, মদৰ পৰা গাঁৱ খনক মুক্ত কৰিবলৈ সক্ষম হৈছিল আৰু গাঁৱখনৰ অন্ধকাৰ ময় পৰিবেশৰ পৰা বিজুলি সৰবৰাহ কৰিবলৈকো মহিলা সকল সক্ষম হৈছিল। বানাৰসৰ কাশী বিদ্যাপীঠ (BHU),দিল্লী বিশ্ববিদ্যালয় আৰু JNU য়ে একগোট হৈ NGO টোত কাম কৰি গৈছে।

উজনি অসমৰ মৰাণ সমষ্টিৰ ধেমেচী গাঁও পঞ্চায়তৰ অন্তৰ্গত অনগ্ৰহৰ গাঁৱখন হ'ল— তেলীয়া পথাৰ। গাঁৱখনৰ এক মূল লক্ষ্য হ'ল বহিঃৰাজ্যৰ মেচিন, উৎপাদিত গামোছা, বিক্ৰী বন্ধ কৰি গ্ৰাম্য মহিলাসকলক অৰ্থনৈতিক দিশত স্বাৱলম্বী কৰি গঢ়ি তোলা গামোছা উৎপাদনৰে। সেই অনুযায়ী গাঁৱৰ শিপিনী সকলক লৈ মাটিশাল স্থাপন কৰি, বয়ন শিল্পকৰ্মৰ শুভ আৰম্ভ কৰে চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহত থলুৱা শিল্প সংস্কৃতিক জীৱিত কৰাৰ উদ্দেশ্যেৰে। এই প্ৰতিষ্ঠানৰ উদ্যোক্তাসকল ধন্যবাদৰ পাত্ৰ। এই তেলীয়া পথাৰখন হ'ব এখন আদৰ্শ বস্ত্ৰ, শিল্পৰ গাঁৱৰ, ইতিমধ্যে এই কথা অলপতে চৰকাৰৰ হস্ততাঁত বস্ত্ৰ শিল্প বিভাগে ঘোষণা কৰিছে।

নামনি অসমৰ দৰং জিলাৰ অন্তৰ্গত ছিপাঝাৰ গ্ৰাম্য অঞ্চলৰ মহিলাই তাঁত শাল, বোৱা-কটা শিল্পত নিজকে নিয়োগ কৰি স্বাৱলম্বী হ'বলৈ কৰা প্ৰচেষ্টা সকলোৰে জ্ঞাত।

উত্তৰ পূব মহিলা উদ্যোগী নাৰী সংস্থাৰ (NEWER) উদ্যোগত গঢ়ি উঠা প্ৰদৰ্শনী সমূহত গ্ৰাম্য মহিলাৰ বোৱা-কটাৰ জৰিয়তে তৈয়াৰ কৰা সাজ-পোছাকে যথেষ্ট সমাদৰ লাভ কৰি আহিছে। গ্ৰাম্য উন্নয়ন বিভাগৰ প্ৰদৰ্শনী সমূহত গ্ৰাম্য নাৰীৰ উদ্যোগীকৰণ মনোভাৱ প্ৰকাশ পাইছে। মিচিং সমাজত বোৱা-কটাৰ জৰিয়তে নাৰীসকল লাহে লাহে স্বাৱলম্বী হ'ব পাৰিছে। গ্ৰাম্য মহিলাসকলৰ এনে অংশগ্ৰহণ অধিকাৰে তেওঁলোকক স্বাৱলম্বী কৰি তোলাৰ লগতে তেওঁলোক এনেদৰে আগবাঢ়ি অহা কাৰ্য্যটো এক শুভ লক্ষণ মহিলাসকলে নিজকে ক্ষুদ্ৰ উদ্যোগৰ জৰিয়তে স্বাৱলম্বী কৰি তুলিবলৈ লোৱা প্ৰচেষ্টা সমূহ পিঠা-পনা, জাম-জেলী, আচাৰ, আদি বিজ্ঞান সন্মত ভাৱে Packaging কৰিব লাগে, যাতে ই সংৰক্ষণ আৰু স্বাস্থ্য সন্মত হয়।

২০০৫ চনত স্থাপিত উজনি অসমৰ শিৱসাগৰ জিলাৰ কোঁৱৰপুৰ মৌজাৰ অন্তৰ্গত শান্তিপুৰ নামৰ গাঁও পঞ্চায়তৰ (Community Resoure person) CRP ৰ তত্বাৱধানত আত্মসহায়ক গোট, গঠন কৰি তাৰ জৰিয়তে ছাগলী farm, দুটা বোৱা-কটা কেন্দ্ৰ (Weaving centre) স্থাপন কৰা হয়, বৰ্তমানে চলি আছে। সেই অঞ্চলৰ মহিলা সকলৰ পূৰ্বতে চহী কৰিব পৰা দক্ষতা নাছিল। বৰ্তমানে চহী কৰি Bank A/C খুলি টকা পয়চাৰ সদ ব্যৱহাৰ কৰিব পৰা হৈছে। অৱশ্যে বৰ্তমাও টিপচহী কৰা মহিলা নথকা নহয়। সেই গাঁৱখন সম্পূৰ্ণৰূপে বান বিধস্ত এলেকা। সৰহ সংখ্যকে মেট্ৰিকৰ দেওনাখন পাৰ হোৱা এই অঞ্চলৰ মহিলা সকলৰ উদ্যোগীমূলক মনোভাবে নিৰক্ষৰতাক দূৰ কৰি স্বাৱলম্বী হ'বলৈ প্ৰয়াস কৰা চিন্তা ধাৰা সঁচাকৈয়ে আদৰণীয়।

পৰ্য্যায়ক্ৰমে এনেবোৰ কাৰ্য্যকলাপ আমাৰ সমাজৰ অনুন্নত মহিলাসকলক স্বাৱলম্বীতাৰ দিশত কিছু আশাৰ সঞ্চাৰ কৰিব পাৰে। সমাজখনৰ কিবা ধনাত্মক দিশত চিন্তা কৰাটো আমাৰ বাবে মহান পুণ্যৰ কাম। ◆

ফোন নং -৭০০২১-৬৯৯৫০

# ইছলামৰ দৃষ্টিত নাৰী

গোলেনা বেগম

আল্লাহতাআলাই তেওঁৰ সমস্ত সৃষ্টিৰ ভিতৰত মানুহক জ্ঞান-বুদ্ধি, বিচাৰ বিবেচনা কৰাৰ শক্তি প্ৰদান কৰি জীৱশ্ৰেষ্ঠৰূপে এই পৃথিৱীলৈ প্ৰেৰণ কৰিছে। তাৰ ভিতৰত আল্লাহৰ শ্ৰেষ্ঠৰ পৰা শ্ৰেষ্ঠতম সৃষ্টি হৈছে 'নাৰী'। প্ৰত্যেকগৰাকী নাৰীকে এনে একোখন মাতৃ হৃদয় প্ৰদান কৰিছে। যিখন সন্তানক নিঃস্বাৰ্থৰূপে ভালপোৱাৰ হৃদয় য'ত থাকে সন্তানৰ প্ৰতি অগাধ মৰম-চেনেহ। এই মৰম-চেনেহ, ভালপোৱাত নাথাকে কোনো স্বাৰ্থ, কোনো কৃত্ৰিমতা নিজৰ সন্তানৰ কিবা অপায়-অমঙ্গল হোৱাৰ আশংকা থাকিলে বা আকস্মিক কিবা বিপদ হ'লে মাতৃ হৃদয়ত যি ধৰফৰণি উঠে, যি এটা শিহৰণ জাগি উঠে সেইটো আন কাৰো অন্তৰত জাগি উঠিব নোৱাৰে।

আল্লাহতাআলাই মানুহ সৃষ্টি কৰি বৰ ভালপায়। তেওঁৰ ওঠৰ হাজাৰ মখলুকাত সৃষ্টি কৰোতে আটাইতকৈ শেষত মানুহ সৃষ্টি কৰিছে। মানুহৰ মগজুত আল্লাহতা আলাই ইমান শক্তি দিছে যাৰ দ্বাৰা জীৱশ্ৰেষ্ঠ মানুহে সকলো কাম কৰিব পাৰে। আল্লাহতাআলাই নাৰীজাতিৰ মগজুত এক বিশেষ শক্তিদিছে যি শক্তিৰ দ্বাৰা তেওঁ সন্তান-সম্ভৱা হ'ব পাৰে, নিজৰ পেটত ৯ মাহ ১০ দিন গৰ্ভধাৰণ কৰি সন্তান প্ৰসব কৰিব পাৰে। তাৰোপৰি নাৰীসকলক এক মহান কুদৰতী দান কৰিছে। এই মহান কুদৰতী হ'ল সন্তান জন্মৰ তাৰ আহাৰৰ ব্যৱস্থা মাতৃৰ শৰীৰত কৰি পঠিওৱা। এই আহাৰ অৰ্থাৎ স্তনৰ পৰা ওলোৱা গাখীৰ সন্তানৰ বাবে মহৌষধ। ইয়াক গৰম বা ঠাণ্ডা কৰিব নালাগে। আল্লাহতাআলাই ইয়াৰ উষ্ণতা ঠিক কৰি পঠিয়াইছে। ই সম্পূৰ্ণ বিশুদ্ধ। এয়া আল্লাহৰ ৰহমত। নবজাতক সন্তানৰ মুখলৈ চাই নিজৰ প্ৰসবৰ দুখ-কষ্ট সকলো ক্ষন্তেকতে পাহৰি মুখত সাফল্যৰ হাঁহি বিৰিঙি উঠে। এয়ে হ'ল নাৰীজাতিৰ ওপৰত আল্লাহতা' আলাৰ বিশেষ ৰহমত।

এই নাৰীসকলকে প্ৰাক ইছলামী যুগত অৰ্থাৎ হুজুৰ পাক (ছঃ)ৰ জন্মৰ সময়ত (জাহিলিয়াতৰ যুগত) পুৰুষ প্ৰধান সমাজে এটা অসহনীয় কলংক, জঞ্জাল বা বোজা বুলি ভাবিছিল। নাৰীসকলক কৰ্মময় জীৱনৰ পৰা আঁতৰাই ৰাখি এনে অন্ধকাৰ পথলৈ ঠেলি দিছিল য'ৰ পৰা উঠি আহি তেওঁলোকে জীৱনৰ উন্নতি কৰাৰ কোনো ৰাস্তাই নাছিল। পুৰুষ প্ৰধান আৰব সমাজে নাৰীসকলক বজাৰৰ পণ্য সামগ্ৰীৰ দৰে ব্যৱহাৰ কৰিছিল। নিজ পিতৃ-মাতৃ, আত্মীয়স্বজনেও কন্যা সন্তানসকলক এক অসহনীয় বোজা স্বৰূপ গণ্য কৰি জন্মতে জীয়াই জীয়াই পুতি থৈছিল। বজাৰত নাৰীসকলক মুকলিভাৱে বেচা-কিনা কৰিছিল। পুৰুষে তেওঁলোকক বজাৰৰ পৰা কিনি আনি দাসী হিচাবে ঘৰৰ কাম-কাজ কৰোৱাৰ উপৰিও নিজৰ কামনাৰ বলী কৰি লৈছিল। বিবাহিতা স্ত্ৰীক সামান্য কথাতে বা বিনা-দোষতে মাৰপিট কৰিছিল। আনকি একো একোটা সৰু দোষতে পত্নীসকলক তালাক পৰ্য্যন্ত

দিছিল। মুঠতে সেইসময়ত আৰবৰ লগতে প্ৰায়বোৰ দেশতে নাৰীসকলৰ অৱস্থা পোহনীয়া জন্তুতকৈ নিকৃষ্ট আৰু দুখলগা আছিল।

এই জাহিলিয়াতৰ যুগত মানুহে যেতিয়া ছয়তানৰ কবলত পৰি নিজৰ মনুষ্যতা হেৰুৱাই পেলাইছিল, নিজৰ সৃষ্টিকৰ্তাক পাহৰি গৈছিল তেতিয়াই মহান আল্লাহতাআলাই পৃথিৱীত তেওঁলোকক সংশোধন কৰি মানৱ চৰিত্ৰৰ পুনঃবিভূষিত কৰিবৰ বাবে শেষ নবী হজৰত মোহাম্মদ (ছঃ)ক দুনিয়ালৈ পঠিয়াই। লগতে শেষ ধৰ্মগ্ৰন্থ ‘কোৰআন শ্বৰীফ তেখেতৰ ওপৰত নাযিল কৰি নবী (ছঃ)ৰ দ্বাৰা পৃথিৱীত সৰ্বশেষ আৰু সৰ্বশ্ৰেষ্ঠ দ্বীণ-ইছলাম প্ৰচাৰ কৰিলে। ইছলাম ধৰ্মই নাৰীসকলক পুৰুষৰ দায়ত্বৰ অন্ধকাৰময়, জগতৰ পৰা তুলি আনি সামাাজিক জীৱনত সৰ্বময় অধিকাৰ প্ৰদান কৰি পুনৰ প্ৰতিষ্ঠিত কৰে। নাৰী সম্পৰ্কে থকা মানুহৰ ভ্ৰান্ত ধাৰণা আতৰাই নাৰীজাতিক সমাজত এক উচ্চস্থান প্ৰদান কৰে। কাৰণ আল্লাহতা আল্লাই নাৰীসকলক পুৰুষৰ দ্বাৰা লাঞ্চিত-অবহেলিত হ’বৰ বাবে সৃষ্টি কৰা নাই। হুজুৰ পাক (ছঃ)এ নাৰীৰ মৰ্যাদাৰ প্ৰতি সদায় তীক্ষ্ণ দৃষ্টি ৰাখিছিল। নাৰী নিৰ্য্যাতনৰ কা শুনিলে তেওঁ খঙত জ্বলি উঠিছিল। তেওঁলোকৰ মান-সন্মান ৰক্ষাৰ বাবে হুজুৰ পাক (ছঃ) সদায় তৎপৰ আছিল। তেখেতে নিজৰ জীৱনত পত্নীসকলক মাৰধৰ কৰা দূৰৰ কথা টান কথা শুনোৱাৰো কোনো দৃষ্টান্ত নাই। হুজুৰ পাক (ছঃ) নাৰীৰ মান আবৰুৰ হিফাজতৰ প্ৰতি সদা সতৰ্ক আছিল সেই সময়ত আৰবৰ মানুহবোৰ ভীষণ জেদী অকৰা আৰু প্ৰতিশোধ পৰায়ণ আছিল। সিহঁত ইমানেই অকৰা আছিল যে নিজৰ হাতত থকা তৰোৱালখনৰ ধাৰ পৰীক্ষা কৰিবৰ বাবে নিজৰ দাস বা বাটৰ এজনক মাতি ডিঙিত সেই তৰোৱালৰে ৰেপি ধাৰ পৰীক্ষা কৰিছিল। মনত যিটো কৰিম বুলি ভাবিছিল তাক কৰিহে এৰিছিল। নিজে প্ৰতিশোধ ল’ব নোৱাৰিলে সন্তানক সেইসকলৰ ওপৰত প্ৰতিশোধ ল’বলৈ কৈ গৈছিল।

যি আৰবজাতিয়ে ছোৱালী জন্ম হোৱাটো এক লাজৰ বা শাস্তিৰ কথা বুলি ভাবিছিল সেই জেদী, অকৰা জাতিটোৱে হুজুৰ পাক (ছঃ)ৰ চেষ্টাত নাৰী সম্পৰ্কে থকা তেওঁলোকৰ ভূল ধাৰণাৰ পৰিবৰ্তন ঘটায়। নাৰীক এক উচ্চ স্থান প্ৰদান কৰে। হুজুৰ পাক (ছঃ)এ ঘোষণা কৰে ‘মাতৃৰ ভৰিৰ তলত সন্তানৰ বেহেস্ত।’

নাৰীসকলৰ শিক্ষাৰ ক্ষেত্ৰত হুজুৰ পাক (ছঃ) আছিল আগ্ৰহী। নাৰীৰ শিক্ষাগ্ৰহণৰ প্ৰতি তেওঁ বিশেষ অনুৰাগী আছিল। ইছলামী যুগত অনেক মুছলমান মহিলাই নিজৰ শিক্ষা, জ্ঞান-গৰিমা, বিদ্যা-বুদ্ধিৰ দ্বাৰা শিক্ষাৰ আসন কৃতকাৰ্য্যতাৰে অলংকৃত কৰি গৈছে। তাৰ ভিতৰত নবীপত্নী হজৰত আয়েছা চিদ্দিকা (ৰাঃ) অন্যতম। তেখেত বিশুদ্ধ হাদীছ সংকলন কাৰী আৰু প্ৰকৃত বৰ্ণনাকাৰীৰূপে জনাজাত। হজৰত আয়েছা চিদ্দিকা (ৰাঃ)ৰ দ্বাৰা দুই হাজাৰ দুশ দহটা বিশুদ্ধ হাদীছ বৰ্ণিত হৈছিল। তেওঁ মুছলিম ৰমণীকুলৰ আদৰ্শ। ইছলামী জ্ঞান অৰ্থাৎ কোৰআন হাদীছ আৰু অন্যান্য বিদ্যাত প্ৰধান চাহাবীসকলৰ সমকক্ষ আছিল। তৃতীয় খলিফা হজৰত ওচমান (ৰাঃ) শ্বহীদ হোৱাক কেন্দ্ৰ কৰি সংঘটিত ‘উটৰ যুদ্ধত’ নবীপত্নী হজৰত আয়েছা চিদ্দিকা (ৰাঃ)ই নেতৃত্ব বহন কৰিছিল। তাৰোপৰি এই যুগতে হজৰত ৰাবিয়া বছৰী ইতিহাস প্ৰসিদ্ধ বিখ্যাত আউলীয়া সকলৰ মাজৰ এগৰাকী আছিল। হুজুৰ পাক (ছঃ)ৰ জীৱিত কালতো বহুতো মুছলমান মহিলাই যুদ্ধত অংশগ্ৰহণ কৰি নিজৰ বীৰত্বৰ পৰিচয় ডাঙি ধৰিবলৈ সক্ষম হৈছিল।

আজি গোটেই বিশ্বত নাৰী স্বাধীনতাৰ বিষয়ে যি আলোচিত হৈছে, নাৰীৰ অধিকাৰৰ বাবে চাৰিওফালে যি দাবী উত্থাপিত হৈছে প্ৰকৃততে ইছলামত ১৪০০ বছৰ

আগতেই  নাৰী আৰু পুৰুষৰ সম অধিকাৰৰ কথা উল্লেখ আছে। নাৰী স্বাধীনতা আৰু সম অধিকাৰৰ ওপৰত পোন প্ৰথমে ইছলামেই আলোকপাত কৰে। হুজুৰ পাক (ছঃ) এ নাৰীৰ মান-মৰ্যাদাৰ প্ৰতি নিজেও সতৰ্ক দৃষ্টি ৰাখিছিল আৰু চাহাবীসকলকো নাৰীসকলৰ কল্যাণৰ বাবে বিশেষ যত্নপৰ হ'বলৈ নিৰ্দেশ দি গৈছে। ইছলামে নাৰীক আবুৰৰ মাজেৰে ঘৰৰ বাহিৰলৈ গৈ বজাৰ সমাৰ, বেহা-বেপাৰ কৰিবলৈ, শিক্ষাগ্ৰহণ কৰিবলৈ, আত্মীয় স্বজনক সাক্ষাৎ কৰিবলৈ অনুমতি দিছে।

এতিয়া কথা হ'ল ইছলামে নাৰীক যি মান মৰ্যাদা প্ৰদান কৰিছে, যি স্থান দিছে তাৰ কৃতজ্ঞতা স্বৰূপে আমি ইছলামত প্ৰবৰ্তিত ৰীতি-নীতি পালন কৰি সেইমতে জীৱন-যাপন কৰিব লাগিব। নিজৰ সতি-সন্তান, পৰিয়ালবৰ্গৰ লগতে সমাজক এক সুস্থ পৰিবেশ দিবলৈ যত্ন কৰিব লাগিব। সাধাৰণতে আজিকালি লৰা-ছোৱালীবোৰে মিডিয়া, ইন্টাৰনেটৰ দ্বাৰা প্ৰভাম্বিত হৈ তীব্ৰগতিত বহু দুৰলৈ যাব পাৰিছে। আগৰ দৰে সিহঁতক এইটো কৰিবা  এইটো নকৰিবা বুলি কলে এনেবোৰ কথা সহজে মানি ল'ব টান পায়; যুক্তি বিচাৰিব। গতিকে আমি মাতৃসকলে সিহঁতক ভাল-বেয়াৰ বিষয়ে কোৱাৰ আগতে নিজে আমি সেই বিষয়ে জানিব লাগিব। লৰা-ছোৱালীক সৎ চৰিত্ৰবান , শিক্ষিত কৰি তুলিবলৈ ঘৰখন, সমাজখন সুস্থভাবে আগবঢ়াই নিয়াৰ নাৰীৰ এই বিষয়ত জ্ঞান থাকিব লাগিব। অভিজ্ঞতা অৰ্জন কৰিব লাগিব। শিক্ষা হৈছে এনে এটা প্ৰক্ৰিয়া যাৰ যোগেদি এগৰাকী নাৰীয়ে তেওঁৰ শাৰীৰিক, মানসিক, আধ্যাত্মিক, সামাজিক আৰু আবেগিক বিকাশ ঘটাব পাৰে। বিভিন্নজনৰ লগত হোৱা কথা-বাৰ্তা, ভ্ৰমণ, কৰ্মস্থান, ধৰ্মানুস্থান, সমাজ আদিৰ যোগেদি পোৱা অভিজ্ঞতাও শিক্ষা। ইছলামত নাৰীক ইমান মৰ্যাদা সত্বেও আজি নাৰীসকল সকলো ক্ষেত্ৰতে বহু পিচপৰা। ইয়াৰ প্ৰকৃত কাৰণ হ'ল সু-শিক্ষাৰ অভাৱ। প্ৰতি গৰাকী নাৰীয়ে নিজে সু-শিক্ষিত হলেহে আনক শিক্ষা দিব পাৰিব। নিজৰ সন্তানক সু-শিক্ষাৰে শিক্ষিত কৰি নেক দ্বীনদাৰ কৰি তুলিব পাৰিলে দুনিয়া আৰু আখিৰাত এই দুই জাহানতে সাফল্য হব পাৰিব, সেই সন্তান তেওঁৰ বাবে ছদকায়ে জাৰিয়া হ'ব। দহৰ উপকাৰত আহিব। সেয়েহে নাৰী সকলে সামাজিক দুৰাৱস্থা সলনি কৰিবলৈ সচেষ্ট হ'ব লাগিব। সমাজত হৈ থকা ব্যাভিচাৰ আতৰাবৰ বাবে উঠি পৰি লাগিব লাগিব। কিন্তু ইছলামৰ  দৃষ্টিত সময়ৰ পৰিবৰ্ত্তনৰ লগত খোজ মিলাবলৈ গৈ নিজৰ আবৰু বিনষ্ট কৰাটো কেতিয়াও গ্ৰহণযোগ্য নহয়। সাজ-পাৰৰ ক্ষেত্ৰত নব-প্ৰজন্মই ক্ৰমান্বয়ে যেন আকৌ প্ৰাক ইছলামী যুগলৈ গতি কৰি আছে। এইবোৰৰ প্ৰতি প্ৰতিগৰাকী মাতৃ সতৰ্ক হব লাগিব, তীক্ষ্ণ দৃষ্টি ৰাখিব লাগিব। এগৰাকী নেক নাৰী ৭০ জন আউলিয়াতকৈ শ্ৰেষ্ঠ বুলি হাদীছত উল্লেখ আছে। 'নেপোলিয়েন বোনাপাৰ্টে কৈছিল' মোক এগৰাকী শিক্ষিত নাৰী দিয়া মই তোমালোকক এটা শিক্ষিত জাতি দিম।" ◆

ফোন ঃ ৯৮৬৪০-৫৮০৪৫

জীৱনৰ ডাঙৰ বিপদ বা সংকটৰ সন্মুখীন হ'বলৈ মানুহৰ যিমান সাহস লাগে, তাতকৈ বহু বেছি সাহসৰ প্ৰয়োজন হয় সঘনে ঘটি থকা সৰু সৰু বিপদ বা সংকটৰ সন্মুখীন হ'বলৈ।

ঈছপ

# নিকা নিৰ্বাচনৰ ওপৰতহে নিৰ্ভৰ কৰে গণতন্ত্ৰৰ ভৱিষ্যৎ

মফিদুল ইছলাম

আমাৰ ল'ৰালি কালত-- প্ৰাথমিক পৰ্যায়ত পঢ়ি থকাৰ সময়তেই --এক তীব্ৰ আন্দোলনৰ চাক্ষুস ছবি প্ৰত্যক্ষ কৰা মনত আছে। তেলনগৰী ডিগবৈৰ ইতিহাসত ই এক বিৰল ঘটনা বুলি ক'লেও বঢ়াই কোৱা নহ'ব। ব্ৰিটিছৰ দ্বাৰা পৰিচালিত তেতিয়াৰ অসম অইল কোম্পানীৰ (এ অ' চি) বৰমূৰীয়াসৰৰ মূৰৰ কামোৰণি আছিল-- এ অ' চি লেবাৰ ইউনিয়ন। প্ৰশাসনত দেখা দিয়া শোষণৰ বিপক্ষে মাত মাতি যেনে জনজাগৰণ সৃষ্টি হৈছিল-- আমাৰ শিশু মনত তাৰ প্ৰভাৱ ভালকৈয়ে পৰিছিল বুলি আজিও অনুভৱ কৰো। এইটো সৰ্বজনবিদিত যে কোনো জাতিয়েই হওক, অথবা উপ-জাতিয়েই হওক -- লাগিলে তাৰ অৰ্থনৈতিক ভেটি চকুত লগাকৈ উন্নত নহওক-স্বাভিমানৰ তুলাচনীত সেই অৰ্থনৈতিক ব্যৱস্থাই পোনছাটে নিৰ্ণায়ক ভুমিকা ল'ব নোৱাৰে, জাতীয়তাবোধৰ তীব্ৰ চেতনা সমাজৰ প্ৰত্যেক ব্যক্তিৰ দ্বাৰা গঠিত এক স্বকীয় সম্পদ আৰু ইয়াৰ সুকীয়া মৰ্যাদা থাকে। এই সম্পদত নিহিত থাকে ব্যক্তিগৰাকী বাস কৰা ঠাইখনৰ গৰিমা, অতীত ইতিহাস, নিহিত থাকে, ব্যক্তিগৰাকীৰ ভাষা, কলা-সংস্কৃতিৰ কথা, নিহিত থাকে মাটিৰ গোন্ধ, আৰু বায়ু পানীৰ কথা। ইবোৰত কেনেবাকৈ যদি বাহিৰা শক্তিৰ প্ৰভাৱ পৰিবলৈ ধৰে অথবা উল্লিখিত সম্পদৰাজিৰ শৃংখলিত প্ৰক্ৰিয়াত আউল লগাৰ চিন প্ৰতীয়মান হয়, তেতিয়াই সৃষ্টি হ'বলৈ ধৰে সংঘাতৰ। সংঘাতৰ পৰা উদ্ভৱ আন্দোলনে নমাই আনে সমাজ-জীৱনলৈ আউল। এই আউল বিয়পিব পাৰে অৰ্থনৈতিক ক্ষেত্ৰখনত, বিয়পিব পাৰে সমানে ৰাজনৈতিক ক্ষেত্ৰখনতো। ইতিহাসৰ পাত লুটিয়ালে আমাৰ দৃষ্টি নিৰদ্ধ হয়, বিভিন্ন সময়ত এই আউল দূৰ

কোন ভাষাতত্ত্বজ্ঞৰ মন-মগজুত কেতিয়া কি পৰিস্থিতিত 'জোঁৰ পুৰি হাত পালেহি'- প্ৰবচন ফাকিৰ উদয় হৈছিল, ঠাৰৰ কৰিবলৈ আজিৰ তথ্য-প্ৰযুক্তিৰ কোবাল গতিত প্ৰসাৰিত হ'বলৈ ধৰা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত উদ্‌ঘাটন কৰিবলৈ টান নহয় বুলি ক'লে নিশ্চয় সত্যৰ অপলাপ কৰা নহ'ব।

সাম্প্ৰতিক অসম ৰাজ্যৰ ৰাজনৈতিক দিশত এই প্ৰবচন ফাকিৰ যথেষ্ট গুৰুত্ব আছে। আমাৰ গণতান্ত্ৰিক ব্যৱস্থাৰ উল্লেখযোগ্য কথাটো হৈছে আমাৰ পাঁচ বছৰৰ অন্তৰে অন্তৰে অনুষ্ঠিত হোৱা নিৰপেক্ষ,নিকা গণভোট, এই গণভোটত আমাৰ মানসিকতাৰ ৰূপৰেখা স্পষ্ট ৰূপত প্ৰকাশ পায়। ইতিমধ্যে আৰম্ভ হৈছে ৰাজনৈতিক কুচকাৱাজ। দলীয় নীতি-নিৰ্ধাৰণ প্ৰক্ৰিয়াকে সামৰি এইক্ষেত্ৰত সম্পৃক্ত কাৰকবোৰ বাৰিষা ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতসদৃশ ৰূপ গ্ৰহণ কৰা পৰিলক্ষিত হ'ব ধৰিছে। এয়া আমাৰ যোৱা তিনিকুৰি বছৰে দেখা অভিজ্ঞতাৰ কথা।

ভিন্ন ভাষা-জাতি -ধৰ্ম-গোষ্ঠিৰে গঠিত আমাৰ ৰাজ্যৰ নাগৰিকৰ ৰাজনৈতিক চিন্তাপুষ্ট ভাৱধাৰাৰ ছবিখন তুলনামূলক ভাৱে ভাৰবৰ্ষৰ আন ৰাজ্যৰ স'তে নিমিলে বুলি ধৰে। আমাৰ অন্যতম বৈশিষ্ট্য হ'ল আমাৰ উদাৰতা। এই উদাৰতা আমাৰ জাতি গঠন প্ৰক্ৰিয়াত কিমানখিনি সহায়ক হৈছে সেয়া বিচাৰ্যৰ বিষয় বুলি অনুভৱ কৰো। দেশ স্বাধীন হোৱাৰ পিচত সূক্ষ্মভাৱে পৰীক্ষা কৰিলে অন্যান্য ৰাজ্যবোৰৰ তুলনাত আমাৰ ৰাজ্যৰ বিকাশৰ ক্ষেত্ৰত বৰ সন্তোষজনক চিত্ৰ আমাৰ নপৰে বুলিয়েই ক'ব পাৰি। ইয়াত বিকাশৰ ধাৰা ঘটি আছে পলমকৈ। শোষণৰ মাত্ৰাও প্ৰাক্-স্বাধীনতা কালছোৱাত বৰ্ত্তী থকাৰ দৰেই চলি আছে বুলি ক'ব পাৰি।

কৰা পদ্ধতি বেলেগ বেলেগ। ৰাজতন্ত্ৰ চলি থকা দেশ এখনত এই আউলৰ যি চৰিত্ৰ, গমতান্ত্ৰিক ব্যৱস্থা চলি থকা দেশত ই একেই নহ'বও পাৰে। সেইদৰে, মহাভাৰতৰ শকুনিৰ চতুৰ ৰাজনৈতিক বিচক্ষণতাসৃশ কাৰ্যকলাপৰো আজিৰ সময়তো পুনৰাবৃত্তি ঘটা, ৰামায়ণৰ যুগত কৈকেয়ীৰ মন্ত্ৰণা, মধ্যপ্ৰাচ্যৰ কাৰবালাৰ আঁৰৰ কাহিনীকে ধৰি মিৰজাফৰ, বদন বৰফুকন চিন্তাধাৰা, কাৰ্যকলাপত নিহিত থকা ক্ষমতালিস্পা আজিও পৰিলক্ষিত নোহোৰা নহয়।

স্বাধীনতা লাভ কৰা তিনি বছৰকাল অতিক্ৰম কৰাৰ পিচতহে সমগ্ৰ ভাৰতবৰ্ষ তথা আমাৰ এই প্ৰান্ততো 'গণতন্ত্ৰ' শব্দটি পোখা মেলিবলৈ ধৰে। গণতন্ত্ৰই জাতিটোৰ স্বাভিমানৰ গতিধাৰা বিঘ্নিত নোহোৰাৰ ব্যৱস্থা কৰি দিছে। এই ব্যৱস্থা নিয়াৰিকৈ চলি থাকিলেই সকলো ঠিকেই থাকে বুলি আমি জানো। কিন্তু ভাষা-ধৰ্ম-কৃষ্টি-সংস্কৃতিৰ সংমিশ্ৰণত গঢ় লৈ উঠা সামাজিক ব্যৱস্থাত কেতিয়াবা ইয়াৰ বিপৰীত ছবি প্ৰত্যেক্ষ কৰা যায়। সাধাৰণতে নিৰ্বাচনৰ প্ৰাক্ক্ষণত সাধাৰণ মানুহৰ আৱেগক লৈ হেতালি খেলা কিছুমান ৰাজনৈতিক দলৰ কাৰ্যকলাপ সামাজিক স্থিৰতাত আউল লগা ধৰণৰ পৰিৱেশ গঢ় লোৱাৰ উপক্ৰম হ'লেহ সচেতনমহল সক্ৰিয়া হোৱাটো নিতান্তই বাঞ্জনীয় বুলি অনুভৱ কৰো। পাণ-তামোলৰ দোকানৰ পৰা আৰম্ভ কৰি বাতৰি কাকত বিক্ৰেতাকে সামৰি সু-সজ্জিত বহা কোঠাত ইয়াৰ প্ৰভাৱ বিস্তাৰ হোৱা পৰিলক্ষিত হয়। দূৰদৰ্শনৰ ভিন্ন চেনেলৰ আলোচনা তথা বাতৰি  কাকতত প্ৰকাশিত চিন্তাপ্ৰসূত লেখাবোৰেও এই প্ৰক্ৰিয়াত সাৰ-পানী যোগোৰা মন কৰা যায়। ৰাইজৰ পদুলিত পদাৰ্পণ কৰি নিজস্ব আঁচনি,কথা,আদৰ্শ উপস্থাপন কৰি ৰাইজৰ মন জয় কৰাৰ কৌশল প্ৰস্তুত কৰা পাচঁ বছৰৰ মূৰে মূৰে ঘটা কুচকাৱাজবোৰ একো নতুন কথা নহয়।

ৰাইজৰ আৱেগ-অনুভূতিৰ স'তে ৰাজনীতিৰ ওতপ্ৰোত সম্বন্ধ সৰ্বজনবিদিত, সৰ্বজনবিদত হ'লেও ভাত-কাপোৰ, বাসস্থানৰ চিন্তাই কোঙা কৰা এচাম মানুহৰ আৱেগ-অনুভূতি কিন্তু ৰাজনীতিক কিছুমানৰ বাবে বহুমূলীয়া আহিলা বুলি ভবাৰ থল আছে। যোৱা ষাঠি বছৰতকৈও অধিক কাল পাৰ হোৱাৰ পিচতো এই পৰিস্থিতিৰ কিবা উল্লেখযোগ্য পৰিৱৰ্তন হৈছে জানো? সচেতনজনৰ মনত এনে প্ৰশ্ন উদয় হোৱাৰ থল আছে বুলি অনুভৱ কৰোঁ।

সংখ্যাগুৰু,সংখ্যালঘু, জাতি, জনজাতি আৰু ভিন্ন ভাষা-ধৰ্মৰ আলম লৈ মনোদ্ৰাহী ব্যাখ্যাসহ চিত্ত হৰণকাৰী বাগ্মিতা প্ৰদৰ্শনেৰে নিৰ্বাচনকালীন বক্তৃতাবোৰৰ কোনবিধ গ্ৰহণীয়, কোনবিধ বৰ্জনীয়, কোনবিধ জাতীয় জীৱনৰ বাবে মংগলদায়ক, কোনবিধ তাৰ বিপৰীতে বিপজ্জনক- পুংখানুপুংখ, যুক্তিনিষ্ঠ অধ্যয়ন আৰু নিৰ্মোহ পৰ্যালোচনা সৰ্বসাধাৰণ ৰাইজৰ বাবে অতি আৱশ্যক বুলিও অনুভৱ কৰো। এনেদৰেই বিকল্প ব্যৱস্থাৰ প্ৰতি সৰ্বসাধাৰণৰ মন ঢাল খাব ধৰে বুলি মনে ধৰে।

অতীতৰ তিতা অভিজ্ঞতা মানুহক সচেতন কৰাত সহায়ক হয়। ৰাজনীতিকৰ মিছা প্ৰলোভন সৰ্বসাধাৰণৰ বাবে খন্তেকীয়া সন্মোহনহে হ'ব পাৰে। দীৰ্ঘকালীন হোৱাৰ লক্ষণ পৰিলক্ষিত নহয়। এই দিশত এইটোও ক'ব পাৰি গঠনমূলক কামৰ দ্বাৰা বহু ৰাজনীতিক সৰ্বসাধাৰণৰ মাজত যাউতিযুগীয়া হোৱাৰ উদাহৰণো দেধাৰ আছে। আমি সততে শুনোঁ,টেঙা আম দুনাই বেচিব নোৱাৰি - লংকালৈ যিয়ে যায় সি ৰাৱণ হয়। তথ্য প্ৰযুক্তিৰ চমকপ্ৰদ উন্নয়নৰ প্ৰভাৱত সৃষ্ট জখলাত আৰোহণ কৰি এনেবোৰ কথাৰ স'তে সুৰ মিলাই বিবেকৰ আহ্বানৰ প্ৰতি সঁহাৰি দিয়াৰ মানসিকতাৰ গঢ় লৈ উঠাৰ সময় সমাগত বুলি ভবাৰ থল আছে।

শৃংখলিত সমাজ ব্যৱস্থা গঢ়িবলৈ কোনবোৰ কাৰক হোৱা উচিত, সুস্থিৰভাৱে ভাবিহে নিৰ্বাচনী ৰণ জিকিবলৈ কুচকাৱাজ কৰাসৰক চিনাক্ত কৰিব লাগে বুলি মনে ধৰে। এনে চিন্তা পলমকৈ কৰিবলৈ ল'লে 'জোঁৰ পুৰি হাত পোৰা' অৱস্থাৰ সৃষ্টি হৈ অধিক ক্ষতি হোৱাৰ চিন প্ৰকট হোৱাৰ আগতেই আমি সৰ্তক হোৱা বাঞ্চনীয় বুলি অনুভৱ কৰোঁ। ◆

ফোন ঃ ৯৮৬৪১-১৬৪৪৮

# সজল নয়নেৰে মৰহুমা মাৰ স্মৃতিত

হাচান ছৰিফ আহমদ, ডিব্ৰুগড়

আহোম স্বৰ্গদেউসকলৰ ৰাজত্ব কালত মুছলিম ৰজা-মহাৰজাৰ পৰা তেওঁলোকৰ ৰাজ্যলৈ প্ৰদান কৰা নথি-পত্ৰ সমূহ সাধাৰণতে ফাৰ্চী ভাষাত আহিছিল। সেইদৰে উক্ত নথি-পত্ৰসমূহৰ সদুত্তৰ ফাৰ্চী ভাষাতে লিখিব লগাত পৰিছিল। উক্ত নথি-পত্ৰ সমূহৰ আদান-প্ৰদান সুকলমে ৰূপায়িত কৰাৰ লক্ষ্যৰে ৰুদ্ৰসিংহ স্বৰ্গদেৱে বিদেশৰ পৰা ফাৰ্চী ভাষাত ব্যুৎপত্তি থকা এটি পৰিয়াল অসমলৈ আনে। উক্ত পৰিয়ালটোৱে অসমতে নিগাজিকৈ বসবাস কৰে। উক্ত পৰিয়ালৰ নাতি-পুতি তথা ফাৰ্চী বংশ পৰিয়ালসকল ফাৰ্চীপৰীয়া বুলি পৰিগণিত হ'ল।

উক্ত ফাৰ্চী পৰীয়াবংশৰে আজোনাতি হ'ল— বৃটিছ যুগৰ যোৰহাটৰ এগৰাকী প্ৰতাপী দাৰোগা, যিগৰাকী ৰাইজৰ মাজত ৰচিদ দাৰোগা বুলি জনাজাত আছিল। ৰচিদ দাৰোগাৰ বাসগৃহৰ অৱস্থান আছিল যোৰহাটৰ ৰজাবাৰী অঞ্চলত। উল্লেখযোগ্য যে ৰছিদ দাৰোগাই চৰকাৰী কৰ্মত মৰিয়নী আদিৰ দিশে যাবলগীয়া হ'লে তেওঁৰ বাসগৃহৰ আগেদি অহা-যোৱা কৰা যাত্ৰীবাহী ৰেইল খন এক মিনিট সময় তেওঁৰ বাবে ৰখাবলগীয়া হৈছিল।

ৰচিদ দাৰোগাৰ বৰপুত্ৰ হ'ল পজিৰুদ্দিন আহমদ— এগৰাকী জ্ঞানী-গুণী ব্যক্তিত্বপূৰ্ণ পুৰুষ। বৃত্তিত তেওঁ কলকতাৰ উচ্চ ন্যায়ালয়ৰ এগৰাকী উপ ন্যায়াধীশ ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ অকালতে ইহলীলা ত্যাগ কৰে। উল্লেখযোগ্য যে মৃত্যুৰ দিনাই তেওঁলৈ ন্যায়াধীশলৈ পদোন্নতি হোৱাৰ পত্ৰ আহিছিল। পজিৰুদ্দিন চাহেবে কলকতাৰ পাৰ্কষ্ট্ৰীটৰ মমিন মঞ্জিলত বসবাস কৰিছিল।

পজিৰুদ্দিন চাহেবৰ বৰজী মৰহুমা চালেহা চুলতানা আহমদ (মেহদী) চাহেবা আছিল তেখেতৰ সুযোগ্যা জী তথা আমাৰ মাতৃ। আমাৰ আয়ে ১৯১৮ চনৰ ফাগুণ মাহৰ দিন এটাতে জন্ম গ্ৰহণ কৰে। স্বাভাৱিকতে ২০১৮ বৰ্ষত তেওঁৰ জন্মৰ ১০০ বছৰ সম্পূৰ্ণ হ'ল।

আমাৰ মাতৃয়ে কলকাতাৰ সেই সময়ৰ মৰ্যদা সম্পন্ন বিদ্যালয় শ্বাখাৱত মেমৰীয়েল স্কুলত অধ্যয়ণ কৰিছিল। এদিন হঠাৎ আমাৰ নানা পজিৰুদ্দিন চাহাবৰ পৰিয়াললৈ শোকৰ ছাঁ নামি আহিল। আমাৰ নানীয়ে অকালতে মৃত্যুক সাৱটি ল'লে। ফলস্বৰূপে কিশোৰী কন্যা গৰাকী অকলশৰীয়া হ'ল। উপায়হীন হৈ নানাই আমাৰ মাতৃক ১৪ বছৰ বয়সতে বিয়া দিবলৈ বাধ্য হয়। সেই সময়ত আমাৰ মাতৃ অষ্টম শ্ৰেণীত অধ্যয়ণৰত আছিল।

অসমৰ এটি সৰ্বজন পৰিচিত বংশ হ'ল— বাঘ হাজৰিকা বংশ। সেই বংশৰ আদি পুৰুষ মহাবীৰ লাচিত বৰফুকনৰ পালিনেতা-ইছমাইল চিদ্দিকী ওৰফে বাঘ হাজৰিকাৰ দশম প্ৰজন্মৰ আজো নাতি দিয়ানউদ্দিন আহমদ (সোণ কোঁৱৰ) আছিল আমাৰ অতি শ্ৰদ্ধাৰ পিতৃ। বৃটিছ চৰকাৰে ডিব্ৰুগড় নগৰ স্থাপন কৰাৰ সময়ত চৰকাৰী কাম-কাজৰ বাবে ইংৰাজী ভাষাত জ্ঞান থকা বাঘ হাজৰিকাৰ কেইবাটাও পৰিয়াল যোৰহাটৰ পৰা ডিব্ৰুগড়লৈ আনি

ব্ৰহ্মপুত্ৰৰ পাৰৰ এটা বিৰাট অঞ্চলত সংস্থাপিত কৰে। উক্ত এলেকা যোৰহাট পট্টি বুলি পৰিচিত হ'ল। আমাৰ ককা মৰহুম হাফিজউদ্দিন আহমদ চাহেব আৰু আজো ককা মৰহুম হেমিদুল্লাহ চাহেব উক্ত বাঘ হাজৰিকা পৰিয়াল সমূহৰ মাজৰে এটা ঠাল আছিল।

আমাৰ পিতৃয়ে কলকাতা বিশ্ববিদ্যালয়ৰ পৰা বিজ্ঞান বিভাগত স্নাতক আৰু ঢাকা বিশ্ববিদ্যালয়ৰ পৰা বি. টি. ডিগ্ৰী লাভ কৰে। প্ৰথমে তেওঁ ডিব্ৰুগড়ৰ চৰকাৰী হাইস্কুলত শিক্ষকতাৰ বৃত্তিত যোগদান কৰিছিল যদিও পাচলৈ ডিব্ৰুগড়ৰ প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়সমূহৰ সহকাৰী পৰিদৰ্শকৰূপে কাৰ্যনিৰ্বাহ কৰে। ১৯৫৩ চনত গোৱালপাৰাৰ উপপৰিদৰ্শক ৰূপে যোগদান কৰিয়ে ৫০ বছৰ বয়সত হঠাতে মৃত্যুক আঁকোৱালি লয়।

ওপৰোক্ত ফাৰ্চীপৰীয়া বংশৰ এটি পৰিয়াল আৰু বাঘ হাজৰিকাৰ বংশৰ এটি পৰিয়ালৰ মাজত চালেহা চুলতানাৰ (আমাৰ মাতৃ) মাজত শুভ-বিবাহ সম্পন্ন হয়। আমাৰ পিতৃ আৰু মাতৃৰ আমি চাৰি পুত্ৰ, বৰপুত্ৰ মই, দ্বিতীয় গৰাকী আছিল মহচিন ছবিৰ আহমদ (৬২ বছৰ বয়সত তেওঁ ঢুকাল), তৃতীয় গৰাকী চেহিৰ আহমদ আৰু চতুৰ্থ গৰাকী চেগিৰ আহমদ। আমাৰ পিতৃৰ অকাল বিয়োগৰ পৰলৈকে আমাৰ পৰিয়ালটিয়ে সুখ-স্বাচ্ছন্দ্যৰ মাজেদিয়ে জীৱন অতিবাহিত কৰিছিলো।

প্ৰসংগতে উল্লেখ কৰিছো-আমাৰ মাতৃয়ে কলকাতাত থাকোতে ৰবীন্দ্ৰ সংগীতৰ চৰ্চা কৰিছিল- ঘৰত গানৰ শিক্ষকে প্ৰশিক্ষণ দিছিল। আমাৰ মাতৃ বিয়া হৈ ডিব্ৰুগড়লৈ আহোঁতে নানাই লগত এটা বিৰাট আকাৰৰ হাৰমনিয়াম পথাই দিছিল। আজি মোৰ মনত পৰিছে আমাৰ মাতৃয়ে হাৰমনিয়াম বজাই ৰবীন্দ্ৰ সংগীত গোৱা। সেই সময়ত মোৰ বয়স ১০-১১ বছৰ মান আছিল। তেওঁ বেছিকৈ গোৱা শুনিছিলো (বোধকৰো তেওঁৰ সেইগীতটো প্ৰিয় আছিল) 'অন্তৰ মম বিতশিত কৰ অন্তৰ তবহে/ নিৰ্মল কৰ সুন্দৰ কৰ, উজ্বল কৰ হে।'

এইখিনিতে উল্লেখযোগ্য যে সাধাৰণতে পতি-পত্নীৰ মাজত সংঘটিত মনোমালিন্য বা কাজিয়া পেচাল আমাৰ পিতৃ-মাতৃৰ মাজত দেখা মনত নপৰে। আমাৰ মাতৃ অতি সহজ-সৰল প্ৰকৃতিৰ আছিল। এটি সম্ভ্ৰান্ত পৰিয়ালৰ গৃহিণীৰ মৰ্যাদা অটুট ৰাখিব পাৰিছিল। মোৰ পিতৃৰ সহোদৰ ককাই ভাই নাছিল। তেওঁৰ চাৰি গৰাকী নিজৰ খুড়াকৰ আৰু পেহীয়েকৰ ভালে সংখ্যক ল'ৰা-ছোৱালী আছিল। তেওঁলোক প্ৰত্যেকে আমাৰ পিতৃকে নিজৰ ডাঙৰ ককায়েক ৰূপে জ্ঞান কৰিছিল। তেওঁলোকে পিতৃক ককাইটি বুলি সম্বোধন কৰিছিল। তেওঁলোকে ককায়েকৰ প্ৰতি থকা ভক্তি বৌৱেকৰ ক্ষেত্ৰতো সমানে অটুট ৰাখিছিল। ঠিক সেইদৰে মাতৃয়েও তেওঁলোকক নিজৰ দেওৰ ৰূপে গণ্য কৰিছিল। আজিৰ সমাজত তেনে পৰিয়াল কেন্দ্ৰীক সম্বন্ধ অতি দুলৰ্ভ।

আমাৰ পিতৃৰ অকাল বিয়োগৰ সময়ত মাতৃৰ বয়স মাত্ৰ ৩৫ বছৰ আছিল। মোৰ বয়স আছিল ২০ বছৰ, ছবিৰৰ ১৭ বছৰ, চেহিৰৰ ৭ বছৰ আৰু চেগিৰ মাত্ৰ ৫বছৰ। পিতৃৰ অকাল বিয়োগত অব্যক্ত বেদনাৰ শোকৰ জুয়ে আমাৰ অন্তৰ দহি নিলে। এগৰাকী স্বামীৰ বিয়োগৰ, এগৰাকী পিতৃৰ বিয়োগৰ বেদনা বৰ্ণনাতীত। সেই সময়ত আমাৰ পৰিয়ালটোৰ উপাৰ্জনৰ কোনো উৎস নাছিল। আমি আৰ্থিক সংকটৰ কবলত পৰো। এই প্ৰসঙ্গ উনুকিয়াইছো এটি বিশেষ কাৰণত। অনাহুত আৰ্থিক দুৰৱস্থাত আমাৰ ৩৫ বছৰ বয়সীয়া মাতৃ গৰাকী যাতে ধৈৰ্য্যচ্যুত নহয়- মানসিকভাৱে যাতে ভাগি নপৰে তেনে এক মহানুভৱতাৰে হাত আগবঢ়ালে ওপৰোক্ত দদাই বৃন্দ আৰু আমাৰ ৬ গৰাকী মামাই। প্ৰত্যেক গৰাকীয়ে যি যেনেকৈ পাৰে কেইবা বছৰ ধৰি প্ৰত্যেক মাহে ধন-বিত পঠাইছিল। তদুপৰি সেই সময়ত আজিৰ দৰে মবাইলৰ প্ৰচলন নথকাত প্ৰতি সপ্তাহে পযেকে চিঠি আদান-প্ৰদানৰ

যোগেদি তেখেতসকলে আমাৰ খবৰ-বাতৰি লৈছিল। আমাৰ খুড়া আৰু মামা সকল যোৰহাট, গুৱাহাটীৰ বাসিন্দা আছিল। আজিৰ ভোগবাদী সমাজত এনে দৃষ্টান্ত নিশ্চয় সাথৰ স্বৰূপ।

আমাৰ মাতৃৰ ধৈৰ্য্যশীলতা আছিল অপৰিসীম তথা অন্তৰ দৃষ্টি আছিল অতুলনীয়। প্ৰত্যেকটো সমস্যাকে নিজস্ব ধ্যান-ধাৰণাৰে সমাধান কৰিব পাৰিছিল। প্ৰতিকূল পৰিবেশৰ মাজতে চাৰিগৰাকী পুত্ৰকে পঢ়াই-শুনাই ডাঙৰ-দীঘল কৰিব পৰাটো তেওঁৰ অনুপম কৃতিত্ব।

আমাৰ মাতৃ এগৰাকী সৰবৰহী তিৰোতা আছিল। আমাৰ বংশৰ কথা বাদেই। সকলোৰে সতে বিশেষকৈ আমাৰ এলেকাৰ প্ৰতি গৰাকী লোকৰ সতে একাত্মতা গঢ়ি তুলিব পৰাটো তেওঁৰ মহৎ গুণাৱলীৰ এক দৃষ্টান্ত আছিল। এগৰাকী জজৰ জীয়ৰী, এক সম্ভ্ৰান্ত পৰিয়ালৰ বোৱাৰী, সেই কালৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণ কৰিবলৈ সমৰ্থ হোৱা এই মহিয়সী ব্যক্তি গৰাকীৰ উচ্চ-নীচৰ ভেদা-ভেদৰ চিন্তা ধাৰা বিবেকৰ পৰিসীমাত নাছিল।

আমাৰ মাতৃ এগৰাকী ধৰ্ম পৰায়ণ মহিলা আছিল। প্ৰতিদিনে ৫ ৱাক্ত (বাৰ) নামাজ আদায় কৰাৰ উপৰিও কোৰাণ ছৰিফ আৰু অন্যান্য ধৰ্মীয় গ্ৰন্থ আদিও তেওঁ নিয়মীয়াকৈ পঢ়িছিল। শয্যাগত অৱস্থাতো বিছনাতে বহি আৰু বহিব নোৱাৰা অৱস্থাত শুই শুয়ে নামাজ পঢ়িবলৈ তেওঁ পাহৰা নাছিল।

২০০১ চনৰ এপ্ৰিল মাহৰ ৮ তাৰিখে আমাৰ পৰা চিৰবিদায় লৈ আঁতৰি গ'ল— অসাধাৰণ ব্যক্তিত্বৰ গৰাকী, আদৰ্শবান আমাৰ মাতৃ গৰাকীয়ে।

জন্ম শতবৰ্ষৰ শুভ লগনত মহান আল্লাহৰ ওচৰত মোনাজাত কৰিছো তেওঁৰ ৰুহক যাতে মহান আল্লাহে বেহেস্ত নচিব কৰে।◆

ফোন নম্বৰ ঃ ৯৯৫৪৬-২২৩১৩

মৌ, চেনি গুড় আদি বৰ ভাল মিঠা
কেৰেলা, চিৰতা, আদি লাগে বৰ তিতা,
ৰবাব, চকলা, নেমু-আম আদি বৰ টেঙা
জ্বৰত নাখাবা বোপা, লাগে বৰ জেঙা,,
পিপলি, জালুক আৰু জ্বলা জলকীয়া
সাগৰৰ পানী মাথো সবাতোকৈ লুণীয়া।
আমলখি , শিলিখাই কেহা নাম ধৰে
যড়ৰসৰ ভিতৰত এইবোৰ পৰে।

# অনগ্ৰসৰ নেলীত আলোকময় পথৰ সমদল-সমস্বৰ

ছাহজাহান তালুকদাৰ

**স্নেপশ্বট-১**

পুৱাৰে পৰা বতৰটো ডাৱৰীয়া। গোটেই গুৱাহাটীখন ডাৱৰৰ আৱেশত। লাহে লাহে মেঘবোৰ নামি আহিছে। পাতলীয়াৰ পৰা ক্ৰমশঃ ঘন হৈ আহিছে বৰষুণৰ টোপালবোৰ। ওপৰৱালাই যেন কিছুমান ব্যক্তিৰ পৰীক্ষা ল'ব বিচাৰে। পৰিস্থিতিবোৰ অধিক কণ্টকময় কৰি তোলে সময় সাপেক্ষে। তথাপি বুকুত এক আশা... সপোন পূৰ্ণ কৰাৰ হেঁপাহ। হাতীগাঁও চাৰিআলিত ব্যস্ততা বাঢ়িছে। নিত্য-নৈমিত্তিক কাম-কাজৰ বাবে মানুহৰ লৰা-ঢপৰা বাঢ়িছে। এয়াই যান্ত্ৰিক মহানগৰী। সময়ৰ প্ৰতিটো ছেকেণ্ড হাতৰ মুঠিত লৈ সকলোৰে যুঁজ। লাহে লাহে বিভিন্ন স্থানৰ পৰা অনেক লোক আহি দৈনিক 'গণ অধিকাৰ'ৰ কাৰ্যালয়ৰ তলত একগোট হ'বলৈ আৰম্ভ কৰিলে। কেইবাখনো সৰু-বৰ চাৰিচকীয়া বাহনৰ জুম বান্ধিল।  তাৰ মাজতে দেখা গ'ল অধিক মানুহ কঢ়িয়াব পৰা এখন মিনি বাছ। অসমৰ বিভিন্ন স্থানৰ পৰা শিক্ষা, ব্যৱসায় বা কৰ্মসূত্ৰে গুৱাহাটীত বসবাস কৰা বিশিষ্ট ব্যক্তিসকল একগোট হ'ল 'গণ অধিকাৰ'ৰ বাকৰিত। সেইসকলৰ ভিতৰত আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ এগৰাকী মুৰব্বী অধ্যাপক, জাগীৰোড পেপাৰ মিলৰ প্ৰাক্তন সঞ্চালক, কেইবাজনো উচ্চ শিক্ষিত মহিলা লেখক, অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া, সাংবাদিক, অধিবক্তা আদি। সকলোৰে উদ্দেশ্য একেটাই... সকলোৰে লক্ষ্য একেটাই। We are the same boat brother.

**স্নেপশ্বট-২**

ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা বাট এটা নামি গৈছে তললৈ। একা-বেঁকা বাট। বেওঁচনীয়া পথত আলোকসন্ধানী সমদল। এখনৰ পিছত এখন চাৰিচকীয়া বাহন নামি গৈছে পথটোৰে। জৰাজীৰ্ণ পথ। দিছপুৰৰ পৰা মাত্ৰ ৬০ কিলোমিটাৰ নিলগৰ এই পথটোৰে গ'লেই গম পোৱা যায় উন্নয়ন কি হাৰত হৈছে। পংকিল পথেৰে সকলোৱে আগবাঢ়িছো। মাজে মাজে গাড়ী আগবাঢ়িব নোৱাৰে। যাত্ৰীবিলাকে নামি দিয়ে। তেতিয়াহে আগবাঢ়িব পাৰে গাড়ীখন। তথাপি মনত অদম্য হেঁপাহ... আজি কাৰোবাৰ সপোন পূৰ্ণ হ'ব। কষ্টকৰ পথত চাৰি কিলোমিটাৰ জোৰা যাত্ৰা। গাড়ীৰ ভিতৰত ঘড়ীৰ পেণ্ডুলামৰ দৰে দুলিছে সকলো। অৱশেষত সকলোৱে উপস্থিত হ'ল লক্ষ্যস্থানত। সন্মুখত কেৱল সেউজীয়া আৰু সেউজীয়া।

**স্নেপশ্বট-৩**

নেলীৰ মূলাধাৰীত এখন ব্যতিক্ৰমী সভা। মূলাধাৰী এম ই স্কুলৰ বাকৰিত মুক্ত আকাশৰ তলত সকলো গোট খাইছে। অসমৰ বিভিন্ন প্ৰান্তৰ অহা বুদ্ধিজীৱীকে আদি কৰি প্ৰশাসনিক বিষয়া, বিশিষ্ট সাংবাদিক, বিশিষ্ট লেখক সকলো গোট খাইছে বাঁহৰ তলিত। অঞ্চলবাসীও গোট খাইছে সভাখনত। মুক্ত আকাশৰ তলত সকলোৱে মন উৰা মাৰিছে। এক অনাবিল

আনন্দ বিৰিঙিছে প্ৰতিজন অঞ্চলবাসীৰ মুখত। কাৰণ ৮৩ৰ সেই কালৰাত্ৰিৰ পিছত আজি কিছু আনন্দ, কিছু উল্লাস। দিছপুৰৰ পৰা কিছু নিলগৰ এই নেলীত বছৰ বছৰ ধৰি নাছিল উচ্চ শিক্ষাৰ এখনো প্ৰতিষ্ঠান। হাইস্কুলীয়া শিক্ষা লাভৰ বাবে অঞ্চলটোৰ পৰা দুৰ্গম আৰু জৰাজীৰ্ণ পথেৰে, মথাউৰিৰ ওপৰেৰে বাটকুৰি বাব লাগে ১৫-২০ কিলোমিটাৰ। এতিয়াৰে পৰা আৰু এই কষ্ট কৰিব নালাগিব দুনাই। এদিন তেজেৰে ৰাঙলী হোৱা কপিলীৰ পাৰত আৰম্ভ হ'ব সপোন ৰচাৰ দিন। তেজৰ চেকুৰাৰ ঠাইত ফুলিব নানাৰঙী ফুল। এয়াই সকলোৰে কামনা, সকলোৰে আশা। স্বাধীনতাৰ ৭০ বছৰ পিছতো শিক্ষাই পোহৰ বিলাব নোৱাৰা অঞ্চলত এজাক আলোকসন্ধানী মানুহৰ সমদল।

**ফ্লেশ্ববেক ঃ**

নেলীৰ ভোগডোবা হাবিৰ মুকলি পথাৰত এখন সভা। চলিত বছৰৰ ১৮ ফেব্ৰুৱাৰীত ঐতিহাসিক ভোগডোবা হাবি— য'ত তেজে ধোৱা সেই কালৰাত্ৰিৰ পিছত দুই হাজাৰতকৈও অধিক লোকক কবৰস্থ কৰা হৈছিল, তাতে এখন সভা। ব্ৰহ্মপুত্ৰ চিভিল ছ'চাইটীৰ উদ্যোগত নগাঁৰৰ চিচিএমৰ কৰ্মকৰ্তাৰ সহযোগত উক্ত সভাত গোট খাইছিল হোজাই, মৰিগাঁও, জাগীৰোড, নগাঁও, তেজপুৰ, গুৱাহাটীৰ পৰা অহা দুই শতাধিক লোক। নেলীৰ সেই শিহৰণকাৰী হত্যাকাণ্ডত শ্বহীদ হোৱা জাতি-বৰ্ণ-ভাষা নিৰ্বিশেষে সকলোৰে স্মৃতি ৰক্ষাৰ বাবে এক সৌধ (মিনাৰ) স্থাপনৰ উদ্দেশ্যে অনুষ্ঠিত সভাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা হাফিজ ৰছিদ চৌধুৰীক সভাপতি আৰু বিশিষ্ট সমাজকৰ্মী ছিৰাজুদ্দিন আহমেদক সাধাৰণ সম্পাদক হিচাপে লৈ অনগ্ৰসৰ নেলীৰ উন্নয়নৰ বাবে গঠন কৰা হয় **নেলী ডেভেলপমেণ্ট কমিটী**। সভাখনত লোৱা প্ৰস্তাৱসমূহৰ ভিতৰত অন্যতম আছিল শিক্ষাৰ দিশত পিছপৰা নেলীত শিক্ষানুষ্ঠান স্থাপন কৰা। এই কঠিন উদ্দেশ্য সাফল্যমণ্ডিত কৰাৰ বাবে গুৱাহাটীৰ গ্ৰেণ্ড মেজেষ্টীত নেলী উন্নয়ন সমিতিৰ উদ্যোগত যোৱা ২৪ মাৰ্চত অনুষ্ঠিত হয় আন এক সভা। এই সভাতে পৰিকল্পনা কৰা হয় শিক্ষানুষ্ঠান স্থাপন কৰাৰ। বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত সকলোৱে একমত হৈ অনগ্ৰসৰ নেলীত শিক্ষানুষ্ঠান পতাৰ বাবে সকলো প্ৰকাৰৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে আগবাঢ়ে। আছাম চিভিল ছ'চাইটীৰ সভাপতি তথা প্ৰাক্তন আই এছ বিষয়া মেহতাব উদ্দিন আহমেদ, আল-আমিন জনকল্যাণ সমাজৰ সভাপতি তথা প্ৰাক্তন আই এ এছ নুৰুল হক, মাইনৰিটী ডেভেলপমেণ্ট ছ'চাইটীৰ সাধাৰণ সম্পাদক ৰাৰিছ চৌধুৰী, হাইলাকান্দি মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ আলী হাইদৰ লস্কৰ, আমছুৰ তদানীন্তন সভাপতি আজিজুৰ ৰহমান আদি লোকৰ বলিষ্ঠ পদক্ষেপত নেলীত শিক্ষানুষ্ঠান স্থাপনৰ সপোন বাস্তৱত পৰিণত হয়।

**উপসংহাৰ ঃ**

এই মহান উদ্দেশ্য সাধনৰ বাবে ৩০ এপ্ৰিলৰ দিনা গুৱাহাটীৰ পৰা এদল বিশিষ্ট বুদ্ধিজীৱী, সাংবাদিক, সমাজকৰ্মী, প্ৰাক্তন প্ৰশাসনিক বিষয়াসহ এটি দল নেলী উপস্থিত হৈ শিক্ষাৰ পোহৰ বিলাবলৈ আনুষ্ঠানিকভাৱে মুকলি কৰে বিদ্যানুষ্ঠান। সেইদিনা বিশিষ্ট বুদ্ধিজীৱী, শিক্ষাবিদ তথা গুৱাহাটী বি বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ডঃ দীনেশ বৈশ্যৰ দ্বাৰা উক্ত বিদ্যালয়খনৰ দ্বাৰ মুকলি কৰা হয়। জ্যেষ্ঠ অধিবক্তা হাফিজ ৰছিদ চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত চিৰাজুদ্দিন আহমেদ, আব্দুল মছজিদ ফাৰুকী, জাগীৰোড পেপাৰ মিলৰ প্ৰাক্তন পৰিচালন সঞ্চালক চৈয়দ মতিনুৰ ৰহমান, নগাঁও কলেজৰ প্ৰাক্তন প্ৰবক্তা আব্দুল মান্নান ফাৰুকী, প্ৰাক্তন উপায়ুক্ত আব্দুল ৰহিম শ্বেখ, নগাঁৰৰ বিশিষ্ট সমাজসেৱক গিয়াছউদ্দিন সৰকাৰ, আমছুৰ উপদেষ্টা আজিজুৰ ৰহমান, সাহিত্যিক ৰমিছা বেগম, হামিদা

হক, লেখিকা ৰাবিয়া খানম, মৌলানা আব্দুৰ ৰছিদ, অধিবক্তা নুৰুল ইছলাম তালুকদাৰ, আলমগীৰ হুছেইন, আব্দুল মতিন আহমেদ, হুমায়ুন কবীৰ, ছাহনাহাজ ইছলাম, ফৰিদউদ্দিন বৰভূঞা, বদৰুল খান, জাহিদুল ইছলাম মিৰ্ধা, সমাজকৰ্মী আলিফুৰ ৰহমান, মাজেদুৰ ৰহমান, আব্দুল লতিফ, ফৰহাদ ভূঞা, হাছিনা আহমেদ, তয়েবা উম্মে নাজৰিন, ৰেহেনা চুলতানা, ইয়াহয়াহ বৰভূঞা, আব্দুল ৰাদুদ শ্বেখ, মঈন উদ্দিন, অল ইণ্ডিয়া মিল্লি কাউন্সিলৰ অসম শাখাৰ সম্পাদক ইনামুদ্দিন আহমেদ, আছাম টকছ নিউজ চেনেলৰ বাৰ্তা সম্পাদক দেৱজিৎ তালুকদাৰ, 'দৈনিক গণ অধিকাৰ'ৰ জ্যেষ্ঠ সাংবাদিক হিমাংশু অনুপম, অৱসৰপ্ৰাপ্ত এ চি এছ বিষয়া এ এইচ খন্দকাৰ, ড° চৈয়দ মোস্তাক আহমদ, অধিবক্তা আব্দুল ৰহমান শিকদাৰ, ব্ৰহ্মপুত্ৰ ভেলী চিভিল ছ'চাইটীৰ কাৰ্যকৰী সভাপতি আব্দুল বাতিন খন্দকাৰ, জাষ্টিচ ফ'ৰামৰ মতিউৰ ৰহমান আৰু জাগীৰোডৰ ইব্ৰাহিম আলী আৰু ইছামুদ্দিন আহমেদ আদিৰ লগতে পাঁচ শতাধিক স্থানীয় লোকৰ উপস্থিতিত আৰম্ভ হয় নেলী ছেকেণ্ডাৰী স্কুল। এই ছেগতে এই মহান উদ্দেশ্য সাফল্যমণ্ডিত কৰাৰ বাবে ব্ৰহ্মপুত্ৰ চিভিল ছ'চাইটীৰ কৰ্মকৰ্তাৰ লগতে প্ৰাক্তন উপায়ুক্ত চৈয়দ হাচিনুৰ ৰহমান, মুখ্য অভিযন্তা চৈয়দ হাৰুনুল ৰহমান, ড° জাকিৰ হুছেইন, আহমদ হুছেইন, বিশিষ্ট চিকিৎসক এম এছ ইস্কেন্দাৰ আলী, শিক্ষাবিদ আব্দুল কায়ুম আল-আমান আদিৰ সহায়-সহযোগিতাৰ বাবে তেখেতসকল ধন্যবাদৰ পাত্ৰ। আগন্তুক সময়তো অনগ্ৰসৰ নেলীত সাধন হওক উন্নয়নৰ কাম-কাজ। শিক্ষাৰ পোহৰেৰে আলোকিত হওক নেলী। প্ৰচলিত সমাজ ব্যৱস্থাৰ সৈতে খোজত খোজ মিলাই আগবাঢ়ক নেলীৰ উত্তৰপুৰুষ— এয়াই কামনা। আহক, আমি সকলোৱে আলোকৰ যাত্ৰাৰ সহযাত্ৰী হওঁ।

ফোন নং ঃ ৭০০২৪১২৩০৩

অসমৰ ভাষা সংস্কৃতিক ভাঙনমুখী বিপৰ্যয়ৰ পৰা ৰক্ষা কৰিবলৈ হলে পৰ্বতে ভৈয়ামৰ সংহতি আৰু সমন্বয় ৰক্ষা কৰাটো অতি আৱশ্যক।

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা

ব্যক্তিগত প্ৰতিভা আৰু ক্ষমতাৰ বাহিৰেও পাৰিপাৰ্শ্বিক অৱস্থাৰ ওপৰত সাহিত্যৰ বিকাশ অনেক পৰিমাণে নিৰ্ভৰ কৰে। জীৱনৰ অভিজ্ঞতাৰ লগত সাহিত্যৰ অতি ঘনিষ্ঠ সম্বন্ধ। অভিজ্ঞতাৰ গাম্ভীৰ্য আৰু বৈচিত্ৰ নহ'লে সজীৱ স্পন্দনপূৰ্ণ সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰে। বাস্তৱিকে সাহিত্য এটা বিৰাট অভিজ্ঞতা। ব্যক্তিগত আৰু সামাজিক সকলো প্ৰকাৰৰ অভিজ্ঞতাৰ প্ৰকাশথল হৈছে সাহিত্য।

কৃষ্ণকান্ত সন্দিকৈ

# LIVING ISLAM IN A FAMILY

1 

## Make home a place for the family to worship Allah

- Make your homes become lively during prayer times
- Engage in frequent Quran recitation and remembrance of Allah

2 

## Keep Satan out of the house

- Say the salutation of "Assalamu Alaikum" when entering a house
- Say بسم الله توكلت على الله لاحول ولا قوة إلا بالله (In the name of Allah, I put my trust in Allah, there is no help and no strength except in Allah)," when exiting a house
- Recite Surah Al-Baqara in the house

3 

## Let respect, kindness and trust rule a family's affairs

- Avoid disputes and argumentation
- Uphold the trust of family members and their matters

4 

## Foster a culture of Islamic learning and knowledge

- Engage in Islamic learning sessions
- Discuss and be aware of matters of halal and haram
- Instill the love of Islamic literature and books

5 

## Make family decisions through mutual consultation

- Involve the family in critical decisions and problem solving
- Avoid blame by staying focused on devising solutions

6 

## Fulfill responsibilities toward other family members

- Learn the rights of each of the family members
- Fulfill the rights of others and don't take them for granted

*Collected by : Inamul Islan*

# *English Section*

# O BROTHER, WHO ART THOU!

(A Tale of Individualism and Islam)

*Dr. Shahzia Anjum Holtom*

"All sects are different, because they come from men;
Morality is everywhere the same, because it comes from God"
Voltaire, French author, humanist, rationalist & satirist (1694-1778)

Ever wondered what defines you. Will it be your occupation or what religion you follow? As for me, I had decided on what I am known for just being me. Little did I know my naivety would cause me such great embarrassment.

It was my first time in U.K. The prospect of meeting Muslims from all over the world lured me into one of the Islamic Society Meetings. To my utter surprise, the first thing everyone wanted to know wasn't my name or nationality. I was asked, what seemed the most brutal of all questions, 'who are you?' 'uh oh! Ummm! I am a Muslim.' I sheepishly replied. Silly me! I was completely unaware that in the global world of Muslims there is no 'one label'. You cannot be just 'a Muslim'.

So which one of the 73 types of Muslims was I? Some authors have also suggested that there are as many as 150 sects in Islam. Surprised yet? So was I. This revelation took me on a journey of discovery that I am unlikely to forget very soon.

While most of us aware of the major divisions namely Shi'a, Sunni, Wahabi, Kharijite and Sufi, there are also numerous sub-divisions based on the schools of thought like in the case of Sunnis, or the Imams they follow like in the case of the Shi'as.

From a Sunni viewpoint, the differences in the inter-sect beliefs vary from subtle to major. While subtle differences include whether a sect disbelieves in the punishment of the grave like the Kabariyya or the belief in the resurrection of souls like the Tanasikhiya; major differences are a whole new story. One such example of a major difference between most Islamic sects and the Ibriyah sect is that the latter considers Prophet Muhammad (PBUH) more of a wise man than a Holy Prophet. The Ma'badiyah sect stands firmly against taking or giving alms from or to slaves and the Sufris do not consider Surah Yusuf as an authentic Surah. While such major differences make quite interesting reading, this also makes the debate on which is the one 'true' sect a more contentious one.

But why does there have to be one 'true' sect? Is it possible that the individualism of each sect is best adapted for the region they belong to? Incorporating into the religion the culture and traditions of the people adopting Islam is in my opinion an important part of integration. However others may beg to differ. According to various Hadiths, our Prophet Muhammad (PBUH) had predicted the sub-divisions of Islam. Some Hadiths report this prediction giving the exact number of sects as seventy three. Usually, such reports consign all sects save one to the fires of hell and thus ignite the argument for the 'one true and saved sect of Islam'. Of course, this holds no significance for the Qur'an Alone Muslims, who have rejected the Hadith and rely solely on the Qur'an. But for the rest of the Muslim world, the search for the true sect has been a matter of great conflict.

Some people are of the opinion that such a large number of sub-divisions within Islam portray nothing but the inherent confusion amongst Muslims themselves. In fact, at one of the Islamic gatherings someone did pose this as a question to Dr. Zakir Naik, a renowned International orator on Islam and Comparative religion, to which he replied, "As I ask the Hindus to go back to the Vedas, similarly I would ask the Muslims to go back to the Qur'an". He then went on to quote various verses of the Qur'an and in particular Verse159 of Surah Al Anam, that reads "As for those who divide their religion and break up into sects thou hast no part in them in the least: their affair is with Allah: He will in the end tell them the truth of all that they did". The reply from Dr. Zakir Naik was received with a thunderous applause and a clear message. Islam prohibits the formation of sects? So, why then did we the Muslims form sects? Is there an explanation for the 73-150 sub-divisions of Islam other than utter confusion amongst followers?

Dig a little deeper and it does reveal a lesser known fact. Finding exact correspondence between words in English and Arabic is often problematic. While in Arabic the words used to refer to the numerous sub-divisions of Islam are either firqa, ta'ifa or mazhab, neither of these correspond to the English word 'sect' which belongs in the tripartite classification of religious bodies in a Western context. The word 'sect' was used in the writings on Islam in the late nineteenth and early twentieth century and has indeed been the cause of great confusion. Mark Sedgwick, Professor of History in the American University of Cairo, in his paper on 'Sects in the Islamic World', reports that from his studies it appears that there is more religious tolerance in the Islamic world than the legal status of Islamic sects in principle would suggest.

This is indeed great news for Muslims who have been disappointed by the divisions in Islam. Not all is lost as yet and to remain united in religion, we will have to remain united in beliefs-No sects please! We are Muslim. ◆

---

*Associate Director , Data Science, Pivotal Software Ltd, U.K.*

*No one in this world is pure and perfect. If you avoid people for their little mistakes, you will always be alone. So judge less and love more.*

# My Experience in the Happy Valley of Liechtenstein

*-Tanzia Nashrin Islam*

Almost a year back, just like every other student around me, I was at a cross road in my life ….so what next? Should I take a chance and shift to a whole new country for my thesis? Should I just stay back and continue in Stuttgart? After a lot of discussion and long conversations with my family, I finally decided to go Liechtenstein for the next 6 months.

Liechtenstein….Is this a country? Where? Yes, like most of you, I was unaware of the existence of this beautiful country until I came across the HILTI-IBB scholarship program in my course website (https://www.ibb.uni-stuttgart.de/lehre/commas/hilti.en.html). Liechtenstein is the 6th smallest country in the world with an area of just 160 square kilometres. Situated completely in the Alps right between Austria and Switzerland, this German speaking country is one of the richest country in the world with the highest GDP per capita.It is a constitutional monarchy (also known as Principality or Fürstentum in German) headed by Prince Hans-Adam II (the current ruling prince). Every year on the 15th of August, Liechtenstein celebrates it national day. Coincidently, this is also the same day when my country, India also celebrates its Independence day:. On this day, there is a grand celebration at the castle and it is the only day when the castle gardens are open to the public. We ofcourse did not want to miss this golden opportunity and so early in the morning, I and my friends reached the castle gardens to listen to the Prince's speech. The celebration also includeda tradition of lighting fire in the shape of a crown on the mountain top behind the castle. This amazing day finally ended with a world class display of fireworks above the castle and a live music concert at the city centre. Interestingly, I also got a chance to speak to the Prince personally and managed to get a picture



*National day celebrations of Liechtenstein*

with him (shown in the image below). That was the moment when my childhood dream of meeting a King/ Prince finally came true!!



*National day celebrations of Liechtenstein*

Now, going back again to my first days in Liechtenstein. After packing whatever I could fit in my two big bags, I along with my two colleagues (also my university classmates) arrived in Schaan (the so called 'biggest city' of Liechtenstein) on April 1st 2017. Even though I was extremely tired from the journey and dragging two huge bags along with two backpacks, I could not stop myself from admiring the beauty of this place. Irrespective of where you are in the country, you can always see the ice capped Alps in front of you. Never in my life had I imagined that I would be waking up to a view of the Alps every day. After a good sleep that night, I decided to explore this beautiful valley the next day. It took me almost 2 hours just to cover 5kms!! The reason being that I could not resist myself from stopping every 5 minutes, admiring the beauty and clicking tons of pictures : This, naturally soon turned into a habit. Every weekend, I would take a bus to some random place and just get down wherever I felt like without any plans or preparations and end up spending my entire day in the lap of nature. There is an extraordinarily beautiful place called Malbun in the eastern part of the country. It is basically a ski resort village, which used to be my favourite place for the weekends.

Liechtenstein is a paradise for hikers. There are long well marked hiking trails which leads to absolutely stunning landscapes. The alpine region is filled with many 'huts' where the hikers can take rest, reenergize themselves and then continue for the rest of the journey. You can also stay overnight in these cozy wooden huts. I had the opportunity to go to one of these huts (Freschenhaus, http://www.freschenhaus.at/ ) during a team event from office and instantly fell in love with the place. The view from the top of the mountain, the warm and friendly hosts of the hut, the food, the sound of the cattle bells in the background,





*Pictures clicked on the streets of Liechtenstein*





*Pictures clicked on the streets of Liechtenstein*

snowy weather …. Everything was too perfect to put in words.I still regret that I didn't use my time there to go for more hiking treks.

Being a very small country, the public transportation system there is not as developed as its neighbouring countries. The Liechtenstein Bus, a subsidiary of the Swiss transportation system, connects the wholecountry as well as the nearest towns in Austria and Switzerland but the frequency of the buses isn't very high, which is quite understandable considering the population of the country (a country with roughly 31,000 people). It was however amazing to see how all the buses coordinated the timings so well; for example, one bus waiting for the other at connecting stations in case there is a delay, so that the passengers do not have a problem taking the next connection. The best thing about these buses is that you are always welcomed with a smile and a "Morgen" or "Gruss Got" or "Hallo".Also, it is interesting to note that the population of Liechtenstein nearly doubles during the daytime on weekdays since most of the people travel across borders (mainly from Austria, Switzerland and Germany) to work here, HILTI being one of the major employers.





*View from Freschenhaus*





*View from Freschenhaus*

Now that I was there in the new place to write my thesis, apart from exploring the place and learning the new culture, the main focus was always on how to give my best to the thesis and gather as much knowledge as possible.The amazing team (Numerical Simulations team, TPN) of which I was a part of, my friends (who were just classmates until we all ended up together in Liechtenstein)and most importantly, my super awesome supervisor at HILTI definitely made this much easier. He is probably one of the most helpful, honest and kind person I have ever come across who would do anything to help you. All thanks to him that I successfully completed my thesis with good grades:

Coming from India and adjusting in a small country with no familiar faces around can be very challenging at times. Completely on my own in this new country and being very attached to my family, this new setup made me home sick at times. But as luck would have it, I got to know an amazing family (Yasobanta Mahanta, Rita Mahanta and family) who are originally from India (Assam, my native state to be specific ;)). They own an equally amazing restaurant at Vaduz, the capital of Liechtenstein, (https://www.schloesslemahal.li/) which serves authentic Indian food and the best I found until now in Europe. How awesome is that! : A family who cared for me like their own daughter, always making sure that I am doing okay and making me feel at home. Very rarely does one come across such amazing people and now back in Germany, I already miss them.



Looking back at those six months, I wonder how different my life would have been, had I not taken that decision. How much I would have missed out on - living in the Alps, working with one of the best companies, coming across such amazing people and so much more. Words fall short to describe an experience as beautiful as this. As Steve Jobs rightly said, "You can't connect the dots looking forward; you can only connect them looking backwards. So you have to trust that the dots will somehow connect in your future.": ◆

বিচমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# আল্-আমিন জনকল্যাণ সমাজ
# গুৱাহাটী,অসম
## ২০১৭-২০১৮ বৰ্ষৰ কাৰ্য্য বিৱৰণী
## তাৰিখ ঃ ০৮-০৭-২০১৮ (দেওবাৰ)

২০১৭ চনৰ পহিলা এপ্ৰিল তাৰিখৰ পৰা ২০১৮ চনৰ ৩১ মাৰ্চৰ সময়ছোৱা সামৰি আমাৰ সংগঠন আল-আমিন জনকল্যাণ সমাজে ৰূপায়ণ কৰা কাম-কাজৰ খতিয়ান ঃ

**২০১৭-২০১৯ বৰ্ষৰ বাবে নিৰ্বাচিত কাৰ্য্যকৰী কমিটিৰ বিষয়ববীয়া সকল হ'ল ঃ**

| | | |
|---|---|---|
| সভাপতি | ঃ | নুৰুল হক |
| উপ-সভাপতি | ঃ | ফকিল আহমেদ বৰা |
| সচিব প্ৰধান | ঃ | ইনামুল ইছলাম |
| বিত্তীয় সচিব | ঃ | ইমতিয়াজ আলী |
| যুটীয়া সচিব | | |
| (১) বিত্ত/আনুসঙ্গিক | ঃ | মিচেচ মাচুম আৰা ৰহমান |
| (২) প্ৰচাৰ/প্ৰশাসনীয় | ঃ | মিচেচ খোদেজা বেগম |

**কাৰ্যাবাহী সদস্য সকল ঃ**

প্ৰতিষ্ঠাপক সদস্য ঃ **১) আব্দুল মজিদ** (মৃত্যু ২৪ ছেপ্তেম্বৰ ২০১৭), **২) কমৰুজ্জামান আহমদ, ৩) আব্দুল হাৰমাইন, ৪) হাচিবুৰ ৰহমান , ৫) আব্দুল ৰাছি , ৬) ডাঃ তৌফিকুৰ ৰহমান বৰবৰা আৰু ৭) মঃ মেহমুদুৰ ৰেহমান বৰা।**

**পৃষ্ঠপোষক সদস্য ঃ ১) ইলতাফ হুছেইন হাজৰিকা**

আজীৱন সদস্য ঃ **১) চফিউৰ ৰহমান শইকীয়া, ২) চৈয়দ হাৰুনাৰ ৰহমান, ৩) আলি ৰেজা, ৪) জেহিৰুল হাৰমাইন ৫) মাচুমা বেগম ৰাছিফ** (আব্দুল মজিদ চাহাবৰ পৰিবৰ্ত্তে ) **আৰু ৬) ড° তৈয়বুৰ ৰহমান (ইলতাফ হুছেইন বৰবৰা চাহাবৰ পৰিবৰ্তে),**

**এই কাৰ্য্যনিৰ্বাহক সমিতিয়ে আনুষ্ঠানিক ভাৱে কাৰ্য্যভাৰ গ্ৰহণ কৰিছিল** ২৩/০৭/২০১৭ **তাৰিখত।**

## বাৰ্ষিক অধিবেশন

**বাৰ্ষিক সাধাৰণ সভা, সম্বৰ্দ্ধনা আৰু বঁটা বিতৰণী অনুষ্ঠান ঃ**

যোৱা ১৬ জুলাই ২০১৭ দেওবাৰে পুৱা ১০ বজাৰ পৰা আল্-আমিন জনকল্যাণ সমাজৰ বাৰ্ষিক অধিবেশনখনি গুৱাহাটীৰ লটাশিলস্থিত “বিষ্ণু নিৰ্মলা ভৱন”ৰ সভাকক্ষত আল্-আমিন জনকল্যাণৰ বিদায়ী সভাপতি ডাঃ তৌফিকুৰ ৰহমান বৰবৰাৰ সভাপতিত্বত বাৰ্ষিক অধিবেশন, সম্বৰ্দ্ধনা আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হয়।

প্ৰাক্তন অসম বিধানসভাৰ অধ্যক্ষ্য চান্দ মহম্মদ চাহাবক সম্বৰ্দ্ধনা জনোৱা হয় আৰু তেখেতে উক্ত সভাত আব্দুল গাফ্ফাৰ চাহাবৰ দ্বাৰা ৰচিত “ইছলমাৰ তিনিগৰাকী মহিয়সী নাৰী” শীৰ্ষক পুথিখনি উন্মোচন কৰে।

উক্ত সভাত নিৰ্দ্দিষ্ট বক্তা হিচাপে কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত উদয়াদিত্য ভৰালী ডাঙৰীয়াৰ তথ্য গধূৰ ভাষণেৰে উপস্থিত সদস্য সকলৰ লগতে অতিথিবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰে।

এই সভাতেই যি কেইগৰাকী মৃত ব্যক্তিৰ সোঁৱৰণত তেখেতসকলৰ পৰিয়ালে ২০১৭ বৰ্ষৰ হাইস্কুল শিক্ষান্ত আৰু হাই মাদ্ৰাছা পৰীক্ষাত যি সকলে ৰাজ্যখনৰ মুছলমান ছাত্ৰ-ছাত্ৰী সকলৰ মাজত শীৰ্ষস্থান দখল কৰি সুনাম অৰ্জন কৰিলে আৰু কেইজন কৃতিমান ছাত্ৰ-ছাত্ৰী সম্বৰ্দ্ধনা, বঁটা, নগদ ধন, স্মাৰক পত্ৰ আৰু কিতাপৰ টোপোলা প্ৰদান কৰা হয়।

বঁটা প্ৰাপক মেধাবী ছাত্ৰ-ছাত্ৰী কেইগৰাকী হ'ল ঃ

১) **আদিলুৰ ৰহমান বঁটা** -

(ক) ছাত্ৰ ঃনুৰুল হক আলি (দ্বিতীয় স্থান, হাইস্কুল শিক্ষান্ত পৰীক্ষা)

আল-আমিন জনকল্যাণ সমাজৰ তৰফৰ পৰা এটি সোণৰ পদক দিয়া হয়।

(খ) ছাত্ৰী ঃ জেহনাজ তৌছিফা আহমেদ (ষষ্ঠ স্থান, হাইস্কুল শিক্ষান্ত পৰীক্ষা)

২) **মহম্মদ ইচফাকুল জাহান বঁটা** ঃ নিৰাজল মামুন (অষ্টম স্থান, হাইস্কুল শিক্ষান্ত পৰীক্ষা)

৩) **শ্বৰিফুৰ ৰহমান বৰা বঁটা** ঃ তৈয়বুৰ ৰহমান খান (প্ৰথম স্থান, হাই মাদ্ৰাছা)

৪) **নুৰজাহান বেগম বঁটা** ঃ মামুনি খানম (দ্বিতীয় স্থান, হাই মাদ্ৰাছা)

৫) **আচিফ হেলেন ৰহমান বঁটা** ঃ ৰাহুল আমিন (তৃতীয় স্থান, হাই মাদ্ৰাছা)

৬) **মুহিবুৰ ৰহমান বঁটা ঃ** শ্বেহনাজ খাতুন (তৃতীয় স্থান, হাই মাদ্ৰাছা)

<u>কৃতিমান ছাত্ৰ-ছাত্ৰী</u>

১) **চিৰাজুল হক হাজৰিকা বঁটা ঃ** শ্বাহিদ আনোৱাৰ (ডিপ্লমা চিভিল ইঞ্জিনিয়াৰিং)

২) **জেইবুন নিছা বেগম বঁটা ঃ** আয়োছা বেগম (উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা)

৩) **আতাউৰ ৰহমান বৰবৰা বঁটা ঃ** তিনিগৰাকী অতি দুখীয়া পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক উদগনি ৰ বাবে দিয়া হয়।

এই সভাত উপৰোক্ত মৃত ব্যক্তি সকলৰ ৰুহৰ মাগফেৰাতৰ বাবে দোৱা কৰি শ্ৰদ্ধাঞ্জলি জনোৱা হয়।

**শোক সভা ঃ**

আল আমিন জনকল্যাণ সমাজৰ এজন প্ৰতিস্থাপক সদস্য, অসম নাট্য সন্মিলনীৰ প্ৰাক্তন অধ্যক্ষ, সুদক্ষ অভিনেতা আৰু কেইবাখনো কথাছবিৰ সফল পৰিচালক আব্দুল মজিদ ডাঙৰীয়া আমাৰ মাজৰ পৰা ২৪-৯-২০১৭ তাৰিখে চিৰবিদায় লয়। সেইদিনাই সন্ধিয়াৰ পাচত নোৱাপাৰাস্থিত ইচলামিক অধ্যয়ন কেন্দ্ৰৰ সভাগৃহত সভাপতি নুৰুল হক চাহেবৰ সভাপতিত্বত এখন শোক সভা অনুষ্ঠিত কৰা হয়। সভাত আল আমিন জনকল্যাণ সমাজৰ সদস্য আৰু বহুকেইজন গণ্যমান্য লোক উপস্থিত থাকি মজিদ চাহেবে অসমৰ সমাজ আৰু সংস্কৃতিলৈ আগবঢ়োৱা বহুমুলীয়া

অবদান কথা শ্ৰদ্ধাৰে সোঁৱৰে। মজিদ চাহেবৰ ৰুহৰ মাগফিৰাতৰ কাৰণে সভাত দোৱা কৰা হয় আৰু এক শোক প্ৰস্তাব যোগে মজিদ চাহেবৰ পৰিয়ালবৰ্গলৈ সমবেদনা প্ৰেৰণ কৰা হয়।

**সজাগতা সভা ঃ**

যোৱা ২৫-৫-২০১৭ তাৰিখে আল আমিন জনকল্যাণ সমাজৰ সৌজন্যত ইছলামিক ষ্টাদি চেণ্টাৰত অসম জলন্ত সমস্যা সমূহৰ ওপৰত এখন আলোচনা সভা সমাজৰ সভাপতি ডাঃ তৌফিকুৰ ৰহমান বৰবৰাৰ সভাপতিত্ব অনুষ্ঠিত হয়। মুখ্য বক্তা অধ্যাপক অখিল ৰঞ্জন দত্ত ডাঙৰীয়াই অসমৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক সমস্যাসমূহৰ থুলমুল ব্যাখ্যা দাঙি ধৰি উপস্থিত সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। সভাত উপস্থিত থকা কেইবাজনো বিশিষ্ট ব্যক্তিয়ে আলোচনাত অংশগ্ৰহণ কৰি তেওঁলোকৰ মতামত আগবঢ়ায়।

অন্যহাতেদি ১১-৫-২০১৭ তাৰিখে আল আমিন জনকল্যাণ সমাজ, জামাত ই-ইছলামী হিন্দ আৰু 'জাকাত ফান্দ' ৰ বিষয় ববীয়াৰ সহযোগত মৰিগাঁও জিলাৰ হিলৈখুন্দাৰ উচ্ছেদিত লোক সকলৰ মাজত ইফতাৰ আৰু চেহৰিৰ খাদ্য বিতৰণ কৰা হয়। ইয়াৰ উপৰিও ২৩-০৮-২০১৭ তাৰিখে ইছলামিক ষ্টাদি চেণ্টাৰৰ সহযোগত বৰপেটা জিলাৰ সত্ৰ কণৰাৰ বান-পিড়িত লোকসকলৰ মাজত সাহায্য সামগ্ৰী বিতৰণ কৰা হয়।

যোৱা ১৩-০১-২০১৮ তাৰিখে আল আমিন জনকল্যাণ সমাজ ইছলামিক অধ্যয়ন কেন্দ্ৰ প্ৰেক্ষাগৃহত "অসমৰ মুছলিম সমাজৰ সামগ্ৰিক অনগ্ৰহৰতা আৰু পশ্চাদগামী মনোভাবৰ প্ৰতিকাৰ"ৰ সন্দৰ্ভত এক আলোচনা সভা অনুষ্ঠিত হয়। সমাজৰ সভাপতি নুৰুল হক ডাঙৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত শৈল চিকিৎসক অধ্যাপক ডাঃ ইলিয়াচ আলি চাহেবে মুখ্য বক্তা হিচাপে মূল ভাষণ প্ৰদান কৰে। অসমৰ মুছলিম সমাজৰ মাজত জনসংখ্যা বৃদ্ধি আৰু শিক্ষাৰ অনগ্ৰহৰতাই এই জনগোষ্ঠীটোৰ পিচ পৰি ৰোৱা কাৰণ বুলি উল্লেখ কৰি মুছলিম সমাজৰ আধুনিক শিক্ষাৰে শিক্ষিত লোকসকলৰ দায়িত্ব ওপৰতো তেখেতে আলোকপাত কৰে। সভাত মাননীয় অতিথি হিচাবে বৃহত্তৰ পাঞ্জাবাৰী সাহিত্য সভাৰ সভাপতি নগেন ভূঞা ডাঙৰীয়াই তেওঁৰ ভাষণ প্ৰসঙ্গত ইছলাম ধৰ্মৰ গৌৰৱ উজ্বল দিনবোৰৰ কথা উল্লেখ কৰে আৰু মানৱ সভ্যতাত ইছলামৰ অৱদানৰ ওপৰত বক্তব্য ৰাখে। সভাত ডাঃ তেফিকুৰ ৰহমান বৰবৰা চৈয়দ হাৰুনাৰ ৰহমান, এ এচ খন্দকাৰ, চাহজাহান তালুকদাৰ, পিয়াৰ বক্স হাজৰিকা চাহাবুদ্দিন আহমেদ আদি ব্যক্তিসকলে তেখেতসকলৰ মতামত ব্যক্ত কৰে।

যোৱা ৩১-১-২০১৮ তাৰিখে ৰঙিয়াৰ পৰা নাতিদূৰত অৱস্থিত কাউৰবাহা ফখৰুদ্দিন মাদ্ৰাছা - উচ্চতৰ মাধ্যমিক বিদ্যালয় এখন সজাগতা সভা আল আমিন জনকল্যাণ সমাজৰ তৰফৰ পৰা অনুষ্ঠিত কৰা হয়। স্থানীয় কৃতি শিক্ষক মকিবুৰ ৰহমান চাহেবৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা সভাত ডাঃ তেফিকুৰ ৰহমান বৰবৰা চাহেবে ছাত্ৰ-ছাত্ৰীৰ ওপৰত আধুনিক শিক্ষা আৰু স্বাস্থ্য সম্পৰ্কীয় বিষয়সমূহৰ প্ৰাসঙ্গিকতা, চৈয়দ হাৰুণাৰ ৰহমান ডাঙৰীয়াই নাৰীৰ সবলিকৰণ আৰু শিক্ষাৰ প্ৰসাৰতা, চফিউৰ ৰহমান শইকীয়াই অনাময় আৰু আনুসঙ্গিক বিষয় আৰু নুৰুল হক ডাঙৰীয়াই ছাত্ৰ-ছাত্ৰীসকলে জীৱনত সফলতা লাভৰ কাৰণে আহৰণ কৰিব লগা উপাদান সমূহৰ ওপৰত ব্যাখ্যা আগবঢ়ায়। সভাৰ ছাত্ৰ-ছাত্ৰীসকলৰ উপৰিও, স্কুলৰ শিক্ষক সকল আৰু ওচৰৰে মাদ্ৰাছাখনৰ কিছু সংখ্যক ছাত্ৰী উপস্থিত থাকে।

যোৱা ৫ ফেব্ৰুৱাৰী ২০১৮ তাৰিখে মৰাকলহী বিউটী ক্লাবৰ সহযোগত সোনতালি গাৱৰ সোনতালি আঞ্চলিক কলেজৰ সভাকক্ষত এখন আলোচনা সভা অনুস্থিত হয়। সভাৰ আলোচনাৰ মূল বিষয়বস্তু আছিল "এখন

আদৰ্শ সমাজ গঠনত ইছলামৰ ভূমিকা”। আল আমিন জনকল্যাণ সমাজৰ হৈ উক্ত সভাত নুৰুল হক, ডাঃ তৌফিকুৰ ৰহমান বৰবৰা, এচ আৰ শইকীয়া, চৈয়দ হাৰুনুৰ ৰহমান আৰু ইনামূল ইছলাম উপস্থিত থাকে আৰু তেওঁলোকে প্ৰত্যেকেই বিষয়টোৰ বিভিন্ন দৃষ্টিকোণৰ পৰা নিজৰ নিজৰ বক্তব্য দাঙি ধৰে। সভাত ডাঃ ইলিয়াচ আলি চাহেবে জনবিস্ফোৰণৰ পৰা অদুৰ ভৱিষ্যতে বিশ্বত হ’ব পৰা সমস্যা আৰু অশুভ পৰিণতিৰ কথা উল্লেখ কৰি অভিবাসি মুছলমান লোকসকলৰ মাজত সজাগতা অনাৰ বিষয়ে ভাষণ প্ৰদান কৰে। সভাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী শিক্ষক আৰু অভিভাৱকৰ কিছু লোক উপস্থিত থাকে। সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধক্ষ্য আব্দুল কালাম আজাদ চাহেবে।

যোৱা ১১-০৩-২০১৮ তাৰিখে সদৌ দামপুৰ ছাত্ৰ সন্মিলনীৰ সৌজন্যত দামপুৰ ফাইজ আবিদা শইকীয়া ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ত “এখন আদৰ্শ আৰু শান্তিৰ ইছলামী সমাজ”ৰ ওপৰত এক আলোচনা সভা অনুষ্ঠিত হয়। আল আমিন জনকল্যাণ সমাজৰ সভাপতি গৰাকীয়ে পৰিচালনা কৰা সভাত সমাজৰ ডাঃ তৌফিকুৰ ৰহমান বৰবৰা, জ্যেষ্ঠ অধিবক্তা হাচিবুৰ ৰহমান, চৈয়দ হাৰুণাৰ ৰহমান চফিউৰ ৰহমান শইকীয়া ডাঙৰীয়াই বিষয়টোৰ ওপৰত পৰ্যালোচনা আগবঢ়ায় আৰু ছাত্ৰীসকলৰ ভৱিষ্যত গঢ়াৰ কাৰক সমূহৰ ওপৰতো ব্যাখ্যা দাঙি ধৰে। সভাত ছাত্ৰী চাবিনা য়েচমিনে জিকিৰ পৰিবেশন কৰে।

**হজ-যাত্ৰীৰ বাবে দোৱা ঃ**

২০১৭ বৰ্ষত ২৩ জুলাইত পিবকোৰ সভাকক্ষত পৱিত্ৰ মক্কা শ্বৰিফত হজ সমাপনৰ বাবে যাবলৈ নিয়ত কৰা আমাৰ মাননীয় সদস্য চৈয়দুৰ ৰহমান আৰু তেওঁৰ পৰিবাৰৰ বাবে দোৱা কৰা হয়।

২০১৭ বৰ্ষত ১৩ আগষ্টত পিবকোৰ সভাকক্ষত পৱিত্ৰ মক্কা শ্বৰিফত হজ সমাপনৰ বাবে যাবলৈ নিয়ত কৰা আমাৰ মাননীয় সদস্য জান মহম্মদ তালুকদাৰ, তেওঁৰ পৰিবাৰ আৰু পুত্ৰৰ বাবে দোৱা কৰা হয়।

**জাকাতৰ ধন বিতৰণ ঃ**

সুচাৰুৰূপে জাকাতৰ পুজি বিতৰণৰ বাবে নিম্নলিখিত মাননীয় সদস্যসকলক লৈ গঠন কৰা উপ-সমিতিয়ে কাৰ্য্য নিৰ্বাহ কৰে। সমিতিৰ সদস্যসকল হ’ল ঃ

সভাপতিঃ চৈয়দ হাৰুনাৰ ৰহমান

আহ্বায়ক ঃ ফকিল আহমেদ বৰা

সদস্য ঃ ইমতিয়াজ আলী, আব্দুল ৰাছি , জেহিৰুল হাৰমাইন, সভাপতি, আল - আমিন জনকল্যাণ সমাজ (পদেন) সচিব প্ৰধান, আল - আমিন জনকল্যাণ সমাজ (পদেন)।

চিকিৎসা সম্পৰ্কীয় আবেদনসমূহৰ বাবে ডাঃ তৌফিকুৰ ৰহমান বৰবৰা **চাহাবক** নিজাববীয়াকৈ সিদ্ধান্ত লোৱাৰ দায়িত্ব দিয়ে । যোৱা ৬ আগষ্ট, ২০১৭ চনৰ আয়েছা ইংলিছ স্কুল, ইছলামপুৰত জাকাতৰ ধন বিতৰণ কৰা হয়।

**জাকাতৰ হিচাবৰ চমু বিৰৰণ ঃ**

বছৰটোৰ জাকাত সংগ্ৰহ - ৮,৩৪,২০০.০০ টকা

বছৰটোৰ জাকাত বিতৰণ - ৭,৬৪,০০০.০০টকা

**সাধাৰণ পুজিৰ চমু বিৱৰণী ঃ**

বছৰটোৰ সংগ্ৰহ - ৭৭,৮২৭.০০ টকা

বছৰটোৰ ব্যয় - ১,৫১,৫৮৮.০০ টকা

ইয়াৰ বিশদ বিৱৰণি বাৰ্ষিক বিত্তীয় প্ৰতিবেদনত দিয়া হৈছে।

**তাহেৰ ছাৰৰ মৃত্যু বাৰ্ষিকী**

২০১৮ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখত তাহেৰ চাৰৰ মৃত্যু বৰ্ষ উপলক্ষে আল-আমিন জনকল্যাণ সমাজৰ দ্বাৰা মুচাফিৰখানা কবৰস্থানত কবৰ জিয়াৰতৰ আয়োজন কৰা হয়।

**গ্ৰন্থ প্ৰকাশৰ প্ৰজেক্ট কমিটিৰ সভা ঃ**

২০১৫ চনৰ ৬ চেপ্তেম্বৰ গঠিত সমিতি ঃ

**গৱেষণা আৰু** পুথি প্ৰকাশন ঃ

স ভাপতি ঃ কমৰুজ্জামান আহমদ

সচিব ও আহ্বায়কঃ হাচিবুৰ ৰহমান

সদস্য ঃ ইলতাফ হুছেইন হাজৰিকা, আব্দুল হাৰমাইন, নুৰুল হক, মেহমুদুৰ ৰেহমান বৰা, সভাপতি আৰু সচিব প্ৰধান, আল - আমিন জনকল্যাণ সমাজ (পদেন),

**সম্পাদনা সমিতি ঃ**

উপদেষ্টা ঃ ড° ইৰছাদ আলী

মুখ্য সম্পাদক ঃ ড° আবু নাছাৰ চাঈদ আহমদ

যুটীয়া সম্পাদক ঃ প্ৰফেচাৰ ফাৰুখ চাদুদ্দিন আহমদ, চফিউৰ ৰহমান শইকীয়া

সুচলকাৰক ঃ আব্দুল ৰাছি

সদস্য ঃ প্ৰতিটো খণ্ডৰ সন্মানীয় লিখকসকল।

সভাপতি আৰু সচিব প্ৰধান, আল - আমিন জনকল্যাণ সমাজ (পদেন)

জোনাব কমৰুজ্জামান আহমদ চাহাবৰ অসুস্থতা আৰু ড° আবু নাছাৰ চাঈদ আহমদ চাহাবে জনোৱা অপাৰগতাৰ বাবে অতি সোনকালে সমিতি দুখন নতুনকৈ গঠন কৰাৰ ব্যৱস্থা লোৱা হৈছে।

**আল-আমিনৰ দ্বাৰা এতিয়ালৈকে প্ৰকাশিত গ্ৰন্থ শৃংখলা এনে ধৰণৰ ঃ**

**স্মৃতিৰ জিলিঙনিত কেইগৰাকীমান অসমৰ মুছলমান ঃ**

(ক) প্ৰথম খণ্ড - ২০০৯ চন; পুনৰ প্ৰকাশন ২০১২ , (খ) দ্বিতীয় খণ্ড - ২০১১ চন

**অসমৰ মুছলমান ঃ**

(ক) প্ৰথম খণ্ড - ইতিহাস আৰু সমাজ, ২০১৩ চন

(খ) দ্বিতীয় খণ্ড - অসমীয়া সাহিত্য আৰু সংস্কৃতিলৈ অৱদান, ২০১৪ চন

(গ) তৃতীয় খণ্ড - ঐতিহ্য, ২০১৫ চন

**অন্যান্য পুথি ঃ**

(ক) ইছলমাৰ তিনিগৰাকী মহিয়সী নাৰী - ২০১৭

আল-আমিনৰ দ্বাৰা প্ৰকাশ কৰিবলৈ লোৱা অধ্যয়নপুষ্ঠ গ্ৰন্থৰ শৃংখলাৰ চতুৰ্থ খণ্ড “অসমৰ মুছলমান - অসমৰ ৱাকফ সম্পত্তি” ২০১৬ চনৰ শেষৰ ভাগত অথবা ২০১৭ চনৰ আগভাগত প্ৰকাশ কৰিব পৰা যাব বুলি আশা কৰা হৈছিল যদিও বিশেষ কাৰণ বশত প্ৰকাশ কৰিব পৰা হোৱা নাই।

চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ মুছলমান প্ৰথম খণ্ড - ইতিহাস আৰু সমাজ গ্ৰন্থখনি পুনৰ প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে ও আজিৰ সভাতে উন্মোচন কৰা হ'ব।

আল-আমিন জন কল্যাণ সমাজৰ সদস্য/সদস্যা, শুভাকাংক্ষী সকলৰ সহায় সহযোগিতা নোপোৱা হ'লে বিগত ১৪ বছৰে আমি আমাৰ কাম কাজবোৰ কৰিব নোৱাৰিলোহেঁতেন আৰু বৰ্ত্তমানৰ অৱস্থালৈ উত্তৰণ নহ'লহেঁতেন। আমি তেওঁলোকে দেখুওৱা আস্থাৰ আৰু বিশ্বাসৰ প্ৰতি চিৰ কৃতজ্ঞ।

সদস্যসকলক জনোৱা হয় যে তেখেতসকলৰ বছৰেকীয়া বৰঙণি (১০০০ টকা) আল-আমিন জনকল্যাণ সমাজৰ কাৰণে অতি গুৰুত্বপূৰ্ণ। সেয়েহে তেখেতসকলক বছৰেকীয়া বৰঙণি নিম্নলিখিত বেংক একাউণ্ট অথবা বিত্তীয় সচিবক অতি সোনকালে জমা দিবলৈ অনুৰোধ কৰা হ'ল।

**সাধাৰণ পুঁজিৰ বেংক একাউণ্ট ঃ** Al-Ameen Welfare Society A/c No. : 33947141703,
SBI, Panjabari Branch, Guwahati (IFSC Code -SBIN 0013292).

যি সকল সদস্য আৰু সদাসয় ব্যক্তিয়ে জাকাতৰ ধন আল-আমিন জনকল্যাণ সমাজক দিব বিচাৰে তেখেত সকলে নিম্নলিখিত বেংক একাউণ্টত এই ধন জমা দিব পাৰে।

**জাকাত পুঁজিৰ বেংক একাউণ্ট ঃ** Zakat Fund Al-Ameen Welfare Society A/c No. : 33809857815,
SBI, Panjabari Branch, Guwahati (IFSC Code -SBIN 0013292).

আল - আমিন জলকল্যাণ সমাজে জাকাত পূজিৰ ধন গ্ৰহণ কৰিব নোৱাৰা ব্যক্তি সকলৰ সাহাৰ্য্যৰ বাবে বিবেচনা কৰি নতুন এটা পূজি গঠনৰ ব্যৱস্থা লৈছে। যিসকল সদস্য আৰু সদাশয় ব্যক্তিয়ে তেওঁলোকৰ বেংকৰ সুত বা জাকাতৰ বাহিৰে অন্যান্য বৰঙণি ওপৰত উল্লেখিত সাধাৰণ পুঁজিতে জমা দিব পাৰিব।

আল - আমিন জলকল্যাণ সমাজক অধিক গণতান্ত্ৰিকমুখী কৰি আল-আমিন জনকল্যাণ সমাজৰ সংবিধান সংশোধন কৰি আপোনালোকৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হৈছে। **২০১৯-২১** কাৰ্যকালৰ বাবে অহা **২০১৯** চনৰ বাৰ্ষিক অধিবেশনত আপোনালোকৰ প্ৰতিনিধি নিৰ্বাচিত কৰিবলৈ জনাই থোৱা হ'ল।

আশা ৰাখিছো আগন্তুক দিনবোৰত সকলোৰে সহায়-সহযোগ আৰু সক্ৰিয় অংশ গ্ৰহণেৰে আল-আমিন জনকল্যাণ সমাজক আগবঢ়াই নিব।◆

আল্লা হাফিজ

**নুৰুল হক**
সভাপতি
আল-আমিন জনকল্যাণ সমাজ, গুৱাহাটী

**ইনামুল ইছলাম**
সচিব প্ৰধান
আল-আমিন জনকল্যাণ সমাজ, গুৱাহাটী

# আল্-আমিন জনকল্যাণ সমাজ

গুৱাহাটী, অসম

**পঞ্চদশ বাৰ্ষিক অধিবেশন (২০১৭-২০১৮)**

## (বাৰ্ষিক বিত্তীয় প্ৰতিবেদন)

বিচমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

জোনাব চাহেব/ চাহেবা, চালাম আলাইকুম

গুৱাহাটীৰ আল-আমিন জনকল্যাণ সমাজ ইয়াৰ কাৰ্য্যকালৰ ইতিমধ্যে ১৫ টা বছৰ সম্পূৰ্ণ কৰিলে। সমাজৰ প্ৰতিজন সদস্য/সদস্যা আৰু শুভাকাংক্ষী সকলে আগবঢ়োৱা সহায় সহযোগৰ বাবে অনুষ্ঠানটোৱে ২০১৭-১৮ বছৰটোত জাকাতৰ শিতানত ৮০৯,৭০০.০০ টকা আৰু সাধাৰণ পুঁজিৰ শিতানত ১০৮,৬৭০.০০ টকা সংগ্ৰহ কৰিবলৈ সক্ষম হয়।

২০১৭-২০১৮ বছৰটোত সমাজে সংগ্ৰহ কৰা পুঁজি আৰু খৰছৰ হিচাব তলত দাঙি ধৰা হ'ল।

১ এপ্ৰিল ২০১৭ ৰ পৰা ৩১ মাৰ্চ, ২০১৮ লৈ বছৰটোৰ জমা আৰু খৰচৰ হিচাপ

### সাধাৰণ পুঁজি

A/c No.: 33947141703, SBI, Panjabari Branch

| জমা | | | খৰছ | | |
|---|---|---|---|---|---|
| ১) নগদ হাতে জমা | ঃ | ৮৮৫.০০ | ছপা কৰা আৰু ষ্টেচনাৰী খৰছ | ঃ | ৫১,৪১৫.০০ |
| ২) এছ বি আই আৰু কানাৰা বেংকত জমা | ঃ | ৩,১৮,৮৬৬.০০ | হিচাপ পৰীক্ষকৰ মাচুল | ঃ | ৩,০০০.০০ |
| ৩) সদস্যৰ বৰঙণি | ঃ | **২৩,০০০.০০** | বছৰেকীয়া সভা, অন্যান্য সভা, বঁটা ধন ইত্যাদি | ঃ | ৯৬,০২৪.০০ |
| ৪) কিতাপ বিক্ৰী | ঃ | ৩৪,৫৭০.০০ | মাননী ধন | ঃ | ৫০০.০০ |
| ৫) আবেদন কাকত বিক্ৰী | ঃ | ৩,৩৭০.০০ | বেঙ্ক ছাৰ্জ | ঃ | ৬৪৯.০০ |
| ৬) বিজ্ঞাপন ধন | ঃ | ৪৮,০০০.০০ | **বছৰৰ শেষত জমা** | | |
| ৭) জাকাত পুঁজিৰ পৰা অনা ধন | ঃ | ১,০৫,০০০.০০ | হাতে জমা | ঃ | ৪০,০৪৬.০০ |
| | | | এচ বি আইত জমা | ঃ | ৩,৪০,৩৩৭.০০ |
| | | | কানাৰা বেঙ্কত জমা | ঃ | ১,৭২০.০০ |
| | | **৫৩৩,৬৯১.০০** | | | **৫৩৩,৬৯১.০০** |

৮) আদিলুৰ ৰহমান স্মাৰক নিধি ঃ ২,৪৩,৩৯৯.০০

আদিলুৰ ৰহমান স্মাৰক নিধি = ২,৪৩,৩৯৯.০০

## জাকাত পুঁজি

A/c No.: 33809857815, SBI, Panjabari Branch

**জমা**

| | | |
|---|---|---|
| ১) আগৰ হাতে জমা | ঃ | -- |
| ২) বেঙ্কত জমা | ঃ | ১,২৬,৩৮২.০০ |
| ৩) বছৰটোৰ জাকাত সংগ্ৰহ | ঃ | **৮,৩৪,২০০.০০** |
| ৪) বেঙ্কৰ সুত | ঃ | ৯১৩.০০ |
| | | **৯,৬১,৪৯৫.০০** |

**খৰছ**

| | | |
|---|---|---|
| মায়াং কেম্প | ঃ | ৬৭,০০০.০০ |
| বানপানীৰ সাহাৰ্য্য | ঃ | ২২,৯৯৩.০০ |
| জাকাত বিতৰণ | ঃ | ৭,৬৪,০০০.০০ |
| সাধাৰণ পুঁজিলৈ ট্ৰেন্সফাৰ | ঃ | ১,০৫,০০০.০০ |
| বেঙ্ক ছাৰ্জ | ঃ | ১০৬.০০ |
| **বছৰৰ শেষত জমা** | | |
| হাতে জমা | ঃ | ২০৭.০০ |
| এচ বি আই ত জমা | ঃ | ২,১৮৯.০০ |
| | | **৯,৬১,৪৯৫.০০** |

## জাকাত পুঁজিৰ বিতৰণৰ তালিকা

| ক্ৰমিক নং | বিৰৰণ | সংখ্যা | টকাৰ পৰিমাণ |
|---|---|---|---|
| ১) | উচ্চতৰ মাধ্যমিক | ৯৩ | ৩,৭৫,০০০.০০ |
| ২) | স্নাতক (কলা) | ৩৫ | ১,৪০,০০০.০০ |
| ৩) | স্নাতক (বিজ্ঞান) | ২১ | ৮৪,০০০.০০ |
| ৪) | স্নাতক (বাণিজ্য) | ২ | ৮,০০০.০০ |
| ৫) | এল. এল. বি | ১ | ৪,০০০.০০ |
| ৬) | বি. চি. এ | ১ | ৪,০০০.০০ |
| ৭) | বি. ভক | ১ | ৪,০০০.০০ |
| ৮) | স্নাতকোত্তৰ (কলা) | ৩ | ১২,০০০.০০ |

| | | | |
|---|---|---|---|
| ৯) | স্নাতকোত্তৰ (বিজ্ঞান) | ২ | ৮,০০০.০০ |
| ১০) | স্নাতকোত্তৰ (বাণিজ্য) | ১ | ৪,০০০.০০ |
| ১১) | ডি. ফাৰ্ম | ১ | ৪,০০০.০০ |
| ১২) | জে. ই. | ৪ | ১৬,০০০.০০ |
| ১৩) | পলিটেক্ | ১ | ৪,০০০.০০ |
| ১৪) | জি এন এম | ২ | ৮,০০০.০০ |
| ১৫) | ডি এম এল টি, পেৰামেডিকেল | ১ | ৪,০০০.০০ |
| ১৭) | মেডিকেল কোচিং | ১ | ৪,০০০.০০ |
| ১৮) | ফিজিঅ'থেৰাপি | ১ | ৪,০০০.০০ |
| ১৯) | মেডিকেল এইড | ১১ | ৭৩,০০০.০০ |
| ২০) | ফিজিকেলি চেলেঞ্জড্ | ১ | ৪,০০০.০০ |
| **বিতৰণৰ মুঠ টকাৰ পৰিমাণ** | | | **৭,৬৪,০০০.০০** |

আল-আমিনৰ এই জনকল্যাণমূলক প্ৰচেষ্টাত সকলো ৰাইজৰ পৰা ইতিবাচক সঁহাৰি পাম বুলি আশা কৰিলো।◆

ইমতিয়াজ আলি
*বিত্ত সচিব*
**আল-আমিন জনকল্যাণ সমাজ**

# List of Members of Al-Ameen Welfare Society

| Member ship No | Name | Address. | E mail | Phone No. Land Line | Mobile |
|---|---|---|---|---|---|
| **Founder Members** | | | | | |
| F-1 | **Abdul Majid** | 20 Namghar Path, Panjabari, Guwahati - 781037 | **Expired on 24-09-2017** | | |
| F-2 | Imtiaz Ali | H No - 41,Bylane 2/6 ,Tarun Nagar, Guwahati- 781005 | | | 9435044493 |
| F-3 | Komruz Zaman N Ahmed | 21, Bagharbari Rd.Panjabari, Guwahati -781037 | komoruz@gmail.com | 91361-2333962 | 9864040018 |
| F-4 | Md.Abdul Harmine | 43,Green Land,Panjabari, Guwahati -781037 | | 91361-2336974 | 9954078990 |
| F-5 | Inamul Islam | 13 Nilmani Phukan Path,Christian Basti ,Guwahati-781005 | inamulghy13@gmail.com | 91361-2348653 | 9435309734 |
| F-6 | Dr.Toufiquer Rahman Borbora | Oberon Apts.,6,Lamb Road, Guwahati 781001 | drtaufieborbora@gmail.com | 91361-2603961 | 9435394228 |
| F-7 | Mehmoobur Rehman Bora | 402,Omesha Residency,B'Bari Rd, Panjabari,Guwahati-781037 | bora.ratul@yahoo.com | | 9435108340 |
| F-8 | Hasibur Rahman | 46,Green Land, Bagharbori, Panjabari,Guwahati-781037 | | | 9435110973 |
| F-9 | Salek Mohammad | H No-43 ,By-lane - 2/6 Tarun Nagar, Guwahati -781005 Presently: K-37,Sarojoni Nagar,New Delhi-110023 | salekm00@gmail.com | | 9435117942 / 9650740366 |
| F-10 | Abdul Washi | H.No-1,Namghar Path,Panjabari, Ghy-781037 | | | |
| F-11 | **Safiullah Khanikar** | Born on 18-07-1939 | **Expired on 11-01-2012** | | |

| Member ship No | Name | Address. | E mail | Phone No. |
|---|---|---|---|---|
| **Patrons** | | | | |
| P-1 | Iltaf Hussain Hazarika | 9, West Rukmini Nagar,Guwahati-781006 | iltafofpibco@rediffmail.com | 9435045702 |
| P-2 | A.N.M.Samiul Alam | Behind Girls High School,Gandhibasti, Guwahati | 91361-2520733 | |
| P-3 | Anowar Hussain | H/no.87 (A), Senduri Ali, Zoo Road. Guwahati-781024. | | 9435014826 |
| P-4 | **Mir Jashim** | **Born on -1949 Expired on 28-05-2008** | | |
| **Advisers** | | | | |
| 1 | **Mohammad Taher** | Pragjyotish Nagar, Guwahati-781014 | **Expired on 24/02/2015** | |
| 2 | Irshad Ali | Pragjyotish Nagar, Guwahati-781014 | Project Committee | |
| 3 | Abu Naser Sayed | | | 9435407376 |
| 4 | Farrukh Saaduddin Ahmed | Guwahati University,Jalukbari, Guwahati-781014 | | 9613001569 |
| 5 | N. I Laskar | VIP Road , Six Mile Guwahati | | 9954191836 |
| **Honerary Members** | | | | |
| H-1 | Nurul Haque, | Hidayat | | 9864786351 |
| H-2 | S.H.Choudhury | Rajdhani Masjid Path,Dispur, Guwahati 781006 | 91361-2262633 | 7399700947 |
| H-3 | Mazid Ali | Scolar School,Satgaon,Panjabari Guwahati. | | 9864052441 |
| H-4 | Abdul Mustaque | Vill-Ghorasal, Turai, Byaspara, Darrang | | 9707213347 |
| H-5 | **Mrs. Shahida Hussain Hazarika** | **Expired on 03-06-2010** | | |
| H-6 | **Mashihuz Zaman** | **Born on -01st Oct 1929 Expired on 24th Nov 2011** | | |

| Member ship No | Name | Address. | E mail | Phone No. | |
|---|---|---|---|---|---|
| **Life Members** | | | | | |
| L-1 | A.I.S.Abdali | Musafirkhana Road, Islampur , Guwahati - 781003 | | | 9954102996 |
| L-2 | Dr. Tahsin Umer | Green Land,Panjabari, Guwahati -781037 | | | 9435394241 |
| L-3 | Miss Sartaz Ahmed | 1001 L Street, NW # 606 Washington DC ,20001, USA | | (001202)2584464 | |
| L-4 | Dr. Musahid Ahmed | 1515,Fountain Street, Alameda 94501CA USA | | (001510)6939579 | |
| L-5 | Mrs. Dabira Sultana Ahmed | 21 Bagharbari Road, Panjabari,Guwahati-781037 | | 91361-2333962 | 9707083788 |
| L-6 | Zahid Hasan Borborah | USA | | | |
| L-7 | Isfaqur Rahman Borborah | Megh Mallar Apartments, Wireless,Beltola,Guwahati 781028 | | 91361-2234223 | 9435829200 |
| L-8 | Rajib Saleh | Bylane 1 South, Zoo Narengi Road, Guwahati 781021 | | 91361-2201448 | 9435829200 |
| L-9 | Azizar Rahman | HouseNo 38,Namgarh Path Panjabari ,Guwahati - 781037 | | | 9435370810 |
| L-10 | Dr.(Mrs)Sakiya Khan | S,K,Bhuyan Road, Ambari, Guwahati-781001 | | 91361- 2543542 | 9864506402 |
| L-11 | Dr. M.I.Khan | S,K,Bhuyan Road, Ambari, Guwahati-781001 | | | 9435044971 |
| L-12 | Mrs. Iftekha Rahman Ansari | C/O justice I. Ansari, Judge's B'low, Kharghuli, Guwahati-781004 | | | 9864055409 |
| L-13 | A.S.Abdullah | Jurani Path, RGB Rd, Guwahati-781005 | | 91361-2201418 | 9864073513 |
| L-14 | A.Y.M. Safiqul Alam | HN-4, Rajgarh Bihutali,Rajgarh Girls HS Road, Guwahati-781007 | | 91361-2524282 | 9435143081 |
| L-15 | Mrs. Nazma Abdullah | Jurani Path, RGB Road, Guwahati-781005 | | 91361-2201418 | 9678010577 |
| L-16 | Md. Nazrul Islam | 32, Lamb Road, Guwahati-781001 | | 91361-2521824 | |
| L-17 | Md. Sazad Ali | Ali Manzil,West Jamuna Road,Near Hero Agency, Sivasagar 785640 | | | 7896746778 |
| L-18 | Abdul Mazid | House No 12, Namgarh Path No 2,Rukmimi Nagar, Wireless Gwahahati - 781006 | | 91361-2266699 | 9435045349 |

| Member ship No | Name | Address. | E mail | Phone No. |
|---|---|---|---|---|
| L-19 | Latif Ahmed Bin Hussain | Jurani Path,Zoo Road, Guwahati-781005 | | 9613037538 |
| L-20 | Mrs. Nasrin Ara Begum | | | 91361-2200225 |
| L-21 | Syed Mohd. Idris | Hatigaon, Chari Ali, Guwahati -781038 | | 9864061775 |
| L-22 | Syed Tabibur Rahman | 8,Darandha Kabarstan Path,Panjabari, Guwahati-781037 | | 91361-2332788 |
| L-23 | Washikuddin Saleh | Near DTO Office, Rajabari, Jorhat-785014 | | 9435092939 |
| L-24 | Kamrul Haque | Hill View Road., Sarania, Guwahati 78100 | | 91361-2662461 |
| L-25 | Abdul Requib | Waheb Manzil,Chandmari, Guwahati-781003 | | 91361 -2550340 91361- 2453922 |
| L-26 | Tina Yasmin Abdullah | 1555 W. Middlefield, Road 42,Mountain View, CA94043 USA | | 16504281184 |
| L-27 | Kalbi Hasan Ahmed | House 1,Bylane 1, Gandhi Basti, Guwahati-781003 | | 91361-2667908 9435040093 |
| L-28 | **Mohammad Taher** | Pragjyotish Nagar, Guwahati-781014 | **Expired on 24/02/2015** | 9864089571 |
| L-29 | Alhaj A. Hye Choudhury | Chandralaya Apts,Lamb Road, Guwahati-781001 | | 995465956 |
| L-30 | Mazibur Rahman | HN-17,Shaktigarh Path, GS Road,Guwahati-781005 | | 91361-2458271 98640-25997 |
| L-31 | Masuma Begum Wasif | 22, F.A.Ahmed Nagar, Panjabari, Guwahati 781022 | | 9864010149 |
| L-32 | Zakir Hussain | Nur Manzil,K.K.Bhatta Road, Chenikuthi, Guwahati-781003 | | 91361-2667178 |
| L-33 | Mrs. Shaheena Perveen Hussain | Uzan Bazar,House No.1,Guwahati 781 | | 9864031597 |
| L-34 | Iftekhar Hussain | HN135,Near Doson Chemical, Machkhowa,MG Road, Guwahati-781009 | | 91361-2510787 99540-92806 |
| L-35 | Iltaf Hussain Borbora | K-201,Kripa Apartment,Sangam Path,(landmark-transformer) Near Hatigoan Chariali, Guwahati-781038 | | 8486330591 |

| Member ship No | Name | Address. | E mail | Phone No. | |
|---|---|---|---|---|---|
| L-36 | Aminur Rahman | Herasutullah Complex, 3C,SKBhuyan Road, Guwahati-781001 | | 91361-2737301 | 9435118074 |
| L-37 | Salahuddin Ahmed | Subansiri Apt, Govt Press Road, Bamunimaidam,Guwwahati 781021 | | 91361-2551602 | 94351-48936 |
| L-38 | Dr. Sahid Ali | 2/C, Oberon Apts., 6,Lamb Road, Guwahati 781001 | | 91361-2602688 | 9864063740 |
| L-39 | W.R.Borborah | Para Deep Refinary | | | 9435137658 |
| L-40 | A.K.Zilani | Dhubri | | | |
| L-41 | Syed Ahmed Shah | Bylane No.4,Saheb Tila, Zoo-Narengi Road, Guwahati-781024. | | 91361-2412793 | |
| L-42 | Mrs. Nilofar Zaman | Chandralaya Apts,Lamb Road, Guwahati-781001 | | | 9435551269 |
| L-43 | Dabiruz Zaman | Chandralaya Apts,Lamb Road, Guwahati-781001 | | | 9435551280 |
| L-44 | Md. Jehirul Harmine | 43,Greenland, Panjabari, Guwahati-781037 | | | 9435096679 |
| L-45 | Md. Zakirul Harmine | New Zealand | | | |
| L-46 | Md. Ali Reza | S.S.Road,opp. Sahida Market, Lakhtakia,Guwahati-781001 | | 91361-2635694 | 94350-44739 |
| L-47 | M.M.A.Zaman | Green Land, Panjabari, Guwahati-781037 | | 91361-2330558 | |
| L-48 | Syed Liaquat Ali | 3,Ratna Giri Path, Bagharbari, Panjabari,Guwahati-781037 | | 91361-2332702 | 9954094299 |
| L-49 | Sayed Haroonar Rahman | 7C Legacy Appartment , FA Ahmed Road, Six Mile , Guwahati-781022 | rahmanharoon@gmail.com | | 9435192193 |
| L-50 | Syed Makibar Rahman | Rahman Manzil,H No 29, Sree Nagar, Guwahati-781005 | | 91361-2342316 | 94350-18649 |
| L-51 | Khasnur Ali | Satgoan Road Panjabari Guwahati-781037 | | | |
| L-52 | Nur Mohammad Saikia | Oakland,Bagharbari,Panjabari, Guwahati-781037 | | 91361-2333983 | 94353-41588 |
| L-53 | Hafiz Ali | HN19,Bylane2/7,Mathuranagar, K.K.Handique Rd, Dispur, Guwahati-781006 | | 91361-2356704 | |
| L-54 | Ms. Rena Begum, W/o (L) Pajiruddin Ahmed | House No.6, Sanjug Path,Lakhimi Nagar,,Guwahati-781038 | Expired on | 91361-2266134 | |

| Member ship No | Name | Address. | E mail | Phone No. | |
|---|---|---|---|---|---|
| L-71 | Mrs.Azida Begum | Rose Land,H.No.14,Satgaon Path,Guwahati-781037 | | | 9435895574 |
| L-72 | Mrs.Farhana Islam | H.No.11,Udayachal Path, Christianbasti, Guwahati 781005 | | | 9864407969 |
| L-73 | Phakil Ahmed Bora | H.No454,Bagharbori, Panjabari Guwahati.781037 | | | 9435144298 |
| L-74 | Imdad Ali | H.No.6,Japorigog High School Bye Lane,Sundarpur, Guwahati 781005 | | | 9435559539 |
| L-75 | Jamanur Haque Ahmed | H.No.8,Abul Fajal Rd.,Beltola, Guwahati 781028 | | | 9954121018 |
| L-76 | Ms. Sazeeda Khatoon Saikia | C/O Jyotsna Duarah, H..no-2, Patkai Path, (Opp.Bylane of Dreamland Apartment) Rukminigoan, Guwahati 781022 | momineccil@gmail.com | | 9864422679 |
| L-77 | Sayeeda Khatoon Saikia | | | | 9706693818 |
| L-78 | Anwar Hussain Khandekar | P.O.Box50281,Khamis Mushait,Abha-613301,Saudi Arabia | | 00966-505864620 | |
| L-79 | Abul Parveez Washi | H.No.1,Namghar Path, Panjabari,Guwahati -781037 | | | 9957575733 |
| L-80 | Manikuddin Laskar | H.No.6,Rose Land,Bagharbori, Satgaon Road, Panjabari, Guwahati-781037 | | | 98595 42954 |
| L-81 | Parvis Akhtar Ahmed | H.No-4,Ajanta Path,1st Bye Lane,Survey,Guwahati-781028 | | | 9864036895 |
| L-82 | Maqbul Hussain | H.No.44 , Santi Path ,Jayanagar, Sixmile,Guwahati-781022 | | 91361-2228160 | 9864158044 |
| L-83 | Mrs.Samima Nargish Khanikar | 2-29 Chapel Street, Tauranga, New Zealand | samimakhanikar@yahoo.co.in | | |
| L-84 | Mrs.Shaheen Zaman | 43,Greenland,Panjabari, Guwahati-781037 | | | 9954691160 |
| L-85 | Mr.Mostaque Hussain Barbora | Prof.Mathematics, Polytech Dept, AMU, Aligarh,UP. | | 19808585640 | |
| L-86 | Mrs.Parveen Begum | | | 19410692778 | |
| L-87 | Mrs.Farmin Sultana | 402,Omesha Residency, Bagharbari Road, Guwahati-781037 | | | 9854081907 |
| L-88 | Mrs.Sanjeed a Rehman | H No - 42,Bylane 2/6 ,Tarun Nagar, Guwahati- 781005 | | | 9435041933 |

| Member ship No | Name | Address. | E mail | Phone No. |
|---|---|---|---|---|
| L-89 | Alhaj Arman Ali | H.No.1,Pubarun Path, Satgaon, Nowpara, Guwahati-781037 | | 9435113019 |
| L-90 | Nurul Haque | H.No-32, Farkruddin Ali Ahmed Nagar,Sixmile,Guwahati - 781022 | | 9954707893 |
| L-91 | Dr. Kamalul Mazid | Na para,Satgaon Panjabari, Guwahati-781037 | | |
| L-92 | Alimuddin Lashkar | Na para,Satgaon Panjabari, Guwahati-781037 | | 9401176140 |
| L-93 | Salim Ahmed | H/No.-479,Satgaon Road,Bagha Bori Tiniali, Guwahati-781037 | | 9401226880 |
| L-94 | Ali Haidar Laskar | H/No.-3987,VIP Road, Sixmile, Guwahati-781036 | | 9864422660 |
| L-95 | Taheidur Rahman, | H/No.JW/6,Juripar Path,panjabari Rd, Guwahati-781037 | | 986414727 |
| L-96 | Aslam Ahmed | H/No.20,Near Delux Bus Stand, Panjabari, Guwahati-781037 | | 9864072969 |
| L-97 | Syed Muzammil Hoque, | Rtd. Judge,Manjushree Apt,Guwahati-781022 | | 9435168219 |
| L-98 | Jan Md. Talukdar | Parijat Path,Hatigoan, Guwahati-781038 | janmut_1@yahoo.co.in | 9435303146 |
| L-99 | Fazal Ali Hazarika | Advocate,Ward No-8 (Balighat Tiniali) Himaluguri Town, P.O. Gorgoan Dist Sivasagar,785685 | | 9435058615 |
| L-100 | Habibur Rahman | Nivrity lodge, Ganeshguri bus stop, Dispur,Guwahati-781005 | | 9435546688 |
| L-101 | Ahsanul Hussain | Drilling department,Oil India Ltd, Duliajan-786602 | | 9954485603 |
| L-102 | Sayeda Safida Begum | 3,Ratnagiri Path, Panjabari, Guwahati-781037 | | 9435148409 |
| L-103 | Dr,. M.Faruque Rahman | Asroy Enclave,VIP Road, Guwahati-781036 | | 9678580589 |
| L-104 | Syed Rafique Ali | Namghar path, Panjabari , Guwahati-781037 | | 9435088300 |
| L-105 | Mrs. Nazmin Banu Islam | H.No-13, Railway colony road, Hatigarh,Guwahati-781028 | | 9535018094 |

| Member ship No | Name | Address. | E mail | Phone No. |
|---|---|---|---|---|
| L-106 | Saheb Khan | 92,Uday Nagar,Dakshin Gaon,Guwahati-781019 | | 9864083636 |
| L-107 | Nafiza Hussain Borbora | H No 39,Behind CRPF Camp, Dharapur, Guwahati- 781017 | borbaranfiza@yahoo.com | 9435341505 |
| L-108 | Mirzanur Rahman | Rahman Apartments,FA Road, Kumarpara ,Guwahati-781009 | | 9706179729 |
| L-109 | Abdul Kadir | Saneki Path, Bagharbari, Guwahati-781037 | | 9864200147 |
| L-110 | Khudeza Begum | Aman Heritage,Block 1.E.O. Mother Teresa Road, Hatigaon, Guwahati-781038 | | 9435909226 |
| L-111 | Akbar Ali | Satgaon,Noapara,Bagharbari, Panjabari,Guwahati-781037 | | 9435100760 |
| L-112 | Dr.Alifa Begum | 3,Shanti Path, Joyanagar,Sixmile, Guwahati-781022 | | |
| L-113 | Dr. Abdul Mukit | | | 9864043330 |
| L-114 | Mrs. Nazma Hussain Hazarika | 6,Rodali Path, F.Ali Ahmed Nagar, Panjabari, Guwahati-781022 | | 9864078825 |
| L-115 | Dr. Mukhtar Hussain Hazarika | | | 9954682416 |
| L-116 | Dr. Taibur Rahman | 1,Chandan Nagar,Sixmile, Guwahati-781022 | | 9954073314 |
| L-117 | Dr. Atiqur Rahman | Beauideal Apts,Behind TCSchool, B.Baruah Road, Silpukhuri, Guwahati-781003 | | 9435556059 |
| L-118 | Dr. Kutubuddin Ahmed | 59,Puranbasti,F.A.Road, Panjabari, Guwahati-781022 | | 9435548233 |
| L-119 | Naquib Abdul Matin | West Tarajan, A.T.Road, Gayen Gaon Tiniali, Jorhat 785001 | | 9435150392 |
| L-120 | DR. Twarique Hussain | H No-29,(infront ofH.No -73) Saboun Factory Road, Gandhi Basti,Guwahati-781003 | | 9864510042 |
| L-121 | Dr.Nawab Md. Dilawar Hasan | 4th Floor,Toostee Aprt. Jonali, Zoo Road,Guwahati-781024 | | 9678916783 |
| L-122 | Sadique Anam Rahman | House No.13, Railay Colony Road, Hatigarh Chariali, Bamunimoidan, Guwahati-781021 | sadiqueanamrahman.com@gmail | 9435018093 |

আল-আমিন জনকল্যাণ সমাজৰ...

# টুকুৰা খবৰ

৬ সংবাদ প্ৰৱাহ

★★★ ১৭ জুলাই, ২০১৭ সোমবাৰ, গুৱাহাটী আমাৰ অসম

**বাংলাদেশী চিনাক্তকৰণৰ নামত অবাস্তৱ কথা কৈ লাভ নাই ঃ অধ্যাপক উদয়াদিত্য ভৰালী**

## বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ শ্বেখ চান্দ মহম্মদক সম্বৰ্ধনা

**চানমাৰিৰ প্ৰতিবেদক, ১৬ জুলাই ঃ** "অবৈধ বাংলাদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ কেতিয়াও ১৯৫১ চন হ'ব নোৱাৰে। ১৯৭১ চনতহে বাংলাদেশ গঠন হৈছিল। যি সময়ত বাংলাদেশেই নাছিল, সেই সময়ত বাংলাদেশী ক'ৰ পৰা থাকিব পাৰে? বাংলাদেশী চিনাক্তকৰণৰ নামত কিছুমান অবাস্তৱ কথা কৈ থাকি লাভ নাই।" দেওবাৰে এই তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে অধ্যাপক উদয়াদিত্য ভৰালীয়ে। গুৱাহাটীৰ লতাশিলস্থিত বিষ্ণু নিৰ্মলা ভৱনত অনুষ্ঠিত আল-আমিন জনকল্যাণ সমাজৰ চতুৰ্দশ বাৰ্ষিক অধিৱেশনত 'বৃহত্তৰ অসমীয়া জাতি গঠনত সমস্যা আৰু সমাধান' বিষয়ত নিৰ্দিষ্ট বক্তা হিচাপে অধ্যাপক ভৰালীয়ে কয়— "বৃহত্তৰ অসমীয়া জাতিৰ জীৱনৰ স্বাৰ্থত সুদীৰ্ঘ দিন ধৰি মাত মাতি আহিছোঁ। কিন্তু এয়া দালালিৰ বাবে নহয়। আমি দেশদ্ৰোহী নহয়। অসমীয়া ভাষাটোক মূল ভাষা হিচাপে লৈ বিভিন্ন ভাষা-ভাষীক একলগ কৰি বৃহত্তৰ অসমীয়া জাতীয় জীৱন গঢ় দিব লাগিব। মহাপুৰুষ শংকৰদেৱে বৰ্ণ-ভাষা-ধৰ্ম নিৰ্বিশেষে আমাৰ জাতিটো গঠনত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল।" ভাষণ প্ৰসংগত অধ্যাপক ভৰালীয়ে অসমীয়া জাতি গঠনৰ ইতিহাস ব্যাখ্যা কৰাৰ লগতে বৰ্তমানৰ বহু জাতীয়তাবাদী নেতাৰ ইতিহাস অধ্যয়ন নাই বুলিও মন্তব্য কৰে। অনুষ্ঠানত অধ্যাপক ভৰালীয়ে আল-আমিন জনকল্যাণ সমাজৰ স্মৃতিগ্ৰন্থখনো উন্মোচন কৰে। তৌফিকুৰ ৰহমান বৰবৰাৰ সভাপতিত্বত অনুষ্ঠিত উক্ত অনুষ্ঠানটোত অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ শ্বেখ চান্দ মহম্মদক সমাজৰ তৰফৰ পৰা গামোচা, শৰাই আৰু মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। লেখক আলহাজ আব্দুল গাফ্‌ফাৰৰ 'ইছলামৰ তিনিগৰাকী মহীয়সী নাৰী' নামৰ গ্ৰন্থখন উন্মোচন কৰি মহম্মদে সকলোকে সমাজৰ হৈ কাম কৰি যাবলৈ আহ্বান জনায়। অনুষ্ঠানত ২০১৭ বৰ্ষৰ উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা আৰু হাইমাদ্ৰাছা পৰীক্ষাত স্থান লাভ কৰা দহগৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীক 'মৰহুম আদিলুৰ ৰহমান সোঁৱৰণী বঁটা'ৰ লগতে অন্যান্য কিছু বঁটা প্ৰদান কৰা হয়। ইয়াৰ লগতে উক্ত অনুষ্ঠানতে নুৰুল হকক সভাপতি হিচাপে লৈ আল-আমিন জনকল্যাণ সমাজৰ ২০১৭-১৯ বৰ্ষৰ নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়।

THE TELEGRAPH MONDAY 17 JULY 2017

## NORTHEAST

**BRIEFS**

### Felicitated

■ **Guwahati:** Al-Ameen Welfare Society, a social organisation, on Sunday felicitated nine rank-holders of the HSLC and High Madrassa examinations along with former Assembly Speaker Sheikh Chand Mohammad. Professor Udayaditya Bharali delivered a lecture on "Problems in establishing a greater Assamese identity".

অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ সোমবাৰ, ১৭ জুলাই, ২০১৭/৩২ আহাৰ, ১৯৩৯ শক ৯



**আল আমিন জনকল্যাণ সমাজৰ চতুৰ্দশ বাৰ্ষিক অধিৱেশন**

## জাতি গঠন প্ৰক্ৰিয়াত মহাপুৰুষ শংকৰদেৱৰ অৱদান অপৰিসীম

**প্ৰতিদিন মহানগৰ সেৱা, গুৱাহাটী, ১৬ জুলাই ঃ** আল আমিন জনকল্যাণ সমাজৰ চতুৰ্দশ বাৰ্ষিক অধিৱেশনখন আজি গুৱাহাটীৰ বিষ্ণু নিৰ্মলা ভৱনত অনুষ্ঠিত হয়। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত অধিৱেশনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বুদ্ধিজীৱী, শিক্ষাবিদ উদয়াদিত্য ভৰালীয়ে 'বৃহত্তৰ অসমীয়া জাতি গঠনৰ সমস্যা আৰু সমাধান' শীৰ্ষক বিষয়ক মনোজ্ঞ বক্তৃতা আগবঢ়ায়। বিশিষ্ট বুদ্ধিজীৱীগৰাকীয়ে ভাষণ প্ৰসংগত অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত শংকৰদেৱৰ ভূমিকা সম্পৰ্কে ব্যাখ্যা আগবঢ়ায়। তেওঁ কয় যে অসমীয়া জাতি গঠনত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভূমিকা আছিল অপৰিসীম। ধৰ্ম-বৰ্ণ নিৰ্বিশেষে বৃহত্তৰ অসমীয়া জাতিক একতাৰ ডোলেৰে বান্ধি গৈছে মহাপুৰুষজনাই। একেই প্ৰসংগত তেওঁ আজান ফকীৰৰ অৱদানৰ বিষয়েও উল্লেখ কৰে। আন এটা প্ৰসংগত উদয়াদিত্য ভৰালীয়ে চৰকাৰ তথা একাংশ জাতীয় সংগঠনে অবাস্তৱ কথা কৈ থকাৰ বিষয়েও উল্লেখ কৰে। ইতিহাস-ইতিবৃত্ত নজনাকৈ অনাহক অশান্ত পৰিবেশ সৃষ্টি নকৰিবলৈ তেওঁ আহ্বান জনায়। আল আমিন জনকল্যাণ সমাজৰ সভাপতি তৌফিকুৰ ৰহমান বৰবৰাৰ সভাপতিত্বত অনুষ্ঠিত অধিৱেশনখনৰ আদৰণী ভাষণ আগবঢ়ায় সচিবপ্ৰধান ইনামুল ইছলামে। অনুষ্ঠানত জ্যেষ্ঠ নাগৰিক শ্বেখ চান্দ মহম্মদক সম্বৰ্ধনা জনোৱা হয়। আলহাজ আব্দুল গাফ্‌ফাৰ ৰচিত 'ইছলামৰ তিনিগৰাকী মহীয়সী নাৰী' শীৰ্ষক গ্ৰন্থখন শ্বেখ চান্দ মহম্মদে উন্মোচন কৰে। অধিৱেশনত হাইস্কুল শিক্ষান্ত আৰু হাই মাদ্ৰাছা পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ ৯গৰাকী শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱা হয়। অধিৱেশনত ২০১৭-২০১৯ বৰ্ষৰ বাবে নতুন কাৰ্যনিৰ্বাহক গঠন কৰা হয়।

সেনা-আৰক্ষীৰ অভিযান

বিজেপিৰ সংবাদ মাধ্যম সম্পৰ্কী

বিভিন্ন কাকতত প্ৰকাশিত

আল-আমিন জনকল্যাণ সমাজৰ...

## টুকুৰা খবৰ

গৌৰৱোজ্জ্বল অবিৰাম যাত্ৰাৰ চতুৰ্বিংশতিতম বৰ্ষ
দৈনিক গণ অধিকাৰ
মূক জনতাৰ মুক্ত কণ্ঠ
..., দেওবাৰ, ১৬ জুলাই, ২০১৭ ■ ৩১ আহাৰ, ১৯৩৯ শক ■ Guwahati, Vol. 7, No. 107, Sunday, 16 July, 2017 ■ RNI No. 63550/95

# আল আমিন জনকল্যাণ সমাজৰ আজি ১৪ তম্ বাৰ্ষিক অভিবৰ্তন



## কৃতিমান ছাত্ৰ-ছাত্ৰীলৈ আদিলুৰ ৰহমান বঁটা, বক্তৃতা দিব উদয়াদিত্য ভৰালীয়ে

● ছাহজাহান তালুকদাৰ

সমাজৰ সকলো শ্ৰেণীৰ দুৰ্দশাগ্ৰস্ত ৰাইজৰ শৈক্ষিক আৰু সামাজিক অনগ্ৰসৰতা দূৰ কৰি আৰ্থসামাজিক অৱস্থা উন্নত কৰিবলৈ, ৰাইজৰ মাজত ধৰ্মনিৰপেক্ষতাৰ ভাব গঢ়িবলৈ, সাম্প্ৰদায়িক সম্প্ৰীতি তথা সামাজিক ন্যায়ৰ হকে যুঁজ দিবলৈ কেইগৰাকীমান সমাজহিতৈষী লোকৰ আশাসুধীয়া প্ৰচেষ্টাত গুৱাহাটী মহানগৰীত গঠন হৈছিল স্বেচ্ছাসেৱী বেচৰকাৰী অনুষ্ঠান 'আল আমিন জনকল্যাণ সমাজ'। প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত ৰাইজক সহায় কৰাৰ লগতে সৰ্বহাৰাৰ কাৰণে জনকল্যাণমুখী আঁচনি ৰূপায়ণ কৰিবলৈ অংগীকাৰবদ্ধ কেইগৰাকীমান লোক মিলিত হৈ ২০০৩ চনৰ ৭ জুনত অৰাজনৈতিক আৰু সম্পূৰ্ণ ধৰ্মনিৰপেক্ষ এই সংগঠনটোৰ জন্ম দিয়া হৈছিল। সংগঠনটোৰ জন্মলগ্নত যিসকল লোক জড়িত আছিল তেওঁলোক আছিল কৃষি বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক মোহাম্মদ আব্দুল হাৱমাইন আৰু প্ৰতিষ্ঠিত ব্যৱসায়ী মেহমুদৰ ৰহমান বৰা। চাকৰি কালৰ পিছত অৱসৰৰ সময়ত ৰাইজৰ সেৱা কৰিবলৈ আৰু সমাজৰ হিত চিন্তা কৰিবলৈ আগবাঢ়ি অহা আৰু কেইগৰাকীমান ব্যক্তি পিছলৈ এই সংগঠনৰ সৈতে সংযুক্ত হৈ পৰে। তেওঁলোক আছিল কুৱেইট অইল কোম্পানীৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ তেল অভিযন্তা কমৰুজ্জামান আহমদ, বিশিষ্ট অভিনেতা তথা যশস্বী কথাছবি' পৰিচালক আব্দুল মজিদ, অসম চৰকাৰৰ বান নিয়ন্ত্ৰণ বিভাগৰ অৱসৰপ্ৰাপ্ত সচিব ছফিউল্লা খনিকৰ, অসম চিকিৎসা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ■ ১০ পৃষ্ঠাত

১২ দৈনিক গণ অধিকাৰ গুৱাহাটী, বুধবাৰ, ১৭ জানুৱাৰী, ২০১৮ শেষ পৃষ্ঠা Dainik Gana Adhikar 12 Guwahati, Wednesday, 17January, 2018 RNI N

### আল আমিন জনকল্যাণ সমাজৰ উদ্যোগত সজাগতা সভা

# ইছলামেই একমাত্ৰ বৈজ্ঞানিক ধৰ্ম - নগেন ভূঞা

## জন্ম নিয়ন্ত্ৰণৰ বাবে মহিলাক শিক্ষিত কৰিবই লাগিব - ডাঃ ইলিয়াছ আলী



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৬ জানুৱাৰী ঃ** সমগ্ৰ ভাৰতত মুছলমান সমাজ আৰু আদিবাসীসকলৰ অৱস্থা একে। মুছলমানসকল যিদৰে শৈক্ষিক অনগ্ৰসৰতা আৰু জনবিস্ফোৰণত পিষ্ট ঠিক তেনেদৰে আদিবাসী সকলৰো তদ্ৰূপ অৱস্থা। মুছলমান সমাজৰ জনবিস্ফোৰণৰ অন্যতম কাৰণ শিক্ষাৰ অভাৱ বুলি অভিহিত কৰে বিশিষ্ট চিকিৎসক তথা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ শল্য চিকিৎসক অধ্যাপক ডাঃ ইলিয়াছ আলীয়ে। ১৩ জানুৱাৰী শনিবাৰে গুৱাহাটী মহানগৰীৰ পাঞ্জাবাৰীস্থিত নোৱাপাৰাৰ ইছলামিক অধ্যয়ন কেন্দ্ৰৰ প্ৰেক্ষাগৃহত 'অসমৰ মুছলমান সমাজৰ সামগ্ৰিক অনগ্ৰসৰতা আৰু পশ্চাদগামী মনোভাৱৰ প্ৰতিকাৰ' শীৰ্ষক বিষয়ত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰি বিশিষ্ট চিকিৎসকগৰাকীয়ে কয় মুছলমান অঞ্চলত গঢ় লৈ উঠা মাদ্ৰাছাসমূহত প্ৰগতিশীল শিক্ষা নথকাৰ ফলস্বৰূপে মৌলবীসকলে সমাজত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰি আহিছে। মৌলবীসকলে যদিহে গাঁৱে-ভূঞে মহিলাক শিক্ষিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিলেহেঁতেন, তেনেহ'লে মুছলমান সমাজত নিশ্চিতভাৱে জন্ম নিয়ন্ত্ৰণ হ'লহেঁতেন আৰু জনবিস্ফোৰণৰ পৰা ৰক্ষা পৰিলহেঁতেন। ডাঃ আলীয়ে আৰু কয় ইছলাম ধৰ্মত আছে যে যিখন দেশত বাস কৰিব তেওঁ সেই দেশৰ নিয়ম-নীতি পালন কৰিব লাগিব। সেয়ে এগৰাকী মুছলিম হিচাপে কিশোৰী কন্যাক ওঠৰ বছৰৰ পূৰ্বে বিয়া দিয়াটো ইছলামী শিক্ষাৰ বিপৰীত কাৰ্য বুলি মন্তব্য কৰে। আল আমিন জনকল্যাণ সমাজৰ সভাপতি নুৰুল হকৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সজাগতা সভাত সন্মানীয় অতিথি হিচাপে ভাষণ প্ৰদান কৰে বৃহত্তৰ পাঞ্জাবাৰী সাহিত্য সভাৰ সভাপতি নগেন ভূঞাই। ভাষণ প্ৰসংগত নগেন ভূঞাই কয় মৌলবীসকলে হাদিছ-কোৰানৰ প্ৰকৃত অৰ্থ নজনাৰ কাৰণে আজি মুছলমানসকলৰ মাজত সামগ্ৰিক অনগ্ৰসৰতা দেখা দিছে। বিশ্বত যিমান ধৰ্ম আছে সকলোৰে ভিতৰত একমাত্ৰ ইছলামেই এটা বৈজ্ঞানিক ধৰ্ম। তেওঁ আৰু কয় সুস্থ আৰু সুখী জীৱন-যাপনৰ বাবে জন্ম নিয়ন্ত্ৰণৰ বাহিৰে গত্যন্তৰ নাই। পাণ্ডৱ পাঁচজন থাকিলেও কৌৰৱৰ এশ.পুত্ৰৰ কোনো কাম নাছিল। ঠিক একেদৰে মুছলমান সমাজত তিনি-চাৰিটা সন্তানতকৈ এটা সু-সন্তানেই যথেষ্ট বুলি তেওঁ মন্তব্য কৰে। সমাজৰ প্ৰাক্তন উপ-সভাপতি তথা সদস্য আব্দুল ৰাচিয়ে আদৰণী ভাষণ দিয়া উক্ত অনুষ্ঠানটোত অৱসৰপ্ৰাপ্ত অতিৰিক্ত মুখ্য অভিযন্তা ছৈয়দ হাৰুণ আৰ ৰহমান, অৱসৰপ্ৰাপ্ত এচিএছ বিষয়া চৈয়দ হাচিনুৰ ৰহমান, লুৎফুৰ ৰহমান, ইয়াৰ বক্স হাজৰিকা, ছহাবুদ্দিন আহমেদ, তামান্না ৰহমান উপস্থিত থাকে। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়াই মাচুমা ৰাচিফে।




Sitting(L-R) : Mr. Abdul Washi, Late Abdul Majid, Mr. Komoruzzaman Ahmed, Mr. Muhammad Abdul Harmine, Dr. Toufiqur Rahman Borbora, Late Safiullah Khonikar

Standing (L-R) : Mr. Mehmudur Rehman Bora, Mr. Imtiaz Ali, Mr. Hasibur Rahman, Mr. Salek Muhammad & Mr. Inamul Islam

## Executive Members of Al-Ameen Welfare Society (2017-2019)



Sitting (L-R) : Dr. T. R. Borbora, Syed H. Rahman, I. H. Hazarika, N. Haque, S. R. Saikia, Abdul Washi.

Standing (L-R) : P. A. Bora, I. Ali, I. Islam, Dr. T. Rahman, A. Raza, M. R. Bora, Ms. K. Begum, Ms. M. A. Rahman, Ms. M. B. Wasif.

Not in Photo : K. Z. Ahmed, M.A. Harmine, J. Harmine, H. Rahman

## Editorial Board of Al-Ameen Welfare Society Magazine



Sitting(L-R) : Ms. M. B. Wasif, A. Washi, N. Haque, S. R. Saikia.
Standing (L-R) : I. Islam, P. A. Bora, Dr. T. Rahman,




**Zakat Fund distribution to meritorious students and patients on 6th August, 2017 at Mother Ayesha English High School, Islampur, Guwahati**




**Awareness Programme on "Population Explosion, Backwardness of Muslims & Remedial Measures" at Noapara Islamic Study Centre on 13th January 2018.**



**Awareness Programme on "Population Explosion and Role of Islam In formation of an Ideal Society" at Sontali Anchalik College on 5th February, 2018**



**Relief Materials to distressed people at Hiloikhunda, Morigaon on 11th May, 2017**




**Relief Materials to Flood effected people of Satra Kanara, Barpeta on 23rd August 2017.**





*With best compliments from :*

**Niranjan Talukdar**
Manager

Cell: 98541-57789

# CAPITAL LODGE

**Harimandir Path, Near Down Town Hospital**
**Dispur, Guwahati-781006**
**Mobile: 97077-83515 / 98640-16642**

প্ৰীতি আৰু শুভেচ্ছাৰে -

পিতৃ-মাতৃৰ স্থান সকলোতকৈ উচ্চ। তাৰ পিছতেই শিক্ষকৰ। পিতৃ-মাতৃয়ে শাৰীৰিক মূৰব্বী আৰু শিক্ষক হ'ল মানসিক মূৰব্বী। শাৰীৰিক লালন-পালনৰ দায়িত্ব পিতৃ-মাতৃৰ আৰু দ্বীন আৰু চাৰিত্ৰীক নৈতিকতাৰ শিক্ষাৰ দায়িত্ব শিক্ষকৰ দৈহিক লালন-পালনৰ পিছত দ্বীনি আৰু আখলাকী (নৈতিক আৰু চাৰিত্ৰীক) শিক্ষাৰ পাল পৰে। অট্টালিকাৰ কাৰিকৰ যেনিবা পিতৃ-মাতৃ আৰু শিক্ষকে সেই নিৰ্মিত অট্টালিকাক শিল্প-কলা-কাৰুকাৰ্যৰে সজ্জিত কৰে। (তাৰগীব, তাৰহীব ও তিবৰাণী)

# PRAGJYOTISH ENGLSIH HIGH SCHOOL

## (Pragjyotish Group of Institution a Blended Banner of SEBA & CBSE Courses)

**1. SEBA : (Recognised upto Class X ) at**
**Dr. J. C. Das Road, Panbazar, Guwahati-1**
**(More than 80% students secure First Division every year)**
**2. CBSE School at Fatasil, Katabari, Guwahati-25**

**Hostel Facilities Available**

---

মিনহাজ টুৰচ এণ্ড ট্ৰেভেলচে আপোনালৈ আগবঢ়াইছে

## হজ, উমৰাহ আৰু জিয়াৰতৰ

কম সময়তে আৰু সুলভ যাত্ৰাৰ বাবে সহায়তা

MINHAZ
MINHAZ TOURS & TRAVELS

গুৱাহাটীৰ পৰা জিদ্দালৈ আৰু জিদ্দাৰ পৰা গুৱাহাটীলৈ যাত্ৰা সম্পন্ন কৰা হ'ব



জুলাই ২০১৯ বৰ্ষ (১৪৪০ হিজৰি)ৰ বাবে হজ যাত্ৰা

আকৰ্ষণীয় পেকেজ

অতি কম খৰছত হ'ব এই যাত্ৰা

জুলাই ২০১৯ হজ যাত্ৰা

অক্টোবৰ ২০১৮ ৰ পৰা
জুন ২০১৯ লৈকে প্ৰতিমাহে উমৰাহ যাত্ৰা

যোগাযোগ কৰক

মিনহাজ টুৰচ্ এণ্ড ট্ৰেভেলচ্
ঘৰ নং ১৯, ফখৰুদ্দিন আলি আহমেদ নগৰ
পাঞ্জাবাৰী ৰ'ড, ছয়মাইল, গুৱাহাটী - ২২
ফোন নং ৮১৩৫৮ ৪৮৮৮৫, ৮১৩৫৮ ৫২২২৮